
jagiroad college magazine

# জাগীৰোড মহাবিদ্যালয় আলোচনী



তত্ত্বাবধায়ক

ড° জিতা বৰুৱা

ড° হাবীবুৰ ৰহমান

ড° ধনদা কাকতি

সম্পাদকদ্বয়

কুসুম দেৱী (২০১৮-১৯)

দিব্যজ্যোতি ডেকা (২০১৯-২০)


BELT & COLO
GAON DISTRICT KARATE


Charity Activity
"Donation of Winter Cloths
and
Garments Among Needy People"
Under Unnat Bharat Abhiyan (UBA)
In collaboration
IQAC and Extension
ivity Cell
Jagiroad College at No.1 Madhupur Village
January, 2019




# জাগীৰোড মহাবিদ্যালয় আলোচনী

## ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষ

## Jagiroad College Magazine
## 2018-19 and 2019-20


সম্পাদকদ্বয়

কুসুম দেৱী (২০১৮-১৯)

দিব্যজ্যোতি ডেকা (২০১৯-২০)

তত্ত্বাৱধায়ক

ড° জিতা বৰুৱা

ড° হাবীবুৰ ৰহমান

ড° ধনদা কাকতি




'JAGIROAD COLLEGE MAGAZINE': Annual Magazine of Jagiroad College, Edited by K
Jyoti Deka and Published by Jagiroad College Students' Union, Jagiroad College, Moriga
Sessions 2018-19 & 2019-20, published in the session 2021-22

# জাগীৰোড মহাবিদ্যালয় আলোচনী

## ২০১৮-২০১৯ আৰু ২০১৯-২০২০ বৰ্ষ

## সম্পাদনা সমিতি

সভাপতি
ড° ভবেন চন্দ্ৰ নেওগ, অধ্যক্ষ

তত্বাৱধায়ক
ড° জিতা বৰুৱা
ড° হাবীবুৰ ৰহমান
ড° ধনদা কাকতি

সম্পাদক
কুসুম দেৱী (২০১৮-১৯)
দিব্যজ্যোতি ডেকা (২০১৯-২০)

সদস্য সকল
ড° পুৰোযোত্তম ভাণ্ডাৰী
ড° অঞ্জনা দত্ত বৰবৰুৱা
ইন্দ্ৰানী ভট্টাচাৰ্য
মানস প্ৰতীম নেওগ
ঝুমা বোস

বেটুপাতৰ ছবি
নাইনা দত্ত

বেটুপাত
মনজিৎ ৰাজখোৱা

লেখক-লেখিকাসকলৰ মতামতৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

Printed at : Shri Ganesh Printers,
Sankardev Market, Noonmati, Guwahati-781 020
Phone : 9707010889, 9101164461
E-mail : bhattacharyyapratul@gmail.com

# অশ্ৰু অঞ্জলি

যিসকল মহান ব্যক্তিৰ নিৰলস শ্ৰমৰ ফলত
উচ্চ শিক্ষাৰ কেন্দ্ৰ জাগীৰোড মহাবিদ্যালয় গঢ়ি উঠিল
সেই পুণ্যাত্মা সকললৈ
আৰু
জাগীৰোড মহাবিদ্যালয়ক প্ৰাণভৰি ভালপোৱা
জ্ঞাত-অজ্ঞাত মহান পুৰুষ সকললৈ
যাঁচিছো একাজলি হিয়াভৰা অশ্ৰু অঞ্জলি।

সম্পাদনা সমিতি

# অধ্যক্ষৰ একলম



## জীৱন জিনাৰ মন্ত্ৰ

কৃতকাৰ্যতা মানে নো কি? সফলতা আৰু কৃতকাৰ্যতা একেই নেকি? কৃতকাৰ্যৰ বিপৰীত শব্দ অকৃতকাৰ্য আৰু সফলতাৰ বিপৰীত শব্দ হৈছে অসফলতা।

কৃতকাৰ্য মানে হৈছে কাৰ্য সিদ্ধি হোৱা। অৰ্থাৎ কোনো এক নিৰ্দিষ্ট কাম বা আঁচনি হাতত লৈ যেতিয়া মনে বিচৰা ধৰণে বা আঁচনি মতে ইপ্সিত লক্ষ্যত উপনীত হ'ব পাৰি তেনেহ'লে উক্ত কৃতকাৰ্য হোৱা বুলি ধৰি লোৱা হয়। কিন্তু ইয়াতে মনলৈ অহা প্ৰশ্নটো হৈছে কামটোৰ শতাংশ হিচাপে সফলতাৰ হাৰ কিমান? অৰ্থাৎ কিমান শতাংশ সফল?

উদাহৰণ হিচাপে, এজন ধনুৰ্বিদ নাইবা এজন ৰাইফল শ্বুটাৰৰ লক্ষ্যস্থানত এক নিৰ্দিষ্ট দূৰত্বত এখন বৃত্তাকাৰ ঢাল বা লক্ষ্যস্থান থাকে যাৰ কেন্দ্ৰীয় অংশত থকা গোলাকাৰ ৰঙীন অংশত একেবাৰে কেন্দ্ৰত থকা বিন্দুক লক্ষ্য কৰি তীৰ নাইবা ট্ৰিগাৰ টিপিব লাগে। যদি পোনে পোনে গৈ একেবাৰেই কেন্দ্ৰবিন্দুত আঘাত কৰিব পাৰে তেনেহ'লে সফলতাৰ হাৰ এশ শতাংশ। আৰু যদি একেবাৰে কেন্দ্ৰত আঘাত কৰিব নোৱাৰে কিন্তু অলপ ওচৰে পাজৰে আঘাত হয় তেনেহ'লে সফলতাৰ হাৰ এশ শতাংশ নহয় গৈ। এশ শতাংশ নহ'ল মানে বিফল নেকি? অৰ্থাৎ কিমান সফল বা কিমান বিফল?

আচলতে সফলতা এটা তুলনামূলক ধাৰণা। এই যে একেবাৰে কেন্দ্ৰবিন্দুত যিজনে আঘাত কৰিলে তেওঁ এশ শতাংশ সফল? এবাৰ এশ শতাংশ সফল হোৱা ব্যক্তিজন পুনৰ একেই পৰীক্ষাত এশ শতাংশ সফল হ'বলৈ সক্ষম হয় নে? প্ৰতিবাৰতে এশ শতাংশ সফল হোৱা ব্যক্তি অতি নগন্য, এওঁলোকক জিনিয়াছ বা অকল্পনীয় মেধা সম্পন্ন লোক হিচাপে অভিহিত কৰা হয়। কিন্তু জীৱনৰ সৰ্বদিশত সফলতা লাভ কৰিব পৰা ব্যক্তি আজিলৈকে জন্ম হোৱা নাই। আনহাতে নিজৰ প্ৰচণ্ড ইচ্ছা শক্তি, উদ্যম আৰু যত্নৰ ফলত সাধাৰণ একোজন ব্যক্তিয়ে নিজক সফল ব্যক্তি ৰূপে প্ৰতিষ্ঠিত কৰি তুলিব পাৰে। আমি সচৰাচৰ পাই থকা সফল ব্যক্তি সকল এই শ্ৰেণীৰ অন্তৰ্ভুক্ত?

আমাৰ জীৱনটোৰ বিভিন্ন সময়ত কৰা কামবোৰো শতাংশৰ তুলনাৰেহে সফলতাৰ তুলাচনীত উঠে। এই তুলনামূলক ব্যৱস্থাটোৰ প্ৰভাৱ বিভিন্ন জনৰ ক্ষেত্ৰত ভিন্ন হোৱা দেখা যায়। সফলতাৰ শীৰ্ষত থকা কেইজন যেনেকৈ আনন্দত আহ্লাদিত হৈ পৰে ঠিক বিপৰীতে নিজ স্থানত থকা কেইজনক হতাশাই আগুৰি ধৰে। নিজৰ তুলনামূলক অসফলতাৰ ভাৰ ব'ব নোৱাৰি নিজক শেষ কৰাৰ পণ লৈ পৃথিৱীৰ পৰা পলায়ন কৰে। কিন্তু তেনে চূড়ান্ত সিদ্ধান্ত লোৱাৰ আগতে এবাৰো ভাবি নাচায় যে জীৱনটো নিচেই চমু নহয়। তদুপৰি এটা মাথো অসফলতা জীৱনৰ ইতিৰেখা হ'ব নোৱাৰে। কোনো কামত সফল হ'বলৈ বাৰে বাৰে চেষ্টা কৰাৰ মানসিকতা গঢ়ি তুলিব পাৰিলে আৰু তাৰ বাবে দৃঢ়তাৰে কৰ্মত অগ্ৰসৰ হ'ব পাৰিলে সফলতা নিশ্চিত। অন্ততে সফলতা প্ৰাপ্তি হয়। সেয়েহে জীৱন জিনাৰ মন্ত্ৰ এইয়ে -কোনো কামত সফল হোৱাৰ বাবে দীৰ্ঘ প্ৰস্তুতিৰে প্ৰণালীবদ্ধ ভাৱে কৰ্মত অগ্ৰসৰ হ'বলৈ প্ৰস্তুতি চলোৱা, ইয়াৰ বিকল্প নাই।

অধ্যক্ষ

**জাগীৰোড মহাবিদ্যালয়**

# কৃতজ্ঞতা স্বীকাৰ

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত
মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়,
আলোচনীখনৰ তত্ত্বাৱধায়কসকল,
সম্পাদনা সমিতিৰ সদস্যসকল,
আমাক প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে সহায় কৰা শিক্ষাগুৰুসকল
মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াসকল,
লেখক -লেখিকাসকল, বেটুপাতৰ শিল্পীকে ধৰি
প্ৰেছৰ সমূহ কৰ্মকৰ্তালৈ
আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ।

**সম্পাদকদ্বয়**

# তত্বাৱধায়কৰ একাষাৰ

বিশ্বায়ন আৰু তথ্য প্ৰযুক্তিৰ দ্ৰুত সম্প্ৰসাৰণৰ ধাম-খুমীয়াত ভাৰতবৰ্ষৰ দৰে তৃতীয় বিশ্বৰ দেশ সমূহতো যুৱ সমাজ দৃশ্যমান মাধ্যমৰ প্ৰতি অধিক আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে। ফলত পঠন আৰু লিখনৰ প্ৰতি অধিকাংশ ছাত্ৰ-ছত্ৰীৰ আগ্ৰহ ক্ৰমান্বয়ে কমি যোৱাটো এটা উদ্বেগৰ বিষয়।

বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো পূৰ্বতে বৰ্ত্তি থকা লিখনিৰ পৰম্পৰাত ব্যাঘাত জন্মিছে। এই প্ৰেক্ষাপটত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো অনুৰূপ প্ৰভাৱ পৰাটো স্বাভাৱিক। সোঁতৰ প্ৰতিকূলে গৈ লোৱা যিকোনো প্ৰচেষ্টাই নিশ্চয় প্ৰসংশনীয়। আমাক ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ মহাবিদ্যালয় আলোচনী বিভাগৰ যুটীয়া তত্বাৰধায়কৰ দায়িত্ব অৰ্পন কৰা হৈছিল। সম্পাদক আৰু অধ্যক্ষ মহোদয়ৰ নিৰৱছিন্ন প্ৰচেষ্টাত আলোচনীখনে দেৰিকৈ হ'লেও প্ৰকাশৰ পথত অগ্ৰসৰ হৈছিল যদিও কভিড অতিমাৰীৰ আগ্ৰাসনৰ বাবে সেয়া ৰুদ্ধ হৈ পৰে। অৱশেষত অধ্যক্ষ মহোদয়ৰ ঐকান্তিক উদ্যোগ আৰু অন্যান্য শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত মহাবিদ্যালয় আলোচনী খন প্ৰকাশৰ বাবে সাজু হয়।

তত্বাবধায়ক হিচাপে আমাৰ সাৰ্থকতাৰ বিষয়টো পঢুৱৈ সমাজৰ বিচাৰ্য। আলোচনীখনলৈ বিভিন্ন লেখা দি উৎসাহিত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী সমন্বিয়ে ইয়াৰ লগত জড়িত সকলো কৰ্মকৰ্তালৈ আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত আলোচনীখনত ৰৈ যোৱা অনাকাঙ্খিত ভুল-ত্ৰুটিৰ বাবে পঢুৱৈ সমাজৰ ওচৰত ক্ষমা ভিক্ষা কৰিলোঁ।

ড° হাবীবুৰ ৰহমান
ড° জিতা বৰুৱা
ড° ধনদা কাকতি

# মহাবিদ্যালয় সংগীত

স্বাগতম্ স্বাগতম্ স্বাগতম্
কলং কপিলী কিলিং
এই ত্ৰিবেণীতে

আঁহা আজি সবে মিলি
বোটলোঁ জ্ঞানৰ মুকুতা
বিনাশো এন্ধাৰ কালিমা

আমাৰ যাত্ৰাৰ শেষ নাই
দুৰ্বাৰ যাত্ৰা
জ্ঞান সুৰুযৰ জ্যোতিত আমাৰ
জিলিকে আশা
ডঙ্কা বজোৱা আকাশ নিনাদি
শঙ্কা নাশা
আ.............................
ৰিক্ত পৃথিৱী সিক্ত কৰো
নতুন দিনক দুহাতে আদৰো
হাততে মিলাওঁ হাত, হিয়াতে মিলাওঁ হিয়া
যি আছে বন্ধু, বিলাই দুহাতে দিয়া
স্বাগতম্ স্বাগতম্ স্বাগতম্ স্বাগতম্

পাহাৰৰ চূড়া জিলিকে শ্যামল
পৰিলে তাতে সোণালী কিৰণ
সৃষ্টি সমল লওঁ তাৰে পৰা
উজ্বলাওঁ ইখনি এন্ধাৰ ধৰা
স্বাগতম্ স্বাগতম্ স্বাগতম্ স্বাগতম্।

ৰচনা ঃ মহেন্দ্ৰ আহোম
সুৰকাৰ ঃ পবন চন্দ্ৰ গগৈ



# সম্পাদকীয়...

শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায়। শিক্ষাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে, পৰিচালনা কৰে আৰু ভৱিষ্যতৰ গতি নিৰ্ধাৰণ কৰে। এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে দেশখনৰ শিক্ষা ব্যৱস্থাৰ ওপৰত। মানুহৰ আচৰণ আৰু প্ৰবৃত্তি সমূহ যিমানখিনি পাৰি সংশোধন কৰি মানুহক এটি বিশেষ জীৱ হিচাপে পৰিগণিত কৰাটোৱেই শিক্ষাৰ উদ্দেশ্য। সেই শিক্ষা ব্যৱস্থাৰ লগতে বিশেষভাৱে গুৰুত্বপূৰ্ণ অংশ হৈছে মহিলা সকলৰ শিক্ষা। মহিলা সকলৰ শিক্ষাৰ ওপৰত দেশখনৰ আভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে। মহিলাসকল শিক্ষিত হ'লেহে তেওঁলোকৰ মাধ্যমেৰে সমাজৰ আন গোষ্ঠী লৈ শিক্ষা সম্প্ৰসাৰিত হ'ব। মাতৃ হ'ল শিশুসকলৰ প্ৰথম শিক্ষয়িত্ৰী। জন্মৰ পৰা বিদ্যালয়লৈ যোৱা সময়খিনিলৈ শিশুৰ বিকাশ ক্ষেত্ৰত এগৰাকী মাকৰ ভূমিকা গুৰুত্বপূৰ্ণ। মাতৃয়ে আদৰ্শৰ প্ৰতীক ৰূপে শিশুৰ মনত ধৰা দিয়ে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল শিশু শিক্ষাৰ সমস্যা সমাধান কৰিবলৈ হ'লে নাৰী সমস্যা দূৰ কৰিব লাগিব।

মহিলাসকল সমাজৰ এক অবিচ্ছেদ্য অংগ। পুৰুষে যেনেকৈ সমাজৰ বিকাশত অৰিহণা যোগায়। তেনেকৈয়ে মহিলাসকলেও সমাজৰ বিকাশত অৰিহণা যোগায়। মহিলাসকল শিক্ষিত হ'লে তেওঁলোকে তেওঁলোকৰ শিশুসকলক শিক্ষিত কৰিব, পুৰণি বা অতীতৰ সমাজত নাৰীসকলক শিক্ষাৰ পৰা বঞ্চিত কৰাই ৰাখিছিল। তেওঁলোকক সকলো দিশতে আগবাঢ়ি যাবলৈ দিয়া হোৱা নাছিল। যাৰ ফলত তেওঁলোকে সকলো দিশতে পিছপৰি ৰৈ যাবলগীয়া হৈছিল। সাম্প্ৰতিক দিনত নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে যদিও এতিয়া কিছু কিছু অঞ্চল পুৰুষ আৰু নাৰীৰ মাজত এক ব্যৱধান চলি আছে। সেই পিছপৰা অঞ্চলৰ মানুহখিনিয়ে নাৰীক কেৱল ঘৰখন ধৰি ৰখা নিজা সন্তানক যত্ন লোৱা আদিৰেই সীমাবদ্ধ কৰি ৰাখিছে।

বৰ্তমান আমাৰ সমাজত নাৰী শিক্ষাই প্ৰাধান্য পাইছে। আজিৰ নাৰীসকলে শিক্ষাৰ জগততেই সীমাবদ্ধ নাথাকি বিভিন্ন দিশত ক্ৰীড়া জগতৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক জগতলৈ পুৰুষৰ সমানে সমানে খোজত খোজ মিলাই আগবাঢ়ি যাবলৈ সক্ষম হৈছে।

আলোচনী হৈছে এখন বিদ্যালয় দাপোন। য'ত ছাত্ৰ-ছাত্ৰী সকলে নিজৰ নিজৰ লিখনিৰ দ্বাৰা তেওঁলোকে নিজৰ প্ৰতিভা সমূহ প্ৰকাশ কৰে। জাগীৰোড

মহাবিদ্যালয়ৰ আলোচনীৰ এই সংস্কৰণটি সকলোৰে হাতত তুলি দিবলৈ সক্ষম হোৱাৰ প্ৰাক ক্ষণত মোক সৰ্বতোভাৱে সহায়-সহযোগিতা আগবঢ়োৱা সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ অহোপুৰুষাৰ্থ বলতে আলোচনীখন প্ৰস্তুত কৰিবলৈ সক্ষম হ'লো। এই আলোচনী খন সফল হোৱাৰ মূলতে বহুতৰেই নাম ল'ব লাগিব। এনে এখনি আলোচনীৰ সম্পাদিকাৰ দায়িত্ব আমাক প্ৰদান কৰাৰ বাবে প্ৰথমে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা দা-বাইদেউ লগতে মোৰ বন্ধু-বান্ধৱীসকললৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা যাঁচিলো। তেওঁলোকক কৃতজ্ঞতা নজনালে মোক দোষে চুব। আলোচনীখনৰ প্ৰকাশৰ দিশত মোক দিহা পৰামৰ্শ দিয়াৰ লগতে আলোচনীখনৰ সকলো দিশ চাই-চিতি দিয়া, ভুলবোৰ সংশোধন কৰি দিয়া আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা যাঁচিলো আৰু তেওঁলোকৰ ওচৰত চিৰঋণী হৈ ৰ'লো। আলোচনীখনৰ প্ৰকাশৰ দিশত বিশেষ প্ৰেৰণা আৰু উৎসাহ দিয়া আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়— ড° ভৱেন চন্দ্ৰ নেওগ ছাৰলৈকে কৃতজ্ঞতা আগবঢ়ালো। এই আলোচনীখন প্ৰস্তুত কৰোতে হয়তো বহুতো ত্ৰুটি বিচ্যুতি হ'ব পাৰে তাৰ বাবেও ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো।

জয়তু জাগীৰোড মহাবিদ্যালয়।।

**কুসুম দেৱী**
সম্পাদিকা, আলোচনী বিভাগ

**সোণসেৰীয়া কথা**

যদি তুমি কষ্ট নোপোৱা তুমি সাহসী হ'ব নোৱাৰা। যদি তুমি ভুল নকৰা একো শিকিব নোৱাৰা। যদি তুমি বিফলতাক লগ পোৱা নাই তেন্তে তুমি সফলতাক কেতিয়াও লগ নোপোৱা। যদি তুমি কাৰোবাক প্ৰৱঞ্চনা কৰাত সফল হৈছা তেন্তে নেভাবিবা সেইজন মুৰ্খ। অনুশোচনা হোৱা উচিত তেওঁ এজন মানুহক বিশ্বাস কৰিছিল যি বিশ্বাসৰ যোগ্য নাছিল।

# সূচীপত্ৰ

## প্ৰবন্ধৰ শৰাই


- শিক্ষা প্ৰদান-গ্ৰহণ ঃ কৰ'ণা সৃষ্ট কালত বিকল্প চিন্তা ▶▶ ড° ভবেন চন্দ্ৰ নেওগ # ১৫
- ছাত্ৰ আৰু ৰাজনীতি ▶▶ ৰেখা দেৱী # ২০
- ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ নাৰীৰ ভূমিকা ▶▶ নিকিতা শৰ্মা # ২২
- বিষ্ণুদের কবিতা ঃ ৰবীন্দ্ৰ বিৰোধ ও ৰবীন্দ্ৰ বৰণ ▶▶ ইন্দ্ৰাণী ভট্টাচাৰ্য # ২৫
- সৌৰজগতৰ ভ্ৰমণ ▶▶ নৱজ্যোতি নাথ # ২৮
- লোকসংস্কৃতিৰ বাহক দেওধনী নৃত্য ▶▶ জাহ্নুপ্ৰাণ মহন্ত # ৩০
- সামাজিক অনুষ্ঠান ঃ এক মিলনৰ অনুষ্ঠান ▶▶ অংকিতা দাস # ৩২
- অসমীয়া সংস্কৃতিৰ বিভিন্ন প্ৰতীক ঃ এটি অধ্যয়ন ▶▶ নিবেদিতা ডেকা # ৩৪
- শিক্ষাৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ ▶▶ কবিতা কোঁৱৰ # ৩৭
- মৰিগাঁও জিলাৰ বিখ্যাত এক সমন্বয়ৰ মেলাঃ জোনবিল মেলা ▶▶ বিভা বৰা # ৩৮
- গ্ৰন্থ, গ্ৰন্থাগাৰ আৰু গ্ৰন্থমেল ▶▶ ৰেখাস্মিতা শৰ্ম্মা # ৪০
- বুৰঞ্জীৰ পাতত মধ্য অসমৰ তিৱাসকল ▶▶ মুংছা ত্ৰৈলোক্য দাৰফাং # ৪৫
- ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্মকথা ▶▶ জাহ্নু প্ৰাণ মহন্ত # ৪৭
- হেঁপাহৰ ফাগুন ▶▶ বিকাশ জ্যোতি শইকীয়া # ৪৮
- আদৰ্শ ছাত্ৰৰ কৰণীয় ▶▶ ঋণামঞ্জুৰী দেৱী # ৫০
- অনাথ আশ্ৰম ▶▶ গীতাঞ্জলী লস্কৰ # ৫৩
- লকডাউন এবং প্ৰকৃতি ▶▶ বিশ্বজিৎ মণ্ডল # ৫৪


## কবিতা


- হেঁপাহ ▶▶ জীমণি স্বৰ্গীয়াৰী # ৫৭
- অসম্পূৰ্ণ কবিতা ▶▶ বিপুল পাটৰ # ৫৭
- সন্ত্ৰাস ▶▶ অচিন্ত্য কুমাৰ কেওঁট # ৫৮
- নদীখনৰ সপক্ষে ▶▶ ৰঞ্জুগগৈ চুতীয়া # ৫৮
- বৰষুণ ▶▶ মনিষা ডেকা # ৫৯
- মই যান্ত্ৰিকতা ▶▶ চাব্ৰিন আহমেদ # ৫৯
- প্ৰশ্ন ▶▶ হিলটন কুমাৰ বৰা # ৫৯
- শিক্ষা ▶▶ কবিতা পাটৰ # ৬০
- আধৰুৱা ▶▶ হিমাদ্ৰী ডেকা # ৬০
- অনুভূতি ▶▶ ৰেখা দেৱী # ৬০
- জীৱনৰ পথৰ সন্ধান ▶▶ ৰুবেদিনা আখতাৰা # ৬১
- জীৱন ▶▶ হিমাদ্ৰী ডেকা # ৬১
- মৃত্যু এক শিল্প ▶▶ অবিনাশ দত্ত # ৬২
- ককাইদেউলৈ চিঠি ▶▶ প্ৰতিভা খলাৰ # ৬৩

- আন্ধাৰময় পৃথিৱীত শান্তি বিচাৰি ▶▶ ৰেখা দেৱী # ৬৪
- মই তুমি নহয় ▶▶ মিনাক্ষী মণ্ডল # ৬৪
- সৰা পাত ▶▶ বৰ্ষাৰাণী বৰা # ৬৪
- মোৰ কল্পনা ▶▶ মামুন দাস # ৬৫
- ধন ▶▶ পূজা দাস # ৬৫
- অভিশপ্ত সন্ধিয়া ▶▶ মিচ লিজুমণি বৰা # ৬৬
- মা ▶▶ বিভা বৰা # ৬৭
- নাৰী ▶▶ ৰেখা মণি ডেকা # ৬৭
- মৃত্যুদূত ক'ৰনা ▶▶ দীক্ষাশ্ৰী ডেকা # ৬৭
- বন্ধুত্ব ▶▶ মুনমী তামুলী # ৬৮
- বনজুই ▶▶ মুনমী তামুলী # ৬৮
- দেউতা ▶▶ ৰূপজ্যোতি কোঁৱৰ # ৬৯
- শিক্ষাই জীৱন ▶▶ কচিৰণ নেছা # ৬৯
- জীৱন ▶▶ প্ৰিয়ুৰাজ বৰদলৈ # ৭০
- কিনো হ'ব আজি বিলৈ ▶▶ ভৈৰৱী দলৈ # ৭০
- অভিনৱ ▶▶ বিস্মৃতা বৈশ্য # ৭০
- দেউতা ▶▶ দীপশিখা বৰদলৈ # ৭১
- এটি শীতল নিশাৰ অনুভৱ...... ▶▶ বনস্মিতা শইকীয়া # ৭১
- সীতাজখলা ▶▶ দীপক ৰাজভৰ # ৭২
- সাজু হ, ডেকা ▶▶ নয়ন মণি নাথ # ৭৩
- অপেক্ষা ▶▶ পৰী বৰদলৈ # ৭৪
- চিএঁৰ ▶▶ সুস্মিতা বৰা # ৭৪
- আমাৰ শিক্ষা গুৰু ▶▶ নিতু বিশ্বাস # ৭৫
- আইৰ অসুখ ▶▶ ড° লভিতা শৰ্মা # ৭৫
- বন্ধু ▶▶ ইফ্‌টিনম ৰহমান # ৭৫
- জীৱনৰ গতি ▶▶ জুবাইৰ আলম # ৭৬
- ত্ৰিক্ৰন্দন ▶▶ দিবাকৰ ডেকা # ৭৬
- কোনে কি কয় ▶▶ দীপশিখা বৰদলৈ # ৭৭
- জীৱনৰ অনুভৱ ▶▶ ভায়লিনা কলিতা # ৭৭
- যাত্ৰা ▶▶ জ্যোতিময় মহন্ত # ৭৭
- এইখন পৃথিৱীতে ▶▶ ওৱাজিম আক্ৰাম # ৭৮


## গল্প


- ৰহস্য ▶▶ আকাশ দাস # ৮১
- অমানিশাৰ ডাৱৰ ▶▶ পিংকুমণি ডেকা # ৮৩
- অনুতাপ ▶▶ শিউলী দাস # ৮৬
- নোপোৱাৰ বেদনা ▶▶ বৰষা বৰদলৈ # ৮৮
- গুৰুদক্ষিণা ▶▶ আচাদ উদ্দিন # ৯১
- সংঘাত ▶▶ তৃষ্ণ ৰয় # ৯৪
- বীণা এজনী ধৰ্ষিতা ছোৱালী ▶▶ বিপুল বৰদলৈ # ৯৬


## ৰোমন্থন


- বকুলৰ সুবাস ▶▶ ৰুজী মুদৈ # ১০১
- সফলতাৰ ৰেঙনি ▶▶ বিজিত কুমাৰ দাস # ১০৪
- এজাক সপোন পিয়াসী চৰাই আৰু জাগীৰোড মহাবিদ্যালয় ▶▶ প্ৰিয়ংকা কলিতা # ১০৭
- সোণালী শৈশৱ ▶▶ দিব্যজ্যোতি ডেকা # ১০৯


## বড়ো কবিতা শিতান


- इसोरनि महर ▶▶ Rupam Baglary # ११५
- गोजोननाय ▶▶ Raisumai Daimary # ११५
- खोमसिआव गंसे साखि ▶▶ Anupam Baglary # ११६
- मंजिल ▶▶ Purnima Bora # ११६
- बिबार ▶▶ मुं: नबनिता बसुमनारी # ११७
- मिथिसहाला ▶▶ थराइना नन्दिता ब्रह्म # ११७
- जिदँगी ▶▶ Khusboo Kumari Gupta # ११८
- न रहे मौन ▶▶ रैसुम दैमारि # ११९
- मुर्गे की अकल ठिकाने # १२०


## ভ্ৰমণ কাহিনী


- USTM লৈ যাত্ৰা ▶▶ তৃষ্ণ ৰয় # ১২৩
- গোৱালপাৰাৰ শ্ৰী সূৰ্য পাহাৰলৈ এটি শিক্ষামূলক ভ্ৰমণ ▶▶ নিকিতা শৰ্মা # ১২৫


## English Section


- Privatisation ▶▶ Bapukan Hatari # ১২৯
- Impact of covid-19 on students ▶▶ Rica Bhowmick # ১৩২
- Types of thinking ▶▶ Bijit Chakrabarty # ১৩৪
- The way of Darkness ▶▶ Anupam Baglary # ১৩৫

- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ▶▶ # ১৩৭
- সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন ▶▶ # ১৩৯

# প্ৰবন্ধৰ শৰাই

# প্ৰবন্ধৰ শৰাই

- আমাক সেই শিক্ষা লাগে যাৰ দ্বাৰা চৰিত্ৰ গঠন হয়, মানসিক শক্তি বাঢ়ে, মেধা বৃদ্ধি পায় আৰু মানুহে নিজৰ ভৰিত থিয় দিব পাৰে।

  **— স্বামী বিবেকানন্দ।**

- গ্ৰন্থৰ জন্ম মানে প্ৰকৃত হৃদয়ৰ জন্ম। সেই হৃদয়ত পোৱা যায় ঘৃণাৰ সলনি প্ৰেম, অবিশ্বাৰ সলনি বিশ্বাস আৰু ধ্বংসৰ সলনি সৃষ্টিৰ মাদকতাৰ তান। সৃষ্টিত থাকে আনন্দ সেই আনন্দই হৃদয় কৰে পৱিত্ৰ।

  **— ড° বসন্ত কুমাৰ ভট্টাচাৰ্য।**

# শিক্ষা প্ৰদান-গ্ৰহণ ঃ

## কৰ'ণা সৃষ্টি কালত বিকল্প চিন্তা

**ড° ভবেন চন্দ্ৰ নেওগ,** অধ্যক্ষ,
জাগীৰোড মহাবিদ্যালয়, জাগীৰোড

### খণ্ড -১

**পাতনি ঃ** প্ৰযুক্তিৰ সহায়ত বিজ্ঞানাগাৰত কৃত্ৰিম জীৱ সৃষ্টিৰ উপৰিও ভূপৃষ্ঠ, সাগৰতলী আৰু মহাকাশত পূৰ্ণ বিচৰণেৰে চৌদিশে দপদপাই বিজ্ঞান প্ৰযুক্তিৰ জয়ধ্বজা উৰুৱাই থকাৰ সময়তে 'নভেল কৰ'ণা ভাইৰাছ' নামৰ এটি মাত্ৰ অৰ্ধজীৱৰ শক্তি কিমান তাক উমান লোৱাৰ এক বিৰল দৃষ্টান্তমূলক অভিজ্ঞতা ২০২০ চনৰ প্ৰাকক্ষণৰ পৰা আজিলৈকে সমগ্ৰ মানৱ জাতিয়ে লাভ কৰি আহিছে। মৰণাস্ত্ৰ প্ৰস্তুত বা সংগ্ৰহেৰে উন্নত দেশবোৰৰ লগতে উন্নয়ণশীল দেশবোৰেও নিজৰ শক্তি সঞ্চয় কৰিবলৈ প্ৰচেষ্টা চলাই থকাৰ লগতে বিজ্ঞান-প্ৰযুক্তিলব্ধ সুবিধাবোৰ লৈ লৈ প্ৰকৃতিলৈ পিঠি দি আমি সকলোৱে বুৰ গৈ থকাৰ সময়তে এনে এটা সন্ধিক্ষণত আহি উপস্থিতি হ'লোহি যে কোনেও কাকো চাব-চুব নোৱাৰা অৱস্থা হৈ পৰিল। মুখা-মুখিকৈ বাৰ্তা বিনিময়ৰ সময়তো আমি আমাৰ মুখ মণ্ডলক মুখ-বন্ধনিৰে ঢাকি লৈ নিয়ন্ত্ৰণ কৰিবলগীয়া অৱস্থা আহি পৰিল।

বিশ্বৰ গৰিষ্ঠ সংখ্যক দেশেই অভূতপূৰ্বভাবে আৱদ্ধকৰণ বা লকডাউনৰ দৰে গণবিচ্ছিন্ন হৈ থাকিব লগীয়া দিন আহি পৰিল। এনে দিন আহিব পাৰে বুলি আমি কোনেও কস্মিন কালেও ভাবিব পৰা নাছিলো। সংক্ৰমণৰ পৰা হাত সাৰিবলৈ সামাজিক ব্যৱধান মানি চলা, মুখবন্ধনী লগাই ৰখা আৰু হাত বীজাণু মুক্ত কৰি ৰাখিবলৈ চেনিটাইজাৰ লগত ৰখাটো অতি জৰুৰী হৈ পৰিল। বৰ্তমানলৈকে দেখাপোৱা অৱস্থালৈ লক্ষ্য কৰিলে অন্ততঃ কিছুদিনলৈ এনেদৰেই যে অত্যন্ত সাৱধানেৰে নিৰ্দিষ্ট নিয়ম মানি চলি থাকিব লাগিব এইটো প্ৰায় খাটাং। কিমান দিন সঠিক কৈ ক'ব নোৱাৰি যদিও ইতিমধ্যে পাৰহৈ যোৱা দিনবোৰক ধৰিলে আৰু অন্ততঃ ছয় মাহৰ পৰা ভেকচিন নোলোৱা পৰ্যন্ত যে থাকিব লাগিব সেইটো প্ৰায় নিশ্চিত। আৰু ভেকচিন যে সোনকালে বজাৰলৈ আহিব তাৰ কোনো নিশ্চয়তা নাই। এই লিখা প্ৰস্তুত কৰি থকাৰ

সময়ত লকডাউন-৪ চলি আছে, যাৰ ফলত ভাৰতবৰ্ষত এতিয়ালৈকে সংক্ৰমণ বিশ্বৰ তুলনাত যথেষ্ট নিয়ন্ত্ৰিত অৱস্থাত আছে আৰু মৃত্যুৰ হাৰ আন্তজাৰ্তিক হাৰৰ তুলনাত বহু পৰিমাণে কম কৰি ৰাখিবলৈ সক্ষম হোৱাৰ বাবে সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰ সৰ্বত্ৰে প্ৰশংসিত হৈছে। আমাৰ ৰাজ্যখনৰ ক্ষেত্ৰটো মাননীয় মুখ্যমন্ত্ৰী আৰু বিশেষকৈ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰত্যক্ষ তৎপৰতাত ৰাজ্যবাসীয়ে আশ্বস্ত হৈ আছে।

আনহাতে আন এটা কথাও অপ্ৰিয়ভাৱে সত্য যে বেছি দীঘলীয়াকৈ দিয়া লকডাউনৰ ফলত অৰ্থনীতিৰ বিপৰ্যয় ঘটিব আৰু সমাজত সম্প্ৰীতি বিনষ্ট হ'ব। আৰু প্ৰত্যাশিত ভাবেই অভাৱ অনাটনে দুৰ্ভিক্ষ নমাই আনিব আৰু অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি হ'বগৈ। গতিকে পৰিৱেশ পৰিস্থিতি চাই সোনকালে সামগ্ৰিক লকডাউনৰ বিকল্প চৰকাৰৰ তৰফৰ পৰা নিশ্চিত ভাবে ল'ব লাগিব। ইফালে লক-ডাউন হঠাতে সম্পূৰ্ণভাবে উঠাই দিলেও এতিয়ালৈকে নিয়ন্ত্ৰণত থকা পৰিৱেশ নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈ মাৰাত্মক ক'ভিড-১৯ ৰোগ সংক্ৰমণ প্ৰতিৰোধী সংগ্ৰামৰ শ্ৰম পণ্ড হৈ বুমেৰাং হ'বগৈ পাৰে। গতিকে অতি সৰ্তকতা অবলম্বন কৰি আমি কৰ'ণাৰ লগত সহৰস্থানৰ অভ্যাস কৰিবলৈ মানসিকভাৱে সাজু হ'ব লাগিব।

নভেল কৰ'ণা ভাইৰাছে হঠাতে আৰু অভাৱনীয়ভাৱে লৈ অনা এই পৰিৱেশে আমাক বহু কথাই শিকাইছে। এইবোৰ কথাৰ ভিতৰত প্ৰথম আৰু প্ৰধান কথাটোৱেই হৈছে জীৱনৰ সংশয় বা মৃত্যু ভয়। ব্যক্তিগত, পৰিয়াল কিম্বা সমাজ, সকলোৰে বাবে একোজন মানুহৰ জীৱন অতি গুৰুত্বপূৰ্ণ।

আমাৰ সমাজলৈ বা ব্যক্তিগত জীৱনলৈ সংশয় লৈ আহিব পৰা গুৰুতৰ সমস্যা দুই ধৰণে আহিব পাৰে। প্ৰথম সমস্যা আহে প্ৰকৃতিৰ পৰা। সৌৰজগতত আমাৰ পৃথিৱীখনৰ অৱস্থিতি আৰু গোলাকটোৰ গাঁঠনিগত ব্যৱস্থাৰ বাবে তথা প্ৰাকৃতিক আৰু ভৌগোলিক পৰিবেশৰ বিভিন্ন স্বাভাৱিক বা অস্বাভাৱিক পৰিক্ৰমাৰ ফলত কিছুমান গতানুগতিক পৰিঘটনাৰ প্ৰভাৱ ধ্বংসাত্মক হ'ব পাৰে। আনহাতে অ-প্ৰাকৃতিক বা কৃত্ৰিমভাৱেও এনে গুৰুতৰ সমস্যা আহিব পাৰে। এই দুই প্ৰকাৰৰ গুৰুতৰ সমস্যাই মাজে সময়ে পৃথিৱীলৈ বিশেষকৈ প্ৰাণীজগতলৈ আগতেও দুৰ্যোগ কঢ়িয়াই লৈ আহিছিল, এতিয়াও আহি আছে আৰু ভৱিষ্যতলৈও যে নিশ্চিত ভাবেই আহি থাকিব সেয়া ধ্ৰুৱপ।

প্ৰথমবিধ অৰ্থাৎ প্ৰাকৃতিক দুৰ্যোগ মানৱ সভ্যতাৰ আজন্ম লগৰী। যুগে যুগে সভ্যতাই ভূমিকম্প, বানপানী, খৰাং, ধুমুহা, বজ্ৰপাত, বনজুই, চুনামি আদি প্ৰাকৃতিক দুৰ্যোগৰ লগত সহাৰস্থান কৰি আহিব লগা হৈছে। আনহাতে দ্বিতীয়াবিধ দুৰ্যোগ মানে কৃত্ৰিম দুৰ্যোগৰ লগত পৃথিৱীৰ গৰিষ্ঠ সংখ্যক মানুহৰ বিশেষকৈ সত্তৰ দশকৰ পিছৰ প্ৰজন্মই প্ৰত্যক্ষভাৱে বৰ বেছি পৰিচিত হোৱা নাই।

এই কৃত্ৰিম দুৰ্যোগ সমূহৰ ভিতৰত দুখন বিশ্বযুদ্ধৰ বিভীষিকাময় দিনবোৰ, চীন, ব্ৰাজিলৰ নদী বান্ধ ভাঙি হোৱা ভয়াবহ দুৰ্যোগ, ভূপালৰ ইউনিয়ন কাৰ্বাইডৰ গেছ দুৰ্ঘটনা, চুনামিৰ ফলত হোৱা দুৰ্ঘটনা, উনৈশ শতিকাৰ ভাৰতত হোৱা কলেৰা বা হাইজা মহামাৰী আদিকে ধৰি বিশ্বত হোৱা অলেখ মহামাৰী আৰু শেহতীয়াকৈ সমগ্ৰ বিশ্বজুৰি হোৱা কাভিড-১৯ অতিমাৰী আদিয়েই প্ৰধান। ইয়াৰে কিছুমান দুৰ্যোগ সীমিত পৰিসৰত হোৱাৰ বিপৰীতে কিছুমান ব্যাপক পৰিসৰত ব্যাপ্ত হৈ দীৰ্ঘ কালৰ বাবে দৈনন্দিন জীৱনৰ গতিত স্থবিৰতা আনিবলৈ সক্ষম হয়গৈ।

## খণ্ড-২

পৰিস্থিতিৰ পৰ্যবেক্ষণ আমাৰ এই লেখাটোৰ উদ্দেশ্য এইবোৰক বিশ্লেষণ কৰিবলৈ নহয়। বিগত ওঠৰ বছৰৰো প্ৰত্যক্ষ শিক্ষকতা আৰু আঠ বছৰৰো অধিক মহাবিদ্যালয়ৰ অধ্যক্ষৰ অভিজ্ঞতাৰে উচ্চ-শিক্ষা বিভাগৰ লগত প্ৰত্যক্ষ ভাবে জড়িত এজন ব্যক্তি হিচাপে বিভিন্ন প্ৰাকৃতিক বা কৃত্ৰিম দুৰ্যোগৰ সময়ত শিক্ষা ব্যৱস্থাটোক গতিশীল কৰি ৰখাৰ স্বাৰ্থত তথা ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক দিশটোক গুৰুত্ব প্ৰদান কৰি তেওঁলোকৰ ভৱিষ্যতৰ কথা চিন্তা কৰিহে এই লিখনি আগ বঢ়োৱা হৈছে।

আৰম্ভণিতে বৰ্তমানৰ পৰিবেশ পৰিস্থিতি আলোচনা কৰা উদ্দেশ্য হৈছে বিকল্প শিক্ষা প্ৰদান বা গ্ৰহণৰ চিন্তাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰাৰ প্ৰয়াস কৰা। আমি যিহেতু সাধাৰণ শিক্ষা প্ৰদান কৰা মহাবিদ্যালয় শিক্ষাৰ লগত জড়িত সেয়েহে এই লেখাটো সাধাৰণ শিক্ষাৰ গতি প্ৰগতিক লৈয়ে সীমাবদ্ধ থাকিব।

এই খিনিতে এটা কথা কৈ থোৱা সমীচীন বুলি ভাবিছোঁ যে পৃথিৱীৰ কোনো দুৰ্যোগেই এতিয়ালৈকে মানৱ সভ্যতাৰ প্ৰগতিলৈ পূৰ্ণ স্থবিৰতা আনিব পৰা নাই। হয়টো কিছু সময়ৰ বাবে থমকি ৰ'ব লগা হৈছে কিন্তু একেবাৰে ৰৈ যোৱা নাই। গতিকে

আমি সকলোৰে আশাবাদী মন একোটা লৈহে কথাবোৰ বিশ্লেষণ কৰি চোৱা উচিত।

আজিলৈকে বিভিন্নজনে বিভিন্ন কাকতত বা ইলেকট্ৰনিক মাধ্যমত নিজৰ লিখনিৰ বা মতামতৰ জৰিয়তে বৰ্তমানৰ ক'ৰণা ভাইৰাছ সৃষ্ট সংকটৰ ফলত ব্যাঘাত প্ৰাপ্ত হোৱা শিক্ষা ব্যৱস্থাটোক কেনেকৈ নিয়মীয়া কৰি আগৰ দৰে গতিশীল কৰিব পৰা যায় সেই বিষয়টোৰেই বেছিকৈ প্ৰাধান্য পাইছে, যিটো সঁচাকৈয়ে অতি জৰুৰীভাৱে সমাধান কৰিব লগা প্ৰয়োজনীয় বিষয়। কিন্তু এই ব্যৱস্থাটো ফটা কাপোৰ জোৰা লগোৱাৰ নিচিনাকৈ ক্ষণস্থায়ী সমাধান যেন বুলিহে অনুভৱ হয় । কিয়নো পৰীক্ষা নপতাকৈ উত্তীৰ্ণ কৰাই দিব লগা হোৱাটো বা পাঠ্যক্ৰম কমাই পৰীক্ষা দিয়াৰ ব্যৱস্থা দীৰ্ঘকালৰ বাবে সদায় আদৰণীয় নহ'ব। বৰ্তমানৰ কৰ'ণা ভাইৰাছ সৃষ্ট পৰিৱেশ যদি দীৰ্ঘদিন ধৰি চলি থাকে তেনেহ'লে কথাবোৰ নতুনকৈ ভাবিবলৈ সকলোৰে

ব্যৱহাৰিক জীৱনত বৃত্তিগতভাৱে সঁচাকৈয়ে কিবা লাভ হৈছেনে ?

২০১৫ চনৰ পৰা দেশৰ লগতে আমাৰ অসমৰ কিছু সংখ্যক মহাবিদ্যালয়ে দক্ষতা বৃদ্ধি বিষয়ক কিছু ভ'কেচ'নেল পাঠ্যক্ৰম আৰম্ভ কৰি শিক্ষা প্ৰদান কৰি আহিছ যদিও ইয়াৰ সংখ্যা একেবাৰেই নগন্য। এই বিশেষ ব্যতিক্ৰমী বিষয়ৰ পাঠ্যক্ৰম অধ্যয়ন কৰা নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকে বিচৰা এনে নতুন অগতানুগতিক বিষয় বোৰত অধ্যয়ণ কৰিবলৈ সুবিধা পাই অলপ মুকলিকৈ উশাহ লোৱাৰ সুযোগ পাইছে যেন আমাৰ অনুভৱ হয়। উদাহৰণস্বৰূপে আমাৰ (দৰে সাধাৰণ শিক্ষাৰ) মহাবিদ্যলয়ত একেবাৰে নতুন চিন্তাধাৰাৰে ৰিটেইল মেনেজমেন্ট, টুৰিজিম এণ্ড হস্পিটেলিটি মেনেজমেন্ট, পেপাৰ টেকন'লজি আৰু অভিনয় বিষয়ৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ পিছত অসমৰ বিভিন্ন ঠাইৰ পৰা এই বিষয় কেইটাত অধ্যয়ন কৰিবলৈ অহা মেধাবী কিন্তু অগতানুগতিক পাঠ্যক্ৰমত নিজক জড়িত কৰি তেওঁলোকৰ

এইটো কথাও ঠিক যে অতি দ্ৰুত গতিৰে অসংখ্য দেশত তাণ্ডৱ সৃষ্টি কৰা এই ক'ৰণা ভাইৰাছ বিশ্বৰ পৰা সম্পূৰ্ণকৈ নিৰ্মল কৰাটো ইমান সহজ নহয়। ফলত মানুহৰ মাজত ইয়াৰ প্ৰভাৱ দীৰ্ঘদিনলৈ থাকি যোৱাৰ সম্ভাৱনা আছে, যিটো শংকাৰ কথা বিশ্ব বিভিন্ন সংস্থা বা বিশেষজ্ঞ সকলে ব্যক্ত কৰিছে। সেয়েহে ক'ৰণাৰ পূৰ্বৰ পৃথিৱীখন একেদৰেই উভতাই পোৱাৰ সম্ভৱনা তেনেই ক্ষীণ আৰু সেয়েহে সৰ্তকতা সৰ্বত্ৰে সকলো সময়তেই প্ৰয়োজন হ'ব।

বাধ্য হ'বগে।

এইটো কথাও ঠিক যে অতি দ্ৰুত গতিৰে অসংখ্য দেশত তাণ্ডৱ সৃষ্টি কৰা এই ক'ৰণা ভাইৰাছ বিশ্বৰ পৰা সম্পূৰ্ণকৈ নিৰ্মল কৰাটো ইমান সহজ নহয়। ফলত মানুহৰ মাজত ইয়াৰ প্ৰভাৱ দীৰ্ঘদিনলৈ থাকি যোৱাৰ সম্ভাৱনা আছে, যিটো শংকাৰ কথা বিশ্ব বিভিন্ন সংস্থা বা বিশেষজ্ঞ সকলে ব্যক্ত কৰিছে। সেয়েহে ক'ৰণাৰ পূৰ্বৰ পৃথিৱীখন একেদৰেই উভতাই পোৱাৰ সম্ভৱনা তেনেই ক্ষীণ আৰু সেয়েহে সৰ্তকতা সৰ্বত্ৰে সকলো সময়তেই প্ৰয়োজন হ'ব।

এতিয়া মূল বিষয়টোলৈ আহিব বিচাৰিছো। আমাৰ দৰে মহাবিদ্যালয় বোৰত ছাত্ৰ-ছাত্ৰী সকলৰ গৰিষ্ঠ সংখ্যকেই আহে এটা ডিগ্ৰী ল'বলৈ। এই ডিগ্ৰী কলা, বিজ্ঞান বা বাণিজ্য যিকোনো এটা বিভাগৰ পৰা গ্ৰহণ কৰি আহিছে। এই ডিগ্ৰী লোৱাৰ পিছত ইয়াৰে কিমান সংখ্যকে তেওঁলোকে শিকি উঠা পাঠ্যক্ৰমবোৰৰ পৰা আয়ত্তকৰা বিদ্যাক বাস্তৱ জগতলৈ ঘূৰি গৈ প্ৰয়োগ কৰাৰ সুযোগ পাইছে বা চমুকৈ কবলৈ গ'লে তেনে ডিগ্ৰী লাভ কৰি

সপোন দিঠকত পৰিণত কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰী সকলৰ লগত কটোৱা পাঁচ বছৰীয়া অভিজ্ঞতাৰ পৰা আমাৰ এনে অনুভৱে হ'বলৈ ধৰিছে। এওঁলোকে গতানুগতিকভাবে চলি অহা ক'লা, বিজ্ঞান বা বাণিজ্যৰ এটা শাখাৰ প্ৰতিও আগ্ৰহী নহয় অথচ এওলোকক এটা স্নাতক ডিগ্ৰী প্ৰয়োজন যিটোৰ জৰিয়তে তেওঁলোকে আনৰ লগত সমপৰ্য্যায়ৰ ডিগ্ৰী আহৰণ কৰি সন্মান সহকাৰে সমাজত নিজৰ মৰ্যদা বৰ্ত্তাই ৰাখি নিজৰ মনৰ পচন্দৰ পাঠ্যক্ৰমক জীৱিকাৰ লগত সংযুক্ত কৰিব পাৰিছে। এই সকল শিক্ষাৰ্থীয়ে আহৰণ কৰা স্নাতক ডিগ্ৰীটো কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ পৰা আহৰণ কৰা ডিগ্ৰীৰ দৰে একে মৰ্যদা সম্পন্ন হয় বুলি ইউ.জি.চি য়ে মান্যতা প্ৰদান কৰি থৈছে। এই ছাত্ৰ-ছাত্ৰী সকলৰ লগতে তেওঁলোকৰ সন্মানীয় তথা নতুনত্ব গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা সাহসী অভিভাৱক সকলক এই চেগতে ধন্যবাদ জনাইছো। ইয়াৰে প্ৰায় সংখ্যকে নম্বৰৰ হিচাপত শতকৰা ৬০ৰ পৰা ৯০ শতাংশ নম্বৰ পৰ্যন্ত লৈ ইতিমধ্যে স্নাতক হিচাপে সুন্দৰভাৱে কৃতকাৰ্য হ'বলৈ সক্ষম হৈছে। এওঁলোকৰ বাবে যদিও

নম্বৰৰ মাপকাঠিৰ বিশেষ প্ৰয়োজন নাই, ব্যক্তিগত বা ব্যৱহাৰিক পাৰদৰ্শিতাহে এওঁলোকৰ মুখ্য সমল হয়। ব্যক্তিগত পচন্দ, নতুনত্ব গ্ৰহণৰ কৌতুহল, শিক্ষাৰ্থী সকলৰ নিজৰ ওপৰত থকা বিশ্বাস আৰু স ৰ্বোপৰি আমিবোৰে লোৱা ব্যৱস্থাৰ ওপৰত সকাহ ভাৱসাৰ বাবেই গতানুগতিক ভাবে চলি অহা বিষয় সমূহক প্ৰত্যাহ্বান জনায় এওলোকে নিজক সফলতাৰে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। এওলোক নতুনযু গৰ প্ৰতিনিধি যি সকলৰ জড়িয়তে উচ্চ শিক্ষাত কিছু ব্যতিক্ৰমৰ আৰম্ভণি হৈছে।

আনহাতে, যোৱা শৈক্ষিক বৰ্ষৰ পৰা অসমত বিশ্ববিদ্যালয় সমূহে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশনা অনুসৰি CBCS অৰ্থাৎ চইছ বেছড ক্ৰেডিট ছিষ্টেম বা পছন্দ ভিত্তিক ক্ৰেডিট ব্যৱস্থাৰ অধীনত পাঠ্যক্ৰম আৰম্ভ কৰিছে। ইয়াৰ জৰিয়তে এজন শিক্ষাৰ্থীয়ে নিজৰ পছন্দ অনুসৰি পাঠ্যক্ৰম নিৰ্বাচিত কৰি ল'ব পাৰে। কিন্তু প্ৰচলিত শৈক্ষিক গাঠনিৰ অধীনত এই গোটেই নতুন ব্যৱস্থাটোৱে একো নতুনত্ব আনি দিবলৈ সক্ষম হোৱা নাই আৰু এনেদৰে থাকিলে কেতিয়াবা যে প্ৰকৃত পছন্দ ভিত্তিক শিক্ষা ব্যৱস্থা এটা গঢ় লৈ উঠিব তাৰ সম্ভাৱনাও একেবাৰেই ক্ষীণ। আগৰ ব্যৱস্থাটোৱেই নতুনৰ নামত চলি থাকিব। এই বিষয়ত বিতংভাবে আলোচনা কৰাৰ যথেষ্ট থল আছে।

## খণ্ড -৩

মূল আলোচনাৰ বিষয় ঃ এতিয়া প্ৰশ্ন উত্থাপন হ'ব ইয়াৰ বিকল্প কি হ'ব পাৰে? উত্তৰ দিয়াৰ আগতে আন এটা প্ৰশ্ন আমি কৰিব পাৰো যে শিক্ষাৰ্থী এজনে ডিগ্ৰী লোৱাৰ উদ্দেশ্য কি ? কি পাঠ্যক্ৰম শিকিলে তেওঁ ভৱিষ্যতে নিজকে মনে বিচৰা ক্ষেত্ৰখনত বা ক্ষেত্ৰবোৰত নিয়োজিত হোৱাৰ সুবি ধা পাব। নাইবা বৰ্তমানৰ গতানুগতিক সীমাবদ্ধ ব্যৱস্থাত থাকিও নূন্যতম পাঠ গ্ৰহণ কৰিও নিজৰ মনৰ পছন্দৰ বিষয়ত অতিৰিক্ত ভাবে অধ্যয়নৰ সুবিধা লাভ কৰিব পাৰে।

জীৱনত সকলোকে যদি এটা ডিগ্ৰীৰ প্ৰয়োজন আছেই তেনেহ'লে সেইটো গ্ৰহণ বা আয়ত্ব কৰিবলৈ সকলোকে কলা, বিজ্ঞান বা বাণিজ্যৰ বৰ্তমানে উপলব্ধ হৈ থকা বিষয়বোৰ অধ্যয়ন কৰাটো সচাঁকৈয়ে জৰুৰী নে? আমি কথাবোৰ নতুনকৈ কেতিয়াকৈ ভাবিবলৈ শিকিম? পাঠ গ্ৰহণৰ বেলিকা এজন শিক্ষাৰ্থীক প্ৰয়োজন বুলি নভবা বিষয়বোৰ তেওঁ কিয় অযথা অধ্যয়ন কৰি থাকিবই লাগিব? নতুন ধৰণে কিবা চিন্তাৰ বিকল্পৰ সন্ধান কৰিব নোৱাৰি নেকি?

পাৰি, কিয় নোৱাৰি। অলপমান চিন্তা চৰ্চা, অলপমান বাস্তৱিক কিন্তু আন্তৰিক প্ৰচেষ্টা চলালে, উপযুক্ত শৈক্ষিক মহলত মুকলি মনেৰে আলোচনা বিলোচনা কৰিবলৈ সাহস কৰিলে নিশ্চয় বিকল্প ওলাব। এই বিকল্প আলোচনাৰ উপযুক্ত সময় এই কৰ'ণা সৃষ্ট অতিমাৰীৰ দিনতে সম্ভৱ, কাৰণ কথাবোৰ নতুনকৈ ভাবিবলৈ এটা পৰিৱেশ সৃষ্টি হৈছে।

ইতিমধ্যে আমাৰ শিক্ষা ব্যৱস্থাত দূৰ শিক্ষাই এক সন্তোষজনক অৱস্থান গ্ৰহণ কৰিছে। সমগ্ৰ দেশৰ উপৰিও বিদেশটো ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ব বিদ্যালয় দূৰশিক্ষা এক অতি উচ্চস্তৰৰ ব্যৱস্থা বুলি প্ৰতিপন্ন হৈ আহিছে। আমাৰ ৰাজ্যতো বিভিন্ন বিশ্ববিদ্যালয় সমূহে বিভিন্ন বিষয়ত দূৰশিক্ষাৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰি আহিছে যিসমূহক শিক্ষাৰ্থী সমাজে আদৰি লৈছে। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত ই-লাৰ্নিং ব্যৱস্থাৰ অতি মজবুত বুনিয়াদ গঢ় লৈ উঠিছে। এজন শিক্ষাৰ্থী বাবে বিভিন্ন বিষয়ৰ প্ৰয়োজনীয় পাঠ্যক্ৰম উভৈনদী হৈছে। ক্ৰমান্বয়ে ছাত্ৰ-ছাত্ৰী সকলৰ উপৰিও শিক্ষক তথা অভিভাৱক সকলৰ মাজতো এই ব্যৱস্থাই আনি দিয়া সুবিধাবোৰৰ গ্ৰহণযোগ্যতা প্ৰতিপন্ন হ'বলৈ ধৰিছে। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে দুৰ শিক্ষাক অধিক প্ৰসাৰিত কৰাৰ উদ্দেশ্যেৰে দুশটামান টেলিভিচন চেনেল খুলিবলৈ সিদ্ধান্ত লৈছে। প্ৰযুক্তিয়ে আনি দিয়া সুবিধাবোৰৰ সদ-ব্যৱহাৰৰ যোগেদি আৰু সৰ্বোপৰি কৰ'ণা সৃষ্টি পৰিৱেশটোৱে সামাজিক দূৰত্বৰ ব্যৱধান মানি চলিবলৈ বাধ্য কৰোৱা দিনবোৰে আমাৰ নতুন চিন্তাক অতি প্ৰাসংগিক কৰি তুলিছে। এই নতুন ব্যৱস্থাবোৰৰ সাৰাংশ তলত দিবলৈ চেষ্টা কৰিছোঁ।

(1) এজন শিক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক শিক্ষা সমাপ্ত কৰাৰ পিছত উচ্চ শিক্ষা গ্ৰহণৰ ইচ্ছা কৰিলে (বুজিবলৈ সহজ হোৱাৰ বাবে স্নাতক ডিগ্ৰী আহৰণ কৰিবলৈ বুলি ধৰিব পাৰে) নিজে বিচৰা ধৰণে বিষয় গ্ৰহণ কৰিবলৈ সুবিধা পাব লাগে।

(2) বিষয়বস্তু ভাৰতীয় সংবিধান প্ৰদত্ত মাতৃভাষাত উপলবদ্ধ হ'ব লাগিব। এই ব্যৱস্থাটো কাগজে কলমে আছে কিন্তু পাঠ্যপুথি পৰ্যাপ্ত নহয়। গতিকে মাতৃভাষাত পাঠ্যপুথি প্ৰস্তুতিৰ কাম সমান্তৰাল ভাবে কৰিব লাগে।

(3) পাঠ্যক্ৰমৰ মূল্যায়ন নম্বৰৰ পৰিবৰ্তে ক্ৰেডিট ব্যৱস্থাৰে কৰিব লাগে। যিটো বৰ্তমানে আৰম্ভ হৈছে যদিও শৈক্ষিক

ক্ষেত্র খনৰ লগত প্ৰত্যক্ষ ভাৱে জড়িত সকলৰ মাজৰে বহুতৰ বুজাত স্পষ্টতাৰ অভাৱ। বিতং ভাবে বুজিবলৈ বা বুজাবলৈ অলপ মুকলি চৰ্চাৰ প্ৰয়োজন আছে।

(4) এজন শিক্ষাৰ্থীৰ সাধাৰণ স্নাতক পাঠ্যক্ৰমৰ তিনিবছৰীয়া কাৰ্যকালত প্ৰত্যেক বছৰত সৰ্বনিম্ন তিনিটা আৰু সৰ্বাধিক চাৰিটা বিষয় অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰে প্ৰতিটো বছৰতে এটা বা সৰ্বাধিক দুটা বাধ্যতামূলক বিষয় সকলোৰে বাবে গতানুগতিক পাঠ্যক্ৰমৰ মাজৰ পৰা নিৰ্বাচিত কৰাৰ ব্যৱস্থা কৰিব লাগিব। (ইয়াৰ কাৰণ হৈছে বৰ্তমানে চলাই থকা ব্যৱস্থাতো হঠাতে সমূলঞ্চে সলনি কৰি পেলোৱা সম্ভৱ নহয়) আৰু অন্য তিনিটা বা দুটা বিষয় ঐচ্ছিক হিচাপে শিক্ষাৰ্থী সকলে নিজে নিজেই বাচি ল'বলৈ দিব লাগে। এই ঐচ্ছিক বিষয় কেইটা ভৱিষ্যতৰ নিয়োগৰ সুবিধাৰ বাবে বা নিজৰ ভাল লগা বিষয়ৰ ওপৰত আধাৰিত হ'ব লাগে। এই ঐচ্ছিক বিষয়বোৰৰ এখন দীঘলীয়া তালিকা থাকিব লাগে, (ইতিমধ্যে বহুবোৰ বিষয় আছেই, নতুনকৈও কিছু সংযোজন কৰিব পৰা যায়) যিবোৰৰ মাজৰ পৰা শিক্ষাৰ্থীয়ে নিজেই বিষয় বাচনি কৰিব পাৰিব। ক্ৰেডিট ব্যৱস্থাৰ জৰিয়তে দুটা নে তিনিটা বিষয় ল'ব তাৰ সিদ্ধান্ত লোৱাৰ ব্যৱস্থা কৰিব পাৰে। যিহেতু বিষয়টো নিজৰ পছন্দৰ আৰু ব্যৱহাৰিক হ'ব সেয়েহে প্ৰতিজন শিক্ষাৰ্থীৰ বাবে প্ৰকল্প প্ৰস্তুত কৰাটো বাধ্যতামূলক হ'ব লাগে।

(5) বাধ্যতামূলক বিষয়ৰ ওপৰত নিৰ্ভৰ কৰি কলা, বিজ্ঞান নে বাণিজ্যৰ স্নাতক হ'ব তাক নিৰ্ণয় কৰিব লাগে আৰু লগতে নম্বৰপত্ৰ বা প্ৰমাণপত্ৰত ঐচ্ছিক বিষয় কেইটাৰ লগতে তেওঁ সমাপন কৰা প্ৰকল্প সমূহৰ বিশেষ উল্লেখ থাকিব লাগে। যিটোৱে নিয়োগৰ ক্ষেত্ৰসমূহত শিক্ষাৰ্থীক সহায় কৰিব।

(6) দৈনন্দিন শ্ৰেণীত উপস্থিতি বাধ্যতামূলক বিষয়ৰ বাদে আন বিষয়বোৰ নিজে অধ্যয়নৰ সুবিধা দিব লাগে। এই ঐচ্ছিক বিষয় অধ্যয়ণৰ বাবে শিক্ষাৰ্থীসকলক প্ৰধানত নিজে নিজে অধ্যয়নৰ কৰিবলৈ সুযোগ দিব লাগে। ইয়াৰ বাবে শ্ৰেণীকোঠাৰ উপস্থিতিতকৈ অনলাইন শিক্ষাৰ জড়িয়তে স্ব-অধ্যয়ণৰ সুবিধা দিব লাগে। (এই ব্যৱস্থাৰ ফলত সামাজিক দূৰত্ব বা ব্যক্তিগত দূৰত্বৰ ব্যৱধান মানি চলিবলৈ সুবিধা হ'ব।)

(7) এখন বিশ্ব-বিদ্যালয়ৰ অধীনত অধ্যয়ন কৰি থকা এজন শিক্ষাৰ্থীক তিনিবছৰ ভিতৰত প্ৰয়োজন হ'লে অন্য বিশ্ব-বিদ্যালয়লৈ যাব পৰাৰ সুবিধা দিব লাগে যাতে পৰৱৰ্তী পাঠ্যক্ৰম তেওঁ সেই খন বিশ্ব-বিদ্যালয়ৰ পৰা আহৰণ কৰিব পাৰে। অৰ্থাৎ ক্ৰেডিট ট্ৰান্সফাৰৰ ব্যৱস্থা কৰিব লাগে।

এই ক্ষেত্ৰত প্ৰত্যেক খন বিশ্ব-বিদ্যালয়ৰ এটা প্ৰব্ৰজন (মাইগ্ৰেছন) বিভাগ এটা নতুনকৈ খোলাৰ প্ৰয়োজন হ'ব পাৰে, য'লৈ বা য'ৰ পৰা ডিজিটেল মাধ্যমেৰে শিক্ষাৰ্থী এজনৰ তথ্যসমূহ অনায়াসে আহৰণ কৰিব পৰা যায়। শিক্ষাৰ্থী এজনে যিখন বিশ্ব-বিদ্যালয়ত শেষৰ বৰ্ষটো কটাবলগীয়া হ'ব সেই খনেই তেওঁক ডিগ্ৰী প্ৰদান কৰিব। এই প্ৰব্ৰজন ব্যৱস্থাটো প্ৰয়োজন সাপেক্ষে তিনিবছৰীয়া নিৰ্ধাৰিত সময়ত কেৱল এবাৰ হে লোৱাৰ সুযোগ দিব লাগে।

(8) বৰ্তমানে চলি থকা বিষয় সমূহ পুণৰ মূল্যায়নৰ ব্যৱস্থা কৰি প্ৰয়োজন সাপেক্ষে সাল সলনি কৰা নাইবা একে ৰাখি বিন্যাস সলনি ব্যৱস্থা কৰিব লাগে।

(9) যিসকল মেধাবী শিক্ষাৰ্থীয়ে উচ্চশিক্ষা গ্ৰহণৰ বাবে যাব খোজে তেওঁলোকক বাদ দি মধ্যমীয়া মেধাৰ শিক্ষাৰ্থীৰ সংখ্যা অত্যন্ত বেছি এইসকল শিক্ষাৰ্থীৰ অন্যান দিশত বহু প্ৰতিভা থাকে যিবোৰক এনে ব্যৱস্থাই উপকৃত কৰিব।

(10) এই বিষয়ে বিতংভাবে বিভিন্ন পক্ষৰ লগত আলোচনা কৰাৰ ব্যৱস্থা কৰিব লাগে।

**সামৰণি ঃ**

আমি বৰ্তমানৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিপন্থী নহয় বৰঞ্চ অধিক গ্ৰহণযোগ্য কৰিবলৈ ব্যাপক ভাবে সংস্কাৰৰ প্ৰয়োজনীতা উপলব্ধি কৰিহে কথাবোৰ এই লিখনিৰ জড়িয়তে প্ৰকাশ কৰিছো।

শেহতীয়াকৈ অসমৰ মহামান্য ৰাজ্যপাল অধ্যাপক জগদীশ মুখী মহোদয়ে কৰ'ণা সংকটত ব্যাঘাত জন্মা শিক্ষা ব্যৱস্থাৰ বিষয়ত পৰামৰ্শ দিয়াৰ বাবে এখন বিশেষজ্ঞ সমিটি গঠন কৰিছে। এই সমিটিখনে বৰ্তমানৰ সংকটৰ যোৱামাৰাৰ ব্যৱস্থা কৰাৰ উপৰিও দীৰ্ঘম্যাদী প্ৰদক্ষেপ হিচাপে আমি উল্লেখ কৰা উপৰোক্ত কথা সমূহকো ফঁহিয়াই চাব বুলি আশা কৰিলোঁ।

এই কথাও সঁচা যে যুগৰ পৰিবৰ্তনে ছাত্ৰ সমাজলৈ পৰিবৰ্তন আনিছে। বৰ্তমান ছাত্ৰ সমাজৰপৰা সমাজেও বহুখিনি আশা কৰে। ছাত্ৰৰ প্ৰকৃত ধৰ্ম অধ্যয়ন যদিওবা ৰাজনীতিত নামিলে ছাত্ৰসকলে অধ্যয়ন ঠিকমতে কৰিব নোৱাৰিব নে? এনেবোৰ কাৰণতে ছাত্ৰসকল ৰাজনীতিত নমাটো এটা বিতৰ্কৰ বিষয় হৈ পৰে। ছাত্ৰই ৰাজনীতি কৰিব নালাগে বুলি কোৱা লোকসকলৰ যুক্তি হ'ল- ছাত্ৰসকল এই ক্ষেত্ৰত অপৈনত। ৰাজনৈতিক দলসমূহে নিজৰ মুনাফা আদায় কৰিবৰ বাবে ছাত্ৰ সমাজক প্ৰৰোচিত কৰে। চতুৰ ৰাজনৈতিক নেতাৰ কথাত ভোল গৈ ছাত্ৰসকলে ৰাজনীতিত জপিয়াই পৰি নিজৰ মূল্যৱান সময় নষ্ট কৰে আৰু বিপদত পৰে।

# ছাত্ৰ আৰু ৰাজনীতি

**ৰেখা দেৱী**
ৰাজনীতি বিজ্ঞান বিভাগ

ৰাজনীতি বুলিলে আমাৰ মনলৈ আহে, দেশৰ শাসন সম্বন্ধীয় নীতি নিয়ম। সেয়ে, কোনো এজন নাগৰিকে ৰাজনীতিৰপৰা আঁতৰি থাকিব নোৱাৰে। যদিও পৰাধীন আৰু ৰাজতন্ত্ৰৰ অধীন দেশত ৰাজনীতিৰ স্বৰূপ সুকীয়া, কিন্তু গণতান্ত্ৰিক দেশত কোনো এজন নাগৰিকে ৰাজনীতিৰপৰা আঁতৰি থাকিব নোৱাৰে। প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষ ভাৱে হ'লেও সকলো নাগৰিকে ৰাজনীতিত অংশগ্ৰহণ কৰা দেখা যায়। "It is the mark of an educated mind to be able to entertain a thought without accepting it"- Aristotle.

ৰাজনীতি বৰ জটিল। ই ৰাগিয়াল বস্তুৰ দৰে নিচাকাৰক। সততা আৰু ভণ্ডামী আদিও ৰাজনীতিৰ লগতে দেখা যায়। সেয়ে, কিছুলোকে ৰাজনীতিক লেতেৰা বুলিও অভিহিত কৰে। যদিওবা ৰাজনীতিৰ অধ্যয়ন দ্বাৰা নাগৰিকে নিজৰ অধিকাৰৰ লগতে কৰ্তব্য কথা ভালদৰে জানিব পাৰে।

এই কথাও সঁচা যে যুগৰ পৰিবৰ্তনে ছাত্ৰ সমাজলৈ পৰিবৰ্তন আনিছে। বৰ্তমান ছাত্ৰ সমাজৰপৰা সমাজেও বহুখিনি আশা কৰে। ছাত্ৰৰ প্ৰকৃত ধৰ্ম অধ্যয়ন যদিওবা ৰাজনীতিত নামিলে ছাত্ৰসকলে অধ্যয়ন ঠিকমতে কৰিব নোৱাৰিব নে? এনেবোৰ কাৰণতে ছাত্ৰসকল ৰাজনীতিত নমাটো এটা বিতৰ্কৰ বিষয় হৈ পৰে। ছাত্ৰই ৰাজনীতি কৰিব নালাগে বুলি কোৱা লোকসকলৰ যুক্তি হ'ল- ছাত্ৰসকল এই ক্ষেত্ৰত অপৈনত। ৰাজনৈতিক দলসমূহে নিজৰ মুনাফা আদায় কৰিবৰ বাবে ছাত্ৰ সমাজক প্ৰৰোচিত কৰে। চতুৰ ৰাজনৈতিক নেতাৰ কথাত ভোল গৈ ছাত্ৰসকলে ৰাজনীতিত জপিয়াই পৰি নিজৰ মূল্যৱান সময় নষ্ট কৰে আৰু বিপদত পৰে। এবাৰ ৰাজনীতিত সোমালে তাক এৰা কঠিন হৈ পৰে। উপযুক্ত শিক্ষা লাভৰ অন্তত ছাত্ৰসকলে ৰাজনীতি কৰাত কোনো বাধা নাই। দলীয় ৰাজনীতিৰ

জৰিয়তে কোনো ছাত্ৰই দেশৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ বিষয়বাৰ পালেও, বুদ্ধিৰ অপৰিপক্কতাৰ বাবে দেশ পৰিচালনাত আউল হে লাগে। সেয়ে, ৰাজনীতিৰপৰা আঁতৰি থাকি অধ্যয়ন অটুট ৰাখিও ছাত্ৰ-ছাত্ৰীসকলে দেশৰ গঠনমূলক কামত অৰিহণা যোগাব পাৰে। দলীয় ৰাজনীতিত নিজস্ব লাভৰ প্ৰতিহে বেছিকৈ গুৰুত্ব দিয়া হয়। ৰাজনীতিত এটা দলে আন এটা দলৰ সফলতা কামনা নকৰে। এই দলসমূহে ছাত্ৰসকলক হাথিয়াৰ হিচাপে হে ব্যৱহাৰ কৰে। ফলত ছাত্ৰসকলৰ নিজৰ অপকাৰ লগতে ৰাষ্ট্ৰৰ ক্ষতি হয় আৰু ছাত্ৰজীৱনৰ মূল্যৱান সময়খিনি নষ্ট হয়।

আনহাতে, যিটো পক্ষই ছাত্ৰসকলে ৰাজনীতি কৰাটো বিচাৰে তেওঁলোকেমতপোষণ কৰে যে— ছাত্ৰসকলে সক্ৰিয়ভাৱে ৰাজনীতিত অংশগ্ৰহণ কৰিলে দেশৰ মঙ্গলহে হ'ব। ৰাজনীতি বিষয়ত জ্ঞান থাকিলেহে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অধিকাৰৰ কথা জানিব পাৰিব। ভাৰতীয় সংবিধানত পুৰুষ আৰু মহিলাৰ সমস্থান বুলি ঘোষিত হ'লেও আজিও সংসদ আৰু বিধানসভাত মহিলাক ৩৩% আসন সংৰক্ষণৰ বিধেয়কখন গৃহীত হোৱা নাই। ৰাজনৈতিক দিশক কাম কৰাৰ পথ নাৰীৰ বাবে মুক্ত ৰাখিব লাগিব তেহে নাৰীৰ সৱলীকৰণ সম্ভৱ হব। ছাত্ৰ অৱস্থাৰ পৰাই যদি তেওঁলোকে ৰাজনীতিৰ কথা নিশিকে, তেন্তে ভৱিষ্যতে তেওঁলোকে কেতিয়াও দক্ষ ৰাজনৈতিক নেতা হ'ব নোৱাৰে। ইতিহাসৰ পাত লুটিয়ালে দেখা পাওঁ যে বিশ্বৰ যিবোৰ ডাঙৰ ডাঙৰ বা উল্লেখযোগ্য বিপ্লৱ হৈছে, সেই আটাইবোৰৰ সফলতাৰ মূলতে ছাত্ৰ। আজি দেশত এনে বহুত সমস্যা আছে যিবোৰ সমাধান কৰিবলৈ দক্ষ লোকৰ অভাৱ। ছাত্ৰৰ কৰ্মোদ্যম আছে। আজি এচাম সুযোগ সন্ধানী লোকেহে ৰাজনীতি কৰা দেখা যায়। গতিকে ছাত্ৰসকলে ওলাই আহি প্ৰত্যক্ষভাৱে ৰাজনীতিত অংশগ্ৰহণ বিদ্যা আহৰণ কৰিব নোৱাৰিব। কিন্তু বহুতো ছাত্ৰই ৰাজনীতি কৰিও বিদ্যা আহৰণত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। আমাৰ দেশৰ এচাম পণ্ডিত আৰু সু-সাহিত্যিকে ৰাজনীতিত অংশগ্ৰহণ কৰিও নিজৰ লগতে দেশৰ সুনাম আৰু সুখ্যাতি অৰ্জন কৰিব পাৰিছে।

দুইপক্ষৰ কথাৰে যুক্তি আছে। ছাত্ৰই ৰাজনীতি কৰিও যদি শিক্ষা-দীক্ষাত সুখ্যাতি লাভ কৰিব পাৰে, তেন্তে ৰাজনীতি



কৰাটোত কোনো আপত্তি নাই। প্ৰথমে ছাত্ৰসকলে ৰাজনীতি বিষয়ত তাত্ত্বিক জ্ঞান আয়ত্ব কৰিব লাগিব। দেশৰ আভ্যন্তৰীণ ৰাজনীতিত দেখা দুৰ্নীতিৰ বিৰুদ্ধে ছাত্ৰসকলে জনমত গঠন কৰি প্ৰতিবাদ কৰিব লাগিব। দেশৰ সঙ্কট কালত ছাত্ৰসকলে বিশিষ্ট ভূমিকা গ্ৰহণ কৰিব লাগিব। সকলো দিশ চালিজাৰি চাই এইটো কব পাৰি যে ছাত্ৰ ই প্ৰথমে জ্ঞান আহৰণ কৰিব লাগে, তাৰ পাছতহে ৰাজনীতি কৰিব লাগে। অৱশ্যে, দেশৰ সঙ্কট কালত, সমাজৰ বেয়া ঘটনা দেখিলে সেইবোৰৰ প্ৰতিবাদ কৰিব লাগে। ভণ্ড ৰাজনীতিকৰ পাকচক্ৰত পৰি প্ৰবঞ্চিত হব নালাগে। ভণ্ড ৰাজনীতিকৰপৰা আঁতৰি থাকিব লাগে আৰু ৰাজনীতিত পৰোক্ষভাৱে অংশগ্ৰহণ কৰিব লাগে। ছাত্ৰসকলে ৰাজনীতি বিষয়ত নিজৰ মতামত আগবঢ়াই সমাজৰ লগতে দেশৰ প্ৰগতিত নিজৰ অৰিহণা যোগাব লাগে। তেতিয়াহে, দুৰ্নীতি মুক্ত এখন সমাজ গঠন হৈ উঠিব আৰু দেশে উন্নতি সাধন কৰিব।

নাৰীসকলৰ এই আন্দোলনত ভূমিকা অতি উল্লেখনীয়। নাৰীসকলে প্ৰত্যক্ষ তথা পৰোক্ষভাৱে এই আন্দেলনত অংশগ্ৰহণ কৰিছিল। ১৯২১ চনত মহাত্মা গান্ধীৰ অসম আগমণে বহু মহিলাক স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। নাৰীসকলৰ মাজত আত্ম-নিৰ্ভৰশীলতা আৰু সাহসিকতাৰ বৃদ্ধি হৈছিল। অসমীয়া নাৰীসকলে অসম ছাত্ৰ সন্মিলন আৰু অসম সাহিত্য সভাৰ যোগেদি প্ৰথমাৱস্থাত আন্দোলনত অংশগ্ৰহণ কৰিছিল।

# ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ নাৰীৰ ভূমিকা

**নিকিতা শৰ্মা**
ইতিহাস বিভাগ

অসমৰ নাৰীসকলৰ সাহস আৰু বীৰত্বৰ কাহিনীৰে অসমৰ ইতিহাস সমৃদ্ধ হৈ আছে। অতীতকালৰে পৰাই যেতিয়াই নাৰীসকলৰ ক্ষমতাক সন্দেহ কৰি পিছুৱাই থবলৈ চেষ্টা কৰিছে তেতিয়াই মহিলাসকলে দুগুণ উদ্যমেৰে আগবাঢ়ি আহি নিজৰ ক্ষমতাৰ পৰিচয় দিছেহি। দেশমাতৃৰ বিপদৰ সময়ত তেওঁলোকে আগুৱাই আহি বিপদৰ সন্মুখত ঢাল হৈ থিয় দিছেহি। সময়ে সময়ে নিজৰ দেশ, আপোনজনৰ ৰক্ষাৰ বাবে নিজৰ জীৱনকো ত্যাগ কৰিবলৈ অসমৰ নাৰীসকলে কুণ্ঠাবোধ কৰা নাছিল। উদাহৰণস্বৰূপে মূলাগাভৰু, জয়মতীৰ দৰে নাৰীৰ ত্যাগ আৰু সাহসৰ কথাকে ক'ব পাৰি।

বিংশ শতিকাৰ আৰম্ভণিতে ভাৰতত মহাত্মা গান্ধীৰ নেতৃত্বত ব্ৰিটিছসকলৰ বিৰুদ্ধে স্বাধীনতা আন্দোলনৰ সূচনা হৈছিল। সমগ্ৰ দেশজুৰি এই আন্দোলন বিয়পি পৰিছিল। সমাজৰ সকলো শ্ৰেণীৰ লোকে এই আন্দোলনত অংশগ্ৰহণ কৰিছিল। পুৰুষৰ লগে লগে মহিলাসকলেও আন্দোলনত জপিয়াই পৰিছিল। আমাৰ ৰাজ্য অসমতো এই আন্দেলনৰ প্ৰভাৱ পৰিছিল। অসমতো পুৰুষৰ লগে লগে মহিলাসকলেও আন্দালনত অংশগ্ৰহণ কৰাত পিছপৰি নৰ'ল। বৰং সমাজৰ সংকীৰ্ণ মনোভাৱ, বাধা বিঘিনিক নেওঁচি আন্দোলনত জঁপিয়াই পৰিল নাৰীসকল। তেওঁলোকৰ সাহসিকতা আৰু অদম্য শক্তিয়ে আন্দোলনক এক নতুন দিশ প্ৰদান কৰিছিল। বহুতো মহিলা সংগ্ৰামী এই আন্দোলনত শ্বহীদ হৈছিল, আহত হৈছিল আৰু কাৰাবাসো খাটিবলগীয়া হৈছিল। তথাপিও তেওঁলোকৰ দেশক স্বাধীন কৰাৰ যি দৃঢ় ইচ্ছা তাক কোনো শক্তিয়ে দমন কৰিব পৰা নাছিল।

নাৰীসকলৰ এই আন্দোলনত ভূমিকা অতি উল্লেখনীয়। নাৰীসকলে প্ৰত্যক্ষ তথা পৰোক্ষভাৱে এই আন্দেলনত অংশগ্ৰহণ কৰিছিল। ১৯২১ চনত মহাত্মা গান্ধীৰ অসম আগমণে বহু মহিলাক স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। নাৰীসকলৰ

মাজত আত্ম-নির্ভৰশীলতা আৰু সাহসিকতাৰ বৃদ্ধি হৈছিল। অসমীয়া নাৰীসকলে অসম ছাত্ৰ সন্মিলন আৰু অসম সাহিত্য সভাৰ যোগেদি প্ৰথমাৱস্থাত আন্দোলনত অংশগ্ৰহণ কৰিছিল। কিন্তু পিছলৈ ১৯২৬ চনত অসম মহিলা সমিতিৰ গঠনে বহু সংখ্যক মহিলাক ইয়াত অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰা হৈছিল। বহু মহিলাই বিভিন্ন স্থানত সভা পাতি, সমদল উলিয়াই, চৰকাৰী বিদ্যালয় ত্যাগ কৰি, কৰ্ট আৰু অফিচ আদিক বয়কট কৰি আন্দোলন কৰিছিল। অসমৰ মহিলাসকল বয়ন ক্ষেত্ৰত পাকৈত আছিল। বয়ন শিল্পৰ যোগেদি বহু পৰিমাণে খাদী বস্ত্ৰ তৈয়াৰ কৰি বিদেশী বস্ত্ৰক বৰ্জন কৰা কাৰ্যত মহিলাসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। বিদেশী বস্ত্ৰসমূহক গোট খুৱাই মহিলাসকলে জ্বলাই দিছিল। মহিলাসকলে মাদক দ্ৰব্যৰ বিপনীৰ সন্মুখত পিকেটিং কৰিছিল। বহু মহিলাই এনে কাৰ্য্যৰ বাবে কাৰাবাসো খাটিবলগীয়া হৈছিল। কিছু মহিলাই পুঁজি আৰু খাদ্য সামগ্ৰীৰ যোগাৰ কৰিছিল আৰু শিৱসাগৰ জিলাৰ ১২ গৰাকী মহিলাই নিজৰ আ-অলংকাৰ সমূহকো আন্দোলনলৈ দান দিছিল। ভানুমতি তালুকদাৰ, যাক গান্ধীজীয়ে অসমৰ সৰোজিনী বুলি কৈছিল তেওঁ কংগ্ৰেছৰ হকে কাম কৰিবলৈ নিজৰ পৰিয়ালকো ত্যাগ কৰিছিল। কিছু মহিলাই টেলিফোনৰ তাঁৰ কটা, বৈদ্যুতিক লাইন কৰ্তন আদি কামত নিয়োজিত হৈছিল। ইয়াৰোপৰি চৰকাৰী ভৱন, কাৰ্যালয় আদি জ্বলাই দিয়াৰ কামতো মহিলাসকল নিয়োজিত আছিল।

এনে কেইগৰাকীমান অসমৰ মহান মহিলা স্বাধীনতা সংগ্ৰামীৰ বিষয়ে তলত উল্লেখ কৰা হ'ল।

**(১) চন্দ্ৰপ্ৰভা শইকীয়ানী** ঃ অসমৰ এগৰাকী অন্যতম সমাজ সংস্কাৰক তথা স্বাধীনতা সংগ্ৰামী হৈছে চন্দ্ৰপ্ৰভা শইকীয়ানী। তেওঁৰ জন্ম ১৯০১ চনৰ ১৬ মাৰ্চত হৈছিল। তেওঁ নাৰীসকলৰ শিক্ষাৰ বাবে সমগ্ৰ জীৱন যুঁজিছিল। লগতে তেওঁ ১৯২৬ চনত অসমৰ প্ৰথম মহিলা অনুষ্ঠান 'অসম প্ৰদেশিক মহিলা সমিটি'ৰ গঠন কৰিছিল। ১৯২১ চনত যেতিয়া চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে মহাত্মা গান্ধীক লগ পাইছিল, তেওঁৰ পৰা অনুপ্ৰাণিত হৈ তেওঁ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিছিল। তেওঁ জনগণক খাদী বস্ত্ৰৰ পৰিধান, বিদেশী বস্ত্ৰৰ বৰ্জন, অস্পৃশ্যতাক আঁতৰ কৰা, ৰাগিয়াল দ্ৰব্যৰ সেৱন নিষিদ্ধ আদিৰ সম্পৰ্কে সজাগ তথা সচেতন কৰাৰ চেষ্টা কৰিছিল। ১৯৩০ চনৰপৰা তেওঁ নিজকে সম্পূৰ্ণৰূপে স্বাধীনতা আন্দোলনত অৰ্পণ কৰিছিল। তেওঁ তিনিবাৰকৈ কাৰাবাস খাটিবলগীয়া হৈছিল। কিন্তু দেশৰ প্ৰতি তেওঁৰ যি নিঃস্বাৰ্থ প্ৰেম তাক কোনো বাধাই কম কৰিব পৰা নাছিল। যেতিয়াই তেওঁ অন্যায় দেখিছিল তেতিয়াই তেওঁ ন্যায়ৰ হকে মাত মাতিছিল।

**(২) কনকলতা বৰুৱা** ঃ নিজৰ সাহসিকতা আৰু দুৰ্দম শক্তিৰে ভাৰতৰ স্বাধীনতা আন্দোলনৰ গৌৰৱময় ইতিহাসত নিজৰ নাম উজ্বলাই তুলিবলৈ সক্ষম হোৱা অসমৰ এগৰাকী বীৰাংগনা নাৰী হৈছে কনকলতা বৰুৱা। তেওঁৰ জন্ম ২২ ডিচেম্বৰত ১৯২৪ চনত বৰ্তমানৰ শোণিতপুৰ জিলাৰ বৰঙাবাৰীত হৈছিল। তেওঁক বীৰবালা নামেৰেও জনা যায়। তেওঁ ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ অংশৰূপে অসমত জ্যোতিপ্ৰসাদ আগৰৱালাৰ নেতৃত্ব গঠন হোৱা মৃত্যু বাহিনীত যোগদান কৰিছিল। আন্দোলনৰ কাৰ্য্যসূচীৰূপে অসম শাখাৰ ভাৰতীয় জাতীয় কংগ্ৰেছে ২০ ছেপ্টেম্বৰ তাৰিখে প্ৰত্যেকখন থানাতে বৃটিছৰ পতাকাৰ পৰিৱৰ্তে ভাৰতৰ জাতীয় পতাকা উত্তোলন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই মৰ্মে, গহপুৰৰ পশ্চিম দিশে অৱস্থিত থানাৰ অভিমূখে অগ্ৰসৰ হোৱা সমদলটিৰ নেতৃত্ব প্ৰদান কৰিছিল কনকলতাই। সমদলটিয়ে 'বন্দে মাতৰম' ধ্বনি দি আহি থানাৰ গেট পাইছিলহি তাত তেওঁলোকক পুলিচে বাধা দিছিল। কনকলতাই থানাত যাতে শান্তিপূৰ্ণভাৱে পতাকাখন উত্তোলন কৰিব দিয়ে তাৰ বাবে পুলিচক কৈছিল কিন্তু সেই থানাৰ কৰ্তব্যত থকা পুলিচৰ বিষয়া ৰেৱতীমোহন সোমে তেওঁক লগতে সমদলটিক আগবাঢ়ি যোৱাত বাধা প্ৰদান কৰিছিল। সেই বাধাক নেওঁচি তেওঁ হাতত পতাকা লৈ আগবাঢ়ি যায় তেতিয়া পুলিচে গুলীচালনা কৰে ফলত কনকলতা বৰুৱা থিতাতে নিহত হয়। তেওঁৰ হাতৰ পতাকাখন তেওঁৰ সতীৰ্থ মুকন্দ কাকতিয়ে লয়। তেওঁ পুলিচৰ গুলীত নিহত হয়। ১৭ বছৰীয়া কনকলতাৰ দেশপ্ৰেম, দৃঢ় মনোবল দেশৰ হকে নিজক প্ৰাণ আহুতি দিবলৈও কুণ্ঠাবোধ নকৰা যি মনোভাৱ সেয়া সঁচা সকলোৰে বাবে আদৰ্শৰ বিষয়।

**(৩) ভোগেশ্বৰী ফুকননী** ঃ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা অসমৰ আন এগৰাকী সংগ্ৰামী নাৰী হৈছে ভোগেশ্বৰী ফুকননী। তেওঁৰ জন্ম ১৮৮৫ চনত নগাঁও জিলাৰ বঢ়মপুৰত

হৈছিল। তেওঁ ভোগেশ্বৰ ফুকনৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল আৰু তেওঁলোকৰ ৬ জন পুত্ৰ আৰু ২ গৰাকী কন্যা আছিল। যদিওবা তেওঁ আঠটি সন্তানৰ মাতৃ আছিল তথাপিও ভাৰত ত্যাগ আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বঢ়মপুৰ, বেবেজীয়া আৰু বাৰপূজীয়া অঞ্চলত ভাৰতীয় জাতীয় কংগ্ৰেছৰ কাৰ্য্যালয় স্থাপন কৰাত তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ প্ৰতিবাদী কাৰ্য্যসূচীত ভাগ লৈছিল আৰু বিভিন্ন ঠাইত পিকেটিং কৰিছিল যাৰ বাবে তেওঁক এৰেষ্টো কৰা হৈছিল। ১৯৪২ চনত বঢ়মপুৰ জাতীয় কংগ্ৰেছৰ কাৰ্য্যালয়ক ব্ৰিটিছ চৰকাৰে বন্ধ কৰি দিয়ে। তাক পুনৰ খোলাৰ কাৰণে তেওঁলোকে প্ৰতিবাদ কৰে আৰু সফলো হয়। কিন্তু বৃটিছে পুনৰ কাৰ্য্যালয় বন্ধ কৰি দিয়ে ১৪ ছেপ্টেম্বৰৰ দিনা। যাৰ বাবে তেওঁলোকে পুনৰ প্ৰতিবাদ সাবস্ত্য কৰে আৰু তেতিয়াই বৃটিছ বাহিনীৰ গুলীত তেওঁ আহত হয়। তিনি দিনৰ পিছত ভোগেস্বৰী ফুকননীৰ মৃত্যু হয়।

(৪) **কিৰণ বালা বড়া :** কিৰণ বালা বড়া এগৰাকী স্বাধীনতা সংগ্ৰামী তথা সমাজ সংস্কাৰক। তেওঁৰ জন্ম ১৯০৪ চনৰ ৪ জানুৱাৰীত নগাওঁত হৈছিল। তেওঁ অসহযোগ, আইন অমান্য আৰু ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। তেওঁ অসহযোগ আন্দোলনত বিশেষকৈ পুঁজি সংগ্ৰহৰ কামৰ লগত জড়িত আছিল। ১৯২৯ চনত কংগ্ৰেছে লাহোৰ অধিৱেশনত গ্ৰহণ কৰা পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱ ১৯৩০ চনৰ ২৬ জানুৱাৰীত উদ্যাপন কৰোতে তেওঁ প্ৰায় ৪০০ মহিলাৰ সৈতে কলিয়াবৰত এক সভা অনুষ্ঠিত কৰিছিল। চৰকাৰৰ আইন ভঙ্গ কৰাৰ বাবে তেওঁ কেইবাবাৰো কাৰাবাস খাটিবলগীয়া হৈছিল। পিছত তেওঁ মহাত্মা গান্ধীয়ে আৰম্ভ কৰা আইন অমান্য আন্দোলনত জঁপিয়াই পৰে। তেওঁ গাৱে গাৱে গৈ ৰাইজক সজাগ কৰাৰ চেষ্টা কৰিছিল। সমাজ সংস্কাৰক হিচাপে তেওঁ সতীদাহ প্ৰথা, বাল্যবিবাহ, মাদক দ্ৰব্যৰ সেৱন আদি সামাজিক ব্যাধিৰ বিষয়ে সজাগতা সৃষ্টি কৰিছিল। ইয়াৰ লগতে তেওঁ নাৰী শিক্ষাৰ বাবে উৎসাহিত কৰিছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেওঁ যোগ দি লাঠীৰ কোব খাইছিল। সেই সময়ত ব্ৰিটিছৰপৰা ৰক্ষা পাবলৈ তেওঁ আত্মগোপন কৰিছিল যদিও স্বাধীনতা লাভ নকৰালৈ যুঁজিছিল। ১৯৯৩ চনৰ ৮ জানুৱাৰীত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ আগমুহূৰ্ত্তলৈকে তেওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ কৰ্মী হিচাপে জড়িত আছিল।

(৫) **মালতী মুঙ্গৰী বা মালতী মেম :** অসমৰ এগৰাকী বীৰাঙ্গণা স্বাধীনতা সংগ্ৰামী নাৰী হৈছে মালতী মুঙ্গৰী বা মালতী মেম। তেওঁ তেজপুৰৰ লালমাটি চাহ বাগিচাৰ এগৰাকী শ্ৰমিক আছিল। ১৯২১ চনত অসহযোগ আন্দোলনৰ প্ৰচাৰৰ অৰ্থে মহাত্মা গান্ধী অসমলৈ আহিছিল। মালতী মেম মহাত্মা গান্ধীৰ নীতি-আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল। চাহ বাগিচাত কানিৰ বিৰুদ্ধে চলোৱা অভিযানত মালতী মেমে অগ্ৰণী ভূমিকা পালন কৰিছিল লগতে চাহ বাগিচাৰ লোকসকলক স্বাধীনতা আন্দোলন সম্পৰ্কে অৱগত কৰাৰ চেষ্টা কৰিছিল আৰু তেওঁলোকৰ মাজত সচেতনতাৰ সৃষ্টি কৰিছিল। কিন্তু ১৯২১ চনত তেওঁ ব্ৰিটিছৰ পোহনীয়া লাঠিয়ালৰ হাতত নিহত হয়। আচলতে মালতী মেমেই অসমৰ প্ৰথম মহিলা শ্বহীদ হ'ব লাগে।

ওপৰত উল্লেখিত মহিলাকেইগৰাকীৰ উপৰিও আন বহুতো মহিলা এই আন্দোলনৰ সৈতে সক্ৰিয়ভাৱে জড়িত আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা কিছু সংখ্যক অসমৰ মহিলাৰ বিষয়ে আমি জানো যদিও বহু সংগ্ৰামী মহিলাৰ পৰিচয় আজিও আমাৰ বাবে অজ্ঞাত। বৃটিছৰ মানসিক তথা শাৰীৰিক অত্যাচাৰকো নেওঁচি দেশৰ বাবে নিজৰ সৰ্বস্ব উৎসৰ্গা কৰি দি অসমৰ নাৰীসকলে উত্তৰপুৰুষৰ আগত যি আদৰ্শ দেখুৱালে সেয়া সঁচাকৈয়ে বিৰল। আজিৰ নাৰীসকলৰ বাবে তেওঁলোক আদৰ্শ। নাৰীসকলে স্বাধীনতা আন্দোলনৰ প্ৰতি আগবঢ়োৱা সহযোগিতা তথা অৱদানক উল্লেখ নকৰিলে স্বাধীনতা আন্দোলনৰ ইতিহাস আধৰুৱা হৈ ৰ'ব। ইতিহাসৰ পৃষ্ঠাত এই সংগ্ৰামী নাৰীসকলৰ বীৰত্বৰ কাহিনী সোণালী আখৰেৰে জিলিকি আছে আৰু ভৱিষ্যতেও থাকিব।

তথ্যৰ সমল


* https:// blog. mygov.in/woman.freedom-martyrs-of assam/
* https:// www.indiatoday.in/fyi/story/7-women-freedom-fighters-lost-in-the-pages-of-history-288428-2015-08-15
*https://rstv.nic.in/indias-lesser-known-heroes-kanaklata-barua.html
* https:// www.telegraphindia.com/north-east/movement-for-emancipation/cid/1559349.
* en.m.wikipedia. org/wiki/kiran-Bala-Bora.

# বিষ্ণুদের কবিতা ঃ রবীন্দ্র বিরোধ ও রবীন্দ্র বরণ



ইন্দ্রাণী ভট্টাচার্য

কালের দিক থেকে মহাযুদ্ধ পরবর্তী এবং ভাবের দিক থেকে রবীন্দ্র প্রভাবমুক্ত, অন্তত মুক্তি প্রয়াসী কাব্যকেই আধুনিক কাব্য বলে গণ্য করতে চেয়েছিলেন শ্রদ্ধেয় আবু সয়ীদ আইয়ুব। আইয়ুব সাহেব নির্ধারিত এই দুটি লক্ষণকে যদি আধুনিক কবিতার অন্যতম লক্ষণ হিসেবে মেনে নেওয়া যায় তাহলে দেখা যাবে যে, এই লক্ষণ সম্পূর্ণ ভাবে মিলে যায় বিষ্ণু দে-র কবিতায়। বিশেষত তাঁর প্রথম কাব্যগ্রন্থে তিনি যখন নিজেই জানিয়ে দিতে চান, "হেথা নাই সুশোভন রূপদক্ষ রবীন্দ্র ঠাকুর।"

রবীন্দ্রোত্তর কালের অন্যান্য আধুনিক কবিদের মতোই বিষ্ণু দে ও হৃদয়ঙ্গম করেছিলেন বাংলা কাব্যের মুক্তি রবীন্দ্র অনুসরণে নয়। তিনি অনুভব করেছিলেন রবীন্দ্রনাথের ভাবমণ্ডল ও তাঁর ভাবমণ্ডলের মধ্যে রয়েছে যোজনব্যাপী ব্যবধান। বিশ্বযুদ্ধোত্তর ভারতবর্ষের ক্ষয়াটে চেহারা বিষ্ণু দে-কে পীড়িত করেছে। মানুষের পাশব প্রবৃত্তি যেভাবে মানবতাকে পিষ্ট, দলিত করেছে, তা কবিকে স্থির থাকতে দেয়নি কেননা রবীন্দ্র নাথের মতো অসম্ভব সহনশীলতা তাঁর ছিল না। যুগোচিত জিজ্ঞাসা, সংশয় ক্লান্তি ও হতাশা কবিকে এতো বিচলিত করেছিল যে রবীন্দ্রনাথের মতো জগৎকে কেবল আনন্দময় রূপে স্বীকার করা তাঁর পক্ষে সম্ভবপর হয়ে ওঠেনি। তাই বিষ্ণু দে-র প্রথম দিকের কাব্যে আমরা তাঁকে রবীন্দ্র বিরোধীতায় মত্ত হতে দেখি। তবে তাঁর রবীন্দ্র বিরোধিতার অনন্যতাও এখানেই যে তিনি রবীন্দ্র -পংক্তিকেই উদ্ধৃত করেছেন রাবীন্দ্রিক ভাবাবেশকে ছিন্ন ভিন্ন করার জন্য — 'উর্বশীও আর্টেমিস' কবিতায় পৌরাণিক উর্বশী সম্পর্কে চিরন্তন ধারণা ও রবীন্দ্রনাথের কল্পনাকে আঘাত করার জন্য তিনি উচ্চারণ করেছেন—

পলাতক উর্বশীর প্রতি পদপাতে
দুলে দুলে ওঠে স্নায়ু আলোড়িত উতলা কম্পনে।

অথবা 'নামে সন্ধ্যা তন্দ্রালসা' এই বিখ্যাত কবিতাটির চিত্রকল্প কোলকাতার শ্রীহীন

নাগরিক পরিবেশের বর্ণনায় বৈপরীত্যের আঘাত হানার জন্যই বিষ্ণু দে-র কবিতায় এভাবে উঠে আসে-- "ঘামে আর নিঃশ্বাসের/কিন্বস্রাবী উদ্গারের উচ্ছিষ্ট হাওয়ায়/সন্ধ্যা নামে তন্দ্রালসা/সোনার কবরী খসা/অগণন ভিড়াক্রান্ত এ শহরে, হে শহর স্বপ্নভারাতুর। /লেক আর খালপার, এসপ্লানেড আর চিৎপুর" (জন্মাষ্টমীঃ পূর্বলেখঃ।

আবার 'চোরাবালি' কাব্যগ্রন্থের 'বেকার বিহঙ্গ' পড়ার সময় মনে পড়ে যায় রবীন্দ্রনাথের দুঃসময়' কবিতাটি— "তবু বিহঙ্গ, ওরে বিহঙ্গ মোর/কোরো না অন্ধ বন্ধ জটায়ু পাখা।" অথবা

বাসের এ কি শিং ভাঙা গোঁ!
যন্ত্রের এই খামখেয়াল;
এদিকে আর পঁচিশ মিনিট—
ওরে বিহঙ্গ, ওরে বিহঙ্গ মোর।

("টপ্পা ঠুং বি", 'চোরাবালি')

যেখানে যন্ত্রযুগের দাসত্বে বন্দী মানবের অসহায়তা কে মূর্ত করে তোলা হয়েছে এবং রবীন্দ্রযুগের সঙ্গে কবির যুগের যে দুস্তর ব্যবধান বৈপরীত্যের মাধ্যম সেটাকেও সুস্পষ্ট করে তোলা হয়েছে। রবীন্দ্রনাথের কবিতার উদ্ধৃতির সাহায্যে এই বৈপরীত্য সৃষ্টির আরো দৃষ্টান্ত বিষ্ণুদে র বিভিন্ন কবিতায় ছড়িয়ে রয়েছে। যেমন—

পঞ্চশরে দগ্ধ করে করেছ একী সন্ন্যাসী
বিশ্বময় চলেছে তার ভোজ।
মরমিয়া সুগন্ধ তার বাতাসে ওঠে প্রশ্বাসি'
সুরেশ শুধু খায় দেখি গ্লুকোজ।

("শিখণ্ডীর গান" ঃ 'চোরাবালি')

অথবা, নামল সন্ধ্যা, /সূর্যদেব, এখানে নামল সন্ধ্যা,/পিলু বারোয়াঁর সন্ধ্যা,/কবিতার সন্ধ্যা।

'শিখণ্ডীর গান', 'টপ্পা ঠুংরি' ইত্যাদি কবিতায় পর পর রবীন্দ্র উক্তি তুলে ধরে সদর্থক চেতনাকে ব্যঙ্গ করলেও এই ব্যঙ্গ বা রবীন্দ্রনাথের পংক্তির উদ্ধৃতি প্রয়োগের মাধ্যমে বৈপরীত সৃষ্টির প্রয়াসই বিষ্ণুদের কাব্যের শেষ কথা নয়। পরবর্তীকালে অস্তিবাদী দর্শনে কবির বিশ্বাস স্থাপন তাঁকে এ পথ থেকে সরিয়ে নিয়ে এসেছে। বয়স বাড়ার সঙ্গে সঙ্গে বিষ্ণ দে আরো বেশি করে রবীন্দ্র সাহিত্যের সঙ্গে মৌন প্রত্যয়গত যোগ অনুভব করেছেন। একদিন রবীন্দ্রনাথকে অস্বীকার করে রবীন্দ্র বিরোধিতায় উৎসাহী বিষ্ণু দে পরিণত বয়সে কিন্তু রবীন্দ্রনাথের কাছেই আত্মসমপর্ণ করেছেন। পরবর্তী কালে রবীন্দ্র উত্তরাধিকার আত্মস্থ করেই বিষ্ণু দে স্বতন্ত্র হয়ে উঠেছেন।

বিশেষত লক্ষণীয় যে, বিষ্ণু দের 'পূর্বলেখ' কাব্য থেকেই রবীন্দ্রনাথের সদর্থক চেতনার উপর পরিপূর্ণ আস্থা ফিরে আসতে দেখা যায়। 'পূর্বলেখ' এবং পরবর্তীকালের অন্যান্য কাব্যেও বিষ্ণু দে রবীন্দ্র চরণাংশকে ব্যবহার করেছেন তবে তা পরম শ্রদ্ধার সঙ্গেই উদ্ধৃত হয়েছে, পূর্বের ব্যঙ্গের খোঁচা সেখানে অনুপস্থিত—

"যেখানে পর্বত ওড়ে আশ্বিনের নিরুদ্দেশ মেঘ
সন্ধ্যারাগে ঝিলিমিলি ঝিলমের বাঁকা তলোয়ার,
নটীর নূপুরে বাজে নদীর জোয়ার
শিহরায় দেওদার বন।"

('তুমি শুধু পঁচিশে বৈশাখ')

বা 'আবির্ভাব' কবিতার,

'কানে কানে শুনি
তিমির দুয়ার (খোলো হে জ্যোর্তিময়।"

জীবনের পরবর্তী পর্যায়ে রবীন্দ্রনাথে পরিপূর্ণ আস্থা স্থাপনের মধ্য দিয়ে শেষপর্যন্ত কবির কাছে প্রেম, প্রকৃতির মোহাঞ্জন— স্বাভাৱিক হয়ে উঠেছে। কবি কণ্ঠে তাই শোনা যায়- — "তবু শূণ্য শূণ্য নয়, ব্যথাময় অগ্নিবাজে পূর্ণ সে গগন।" এবং যে বিষ্ণু দে একদা রবীন্দ্রনাথের "নামে সন্ধ্যা তন্দ্রালসা" কবিতাটির 'ব্যঙ্গানুকৃতি' করেছিলেন, তিনিই সেই একই চিত্রকল্প ব্যবহার করে তাঁর কবিতাকে কল্পনার উর্ধ্বলোকে নিয়ে গেছেন ঃ

"নামে সন্ধ্যা তন্দ্রালসা, তার
সোনার কবরী খসা,
একটি কুসুমে
তোমায় সাজাব কবে সম্পূর্ণ দিনের শেষে প্রিয়া
পরিচ্ছন্ন সুমে"

(অক্টোবরের দিনগুলি" ঃ 'নাম রেখেছি কোমল গান্ধার')

তাই বলা যেতে পারে, রবীন্দ্র বিরোধিতার মাধ্যমেই বিষ্ণু দে র কাব্যচর্চার সূত্রপাত হ'লেও বৈপরীত্য সৃষ্টি, ব্যঙ্গানুকৃতি বা সচেতন আভাস—এগুলোর বাইরে রবীন্দ্রনাথের সঙ্গে অন্তরের যোগপ্রসূত কবিতাতেই বিষ্ণুদের যথার্থ প্রতিষ্ঠা ও স্বকীয়তা লক্ষ করা যায়। উদাহরণস্বরূপ বলা যেতে পারে, 'নাম রেখেছি কোমল গান্ধার' কাব্যগ্রন্থের নাম চয়নের ক্ষেত্রেই তিনি কেবল রবীন্দ্রনাথের কাছে ঋণী নন, এই কাব্যেরই 'বারোমাস্যা' কবিতাটিও কবিগুরুর

'লিপিকা'র 'সন্ধ্যাও প্রভাত' গদ্য কবিতার ভাবে সুরভিত হয়ে উঠেছে।

'সন্ধ্যাও প্রভাত' গদ্য কবিতার শেষে সন্ধ্যার পূরবী ও প্রভাতের বিভাসকে মেলানোর আহ্বান সূর্যদেবের উদ্দেশ্যে রবীন্দ্র নাথ জানিয়েছিলেন— আর সেই আহ্বানই এদেশে চিরকাল সত্য হোক, এই প্রার্থনায় বিষ্ণু দে পূরবীতে

এখানে নামুক সন্ধ্যা পূরবীতে
সূর্যদেব জাগুক বিভাসে
পুনর্বৃত্তে উপমা রূপকে ধন্য
রাবীন্দ্রিক আত্মস্থ সঙ্গীতে নির্ভীক ছবিতে।
(প্রথম কবিতা ঃ রবিকরোজ্জ্বল নিজদেশে)

তবে কেবল মাত্র রবীন্দ্রনাথের পংক্তির উদ্ধৃতিই নিজের কবিতায় তুলে ধরা নয়, বিষ্ণু দে রবীন্দ্রনাথের উপন্যাস থেকেও কয়েকটি বিখ্যাত চরিত্রকে তাঁর কবিতায় নিয়ে এসেহেন ঃ

"সরু ফালি কলকাতার জোলো মাটি দিয়েছিল
তবু কিছু রস, কিছু রৌদ্র/শচীশকে বিনয়কে,
তবু গোরা আরো বহু স্বদেশী ছেলেরা/কলকাতাকে
চিনেছিল, সুস্থ হতে চেয়েছিল সম্পূর্ণ স্ববশ।"

এছাড়াও রবীন্দ্রনাথের চতুরঙ্গ' উপন্যাসের দামিনী, যে নারী "মৃত্যুর কেহ নয়, সে জীবনরসের রসিক" সেই নারীর উদ্দেশ্যে বিষ্ণু দে তাঁর 'স্মৃতি সত্তা ভবিষ্যৎ' কাব্যের 'দামিনী' কবিতায় বলেন, "আমারও মেটে না সাধ, তোমার সমুদ্রে যেন সরি/ বেঁচে মরি দীর্ঘবাহু আন্দোলিত দিবস যামিনী,/দামিনী, সমুদ্রে দীপ্র তোমার শরীর।" 'চতুরঙ্গ'র দামিনীর মতোই 'পলাতকা'র 'হারিয়ে যাওয়া'র বামী ফিরে এসেহে 'তুমি শুধু পচিশে বৈশাখ' কাব্যগ্রন্থের 'বামী' কবিতায়। মৃত্যুর অন্ধকারে হারিয়ে যাওয়া রবীন্দ্রনাথের বামীকে বিষ্ণু দে তাঁর কবিতায় করে তুললেন "একালের সর্বগ্রাসী আক্রমণ থেকে বাঁচিয়ে চলার সংগ্রামে আত্মপ্রত্যয়দীপ্ত শিল্প সাহিত্য সংস্কৃতির প্রতিনিধি।" (বিষ্ণু দে জীবন ও সাহিত্য)


শুধুমাত্র রবীন্দ্রনাথের কবিতার উদ্ধৃতি ব্যবহার বা চরিত্রের উল্লেখই নয়, রবীন্দ্রনাথের উদ্দেশে একেকটি সমগ্র কবিতাও কম লেখেন নি বিষ্ণু দে। তবে রবীন্দ্র কবিতা ও সঙ্গীতের পংক্তি বা শব্দবন্ধে সারাজীবন তাঁর কবিতায় নূপুরের মতো বেজেছে। কতোবার তিনি রবীন্দ্রনাথের 'রূপনারানের কূলে' জেগে ওঠার কথা বলেছেন। 'রক্তকরবী'র 'দুখ জাগানিয়া' বা 'ঘুম ভাঙানিয়া' র মতো গানের শব্দে 'নিত্য মর্ত্যসীমা' ভাঙার কথায় 'বাদল দিনের প্রথম কদমফুল' জাতীয় অজস্র রবীন্দ্র রচনার স্মৃতি বিষ্ণু দে র কবিতাকে আকীর্ণ করেছে। তাই ঈশাবাস্য দিবানিশা' কাব্যের 'পুবের হাওয়া' কবিতার শেয়ে পরিচয় দিতে গিয়ে বলেছেন ঃ জ্ঞানে অজ্ঞানে চেতনার নীলে আমরা রাবীন্দ্রিক যে।" তাঁর রচিত প্রবন্ধেও তিনি এ কথা বারবার বলেছেন, জীবনের আরম্ভ থেকে শেষ পর্যন্ত তিনি রাবীন্দ্রিক। অপরাজেয় মানবাত্মার মহিমায় গভীর আস্থায় তিনি রাবীন্দ্রিক। দেশে দেশে কালে কালে ব্যাপ্ত কর্মিষ্ঠ বলিষ্ঠ বন্দনায় তিনি রাবীন্দ্রিক। রবীন্দ্রনাথের মধ্য দিয়ে আধুনিক কবিকুল সমগ্র ভারতবর্ষকে, বিশেষভাবে এদেশের আবহমানকালের সাহিত্যস্মৃতিকে তাঁদের অনুভূতিতে পেয়েছেন- বিষ্ণু দে-ও এর অন্যথা নন। রবীন্দ্র নাথকে স্মরণ করে তিনি যে সব কবিতা রচনা করেছেন, সেগুলো থেকেই রবীন্দ্রসাহিত্যের প্রতি তাঁর তীব্র আকর্ষণ অনুভৱ করা যায়। তবে এই আকর্ষণের মোহে আবদ্ধ হয়ে রবীন্দ্রনাথের উত্তরাধিকার ভেঙে ভেঙে নিজের কাব্যজীবন সমৃদ্ধ করার কোনো ইচ্ছাই তাঁর ছিল না বলেই পঁচিশে বৈশাখ কবিতায় তিনি লিখলেন ঃ

রবীন্দ্রব্যবসা নয়, উত্তরাধিকার ভেঙে ভেঙে
চিরস্থায়ী জটাজালে জাহ্নবীকে বাঁধিনা, বরং
আমরা প্রাণের গঙ্গা খোলা রাখি।

সহায়ক গ্রন্থ ঃ
(১) আধুনিক বাংলা কাব্য পরিচয়— দীপ্তি ত্রিপাঠী।
(২) আধুনিক বাংলা কবিতার রূপরেখা— অশোক কুমার মিশ্র।
(৩) বিষ্ণু দে ঃ জীবন ও সাহিত্য — ধ্রুব কুমার মুখোপাধ্যায় সম্পাদিত।
(৪) সাহিত্য চর্চা ঃ বুদ্ধদেব বসু।

# সৌৰজগতৰ ভ্ৰমণ

**নৰজ্যোতি নাথ**
প্ৰাক্তন ছাত্ৰ, জাগীৰোড কলেজ



মোৰ দৰে আপোনালোকেও কেতিয়াবা ৰাতিৰ আকাশত জিলিকি থকা হাজাৰ-বিজাৰ তৰাবোৰক দেখি ভাবিছেনে কিমান বিচিত্ৰ আমাৰ এই মহাকাশখন; কিমান বিশাল এই মহাকাশখন। ইয়াৰ নিযুত নিযুত তৰা, গ্ৰহ, উপগ্ৰহ, এচ্‌ট্ৰইড (asteroid), ক'মেট, (Comet), Galaxy আদিৰ মাজত আমাৰ পৃথিৱীখন এটা বিন্দু স্বৰূপ হে মাথো। প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ লগে লগে আমি এই বিচিত্ৰ মহাকাশখনৰ উৎপত্তি, ইয়াৰ কাম কৰাৰ ধৰণ, ইয়াৰ চলন শক্তি আদিৰ বিষয়ে কিছু জানিবলৈ সক্ষম হৈছো। কিন্তু, কেতিয়াবা আপুনি ভাবি চাইছেনে যদি কিছু দশক পিছত আপুনি পৃথিৱীৰ বাদে অন্য কোনো গ্ৰহত বাসস্থান পাতিব লগা হয় তেন্তে আপুনি তাত কেনে অনুভৱ কৰিব, আপোনাৰ ৰহণ-কৰণ কেনে ধৰণৰ হ'ব। আজি মই আপোনালোকক আমাৰ সৌৰজগতৰেই আমাৰ পৃথিৱীৰ নিকটতম তিনিটা গ্ৰহ বুধ (Mercury), শুক্ৰ (Venus) আৰু মঙ্গল (Mars)ৰ গঠন আৰু বাতাবৰণৰ বিষয়ে কিছু অৱগত কৰিবলৈ চেষ্টা কৰিম।

সৌৰমণ্ডলত সূৰ্যৰ পৰা প্ৰায় ৫ কোটি ৭৬ লাখ কি.মি. (৫৭ million k.m.) দূৰত থকা প্ৰথমটো গ্ৰহেই হ'ব বুধ (Mercury)। পৃথিৱী আৰু সূৰ্যৰ মাজেৰে পাৰ হৈ যাওঁতে টেলিস্কপৰ সহায়ত অতি সহজেই ইয়াক দেখা পাব পাৰি। এই পৰিঘটনাটোক 'Transit', বুলি কোৱা হয়। সূৰ্যৰ নিকটতম এই গ্ৰহটো অত্যন্ত গৰম। কিন্তু আপুনি যদি ইয়াক আটাইতকৈ গৰম গ্ৰহ বুলি ভাবিছে তেন্তে আপুনি ভুল ভাবিছে। আটাইতকৈ গৰম গ্ৰহটো হ'ল শুক্ৰ (Venus) ; যাৰ বিষয়ে আমি ইয়াৰ পিছত আলোচনা কৰিম। দিনৰ ভাগত বুধ গ্ৰহৰ তাপমান সৰ্বোচ্চ ৪৫০° C কিন্তু ইয়াৰ বিপৰীতে ইয়াৰ ৰাতিৰ উষ্ণতা প্ৰায় ১৭৫° C। আচৰিত নহয়নে। ইয়াৰ কাৰণ হ'ল বুধ গ্ৰহৰ কোনো বায়ুমণ্ডল নাই। স্পেচক্ৰাফট্‌ত (Space Craft)ত বহি আপুনি যেতিয়া ইয়াৰ ফালে গতি কৰিব, আপুনি এই গ্ৰহৰ ৰঙ প্ৰায় চন্দ্ৰৰ দৰেই দেখিব লগতে ইয়াৰ পৃষ্ঠভাগত (Asteroid), ৰ খুন্দাৰ ফলত সৃষ্ট দ-গাঁত বোৰো দেখিবলৈ পাব। এই গ্ৰহৰ পৃষ্ঠত লেণ্ড কৰাৰ লগে লগেই ইয়াৰ অতিমাত্ৰা কম gravity, আপুনি অনুভৱ কৰিবলৈ পাব। ইয়াত আপোনাৰ ওজন পৃথিৱীৰ আপোনাৰ ওজনৰ কেৱল 38% হে হ'বগৈ। অৰ্থাৎ, ১০০k.g ওজনৰ মানুহজন ইয়াৰ মাত্ৰ 38k.g ওজনৰ হে হ'ব। অতিপাত প্ৰতিকূল পৰিস্থিতিটো স্পেচ্‌ চ্যুটৰ (Space suit) ৰ সহায়ত জীয়াই থাকিব পাৰিলে আপুনি ইয়াত সূৰ্যটোক

পৃথিৱীৰ তুলনাত তিনি গুণ ডাঙৰ ৰূপত দেখিবলৈ পাব। এই গ্রহৰ সম্পূর্ণ এদিন পৃথিৱীৰ প্রায় দুমাহ (৫৯ দিন) ৰ সমান। অৰ্থাৎ এক মাহ দিন আৰু এক মাহ ৰাতি। দিনৰ ভাগত সূৰ্যৰ অপাৰ পোহৰতো ইয়াত আপুনি আকাশৰ ৰঙ কলা আৰু আকাশত কিছু তৰাও দেখিবলৈ পাব। ইয়াৰ কাৰণ হ'ল বুধ গ্রহৰ কোনো বায়ুমণ্ডল নাই, অৱশ্যে এই গ্রহত অতি পাতলকৈ এক্স'স্পিয়েৰৰ (exo sphere) তৰপ আছে যত, নাইট্রজেন, অক্সিজেন, ছডিয়াম, হিলিয়াম আদি গেছ উপস্থিত আছে। এই গ্রহৰ অর্ন্তঃভাগৰ প্রায় 85%, অংশ ইয়াৰ মেটালিক ক'ৰ (Metalic Core)ৰ দ্বাৰা গঠিত হোৱা বাবে ইয়াত অতি সঘনেই আপুনি পৃথিৱীৰ তুলনাত অতি বেছি ৰিখটাৰ স্কেলত ভূমিকম্পৰ অনুভৱ কৰিব। আটাইতকৈ আচৰিত কথাটো হ'ল- অতিপাত গৰম এই গ্রহটোৰ দ গাঁতবোৰত আপুনি বৰফৰ সন্ধান পাব পাৰে। যিহেতু অতি বেছি দঁ এই গাতবোৰত কেতিয়াও সূৰ্যৰ পোহৰ গৈ নাপায় সেয়েহে এইবোৰত বৰফ পোৱাৰ সম্ভাৱনা আছে আৰু হয়তো এই গাঁতবোৰৰ পৰাই ইয়াত আপুনি আপোনাৰ পানীৰ অভাৱ পূৰ কৰিব পাৰিব।

বুধৰ পিছতেই সৌৰজগতৰ দ্বিতীয়টো গ্ৰহ হ'ল শুক্র (Venus), আমাৰ সৌৰজগতৰ আটাইতকৈ তেজস্বী গ্রহ। প্রায় ১০০ দিনৰ ভিতৰত আধুনিক স্পেচ ক্রাফট্‌ৰ সহায়ত আপুনি শুক্রত উপস্থিত হ'ব পাৰিব। পৃথিৱীত আপোনাৰ ওজন যদি ১০০k.g হয় তেন্তে শুক্রত আপোনাৰ ওজন হ'বগৈ 91k.g মাথো। কিন্তু এই গ্রহত গৈ আপুনি কোনো স্বৰ্গীয় অনুভূতি প্রাপ্তিৰ আশা নকৰিব কাৰণ শুক্ৰৰ বাতাবৰণ নৰকত কৈ কোনো গুণেই কম নহয়। অত্যাধুনিক Space suit ৰ অবিহনে মাথো 1 Secend ৰ বাবেহে আপুনি ইয়াত জীয়াই থাকিবলৈ পাৰিব। ইয়াত চাৰিওফালে দূৰ দূৰলৈ কেৱল জ্বালামুখীয় পৰ্বতহে দেখিবলৈ পাব। ইয়াৰ আকাশৰ ৰঙ আপুনি পাতল হালধীয়া ৰঙৰ দেখা পাব কাৰণ শুক্রৰ বায়ুমণ্ডল ছালফিউৰিক এচিডৰ (Sulfuric acid) কেইবা কি.মি জোৰা ডাঠ আৱৰণেৰে গঠিত। যাৰ ফলত সূৰ্যৰ আপতিত ৰশ্মি সম্পূর্ণ ৰূপে প্ৰতিফলিত হৈ ঘূৰি যাব নোৱাৰে আৰু সেইবাবেই দিন আৰু ৰাতি দুয়ো সময়তেই ইয়াত তাপমান প্রায় 465° C হৈ থাকে। শুক্রৰ এদিন পৃথিৱীৰ প্ৰায় আঠ মাহৰ সমান; সেই দৃষ্টিত সৌৰজগতৰ আটাইতকৈ দীঘল দিন থকা গ্রহটোৱেই হ'ল শুক্র। শুক্রই ইয়াৰ কক্ষপথত সৌৰজগতৰ প্ৰায় আন গ্রহবোৰৰ তুলনাত বিপৰীত দিশে অৰ্থাৎ (Clock wise) ঘড়ীৰ কাটাৰ দিশে ঘূৰে। 1970 চনৰপৰা 1989 চনলৈ USSR য়ে প্রায় 10 খন মানৰ ৰহিত যান শুক্ৰলৈ প্ৰেৰণ কৰে যদিও কেৱল Venera 13 নামৰ যানখনেৰে Soft landing কৰি 127 minute সময়ৰ বাবে শুক্রৰ কঠিন বাতাবৰণত সক্রিয় থাকি তথ্য প্রেৰণ কৰিবলৈ সক্ষম হয়। ইয়াৰ পৰাই এজন সাধাৰণ মানুহৰ বাবে শুক্রৰ বাতাবৰণ কিমান ক্ষতিকাৰক হ'ব পাৰে তাৰ অনুমান কৰিব পৰা যায়। সৌৰজগতত কেৱল বুধ আৰু শুক্ৰৰে নিজা কোনো প্রাকৃতিক উপগ্রহ নাই। সূৰ্যৰ নিকটৱর্তী হোৱাটোৱেই ইয়াৰ প্ৰমূখ কাৰণ বুলি বৰ্তমানলৈ চিনাক্ত কৰা হৈছে।

সৌৰজগতত সূৰ্যৰ পৰিক্ৰমা কৰা চতুৰ্থ গ্রহটোৱেই হৈছে মঙ্গল। ই আমাৰ পৃথিৱীৰ দৰে এটা টেৰেষ্টেৰিয়েল (Terres-trial) গ্রহ য'ত ভৰি দিবলৈ পৃথিৱীৰ দৰেই মাটি আছে। মঙ্গলত আপুনি পৃথিৱীৰ দৰেই নদ-নদী, পাহাৰ-পৰ্বত, মৰুভূমি, দ খাৰৈ আদি দেখিবলৈ পাব, কিন্তু ইয়াৰ নদীবোৰ শুকান। কিন্তু মঙ্গলৰ কোনো ঠাইত আমি বৰফৰ সন্ধান পাবলৈ সক্ষম হোৱা নাই। মঙ্গলৰ বায়ুমণ্ডলৰ অক্সিজেনৰ মাত্রা নিচেই কম হোৱাৰ বাবে স্পেচ চ্যুতৰ অবিহনে আপুনি ইয়াত কেৱল ২ মিনিটৰ বাবেহে জীয়াই থাকিব পাৰিব। পৃথিৱীৰ ১০০k.g ওজনৰ মানুহ এজনৰ ওজন মঙ্গলৰ পৃষ্ঠত কেৱল 38k.g হে হ'ব। ইয়াত আপনি চাৰিওফালে দূৰ-দূৰলৈ শুকান ৰঙা মাটি দ-খাৰৈ আৰু ওখ ওখ পৰ্বত দেখিবলৈ পাব। সৌৰজগতৰ আটাইতকৈ ওখ পৰ্বত Olympus Mons মঙ্গলতেই অৱস্থিত যাৰ উচ্চতা মাউণ্ট এভাৰেষ্টৰ প্ৰায় তিনিগুণ অৰ্থাৎ ই প্ৰায় 22k.m ওখ। মঙ্গলত থকাৰ সময়ত আপুনি নিশ্চয়কৈ ঠাণ্ডাৰ অনুভৱ কৰিব কাৰণ মঙ্গলৰ সাধাৰণ উষ্ণতা হৈছে ৬০° C। মঙ্গলৰ আকাশত আপুনি পৃথিৱীৰ দৰেই মেঘ দেখিবলৈ পাব আৰু দিনৰ ভাগত অস্পষ্ট ৰূপত সূৰ্যটো দেখিবলৈ পাব কাৰণ মঙ্গলৰ বায়ুমণ্ডল পৃথিৱীৰ তুলনাত ঘন। ৰাতিৰ ভাগত আপুনি মঙ্গলৰ দুটা উপগ্রহ (moons) ডিমচ্ (Deimos) আৰু ফ'ব'ছ (Phobos) দেখিবলৈ পাব।

বহুতো গৱেষণাৰ পৰা গম পোৱা গৈছে যে বহু হাজাৰ কোটি বছৰৰ আগত মঙ্গলত পানীৰে পূৰ্ণ নদী আৰু সাগৰৰ উপস্থিতি আছিল আৰু ইয়াৰ তাপমাত্ৰাও প্ৰায় পৃথিৱীৰ সমকক্ষ আছিল।

বুধ, শুক্র, মঙ্গল এই তিনিটাৰ দৰে সৌৰজগতৰ আন গ্ৰহবোৰো আমাৰ বাসস্থানৰ বাবে উপযোগী নহয়। গতিকে প্ৰকৃতিৰ বৰদান স্বৰূপ এই পৃথিৱীখনক আৰু ইয়াৰ জীৱকুলক ধ্বংসৰ পথলৈ ঠেলি নিদি ইয়াৰ সংৰক্ষণ কৰিবলৈ দায়বদ্ধ হওঁক।



# লোকসংস্কৃতিৰ বাহক দেওধনী নৃত্য

**জাহ্নুপ্ৰাণ মহন্ত**
অভিনয় বিভাগ

অসমৰ অতি প্ৰাচীন আৰু অতি আকৰ্ষণীয় এটি নৃত্য হৈছে দেওধনী নৃত্য। লোকসংস্কৃতিৰ প্ৰধান ক্ষেত্ৰসমূহৰ ভিতৰত এক অনন্য কলা হ'ল লোক পৰিৱেশ্য কলা, যাৰ মূল উপজীব্য লোক সঙ্গীত, লোকনৃত্য আৰু লোক নাট্যক লৈ গঠিত। ভাৰতীয় পৰম্পৰাগত নাট্যৰীতি সমূহৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল নৃত্য আৰু গীতৰ লগত থকা এইবোৰৰ অঙ্গাঙ্গী সম্বন্ধ। ফলত একোটা পৰিৱেশ্য কলাৰীতিয়েই কেতিয়াবা নাট্যানুষ্ঠান ৰূপে চিহ্নিত হৈছে।

নলবাৰী অঞ্চলৰ সুকন্নানী গোৱা কোনো কোনো দিশত দেওধানী নাচ পূৰ্বৰেপৰা অন্তৰ্ভূক্ত আছিল বুলি জনা যায়। মনসা পূজাৰ উপলক্ষে সুকন্নানী গোৱাৰ অন্তত ঢোলৰ ছেৱে ছেৱে নচা নাচনীৰ গাত দেৱতা লম্ভে বুলি জনশ্ৰুতি আছে। নলবাৰী আৰু বজালী অঞ্চলৰ পুৰণিচাম মানুহৰ মুখত শুনিবলৈ পোৱা যায় যে দেওধনীৰ নাচ মাজৰাতি আৰম্ভ হয়। প্ৰবাদমতে, লখিন্দৰক কালীনাগে দংশন কৰাৰ সময়তে দেওধনীৰ গাত জঁক উঠে আৰু নাচি নাচি মূৰ্চ্ছা যায়। তেতিয়া উপস্থিত দৰ্শকে দেওধনীক ধৰি মেলি ৰাখে। কাহিনীৰ অগ্ৰগতিত বেউলাই যেতিয়া স্বামীৰ জীৱন পুনৰ ঘূৰাই আনে, সেই ক্ষণতে দেওধনীয়ে জঁকৰ পৰা জিকাৰ মাৰি উঠে আৰু নানা প্ৰশ্নৰ উত্তৰ দিয়ে। জনবিশ্বাস অনুসৰি দেওধনীয়ে সেই সময়ত দৈৱিক শক্তি আহৰণ কৰে আৰু যি কয় তাকে ফলিয়ায়। আজিকালি অৱশ্যে এনে দেওধনী পাবলৈ নোহোৱা হৈছে। মনসা পূজাৰ লগত সুকনান্নী গোৱা ওজাপালি আছে যদিও দেওধনীৰ আগৰ প্ৰচলন নোহোৱা হৈছে। অসমৰ বিশেষকৈ

নলবাৰী আৰু বজালী অঞ্চলৰ পুৰণিচাম মানুহৰ মুখত শুনিবলৈ পোৱা যায় যে দেওধনীৰ নাচ মাজৰাতি আৰম্ভ হয়। প্ৰবাদমতে, লখিন্দৰক কালীনাগে দংশন কৰাৰ সময়তে দেওধনীৰ গাত জঁক উঠে আৰু নাচি নাচি মূৰ্চ্ছা যায়। তেতিয়া উপস্থিত দৰ্শকে দেওধনীক ধৰি মেলি ৰাখে। কাহিনীৰ অগ্ৰগতিত বেউলাই যেতিয়া স্বামীৰ জীৱন পুনৰ ঘূৰাই আনে, সেই ক্ষণতে দেওধনীয়ে জঁকৰ পৰা জিকাৰ মাৰি উঠে আৰু নানা প্ৰশ্নৰ উত্তৰ দিয়ে। জনবিশ্বাস অনুসৰি দেওধনীয়ে সেই সময়ত দৈৱিক শক্তি আহৰণ কৰে আৰু যি কয় তাকে ফলিয়ায়। আজিকালি অৱশ্যে এনে দেওধনী পাবলৈ নোহোৱা হৈছে।

কামৰূপ, দৰং আৰু গোৱালপাৰা জিলাৰ জনজাতীয় আৰু অজনজাতীয় উভয় জনগোষ্ঠীৰ মাজত এই নৃত্য প্ৰচলিত হৈ আহিছে যদিও দৰঙত বৰ্তমানেও দেওধনী নচা নাচনী অৱসৰ অৱস্থাত গাঁৱৰ চুকে কোনে আছে। ছিপাঝাৰৰ বিখ্যাত সুকনান্নী গোৱা ওজা ললিত চন্দ্ৰ নাথৰ যত্নত এই আপুৰুগীয়া কৃষ্টিয়ে যথেষ্ট প্ৰসাৰ লাভ কৰে। ভাৰতীয় সঙ্গীত নাটক অকাডেমীয়ে নাথৰ অৱদান সুঁৱৰি তেখেতক বঁটাৰ লগতে বিভিন্ন সন্মানেৰে বিভূষিত কৰিছে।

দেওধনী কেনেকৈ উদ্ভৱ হ'ল কোৱা টান যদিও এসময়ত মাৰৈ পূজাক লৈ এই অনুষ্ঠানৰ সৃষ্টি হৈছিল। অষ্টাদশ শতিকাত সূৰ্যখৰি দৈৱজ্ঞ ৰচিত 'দৰংগ ৰাজবংশাৱলী "পুথিত কছাৰীসকলৰ মাজত দেওধনী নৃত্যৰ কথা উল্লেখ আছে। বড়ো কছাৰীসকলে পালন কৰা খেৰাই পূজাত দেওধনী নৃত্য কৰা প্ৰথাৰ উল্লেখ পোৱা যায়। ৰজা বিশ্ব সিংহৰ অভিষেকৰ সময়ত বড়ো কছাৰীসকলে এই নৃত্য প্ৰদৰ্শন কৰিছিল বুলিও তথ্য পোৱা যায়। দেওধনী নৃত্যত খ্ৰাম আৰু চিফুং বজোৱা হয়। নৃত্যৰ আৰম্ভণিতে মাদল আৰু চিফুঙৰ লগতে মন্ত্ৰ পাঠ কৰে। কামৰূপ আৰু দৰঙত পূজাৰ অপৰিহাৰ্য অঙ্গ হৈছে দেওধনী নৃত্য। দেওধনী নৃত্যত প্ৰাচীন অসমৰ জনগোষ্ঠীয় বিশ্বাস, লোক পৰম্পৰা জড়িত আছে বুলি অনুমান কৰিব পাৰি। দক্ষিণ কামৰূপ অঞ্চলৰ ওজাপালিত দেওধনী নাচনীক নচুৱাই বৰদঁক, দুৰ্গাদঁক, ছায়াদঁকৰ গীতপদ আৰু ঢোলবাদ্যৰে মূৰ্ছা যোৱা দৃশ্য আৰু পুনৰ জগাই তোলা দৃশ্য উপভোগ কৰিবলৈ মাৰৈ পূজাৰ প্ৰাঙ্গণত বহুলোকৰ সমাগম হৈছিল বুলি জনা যায়। কামাখ্যা তীৰ্থত অনুষ্ঠিত হোৱা উৎসৱ সমূহৰ ভিতৰত দেওধনী বা দেবধ্বনি অন্যতম। দেওধনী শব্দৰ অভিধানিক অৰ্থ হ'ল দেওঁৱে ধৰা মানুহৰ দেওপাৰণি বা বকনি। বিভিন্ন দেৱ দেৱীয়ে দেওধ্বনিৰ যোগেদি ভৱিষ্যৎবাণী কৰে বাবে এই অনুষ্ঠানৰ নাম দেওধনী ৰখা হ'ল। দেওধ্বনীয়ে চেতনা হেৰুৱাই পেলোৱা অৱস্থাকে "দকত"পৰা বুলি কোৱা হয়। মাৰৈ পূজাৰ সামৰণিৰ আগৰ দিনা বৰদক বা বাৰদক হয়। সেইদিনা আবেলিৰ পৰা নৃত্য চলে। শেষত দেওধনী দকত পৰি অচেতন হয়। পালিৰ গীত মাতত পুনৰ চেতনা পায়। পদ্মপুৰাণৰ ভটিয়নী খণ্ডৰ লখিন্দাৰক দংশন কৰাৰ পৰা তেওঁ পুনৰ জীৱন পোৱালৈকে গীতাংশ এইখিনি সময়ত গোৱাৰ নিয়ম আছে। এই দকঁত পৰা অৱস্থাৰ বিভিন্ন নাম আছে-

(ক) শিৱদঁক ঃ- এই দকঁত শিৱই বিষপান কৰি ঢলি পৰে।

(খ) ছায়ামায়া দঁক ঃ- এই দকঁত লখিন্দাৰ বিবাহ মণ্ডপত ঢলি পৰে। এই সময়তে দেওধনীয়ে ভৱিষ্যৎবাণী কৰে।

(গ) বৰদঁক বা ভৰদঁক ঃ- এই অৱস্থাত লখিন্দাৰক সৰ্পে দংশন কৰে। গাঁৱৰ আপদ অমঙ্গল দূৰ কৰিবৰ বাবে ডিমাচাসকলে দেওধনীৰ আহ্বান কৰে। ইয়াকে যাত্ৰী বোলে।

প্ৰথমে বেদীত কলপাত পাৰি মদ (জুময়া), তামোল পাণ, কল আৰু পিঠাগুৰি স্থাপন কৰে। তাৰ পাছত ঢোল আৰু পেঁপা বাজি উঠাৰ লগে লগে যাত্ৰীৰ গাত দেও লম্ভে। ফলত খোলা চুলিৰে মূৰ জোকাৰি হাতত দা লৈ নৃত্য আৰম্ভ কৰে। দেওধাসকলে পিন্ধা সাজপাৰৰ মূল হ'ল এখন চুৰিয়া। প্ৰায় উদং গাৰেই থাকে যদিও দুই এক দেওধাই কান্ধত এখন চাদৰ ওলমাই লয়। শৰীৰৰ উদং অংশ সেন্দূৰ চন্দনেৰে বোলাই লয়। ডিঙি আৰু মূৰত ফুলপাতৰ মালা পিন্ধে। দেওধাসকলৰ কাপোৰৰ ৰং ৰঙা, হালধীয়া অথবা বগা। আনহাতে দেওধনীসকলে বুকুত মেখেলা, ৰঙা ব্লাউজ পৰিধান কৰে। হাতত গামখাৰু বা মুঠিখাৰু, আঙুলিত আঙুঠি, কাণত ফুটি, নাকত নাকফুল, ডিঙিত চন্দ্ৰহাৰ, গলপতা আদি পৰিধান কৰে। পাছত নৃত্য সঞ্চালনৰ লগত চুলি মুক্ত হয়। আনহাতে ৰাভাসকলৰ দেওধনীৰ সাজ সাধাৰণ পৰ্যায়ৰ। মূলতঃ দেওধনী হৈছে আদিম জনজাতীয় সমাজৰ অনুষ্ঠান। কিন্তু ধৰ্মীয় পটভূমি আৰু ৰাজকীয় পৃষ্ঠপোষকতাৰ বাবে বৰ্তমান ইয়াৰ ভালেখিনি পোষকতা কৰা দেখা যায়।

# সামাজিক অনুষ্ঠান ঃ এক মিলনৰ অনুষ্ঠান

**অংকিতা দাস**
বাণিজ্য শাখা

মানুহ সমাজপ্ৰিয় জীৱ। আদিম যুগৰে পৰা মানুহে সমাজপাতি বসবাস কৰি আহিছে। এখন সুস্থ সবল সমাজ হৈছে একতাৰ প্ৰতীক। মানুহ এজনৰ অলেখ ধন সম্পত্তি থাকিলেও তেওঁ সুখী নহ'বও পাৰে যদিহে তেওঁ বিশৃংখলতাৰে পৰিপূৰ্ণ এখন সমাজত বসবাস কৰে। সমাজ এখন শৃংখলাবদ্ধ তেতিয়াহে হ'ব, যেতিয়া তাত থকা সকলো লোকৰ মাজত একতাৰ ভাৱ থাকিব, ইজনে আনজনক মৰম কৰিবলৈ শিকিব, আনৰ দুখত দুখী আৰু আনৰ সুখত সুখী হ'ব পাৰিব।

সামাজিক একতাই কেৱল যে সমাজখনক সুস্থ সবল কৰি ৰাখে তেনে নহয়, সমাজখনক সকলো দিশৰপৰা সুৰক্ষিত কৰি ৰাখে। আদিম যুগত যিখিনি সময়ত মানুহে আন জীৱ-জন্তুৰ দৰে গুহা আদিত বসবাস কৰি আছিল, সেইখিনি সময়তো তেওঁলোক একগোট হৈ বসবাস কৰিছিল। যিখিনি সময়ত তেওঁলোকে উলঙ্গ হৈ ঘূৰি ফুৰিছিল, কোনো বুদ্ধি শক্তিৰ প্ৰসাৰ ঘটা নাছিল, সেইখিনি সময়তেই তেওঁলোকে সামাজিক একতাৰ চেতনা উপলব্ধি কৰিছিল। তেওঁলোকে অন্ততঃ বুজি উঠিছিল যে এনেদৰে একগোট হৈ থাকিলে অন্য চিকাৰপ্ৰিয় জন্তুৰপৰা হাত সাৰি থাকিব পাৰি।

সামাজিক একতাই কেৱল যে সমাজখনক সুস্থ সবল কৰি ৰাখে তেনে নহয়, সমাজখনক সকলো দিশৰপৰা সুৰক্ষিত কৰি ৰাখে। আদিম যুগত যিখিনি সময়ত মানুহে আন জীৱ-জন্তুৰ দৰে গুহা আদিত বসবাস কৰি আছিল, সেইখিনি সময়তো তেওঁলোক একগোট হৈ বসবাস কৰিছিল। যিখিনি সময়ত তেওঁলোকে উলঙ্গ হৈ ঘূৰি ফুৰিছিল, কোনো বুদ্ধি শক্তিৰ প্ৰসাৰ ঘটা নাছিল, সেইখিনি সময়তেই তেওঁলোকে সামাজিক একতাৰ চেতনা উপলব্ধি কৰিছিল।

কালক্ৰমত মানুহে সভ্যতাৰ পোহৰ পালে আৰু লাহে লাহে সকলোৰে নিজক লৈ ব্যস্ত হৈ পৰিল। সময় সলনি হোৱাৰ লগতে সকলো পৰিৱৰ্তন হৈ গ'ল। আত্মীয় স্বজনকো লগ কৰিবলৈ মানুহৰ সময় নাটনি হোৱা দেখা গ'ল। ইমান ব্যস্ত সমাজখনত মানুহবোৰ একগোট হৈ সামাজিক বন্ধন অটুট ৰখাটো এটা ডাঙৰ প্ৰশ্ন হৈ পৰিল। যাৰ উত্তৰস্বৰূপে সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানবোৰে স্থান পালে।

আজিৰ এই ব্যস্ত সমাজখনত সামাজিক অনুষ্ঠানসমূহে এক বিশেষ স্থান লাভ কৰিছে। সামাজিক বন্ধন অটুট ৰখাটো অন্যতম আৰু প্ৰধানতম

উপায়টোৱেই হ'ল সামাজিক অনুষ্ঠান। বিয়া-সবাহ, পূজা-পাৰ্বণ, দৌল উৎসৱ ইত্যাদি হৈছে এনে একোটা সামাজিক অনুষ্ঠান। কৰ্মব্যস্ততাৰ মাজতো মানুহে এইবোৰৰ বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰি আত্মীয় স্বজনৰ সৈতে লগ হ'ব পাৰে। কেৱল আত্মীয়স্বজনৰ লগতেই যে লগ হ'ব লাগিব বা লগ হ'ব পাৰি তেনে কোনো ধৰা বন্ধা নিয়ম নাই। তেনে অনুষ্ঠানলৈ অহা সকলো লোকৰ লগত সমিলমিলেৰে থাকি কথা-বতৰাৰ যোগেদি আনৰ মনৰ কথা জানিব পাৰে। আনৰ লগত দুখ-সুখৰ ভাগ বতৰা কৰিব পাৰিলে কিমান যে মানসিক শান্তি পোৱা যায়, সেয়া হয়তো এনে কৰি নোপোৱাসকলে অনুভৱেই কৰিব নোৱাৰিব।

মানৱ জীৱনটো সুন্দৰকৈ সজাই তুলিবলৈ কেৱল ধন-সম্পত্তিয়েই নহয়, প্ৰয়োজন হয় এখন ধুনীয়া সমাজ আৰু এটা পৱিত্ৰ মনৰ। হিংসা বিদ্বেষেৰে পৰিপূৰ্ণ সমাজ এখনত কেতিয়াও মানসিক শান্তি পোৱাটো সম্ভৱ নহয়। সমাজখনত থকা প্ৰতিগৰাকী ব্যক্তিৰ মাজত যেতিয়া একতাৰ ভাব জাগি উঠে, তেতিয়াই সমাজখন উন্নতিৰ দিশলৈ আগুৱাই যায়।

বৰ্তমান যান্ত্ৰিক যুগত ইণ্টাৰনেট ব্যৱস্থাটোৱে যদিও গোটেই পৃথিৱীখন এখন সৰু গাঁৱত পৰিণত কৰি পেলাইছে, যোগাযোগ ব্যৱস্থাটো উন্নত কৰিছে, তথাপিও কিন্তু এইবোৰে সামাজিক দূৰত্ব বৃদ্ধিহে কৰিছে, সামাজিক দূৰত্ব হ্ৰাস কৰিব পৰা নাই। বৰ্তমান ইমানবোৰ ফলপ্ৰসূ যোগাযোগৰ মাধ্যম থকাৰ সত্ত্বেও সামাজিক অনুষ্ঠানবোৰৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। সামাজিক অনুষ্ঠানবোৰে মানুহক মানুহৰ নিচেই ওচৰ চপাই নিয়ে, ইজনৰ প্ৰতি আনজনৰ মৰম, দয়া, সহানুভূতি ইত্যাদি বৃদ্ধি কৰে। লগতে এজনে বলে নোৱাৰা কামটো আন দহজনৰ সহায়ত সুকলমে সম্পাদন কৰাত সফল হয়। এনেদৰে সমাজৰপৰা কু-সংস্কাৰ, হিংসা বিদ্বেষ ইত্যাদিৰ দৰে সামাজিক ব্যাধিবোৰ নাইকিয়া কৰাত এইবোৰ অনুষ্ঠানে বিশেষভাৱে অৰিহণা যোগায়। সেয়েহে আমি এনেবোৰ অনুষ্ঠানত ভাগ লোৱাটো উচিত। কিন্তু বৰ্তমান সমাজত বহুতো মানুহে এনেবোৰ অনুষ্ঠানত ভাগ ল'বলৈ অনিচ্ছা প্ৰকাশ কৰা দেখা যায়। নিজৰ লগতে নিজৰ পৰিয়ালটোৰ সকলো সদস্যকে এনেবোৰ অনুষ্ঠানত ভাগ লোৱাৰ পৰা আঁতৰাই ৰাখে। এনে কৰাটো নুবুজা লোকসকলেই সমাজখনৰ ক্ষতি হোৱাকৈ বিভিন্ন অসামাজিক কামত লিপ্ত হ'বলৈ সংকোচ বোধ নকৰে আৰু এনে অসামাজিক কাম-কাজে সমাজখনৰ ওপৰত কি প্ৰভাৱ পেলাব সেইটো বিস্তৰকৈ কোৱাৰ প্ৰয়োজন নাই।

মানৱ জীৱনটো সুন্দৰকৈ সজাই তুলিবলৈ কেৱল ধন-সম্পত্তিয়েই নহয়, প্ৰয়োজন হয় এখন ধুনীয়া সমাজ আৰু এটা পৱিত্ৰ মনৰ। হিংসা বিদ্বেষেৰে পৰিপূৰ্ণ সমাজ এখনত কেতিয়াও মানসিক শান্তি পোৱাটো সম্ভৱ নহয়। সমাজখনত থকা প্ৰতিগৰাকী ব্যক্তিৰ মাজত যেতিয়া একতাৰ ভাব জাগি উঠে, তেতিয়াই সমাজখন উন্নতিৰ দিশলৈ আগুৱাই যায়।

সেয়েহে প্ৰতিজন ব্যক্তিয়ে প্ৰথমে নিজৰ ঘৰখনত সামাজিক বন্ধনৰ মনোভাব পোষণ কৰিবলৈ চেষ্টা কৰিব লাগে। এনেদৰে প্ৰথমে নিজৰ পৰিয়ালটোত সামাজিক বন্ধনৰ ভাব জগাই তুলি পিছত নিজ সমাজখনত এনে ভাবৰ প্ৰসাৰ ঘটাব লাগে। যাৰ ফলস্বৰূপে প্ৰতিটো পৰিয়াল সুন্দৰ হৈ পৰিব আৰু সমান্তৰালভাৱে সমাজখনো সুন্দৰ হৈ পৰিব। এনেদৰে একো একোখন সুন্দৰ সমাজ মিলি এখন সৰ্বাঙ্গ সুন্দৰ দেশ গঢ়ি তুলিব পৰা যাব।

●

❑ তুমি নিজে এজন সাধু হোৱা আৰু তেতিয়া তুমি নিঃসন্দেহে ক'ব পাৰিবা যে এজন অসৎ লোক পৃথিৱীৰ পৰা কমি গৈছে।

—কাৰ্লাইল

# অসমীয়া সংস্কৃতিৰ বিভিন্ন প্ৰতীক ঃ এটি অধ্যয়ন

**নিবেদিতা ডেকা**
অসমীয়া বিভাগ

সংস্কৃতি কোনো এটা নিৰ্দিষ্ট জাতি বা জনগোষ্ঠীৰ একচেতীয়া সম্পত্তি নহয়। ই মানৱসৃষ্ট আৰু মানুহৰ মাজত পৰিৱৰ্তিত তথা পৰিবৰ্দ্ধিত ৰূপত জীয়াই থাকে। অসমীয়া সংস্কৃতি বুলিলে অসমীয়া জীৱন নিৰ্বাহ প্ৰণালীৰ সমগ্ৰতাক সাঙুৰি লয়। সামাজিক জীৱ হিচাপে মানুহে কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্ম, উৎসৱ-অনুষ্ঠান আদিৰ মাজেৰে জীৱন নিৰ্বাহ কৰে আৰু এই জীৱন নিৰ্বাহ প্ৰণালীৰ সামগ্ৰিক যৌগিক ৰূপটোৱেই হ'ল সংস্কৃতি। কোনো এটা জাতিৰ বৈশিষ্টসূচক শিল্প-সাহিত্য, বিশ্বাস, সমাজ নীতি, ধৰ্মীয় ৰীতি-নীতি, কৃষি, কৰ্ম, শিক্ষা, চৰ্চা, কলা, ৰুচি আদিৰ সমাৱেশক একেলগে সংস্কৃতি বুলি ক'ব পাৰি। মুঠতে বিভিন্ন ভাষা-ভাষী, জাতি-জনজাতিৰে গঠিত অসমীয়া সংস্কৃতিৰ পৰিসৰ অতি বিশাল।

সংস্কৃতিত বিভিন্ন প্ৰতীক আৰু বস্তুৱে সংস্কৃতি এটাৰ পৰিচয় বহন কৰে। অসমীয়া সংস্কৃতিৰ মাজত দেখা এনে কিছুমান সম্পদ হ'ল–

**(ক) তামোল-পাণ ঃ**



তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সংস্কৃতিৰ এটা প্ৰধান অঙ্গ। ইয়াৰ ব্যৱহাৰ অসমৰ ঘাইকৈ গাঁৱৰ বাসিন্দাসকলৰ বাবে এক অপৰিহাৰ্য আৰু এক সন্মানীয় বস্তু। তেওঁলোকে সাধাৰণতে ভোজৰ পিছত তামোল-পাণ খাই মুখ শুদ্ধি কৰে। গুৰু-গোঁসাই, ভকত বৈষ্ণৱ, সন্মানীয় সকলক, বন্ধু-বান্ধৱ, মিতিৰ-কুটুমক প্ৰথমেই তামোল-পাণ আগবঢ়াই সন্মান কৰে। সকাম আদিতো তামোল-পাণ দি ঈশ্বৰক প্ৰাৰ্থনা জনায়। দোষীজনেও তামোল-পাণ আগবঢ়ায় ক্ষমা ভিক্ষা মাগে। অসমৰ কিছুমান ঠাই বিশেষে ইয়াক গুৱা পাণ বুলিও কোৱা।

**(খ) শৰাই ঃ**



অসমীয়া লোক-সংস্কৃতিৰ এক অন্যতম সম্পদ। দেৱতাক নৈবেদ্য দিয়া বা কোনো মহৎ গ্ৰন্থ ৰখা আৰু ডাঙৰ মানুহক মান ধৰা এবিধ থিয় কাণেৰে খোৰা লগোৱা অসমীয়া পৰম্পৰাগত পাত্ৰ। ই একাধাৰে সন্মানৰ প্ৰতীক, থাপনাৰ আসন আৰু উপহাৰ তথা গৃহ- সজ্জাৰ কলাত্মক সামগ্ৰী। পিতল আৰু কাঁহ উভৱেৰে শৰাই নিৰ্মাণ কৰিলেও পিতলৰ শৰাইৰ প্ৰচলন অধিক। ৰূপ বা তামেৰে সজা শৰাইকো প্ৰচলন দেখা যায়। ঢাকনি থকা আৰু নথকা দুই ধৰণৰ শৰাই পোৱা যায়। অসমত শৰাইৰ প্ৰচলন কেতিয়াৰ পৰা হ'ল, সেই সম্পৰ্কে তথ্যৰ অভাৱ। বুৰঞ্জী সমূহত শৰাইৰ প্ৰথম উল্লেখ চুতীয়া ৰজাৰ ক্ষেত্ৰত পোৱা যায়। ১৫২৩ চনৰ চুতীয়া ৰজা নীতিপালে আহোম ৰজা চুহুংমুঙৰ লগত সন্ধি কৰিবলৈ শৰাই (টাই ভাষাত 'ফুন' কোৱা হয়) উপহাৰ দিছিল। চুহুংমুঙ ৰজাই চুতীয়া ৰাজধানী শদিয়া দখল কৰিও আন সামগ্ৰীৰ লগতে শৰাই লাভ কৰিছিল। ইয়াৰ উপৰিও ১৫২৪ ত চুতীয়া ৰাজধানী শদিয়া দখল কৰি চুহুংমুঙে 'মাইহাং' শৰাই পোৱা উল্লেখ আছে। মধ্যযুগত সিংহাসনৰ সন্মুখত নৈবেদ্য দিবলৈ আৰু সত্ৰাধিকাৰ সকলক সেই বিষ্ণু নৈবেদ্য আগবঢ়াই দিবলৈ সন্মানাৰ্থে শৰাইৰ ব্যৱহাৰ কৰা হৈছিল। অসমীয়া সমাজত বৰ্তমান সময়ত সামাজিক কৰ্মাদি যেনে পূজা-পাৰ্বণ, সকাম, উৎসৱ আদিত নৈবেদ্য বা প্ৰসাদ আদি সজাবৰ বাবে শৰাইৰ ব্যৱহাৰ বহুলভাৱে কৰা হয়। বাঁহ, বেত তথা কাঠেৰে সজা শৰাই উপহাৰ তথা গৃহ-সজ্জাৰ বাবে ব্যৱহাৰ কৰা দেখা যায়। আহোম ৰাজত্ব কালত ৰজা, ডা-ডাঙৰীয়া আৰু গুৰুজনাক অসমীয়া লোকে শৰাই আগবঢ়াই সন্মান যাচিছিল। বহাগ বিহুৰ সময়ত হুঁচৰি গাবলৈ অহা ৰাইজক ফুলাম গামোচা এখনেৰে তামোল-পাণ সহ টকা এটি শৰাইত আগবঢ়োৱাটো পুণ্যৰ কাম হিচাপে গণ্য কৰা হয়।

**(গ) গামোচা ঃ**

গামোচা অসমীয়া সমাজ জীৱনৰ অতি আদৰৰ বস্ত্ৰ। সাধাৰণতে গামোচা চাৰিওফালে ৰঙা সূতাৰে (সেউজীয়া ৰঙো থাকে) পাৰি দি বোৱা এখন বগা দীঘলীয়া কাপোৰ। কপাহী সূতাৰে বিশেষভাৱে গামোচা তৈয়াৰ কৰা হয় যদিও পাট আদি সূঁতাৰেও ইয়াক তৈয়াৰ কৰা হয়।

অসমীয়া গামোচাখন শদিয়া অঞ্চলত সৃষ্টি হৈছিল। সেইবাবে দেউৰীসকলে আজিও সেই পুৰণি ৰূপতে গামোচাখন ব্যৱহাৰ কৰি আহিছে। শদিয়াৰ গামোচাৰ বিষয়ে বিহু নামত এনেদৰে উল্লেখ পোৱা যায়—

"গাতে লৈ ফুৰালে বতাহে ফালিব।  
মুঠিত লৈ ফুৰাহে ভাল।  
এ আগে বাছিলো সেউতি মালতী  
এ আগে বাছিলো ফুল।  
এ আগে বাছিলোঁ বাঘে ভালুকে।  
বাটে মানুহ ধৰি খাই।  
এ আগে বাছিলোঁ চৰাই হালধীয়া  
উৰি শদিয়ালৈ যায়।"

গামোচা অসমীয়াৰ বাহিৰেও বঙালী, বিহাৰী আৰু ওড়িয়া মানুহেও ব্যৱহাৰ কৰে, অৱশ্যে অসমীয়া গামোচাৰ লগত তেওঁলোকৰ গামোচাৰ বহুখিনি পাৰ্থক্য আছে আনহাতে অসমীয়া মানুহে গামোচাখনক এক সাংস্কৃতিক তথা সন্মানৰ প্ৰতীক




হিচাপে ব্যৱহাৰ কৰে কিন্তু আন ঠাইত ইয়াক অকল নিত্য ব্যৱহাৰ্য্য সামগ্ৰী হিচাপেই ব্যৱহাৰ হোৱা দেখা যায়। নামনি অসমত গামোচাক 'গাম্‌চা' 'মুক্‌চা' বা দুহেইটা' আদি নামেৰে জনা যায়। কপাহী, পাট আদি সূতাৰে ইয়াক তৈয়াৰ কৰা হয়।

**(ঘ) জাপি ঃ**

অসমৰ লোক-সংস্কৃতিৰ এক অন্যতম পৰিচয় হৈছে জাপি। জাপি মূলত আছিল চহা কৃষকে ব্যৱহাৰ কৰা এবিধ পৰম্পৰাগত যতন। পুৰণি দিনত ছাতিৰ প্ৰচলন সীমিত হোৱা বাবে খেতিয়ক ৰাইজে আগতে ৰ'দ বৰষুণৰপৰা নিজকে ৰক্ষা কৰিবলৈ মূৰত জাপি পিন্ধি লৈছিল। গতিকে কৃষিকাৰ্যৰ বাবে জাপি আছিল এক প্ৰয়োজনীয় অঙ্গ।

মূলতঃ বাঁহ আৰু টকৌ পাতেৰে সাজি উলিওৱা অসমৰ জাপি নিৰ্মাণ প্ৰক্ৰিয়া এক অন্যতম থলুৱা কুটীৰ শিল্প হিচাপেও



পৰিচিত। বাঁহ আৰু টকৌ গছ এবিধ সহজলভ্য গছ হোৱা বাবে অসমৰ গ্ৰাম্যঞ্চলত জাপি সজা কুটীৰ শিল্প এতিয়াও বিৰাজমান, যদিও বৰ্তমান ফুলাম জাপি নিৰ্মাণ শিল্পহে বেছি জনপ্ৰিয়। জাপি কেইবাপ্ৰকাৰৰো আছে। ইয়াৰ ভিতৰত বৰ জাপি, উকা জাপি অথবা হালোৱা জাপি, সৰুদৈয়া জাপি অথবা ফুলাম জাপি আদিয়েই প্ৰধান। বৰজাপি সাধাৰণতে ব্যৱহাৰ কৰিছিল সমাজৰ বৰমূৰীয়া লোকসকলে। বিভিন্ন উৎসৱ পাৰ্বণ আদিত সম্ভ্ৰান্ত ঘৰৰ লোকসকলে বৰজাপি ব্যৱহাৰ কৰিছিল। জাপিৰ প্ৰচলন আহোম ৰাজত্ব কালতো আছিল। আহাম ৰাজঘৰৰ বিষয়বাবৰ ওপৰত ভিত্তি কৰি এই বৰজাপিৰ প্ৰচলন আছিল। বুঢ়াগোঁহাই, বৰপাত্ৰ গোঁহাই আদি পদবীৰ বিষয়াসকলে সোণৰ চোলাৰে নিৰ্মিত জাপি ব্যৱহাৰ কৰিছিল, আনহাতে বৰফুকন পদবীৰ বিষয়াসকলে পিন্ধিছিল ৰূপৰ চোলাৰে নিৰ্মিত জাপি উকা জাপি মূলতঃ ব্যৱহাৰ কৰা হৈছিল কৃষক তথা বনুৱাসকলে বিভিন্ন কাৰ্যত নিয়োজিত হৈ থকাৰ সময়ত ৰ'দ বৰষুণৰপৰা ৰক্ষা পাবলৈ। এই জাপিক হালোৱা জাপি থবা গৰখীয়া জাপি হিচাপেও জনা যায়। বৰ্তমান এই জাপিৰ প্ৰচলন খুবেই কম। জাপিৰ বিভিন্ন শ্ৰেণীৰ ভিতৰত ফুলাম জাপি অথবা সৰুদৈয়া জাপি বৰ্তমান আটাইতকৈ জনপ্ৰিয়। সৰু বাঁহৰ দৈ অথবা মিহি কাঠীৰে এনে জাপি সজা হয় বাবে ইয়াক সৰুদৈয়া জাপি হিচাপেও জনা যায়। বৰ্তমান চৰাঘৰ শুৱনি কৰিবলৈ অথবা বিহুনৃত্যত এই জাপিৰ প্ৰচলন সৰ্বাধিক।

অসমৰ জাতীয় জীৱনত জাপিয়ে এক গুৰুত্বপূৰ্ণ স্থান গ্ৰহণ কৰি আছে। বিহুৰ লগত ই ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। বিহু নৃত্যৰ লগতে পৰম্পৰাগত বিহুগীতসমূহতো জাপিৰ উল্লেখ আছে। ফুলাম জাপি বৰ্তমান অসমৰ সংস্কৃতিৰ সন্মানৰ এক প্ৰতীক হিচাপে গণ্য কৰা হয়। আজিকালি হয়তো কৰ্মক্ষেত্ৰত জাপিৰ প্ৰচলন প্ৰায়ই নাই। কিন্তু প্ৰত্যেক ঘৰ অসমীয়াৰ বাসগৃহত এটাকৈ হ'লেও জাপি ওলমি থকা দেখা যায় এক গৌৰবৰ প্ৰতীকৰূপে। নামনি অসমত জাপিক 'ঝাপি' বুলিও কোৱা হয়।

উপৰোক্ত প্ৰতীক কেইটাৰ উপৰিও ঠগা, এশিঙীয়া গঁড় আদি সংস্কৃতিৰ প্ৰতীক হিচাপে দেখিবলৈ পোৱা যায়।

**সহায়ক গ্ৰন্থপঞ্জী**

(১) অসমৰ সংস্কৃতি — ড° লীলা গগৈ।

(২) অসমীয়া সংস্কৃতিৰ কণিকা- সম্পাদনা---- ড° নাৰায়ণ দাস, ড° পৰমানন্দ ৰাজবংশী।

# শিক্ষাৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ

কবিতা কোঁৱৰ

আধুনিক অৰ্থনীতিৰ জনক আদাম স্মিথে 1776 চনত প্ৰকাশ কৰা গ্ৰন্থ "Wealth of Nations" ত বিশ্বায়নৰ ধাৰণাটো প্ৰথম উপস্থাপন কৰিছিল। বিশ্বায়নৰ ইংৰাজী প্ৰতিশব্দ "Globalisation"। বিশ্বায়ন হৈছে এনে এক প্ৰক্ৰিয়া যিয়ে বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক জীৱন একত্ৰিত কৰে। বিশ্বায়ন শব্দই বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি সকলো ক্ষেত্ৰতে পাৰস্পৰিক আন্তঃ নিৰ্ভৰশীলতাক বুজায়। বিশিষ্ট সমাজবিজ্ঞানী 'মাৰ্টিন এলব্ৰ' (Martin Albrow) আৰু এলিজাবেথ কিং (Elizabeth king) যে বিশ্বায়নৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে- বিশ্বায়ন হ'ল "বিশ্বৰ সকলো মানুহকে একেলগে চামিলকৰণৰ সকলো প্ৰক্ৰিয়া প্ৰয়োগেৰে বিশ্বক এখন গোলকীয় সমাজলৈ ৰূপান্তৰকৰণ প্ৰক্ৰিয়া।" (All those Processes by which the people of the world are oncorporated into a Single world socity) ।

বিশ্বায়নে সমগ্ৰ বিশ্বৰ শিক্ষা আৰু জ্ঞান ব্যৱস্থাত এক শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰিছে। বিশ্বায়ন প্ৰক্ৰিয়াৰ সহায়ত বিশ্বৰ সকলো মানুহে শিক্ষা লাভ কৰি নিজকে শিক্ষিত কৰি তোলাটো সহজ হৈ পৰিছে। ব্যক্তিসকলে বিভিন্ন প্ৰকৃতিৰ জ্ঞান অতি শীঘ্ৰে আয়ত্ব কৰিবপৰা হৈছে। বিশ্বায়ন প্ৰক্ৰিয়াৰ প্ৰত্যেক দেশেই এখনে আনখন দেশৰ লগত আন্তঃক্ৰিয়া সম্পন্ন কৰে। বিশ্বায়নৰ প্ৰভাৱত এখন দেশৰ সংস্কৃতি আন-এখন দেশত বিস্তাৰিত হোৱা দেখা গৈছে। শিক্ষাৰ বিশ্বায়নে বিভিন্ন বৃত্তিৰ বাবে প্ৰয়োজনীয় জ্ঞান, কৌশল আৰু সমৰ্থতা ছাত্ৰ-ছাত্ৰীসকলক অতি সহজতে প্ৰদান কৰিব পাৰে। শিক্ষাত বিশ্বায়নৰ ফলত শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম ভিন্নমুখী হোৱা দেখা যায়। শিক্ষাৰ বিশ্বায়নে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিজ্ঞানক জনপ্ৰিয় কৰিছে আৰু ইয়াক সকলোৰে বাবে সুগম কৰি তুলিছে। শিক্ষাত বিশ্বায়নৰ প্ৰভাৱৰ বাবে অন্ধবিশ্বাস, কু-সংস্কাৰ, কু-ৰীতি-নীতি দৰে সমাজ প্ৰদুষিত কৰা ৰীতি নিয়ম সমূহ বহু পৰিমাণে দূৰ হৈছে। ইয়াৰোপৰি শিক্ষাত বিশ্বায়নৰ প্ৰভাৱৰ বাবে মানৱ জীৱনৰ মানদণ্ডৰ ধাৰণা উন্নত হৈছে, আৰ্ন্তজাতিক  বুজাপৰা বাঢ়িছে, মানৱীয় পাৰস্পৰিক নিৰ্ভৰশীলতা বৃদ্ধি পাইছে, বিশ্বৰ ভাতৃত্ব বোধৰ প্ৰতি শ্ৰদ্ধা বাঢ়িছে, বিশ্বৰ নাগৰিকত্ব গুণৰ বিকাশ, প্ৰযুক্তি বিজ্ঞান ইত্যাদিৰ বিকাশ হৈছে।

বিশ্বায়নৰ ফলত হোৱা পৰিৱৰ্তন পৰিলক্ষিত হৈছে ভাৰতবৰ্ষৰ পুৰণি আদৰ্শ, পৰম্পৰা, বিশ্বাস, বৈবাহিক সম্বন্ধ আৰু পৰিয়াল, সাজ-পোছাক, ৰুচি-অভিৰুচি, আচাৰ-ব্যৱহাৰৰ ওপৰত। পৰিৱৰ্তিত মূল্যবোধৰ বাবে সাংস্কৃতিক জগতখনতো সঙ্গীত, নৃত্য, অভিনয়ৰ প্ৰতি থকা পৰম্পৰাগত ৰুচিবোধৰ সলনি হৈছে।



# মৰিগাঁও জিলাৰ বিখ্যাত এক সমন্বয়ৰ মেলাঃ জোনবিল মেলা

**বিভা বৰা**
শিক্ষা বিভাগ

সমন্বয় হ'ল কোনো এক অঞ্চলত সকলোৰে একেলগে মিলিত হোৱা এক অৱস্থা। এই অৱস্থাত কিছুমান ন ন সংস্কৃতিৰ জন্ম হয়। যিবোৰে ক্ৰমান্বয়ে যুগ যুগ ধৰি ঐতিহ্য বহন কৰি আহিছে। সমন্বয় উৎসৱ বা বিনিময় প্ৰথা বুলিলে পোনপ্ৰথমে মনত উদয় হয় তিৱা সংস্কৃতিৰ অতীজৰেপৰা চলি অহা জোনবিল মেলা।

মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিল নামৰ ঠাইত এই মেলা অনুষ্ঠিত হয়। মৰিগাঁও জিলাৰ দক্ষিণ -পশ্চিম অঞ্চল আৰু জাগীৰোডৰ পৰা চাৰি কিলোমিটাৰ উত্তৰে এসময়ত গোভা ৰাজ্যৰ অৱস্থিতি আছিল। সেই প্ৰাচীন গোভা ৰাজ্যই ইতিহাস প্ৰসিদ্ধ জোনবিল মেলাৰ স্থান। গোভা ৰজাই প্ৰচলন কৰা দেওৰজাৰ ৰাজ-দৰবাৰৰ সিদ্ধান্ত অনুসৰি অতীজৰে পৰা চিৰাচৰিত প্ৰথাৰে জোনবিলৰ পাৰত জোনবিল মেলা বছৰি অনুষ্ঠিত হৈ আছে। এই মেলাই

অসমৰ অন্যতম জনগোষ্ঠী তিৱাসকলৰ সংস্কৃতিৰ এক স্বাক্ষৰ বহন কৰে।

জোনবিল মেলাৰ ব্যুৎপত্তিগত অৰ্থ বিচাৰি গ'লে কিছুমান জনশ্ৰুতি লোকসমাজৰ মাজত প্ৰচলিত হৈ অহা শুনিবলৈ পোৱা যায়। গোভা ৰাজ্য প্ৰতিষ্ঠা কৰা ৰজাই এদিন ৰাণীৰ সৈতে বিহাৰ কৰি ঘূৰি ফুৰোঁতে এখন বিলৰ কাষ পাইছিল। বিলৰ ফটফটীয়া পানীত জোনৰ পোহৰ পৰি জিলিকি উঠিছিল। তাকে দেখি ৰজা-ৰাণীৰ মনত আনন্দ লাগিছিল আৰু তেতিয়াই ৰজাই ৰাণীক কৈছিল, 'হেবে ছনাই পিল হঙদ' অৰ্থাৎ এইখন জোনটোৰ দৰে বিল। তিৱা ভাষাত 'ছনাই' মানে হৈছে জোন, এই ছনাই পিলৰ পৰাই কালক্ৰমত অপভ্ৰংশ হৈ ছনাইপিল জনাই পিল জোনবিল হোৱা বুলি কোৱাৰ থল আছে। ভৌগোলিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে এই বিলখনৰ আকৃতি কাচি জোনটোৰ দৰে হোৱা বাবেও হয়তো ইয়াৰ নাম জোনবিল হ'ব পাৰে।

প্ৰবাদমতে, লালুং (তিৱা) সকলে যেতিয়া জয়ন্তীয়া ৰাজ্যৰ দাঁতি-কাষৰীয়া উত্তৰাঞ্চলত বসবাস কৰিছিল, সেই সময়ত এটা পৰিয়ালত লাংবৰ আৰু লুংবৰ নামৰ দুজন ককাই-ভাই আছিল। চিকাৰ কৰি ভাল পোৱা লাংবৰে এদিন জন্তুৰ পিছ খেদি জয়ন্তীয়া ৰাজ্যৰ ৰাজধানী ওলালগৈ। যাওঁতে বাটত জয়ন্তীয়া কুঁৱৰী হিলালীক লগৰীয়াসকলৰ সৈতে স্নান কৰি থকা দেখা পালে। দুয়ো ক্ৰমাৎ প্ৰণয়-পাশত আৱদ্ধ হ'ল। কথাটো এদিন ৰজাৰ কাণত পৰিলগৈ। ৰজাই সেনাপতিৰ হতুৱাই লাংবৰক ধৰাই নি বন্দী কৰি থলে আৰু পিছত বলি দিয়াৰ সিদ্ধান্ত ল'লে। কথাটো গম পাই হিলালীৰ শাৰীৰিক -মানসিক অৱস্থাৰ অৱনতি ঘটিবলৈ ধৰিলে। অনেক কাকূতি-মিনতি কৰাত ৰজাই অৱশেষত সিদ্ধান্ত সলনি কৰিলে। লাংবৰক ঘৰ জোঁৱাই কৰিলে আৰু জয়ন্তীয়া ৰাজ্যৰ দাঁতি কাষৰীয়া অঞ্চল দান দিলে। গোভা নৈৰ পাৰত ৰাজদৰবাৰ বহুৱাই উত্তৰে কপিলী নদীলৈকে ৰাজ্য পাতি দিলে। মাঘ বিহুৰ উৰুকাৰ সাত দিনৰ পাছত লাংবৰৰ অভিষেক পাতিলে। সেই দিনটোৰ লগত সঙ্গতি ৰক্ষা কৰিয়ে তেতিয়াৰে পৰা জোনবিল মেলা মাঘ বিহুৰ উৰুকাৰ সাত দিনৰ পাছত শনি আৰু দেওবাৰে অনুষ্ঠিত হৈ আহিছে। অগ্নিপূজাৰ মাধ্যমেৰে প্ৰাপ্ত পৱিত্ৰতা আৰু শক্তিৰে শুভাৰম্ভ কৰা জোনবিল মেলাৰ মুখ্য আৰ্কষণ হৈছে 'বিনিময় প্ৰথা'। ভাৰতবৰ্ষৰ ভিতৰত একমাত্ৰ জোনবিল মেলাতেই এই প্ৰথা বিৰাজমান। বিনিময় প্ৰথা হৈছে ব্যৱসায় বাণিজ্যৰ দিশত মানৱৰ প্ৰথম যুগান্তকাৰী পদক্ষেপ।

জোনবিল মেলা আৰম্ভ হোৱা বৃহস্পতিবাৰে জোনবিলৰ পাৰত গোভা ৰজাই মাছ মাৰি সেই মাছেৰে ন-ভাত খোৱাৰ পৰম্পৰাগত নিয়ম। গোভা ৰজাৰ আদেশ অনুসৰি মাছ-মাৰিয়েই যি পায় তাৰে এটি অংশ কৰ হিচাপে দান আগবঢ়াব লাগে। বুধবাৰেই ওচৰ-চুবুৰীয়া ৰাজ্য মেঘালয়, কাৰ্বিআংলং আদিৰ পৰা অহা মামা-মামীসকলৰ লগত লৈ আহে পাহাৰত উৎপাদিত আদা, হালধি, কচু, পাহাৰীয়া আলু ইত্যাদি। শুক্ৰবাৰে পুৱতি নিশাৰ পৰাই আৰম্ভ হয় অতীজৰে পৰা চলি অহা 'বিনিময় প্ৰথা'। মামা-মামীৰ আলু-কচুৰ সৈতে ভৈয়ামৰ তিৱা ভাই-ভনীহঁতে সান্দহ, পিঠা আদিৰে বিনিময় আৰম্ভ কৰে। জোনবিল মেলাত ৰজাই ডা-ডাঙৰীয়া, বিষয়া লৈ ৰাজ দৰবাৰত বহে আৰু কৰভাৰ গ্ৰহণ কৰে। দৰবাৰত পাটৰ, বৰদলৈ, তামুলী আদি বিষয়ববীয়াও উপস্থিত থাকে।

আধুনিক মুদ্ৰা প্ৰচলনে বিনিময় প্ৰথাৰ গুৰুত্ব কমালেও পাহাৰ-ভৈয়ামসকলে জোনবিল মেলাত এতিয়াও এই প্ৰথাৰ অস্তিত্ব ৰক্ষা কৰি আছে। এই মেলাখন তেওঁলোকৰ বাবে একতাৰ এনাজৰী স্বৰূপ। ইয়াৰ ওৰ নপৰাটো আমাৰ সকলোৰে কাম্য। বহুল দৃষ্টিত জোনবিল মেলা যেনেকুৱাই নহওক কিয় ইয়াত সোমাই আছে বৃহত্তৰ তিৱা জনগোষ্ঠীৰ সোণসেৰীয়া অতীত, বৰ্তমান আৰু অনাগত ভৱিষ্যতৰ একতা-এনাজৰী, সাহিত্য-সংস্কৃতি আৰু কৃষ্টি পৰম্পৰাৰ এক চহকী ৰূপৰেখা।




# গ্ৰন্থ, গ্ৰন্থাগাৰ আৰু গ্ৰন্থমেল

**ৰেখাস্মিতা শৰ্ম্মা**
গ্ৰন্থাগাৰ সহায়িকা, জাগীৰোড কলেজ

জ্ঞান অন্বেষণ মানুহৰ পুৰাতন প্ৰবৃত্তি আৰু গ্ৰন্থ অধ্যয়ন মানৱ জীৱনৰ জ্ঞান অন্বেষণৰ ধাৰক আৰু বাহক। মানৱ সভ্যতাৰ বিকাশ আৰু অগ্ৰগতিত যিসমূহ উপাদানে প্ৰভূত অৰিহণা যোগাই আহিছে তাৰ ভিতৰত গ্ৰন্থ হ'ল অন্যতম। মানৱ সভ্যতাৰ প্ৰতিটো যুগৰ, প্ৰতিটো ঘটনাৰ কথাই লিপিবদ্ধ হৈ আহিছে গ্ৰন্থৰ বুকুত আৰু গ্ৰন্থই কঢ়িয়াই আনিছে যুগৰ পিছত যুগলৈ আৰু পুৰুষৰপৰা পুৰুষলৈ অলেখ জ্ঞানৰ ভাণ্ডাৰ।

"Books are the quietest and most constant of friends: they are the most accessible and wisest couselors, and the most patient of teachers."

-- Charles W. Elipt

পৃথিৱীৰ আটাইতকৈ ঐতিহ্যপূৰ্ণ মহান শব্দটোৱে হ'ল গ্ৰন্থ বা কিতাপ। কিতাপেই হ'ব পাৰে আমাৰ জীৱনৰ বিশ্বাসী বন্ধু, সৎ উপদেশদাতা আৰু আনন্দৰ সঙ্গী। আমাৰ জ্ঞানৰ সংৰক্ষণ, স্থায়ীকৰণ আৰু সঞ্চয়ৰ বাবে কিতাপেই হৈছে একমাত্ৰ মাধ্যম। এখন ভাল কিতাপৰ অধ্যয়নে আমাৰ মনলৈ কঢ়িয়াই আনিব পাৰে বিমল আনন্দ তথা নিবিড় সুখানুভূতি। ক্লান্তি আৰু হতাশাৰে ভাৰাক্ৰান্ত মানৱ জীৱনৰ নিঃসঙ্গতাৰ প্ৰতিটো মুহূৰ্ততে কিতাপে মানুহক সঙ্গ দিব জানে আৰু বিশ্বাসী বন্ধুৰ দৰে চিৰদিনৰ বাবে আমাক ভাল কাম কৰিবলৈ অনুপ্ৰাণিত কৰে। সেয়ে হয়তো চিচাৰে কৈছিল– 'এখন বাগিচা আৰু এটা পুথিভঁৰাল যদি তোমাৰ ঘৰত আছে তেনেহ'লে তোমাৰ প্ৰয়োজনীয় সকলো আছে।'

ছপাযন্ত্ৰৰ আৱিষ্কাৰে কিতাপৰ পৃথিৱীলৈ অভূতপূৰ্ব পৰিৱৰ্তন অনাৰ লগে লগে ছপাযন্ত্ৰৰো বিকাশ ঘটি ক্ৰমান্বয়ে এদিন 'লেটাৰ প্ৰেছ' ৰ ৰূপ ল'লে। লগে লগেই কিতাপ হৈ পৰিল সহজলভ্য, মানুহৰ জ্ঞান অন্বেষণৰ গতিও তৰান্বিত হ'ল। লেটাৰ প্ৰেছৰ সমান্তৰাল ভাৱে লিথোগ্ৰাফি পদ্ধতিৰো উদ্ভাৱন হয় আৰু সম্প্ৰতি লিথোগ্ৰাফি পদ্ধতিৰো ভালেখিনি পৰিৱৰ্তন হৈ অফছেট প্ৰেছৰ সৃষ্টি হ'ল। অফছেট প্ৰেছত ছপা কৰা গ্ৰন্থবোৰ হৈ পৰিল অতি উন্নত মানৰ ছপা আখৰেৰে সমৃদ্ধ আৰু আকৰ্ষণীয়। আধুনিক ছপাযন্ত্ৰৰ উত্তৰণৰ লগে লগে শিলৰ ফলক, গুহাৰ বেৰ, গছৰ বাকলি, পাতত সৃষ্টি হোৱা গ্ৰন্থই আজিৰ আধুনিক কিতাপৰ ৰূপ পালে। কিতাপৰ ক্ৰমবিকাশৰ এই দীঘলীয়া যাত্ৰাত আজি এনেকুৱা এটা বিষয় নাই, যিটো কিতাপে চুই যোৱা নাই। সেয়ে কিতাপ হ'ল সকলো বিষয়ৰ লিপিবদ্ধ জ্ঞান।

**গ্ৰন্থৰ ক্ৰমবিকাশ ঃ**

আজি আমি লাগ বুলিলেই যিকোনো এখন গ্ৰন্থ হাতৰ মুঠিতে লাভ কৰি তাৰ ৰসাস্বাদন কৰিব পৰাকৈ সক্ষম। কিন্তু আমি আজি অতি সহজে পোৱা এই ইতিহাস হাজাৰৰো অধিক বছৰ পুৰণি। সৃষ্টিকামী মানুহৰ অনুভূতি, চিন্তা কাৰ্য আদিৰ বিৰৰণ প্ৰাৰম্ভিক অৱস্থাত মৌখিক সাহিত্য অথবা লোকসাহিত্য ৰূপে জনমানসত প্ৰচলিত হৈ আহিছিল। পৰৱৰ্ত্তী কালত এই মৌখিক সাহিত্যই লিখিত ৰূপ লয়। শিলালিপিৰ পৰা আৰম্ভ কৰি ঢাপে ঢাপে বিকাশ ঘটি গ্ৰন্থই আজিৰ ৰূপ পাইছে। অতি প্ৰাচীন কালতে মানুহৰ কথিত ভাষাক শিলালিপি, স্মাৰকলিপি ইত্যাদিৰ মাধ্যমত ৰূপ দিয়াৰে পৰা বোধহয় গ্ৰন্থৰ ইতিহাসৰো আৰম্ভণি হৈছে। যিয়েই নহওক শিলালিপিৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ কম্পিউটাৰৰ মাইক্ৰ' ফিচিলৈকে গ্ৰন্থৰ আছে এক দীঘলীয়া ইতিহাস। মানৰ সভ্যতাৰ অগ্ৰগতিৰ ঢাপে ঢাপে বিভিন্ন স্তৰত গ্ৰন্থৰো বিকাশ ঘটি আহিছে। তাৰ লগে লগে গ্ৰন্থই মানৰ সভ্যতাৰ উত্তৰণত এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে।

গ্ৰন্থৰ ক্ৰমবিকাশত লিপিৰ ভূমিকা গুৰুত্বপূৰ্ণ। লিপি আৱিষ্কাৰৰ আগতে মানুহে মৌখিক ৰূপতে জ্ঞানৰ আদান-প্ৰদান তথা বিকাশ ঘটাইছিল। সময়ৰ লগে লগে কিছুমান চিহ্ন বা চিহ্নৰ ৰূপত লিপিৰ ব্যৱহাৰৰ জৰিয়তে মানুহে নিজৰ মনৰ ভাব বা জ্ঞানৰ কথাবোৰ শিল অথবা গুহাৰ বেৰত খোদিত কৰিবলৈ আৰম্ভ কৰিছিল। হয়তো এয়াই আছিল গ্ৰন্থৰ ক্ৰমবিকাশৰ পাতনি। ইয়াৰ পিছত ক্ৰমান্বয়ে বিভিন্ন দেশত, বিভিন্ন ভাষাত পৰ্যায়ক্ৰমে লিপিৰ ক্ৰমবিকাশ ঘটি নিজা ভাষাত লিপিয়ে স্থায়ীৰূপ পালে। ইয়াৰ পিছতে কাগজৰ আৱিষ্কাৰৰ লগে লগে লেখন সামগ্ৰী আৰু মুদ্ৰণ পদ্ধতিৰো বিকাশ সাধন হ'ল। পোন প্ৰথমে চীন দেশতেই মুদ্ৰণ পদ্ধতিৰ আৱিষ্কাৰ হোৱা বুলি জনা যায়। কাঠত কাটি লোৱা আখৰৰ সাঁচবোৰত চিয়াঁহী সানি কাগজত ছাপ মৰাৰ পদ্ধতিটো চীনৰ বৌদ্ধ সন্ন্যাসী সকলে আৰম্ভ কৰিছিল। একে সময়তে চীনৰ বুৰঞ্জীবিদসকলে কাঠত কটা আখৰৰ ছাপ মাৰি কেলেণ্ডাৰ, তাচপাত, কাগজৰ নোট আদি ছপা কৰিছিল বুলি জনা যায়।

চীনা ভাষাৰ বৌদ্ধ ধৰ্মৰ উপদেশ সন্নিৱিষ্ট 'জয়মণ্ড সূত্ৰ' নামৰ গ্ৰন্থখনকেই প্ৰথম প্ৰাচীন ছপা কিতাপ বুলি জনা যায়। কিন্তু চীনা ভাষাত লিপিৰ সংখ্যা বহুত হোৱাৰ বাবে মুদ্ৰণ ব্যৱস্থাৰ বিশেষ উন্নতি সাধন সম্ভৱ হৈ উঠা নাছিল। কাগজ আৱিষ্কাৰৰ পিছতে জন গুটেনবাৰ্গে ছপাশাল আৱিষ্কাৰ কৰাৰ লগে লগেই গ্ৰন্থৰ জগতলৈ বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা হ'ল। গুটেনবাৰ্গে তেওঁৰ ছপাশালৰ যোগেদি পোন প্ৰথমবাৰৰ বাবে ১২৮২ পৃষ্ঠাৰ বাইবেল ছপা কৰি উলিয়ায়। গুটেনবাৰ্গৰ এই বাইবেলখনৰ প্ৰতিটো পৃষ্ঠাতে '৪২ শাৰীৰ বাইবেল' বুলিও জনাজাত।

জাৰ্মানীৰ পিছতে ক্ৰমে ইটালী আৰু ফ্ৰান্সৰ ছপাশাল স্থাপন হয়। লাহে লাহে সমগ্ৰ ইউৰোপতেই আধুনিক ছপা যন্ত্ৰৰো বিকাশ হ'বলৈ ধৰে। ভাৰতবৰ্ষত পোন প্ৰথমে ১৫৫৬ চনত পৰ্তুগীজসকলে গোৱাত ছপাশালৰ কাম আৰম্ভ কৰে। ইয়াত 'কনক্লুজ'ছ' নামৰ পৰ্তুগীজ ভাষাৰ প্ৰথমখন কিতাপ ছপা কৰি উলিওৱা হৈছিল। ১৫৭৭ চনত ছপা কৰি উলিওৱা ফ্ৰান্সিছ জেভিয়াৰ্ছৰ 'ড্ৰকটিনা খ্ৰীষ্টাও' ৰ তামিল অনুবাদ গ্ৰন্থখন আছিল ভাৰতীয় ভাষাৰ প্ৰথমখন ছপা কিতাপ। খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ প্ৰচেষ্টাত অসমতো ছপা কিতাপে আত্মপ্ৰকাশ কৰিছিল। ১৮১৩ চনত ছপা হৈ ওলোৱা আত্মাৰাম শৰ্মাৰ 'ধৰ্মপুস্তক' নামৰ গ্ৰন্থখন আছিল অসমীয়া ভাষাত ছপা হৈ ওলোৱা প্ৰথমখন কিতাপ। সেইদৰে খ্ৰীষ্টিয়ান মিছনেৰীসকলেই ১৮৪৬ চনত প্ৰথমখন অসমীয়া বাতৰি কাকত 'অৰুণোদই' ছপা কৰি উলিয়াইছিল। সেইদৰে নাথান ব্ৰাউনে প্ৰথমখন অসমীয়া ভাষাৰ ব্যাকৰণ ছপা কৰি উলিয়াইছিল।

ছপাযন্ত্ৰৰ আৱিষ্কাৰে কিতাপৰ পৃথিৱীলৈ অভূতপূৰ্ব পৰিৱৰ্তন অনাৰ লগে লগে ছপাযন্ত্ৰৰো বিকাশ ঘটি ক্ৰমান্বয়ে এদিন 'লেটাৰ প্ৰেছ'ৰ ৰূপ ল'লে। লগে লগেই কিতাপ হৈ পৰিল সহজলভ্য, মানুহৰ জ্ঞান অন্বেষণৰ গতিও ত্বৰান্বিত হ'ল। লেটাৰ প্ৰেছৰ সমান্তৰাল ভাৱে লিথোগ্ৰাফি পদ্ধতিৰো উদ্ভাৱন হয় আৰু সম্প্ৰতি লিথোগ্ৰাফি পদ্ধতিৰো ভালেখিনি পৰিৱৰ্তন হৈ অফছেট প্ৰেছৰ সৃষ্টি হ'ল। অফছেট প্ৰেছত ছপা কৰা গ্ৰন্থবোৰ হৈ পৰিল অতি উন্নত মানৰ ছপা আখৰেৰে সমৃদ্ধ আৰু আকৰ্ষণীয়। আধুনিক ছপাযন্ত্ৰৰ উত্তৰণৰ লগে লগে শিলৰ ফলক, গুহাৰ বেৰ, গছৰ বাকলি, পাতত সৃষ্টি হোৱা গ্ৰন্থই আজিৰ আধুনিক কিতাপৰ ৰূপ পালে। কিতাপৰ ক্ৰমবিকাশৰ এই দীঘলীয়া যাত্ৰাত আজি এনেকুৱা এটা বিষয় নাই, যিটো কিতাপে চুই যোৱা নাই। সেয়ে কিতাপ হ'ল সকলো বিষয়ৰ লিপিবদ্ধ জ্ঞান।

**গ্ৰন্থাগাৰ-** "A house without books is like a room without windows"---- Heinrich Mann

গ্ৰন্থাগাৰ হ'ল এক বিদগ্ধ প্ৰতিষ্ঠান য'ত পাঠক গৱেষক সকলক সমলৰ যোগান ধৰা হয়। মানুহৰ হাজাৰ বছৰৰ লিখিত

অলিখিত সকলো ইতিহাসে বিশ্রাম লৈ থাকে গ্ৰন্থাগাৰত সংৰক্ষিত হৈ থকা এই গ্ৰন্থবোৰৰ বুকুতে। আজিৰ পৃথিৱীক জ্ঞান বিজ্ঞানেৰে সমৃদ্ধ কৰি ৰখা গ্ৰন্থাগাৰ সমূহৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰখনৰো আছে এক সমৃদ্ধ ইতিহাস। সভ্যতা বিকাশৰ দিশত ক্ৰমশ’ অগ্ৰসৰ হোৱাত মানুহে নিজৰ নিজৰ সৃষ্টি সমূহৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিবলৈ ধৰিলে। বিশ্বৰ ইতিহাসত মিশৰৰ আলেকজেন্দ্ৰিয়া, ইৰাকৰ বাগদাদ, দামেস্ক, প্ৰাচীন গ্ৰীচ আৰু ৰোমৰ সমৃদ্ধ গ্ৰন্থাগাৰৰ নিৰ্দেশনা পোৱা যায়। ইয়াৰ উপৰিও তক্ষশিলা আৰু নালন্দাত সমৃদ্ধ গ্ৰন্থাগাৰ গঢ়ি উঠা পৰিলক্ষিত হয়। আব্বাছীয় আৰু উমাইয়া শাসন কালত ‘দাৰুল হাকিমা’ নামৰ গ্ৰন্থাগাৰে ইউৰোপৰ জ্ঞান বিজ্ঞানৰ ভাণ্ডাৰ সমৃদ্ধ কৰি তুলিছিল। সমকালীন মিশৰৰ “বাইতুল হিকমা” ও একে ভূমিকা পালন কৰিছিল। প্ৰাচীন কালত গ্ৰন্থাগাৰসমূহ গঢ়ি উঠিছিল ৰাজদৰবাৰ তথা ধৰ্মীয় উপাসনা গৃহক কেন্দ্ৰ কৰিয়েই। ‘গ্ৰন্থাগাৰ’ ৰ ইংৰাজী প্ৰতিশব্দ 'Library' ৰ উৎপত্তি ল্যাটিন শব্দ 'Liber' ৰ পৰা যাৰ অৰ্থ হ’ল পুস্তক অথবা কিতাপ। 'Liber' শব্দটো 'Libraium' শব্দৰ পৰা আহিছে আৰু তাৰ অৰ্থ হ’ল কিতাপ ৰখা ঠাই। প্ৰথম জাতীয়তাবাদী গ্ৰন্থাগাৰ হিচাপে ‘বিবলিওথিক ম্যাজৰিন’ গঢ়ি উঠে। ১৩৬৮ চনত পঞ্চম ল্যুভৰ প্ৰাসাদত এই গ্ৰন্থাগাৰ স্থাপন কৰা হয়। ষষ্ঠ চাৰ্লচ্‌ৰ মৃত্যুৰ পিছত ফ্ৰান্সত নিযুক্ত ইংৰাজ প্ৰতিনিধি বেডফোৰ্ড ডিউকে এই মূল্যবান গ্ৰন্থাগাৰ ক্ৰয় কৰি ১৪২৪ চনত ইংলেণ্ডলৈ পঠিয়াই দিয়ে। বিবলিওথিক ম্যাজাৰিণৰ গ্ৰন্থাগাৰিক হিচাপে জ্যাকুয়েচ অগাস্তে দ্য য়ো য়ে ইয়াক পৃথিৱীৰ বৃহত্তম গ্ৰন্থাগাৰলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰিছিল।

ওয়েলসীয় গণিতজ্ঞ জম ডি এ আধুনিক গ্ৰন্থাগাৰ তথা তাৰ পৰিকল্পনাৰ অন্যতম পৃষ্ঠপোষক বুলি গণ্য কৰা হয়। ১৫৫৬ চনত তেওঁ ইংলেণ্ডৰ প্ৰথম মেৰি’অৰ ওচৰত প্ৰাচীন গ্ৰন্থ, পাণ্ডুলিপি আৰু ৰেকৰ্ডছ সংৰক্ষণ তথা জাতীয়তাবাদী গ্ৰন্থাগাৰ স্থাপনৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। ১৭৮৩ চনত নৱগঠিত আমেৰিকা যুক্তৰাষ্ট্ৰত জেম্‌ছ ম্যাডিচনে কংগ্ৰেছ সম্পৰ্কিত গ্ৰন্থাগাৰ প্ৰতিষ্ঠাৰ প্ৰতি মনোযোগ প্ৰদান কৰে। ৰাষ্ট্ৰপতি জন অ্যাদাম্‌ছ ফিলাডেলফিয়াৰ পৰা ৰাজধানী ৱাশ্বিংটনলৈ স্থানান্তৰিত কৰি ২৪ এপ্ৰিল ১৮০০ চনত ‘লাইব্ৰেৰী অৱ কংগ্ৰেছ প্ৰতিষ্ঠা কৰে।

ভাৰতবৰ্ষতো ১৭৮০ চনত শ্ৰীৰামপুৰ মিছনে মুদ্ৰিত গ্ৰন্থ আৰু পাণ্ডুলিপিৰ গ্ৰন্থাগাৰ স্থাপন কৰে। ইয়াৰ পিছত কলিকতা, মাদ্ৰাজ আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত প্ৰাচীন পুথি আৰু মুদ্ৰিত গ্ৰন্থত সংগ্ৰহশালা গঢ়ি তোলা হয়। ১৮০১ চনত ফোৰ্ট উইলিয়াম কলেজত মানবিক বিদ্যা আৰু বিজ্ঞান বিষয়ক এটি গ্ৰন্থাগাৰ স্থাপন কৰা হয়। ১৮০৫ চনত এচিয়াটিক ছ’চাইটিয়ে কলিকতাত এটি গ্ৰন্থাগাৰ স্থাপন কৰা দেখা যায়। দ্বাৰকানাথ ঠাকুৰৰ পৃষ্ঠপোষকতাত ১৮৩৬ চনত কলিকতাত ‘পাবলিক লাইব্ৰেৰী’ নামেৰে এটা বেচৰকাৰী লাইব্ৰেৰী স্থাপন কৰা হয়। বৃটিছ চৰকাৰৰ অধীনতেই ইংৰাজী ভাষা বিজ্ঞান তথা আধুনিক বিশ্বৰ সৈতে পৰিচয় কৰাই দিয়াৰ মানসেৰে ১৮৯১ চনত কলিকতাৰ সচিবালয়ৰ গ্ৰন্থগাৰত একত্ৰিত কৰি সৃষ্টি কৰা হয় ‘ইম্পেৰিয়েল লাইব্ৰেৰী’। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত ইয়াক ‘ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ’ লৈ ৰূপান্তৰিত কৰা হয়।

আধুনিক ভাৰতত প্ৰখ্যাত গণিতজ্ঞ Shiyali Ramamitra Ranganathan ক তেওঁৰ গ্ৰন্থৰ ওপৰত থকা কৰ্মদক্ষতা, গ্ৰন্থাগাৰ বিজ্ঞানৰ পাঁচোটা মূল প্ৰভাৱশালী সূত্ৰৰ আৱিষ্কাৰক আৰু গ্ৰন্থাগাৰ বিজ্ঞানক সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত তেখেতে আগবঢ়োৱা অৱদানৰ বাবে ভাৰতত ‘লাইব্ৰেৰী বিজ্ঞানৰ জনক’ হিচাপে অভিহিত কৰা হয়। তেওঁ নিজৰ কৰ্মৰাজিৰ দ্বাৰা গ্ৰন্থৰ সংৰক্ষণ তথা ইয়াৰ উপযুক্ত ব্যৱহাৰৰ প্ৰতি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিচাৰ বিবেচনা তথা গৱেষণা কৰি এক নতুন যুগৰ জন্ম দিছিল।

বৰ্তমান আধুনিক বৈজ্ঞানিক বিশ্বত গ্ৰন্থাগাৰ বুলিলে এনে এক অনুষ্ঠানক বুজা যায় য’ত পৰম্পৰাগত পদ্ধতিৰে গ্ৰন্থ আৰু তথ্য সংৰক্ষণ কৰি ৰখাৰ উপৰিও সকলো ধৰণৰ সাহিত্য কৰ্ম তথা তথ্য ডিজিটেল ফৰমেটত সংৰক্ষণ কৰা হয়। কম্পিউটাৰৰ সহযোগত চফট্ কপি সংৰক্ষণ কৰি আন্তজালৰ মাধ্যমত গোটেই বিশ্বতে বিয়পাই দিয়া হয় আৰু ফলস্বৰূপে প্ৰতিটো জাতিৰ ইতিহাস, সংস্কৃতি, পৰম্পৰাৰ বিষয়ে বিশ্বৰ সকলো শ্ৰেণীৰ

জনগণে লাভ কৰে। এই ডিজিটেল লাইব্ৰেৰীৰ ধাৰণাটো জনপ্ৰিয় হৈ উঠে বিশেষকৈ ১৯৯৪ চনৰ পিছৰ পৰা। ইয়াক ইলেকট্ৰনিক গ্ৰন্থাগাৰ বা ভাৰ্চুৱেল গ্ৰন্থাগাৰ বুলিও অভিহিত কৰা হয়।

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে তেওঁৰ লাইব্ৰেৰী নামৰ প্ৰৱন্ধত কৈছিল– "লাইব্ৰেৰীৰ মধ্যে আমৰা অজস্ৰ পথেৰ চৌমাথাৰ উপৰ দাঁড়াইয়া আছি। কোনো পথ অনন্ত গিয়াছে, কোনো পথ মানৱ হৃদয়েৰ অতলকে স্পৰ্শ কৰিয়াছে। যে দিকে ধাবমান হও কোথাও বাধা পাইবে না"। গ্ৰন্থাগাৰ হ'ল এটা জাতিৰ স্বতন্ত্ৰ সংস্কৃতি ৰক্ষা কৰা তথা উত্তৰ পুৰুষসকললৈ ইয়াক আগবঢ়াই দিয়াৰ এক অন্যতম মাধ্যম। অতীত আৰু বৰ্তমানৰ লগত ভৱিষ্যতৰ এক সেতুবন্ধন প্ৰক্ৰিয়াস্বৰূপ। গ্ৰন্থাগাৰৰ শব্দহীন কাৰাগাৰত বন্দী সকলো মানুহেই সভ্যতাৰ আলোকবৰ্তিকা যুগ যুগ ধৰি বহন কৰি আহিছে। পৃথিৱীৰ সপ্তম আশ্চৰ্য্যৰ মাজত এককালত স্থান লাভ কৰা গ্ৰন্থাগাৰ হ'ল মিশৰৰ আলেকজেন্দ্ৰিয়া গ্ৰন্থাগাৰ। শিক্ষাৰ পোহৰে সকলো জাতিকেই মূৰ দাঙি থিয় দিয়াৰ ক্ষমতা প্ৰদান কৰে গ্ৰন্থাগাৰ সমূহেই। ই হ'ল জ্ঞানৰ আকৰস্বৰূপ। এটা জাতিৰ মনন, মেধা ইতিহাস, ঐতিহ্য আৰু সংস্কৃতি ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত গ্ৰন্থাগাৰে মুখ্য ভূমিকা পালন কৰে। গ্ৰন্থাগাৰৰ এই ভূমিকাৰ বাবে ইয়াক 'জনগণৰ বিদ্যালয়' নামেৰেও নামাংকিত কৰা হয়। সমাজৰ সকলো শ্ৰেণীৰ লোককেই ধৰ্মীয় সাম্প্ৰদায়িকতা জাতিভেদ, সঙ্কীৰ্ণ মনোভাৱ পৰিত্যাগ কৰি জাতিৰ মৰ্য্যাদাবোধ তথা উন্নয়নৰ ইতিহাসৰ লগত পৰিচয় কৰাই দিয়ে গ্ৰন্থাগাৰসমূহেই। প্ৰখ্যাত মনিষী এ পি জে আব্দুল কালামে যুৱচামক উদ্দেশ্যি কৈছিল-' ভিন্নভাৱে চিন্তা কৰা আৰু উদ্ভাৱনৰ সাহস থকা, অপৰিচিত পথত চলা আৰু অসম্ভৱক আৱিষ্কাৰৰ মানসিকতাৰে সমস্যাক জয় কৰি সফল হ'ব লাগিব। সমাজৰ তৰুণ প্ৰজন্মই এইবোৰ কেৱল এখন উপযুক্ত গ্ৰন্থাগাৰতেই বিচাৰি পাব। গ্ৰন্থাগাৰেই হৈছে উপযুক্ত মানদণ্ডৰ যুৱ প্ৰজন্ম গঢ়ি তোলাৰ কমাৰশালা।

**গ্ৰন্থমেলা-** গ্ৰন্থ প্ৰণয়ন আৰু ইয়াৰ প্ৰকাশ আৰু প্ৰচাৰৰ দীঘলীয়া ইতিহাস আছে। যি কি নহওঁক মুদ্ৰণ যন্ত্ৰৰ আৱিষ্কাৰৰ লগে লগে পৃথিৱীৰ চুকে-কোনে ন ন গ্ৰন্থই ভুমুকি মাৰিবলৈ ল'লে। লগে লগে এই গ্ৰন্থসমূহ সকলো স্তৰৰ ব্যক্তিৰ ওচৰ চপাই নিয়াৰ চিন্তা আহিল এচাম চিন্তাশীল ব্যক্তিৰ মনলৈ। কিয়নো গ্ৰন্থ অধ্যয়ন এটি জাতিৰ বৌদ্ধিক উত্তৰণৰ মাপকাঠি হিচাপে বিচাৰ কৰা হয়। ফলশ্ৰুতি হিচাপে আৰম্ভ হ'ল গ্ৰন্থমেলা অথবা গ্ৰন্থ প্ৰদৰ্শনীৰ।

গ্ৰন্থমেলাৰ জন্ম হৈছিল বিদেশৰ মাটিতে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ পৰাই পৃথিৱীৰ নানা দেশত চেগা-চোৰোকাকৈ গ্ৰন্থমেলাৰ আয়োজন চলি আহিছিল। বিশ্বৰ প্ৰথমখন গ্ৰন্থ প্ৰদৰ্শনী অনুষ্ঠিত হয় ত্ৰয়োদশ শকিতাত ইউৰোপত। ইয়াৰ পাছতে আমেৰিকাৰ বিভিন্ন ঠাইত গ্ৰন্থ প্ৰদৰ্শনীয় আয়োজন কৰা হয়। অৱশ্যে এই প্ৰদৰ্শনীসমূহ একক গ্ৰন্থ প্ৰদৰ্শনী নাছিল। গ্ৰন্থৰ লগতে আন আন সামগ্ৰীৰো প্ৰদৰ্শন কৰা হৈছিল। ১৯২৭ চনত জাৰ্মানীৰ লিপজিপ নামৰ ঠাইত পোনপ্ৰথমবাৰৰ বাবে এককভাৱে গ্ৰন্থমেলাৰ শুভ আৰম্ভণি কৰা হৈছিল। এই গ্ৰন্থমেলাক বিশ্বৰ বৌদ্ধিক ইতিহাসৰ এটি স্মৰণীয় ক্ষণ বুলি গণ্য কৰা হয়। ইয়াৰ পিছত ১৯৪৯ চনত অনুষ্ঠিত জাৰ্মানীৰ ফ্ৰাঙ্কফুট গ্ৰন্থমেলা বিশ্বৰ বৃহত্তম গ্ৰন্থমেলা বুলি স্বীকৃত হয়। ভাৰতবৰ্ষত গ্ৰন্থমেলাৰ শুভাৰম্ভ কৰে কলিকতাৰ 'বঙ্গীয় পুস্তক প্ৰকাশক আৰু বিক্ৰেতা সমিতি'য়ে। নেচনেল বুক ট্ৰাষ্ট অফ ইণ্ডিয়াই ১৯৬৯ চনত বোম্বাইত ৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰথমখন পূৰ্ণাঙ্গ গ্ৰন্থমেলা অনুষ্ঠিত কৰে। ১৯৭৪ চনত ভাৰতত প্ৰথমখন বিশ্ব গ্ৰন্থমেলা অনুষ্ঠিত হয় দিল্লীত আৰু এই গ্ৰন্থমেলাখনৰো উদ্যোক্তা আছিল 'নেচনেল বুক ট্ৰাষ্ট অফ ইণ্ডিয়া'। বৰ্তমান প্ৰতি দুবছৰৰ মূৰে মূৰে বিশ্বৰ বিভিন্ন দেশত বিশ্ব গ্ৰন্থমেলা অনুষ্ঠিত হয়। অসমত প্ৰথমখন গ্ৰন্থমেলা ১৯৭৩ চনত কটন কলেজত অনুষ্ঠিত হয়। এই অনুষ্ঠানত আগভাগ লৈছিল নেচনেল বুক ট্ৰাষ্ট আৰু অসম প্ৰকাশন পৰিষদে। ইয়াৰ পিছত দ্বিতীয়খন গ্ৰন্থমেলা অনুষ্ঠিত হয় নগাওঁৰ



নেহৰুবালিত ১৯৭৮ চনত । ১৯৮৪ চনত অসম প্ৰকাশন পৰিষদে নেচনেল বুক ট্ৰাষ্টৰ সহযোগিতাত গুৱাহাটীৰ জজ খেল পথাৰত বহলভাৱে গ্ৰন্থমেলাৰ আয়োজন কৰে। তদুপৰি ১৯৯৮ চনৰপৰা গুৱাহাটীত উত্তৰ পূব গ্ৰন্থমেলা অনুষ্ঠিত হৈ আহিছে। আৰম্ভণিৰে পৰাই এতিয়ালৈকে উক্ত দুয়োখন গ্ৰন্থমেলাই গ্ৰন্থপ্ৰেমী ৰাইজৰ পৰা সুন্দৰ সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীৰ উপৰিও বৰ্তমান তেজপুৰ, যোৰহাট, নগাঁও, মঙ্গলদৈ, নলবাৰী, তিনিচুকীয়া, ডিব্ৰুগড় আদি ঠাইত নিয়মিয়াকৈ গ্ৰন্থমেলা অনুষ্ঠিত হৈ আহিছে। বি.টি.এ.ডি অঞ্চলত বি.টি.চি প্ৰশাসনৰ উদ্যোগত সুকীয়াকৈ 'বড়োলেণ্ড গ্ৰন্থমেলা' অনুষ্ঠিত হৈ আহিছে। সেইদৰে গুৱাহাটীৰ 'অন্বেষা' নামৰ প্ৰতিষ্ঠানটোৱে দীৰ্ঘদিন ধৰি অসমৰ বিভিন্ন সৰু সৰু মফচলীয় চহৰতো গ্ৰন্থমেলাৰ আয়োজন কৰি গ্ৰন্থক পঢ়ুৱৈ সমাজৰ অধিক ওচৰ চপাই নিয়াৰ কামত ব্ৰতী হৈ আছে।

আজিৰ গ্ৰন্থমেলা কেৱল মেলাতে সীমাবদ্ধ হৈ থকা নাই। ই এক বিৰাট গ্ৰন্থ আন্দোলনৰ ৰূপ ধাৰণ কৰিছে। কেৱল মাত্ৰ পঢ়ুৱৈৰ কিতাপ ক্ৰয় আৰু বিক্ৰেতাৰ বিক্ৰীৰ মাজতে গ্ৰন্থমেলাৰ অৰ্থ সীমাবদ্ধ হৈ থকা নাই। গ্ৰন্থমেলা হৈ পৰিছে লেখক, প্ৰকাশক, পঢ়ুৱৈ আৰু কবি-সাহিত্যিকৰ পূণ্যতীৰ্থ মিলনভূমি, বৌদ্ধিক চিন্তা চৰ্চা আৰু ভাব বিনিময়ৰ কেন্দ্ৰস্থল। ২০২০ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হৈ যোৱা ৩৩ সংখ্যক গুৱাহাটী গ্ৰন্থমেলাৰ যি সফলতা তথা তিনিকোটিৰো অধিক টকাৰ গ্ৰন্থবিক্ৰীৰ পৰিৱেশে বৰ্তমান সময়তো গ্ৰন্থ তথা গ্ৰন্থমেলাৰ ক্ৰমবৰ্দ্ধমান জনপ্ৰিয়তাৰ ছবিখনকেই প্ৰতিফলিত কৰে আৰু এই সফলতাই গ্ৰন্থ প্ৰকাশন জগতকৈ আনিছে অভূতপূৰ্ব পৰিৱৰ্ত্তন। ইয়াৰ জৰিয়তে প্ৰকাশক সকলে পুৰণি দুষ্প্ৰাপ্য কিতাপ প্ৰকাশ কৰিবলৈ উৎসাহিত হোৱাৰ লগতে নতুন নতুন কিতাপ প্ৰকাশ কৰিবলৈ অনুপ্ৰাণিত হৈছে। লগে লহে সৃষ্টি হৈছে এচাম নতুন লেখক আৰু পঢ়ুৱৈৰ।" অসমত কিতাপ লিখি জীৱন নিৰ্বাহ কৰিব নোৱাৰি'– এই ধাৰণাক বৰ্তমান সময়ৰ গ্ৰন্থমেলাই কিছু পৰিমাণে হ'লেও ভুল বুলি প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। উৎকৃষ্ট গ্ৰন্থৰ পাঠক আগতেও আছিল, এতিয়াও আছে আৰু আগলৈকো থাকিব। কিন্তু এজন পাঠকৰ বাবে সকলোবোৰ গ্ৰন্থ কিনি পঢ়াটো সম্ভৱপৰ নহ'বও পাৰে। সেই ক্ষেত্ৰত ৰাজহুৱা গ্ৰন্থাগাৰসমূহে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। গ্ৰন্থ আৰু পাঠকৰ মাজত সঠিক যোগসূত্ৰ স্থাপন কৰিবলৈ ৰাজহুৱা গ্ৰন্থাগাৰ এক সুলভ আৰু উপযোগী মাধ্যম। পঢ়ুৱৈ এজন সৃষ্টি কৰাত বা সমাজত 'পঠন অভ্যাস' গঢ়ি তোলাত গ্ৰন্থাগাৰৰ ভূমিকা কোনেও নুই কৰিব নোৱাৰে। পঠন অভ্যাস যিকোনো বয়সতে গঢ়ি তুলিব পাৰি। তাৰ বাবে লাগে মাথোঁ সদিচ্ছা আৰু সঠিক পৰিৱেশ।

সামাজিক প্ৰতিষ্ঠান হিচাপে থকা সামাজিক দায়বদ্ধতাৰ পৰিচয় দি অসমৰ ৰাজহুৱা পুথিভঁৰাল সমূহেও চাৰিবেৰৰ মাজতে সীমাবদ্ধ নাথাকি পঢ়ুৱৈ ওচৰলৈ ওলাই অহা উচিত। যুগৰ পৰিৱৰ্তনৰ লগে লগে পুথিভঁৰালৰ সংজ্ঞাও সলনি হৈছে। এতিয়া পুথিভঁৰাল কেৱল পুথিৰ ভঁৰাল হৈ থকা নাই। ই হৈ পৰিছে তথ্যকেন্দ্ৰ। তথ্য ইয়াৰ সম্পদ। সঠিক তথ্য সঠিক সময়ত সঠিক ব্যৱহাৰকাৰী এজনক প্ৰদান কৰিবলৈ হ'লে পুথিভঁৰালসমূহে পৰম্পৰাগত ব্যৱস্থাকে সাৱটি বহি থাকিলে নহ'ব। পাঠকক আকৃষ্ট কৰিবলৈ হ'লে নিত্য নতুন কৌশল, প্ৰযুক্তি অৱলম্বন কৰি যুগৰ লগত মিলিবলৈ যত্ন কৰিব লাগিব। গ্ৰন্থপ্ৰেমী ৰাইজক একেলগে ওচৰৰ পৰা পোৱাৰ সহজ উপায় হৈছে গ্ৰন্থমেলা। ৰাজহুৱা পুথিভঁৰাল বিশেষকৈ জিলা পুথিভঁৰালসমূহে ইয়াৰ সুবিধা পুৰামাত্ৰাই লোৱা উচিত। আজিকালি অসমৰ প্ৰায়বোৰ জিলাতেই গ্ৰন্থমেলা পতা হয়। নিৰ্দিষ্ট জিলাৰ জিলা পুথিভঁৰালসমূহে উক্ত গ্ৰন্থমেলাত বিপনীৰ ব্যৱস্থা কৰিব পাৰে। নিউজ চেনেল, এফ এম চেনেল আদি গণমাধ্যম সমূহৰ দৰে জিলা পুথিভঁৰালসমূহেও পাঠকক আকৰ্ষণ কৰিবলৈ গ্ৰন্থমেলাৰ বাকৰিত বিভিন্ন কাৰ্য্যসূচী হাতত ল'ব পাৰে; যেনে– সদস্য অৰ্ন্তভূক্তিৰ আঁচনি, পঠন অভ্যাসৰ ক্ষেত্ৰত সজাগতা সৃষ্টি, গ্ৰন্থাগাৰত উপলব্ধ সেৱা সমূহৰ বিষয়ে ৰাইজক অৱগত কৰোৱা, শিশু উপযোগী আলোচনা চক্ৰ, কুইজ, তৰ্ক প্ৰতিযোগিতা, চিত্ৰাঙ্কন প্ৰতিযোগিতা, গ্ৰন্থ সমালোচনা, গ্ৰন্থ সংৰক্ষণ পদ্ধতি সন্দৰ্ভত বক্তৃতা ইত্যাদি।

পুথিভঁৰাললৈ পাঠক নিজেই আহক বা পুথিভঁৰাল পাঠকৰ ওচৰলৈ যাওক- কথা একেটাই। মাথোঁ সমাজত পঢ়াৰ পৰিৱেশ এটা গঢ় লৈ উঠিব লাগে। যুৱ চামক এক সঠিক পথ দেখুৱাব লাগে। গ্ৰন্থৰ জগতখন যে কিমান ৰোমাঞ্চকৰ সেইটো কথা তেওঁলোকক বুজাব পাৰিব লাগিব। ৰাজহুৱা পুথিভঁৰালৰ প্ৰকৃত উদ্দেশ্য তেতিয়াহে সফল হ'ব।

# বুৰঞ্জীৰ পাতত মধ্য অসমৰ তিৱাসকল

মুংছা ত্ৰৈলোক্য দাৰফাং
কলা বিভাগ

অসমত অতীজৰেপৰা ভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলে বসবাস কৰি আহিছে। তাৰে ভিতৰত অন্যতম হৈছে তিৱাসকল। মধ্য অসমত বিশেষকৈ মৰিগাঁও, নগাঁও, কামৰূপ, কাৰ্বি আংলং, হোজাই আৰু লখিমপুৰ জিলাত তিৱাসকলৰ প্ৰধান জনবসতি দেখা যায়। তেওঁলোক হৈছে তিব্বত বৰ্মী ফৈদৰ মঙ্গোলীয় গোষ্ঠীৰ। এই ফৈদৰ অন্যতম জনগোষ্ঠীসমূহ হৈছে কাৰ্বি, গাৰো, ৰাভা, চুতীয়া, দেউৰী, কোচ ডিমাছা, কছাৰী, সোণোৱাল, হাজং আদি।

প্ৰাগ্ ঐতিহাসিক কালত তিব্বত দেশৰপৰা ব্ৰহ্মপুত্ৰ নদীক অনুসৰণ কৰি তিৱাসকলে তেতিয়াৰ প্ৰাগজ্যোতিষপুৰত প্ৰৱেশ কৰিছিল। পানীক অনুসৰণ কৰাৰ বাবে "তিৱা" নাম হ'ল বুলি বহুতো পণ্ডিতে ক'ব খোজে। বিখ্যাত বুৰঞ্জীবিদ গ্ৰেইট চাহাবৰ মতে তিৱাসকলে পোনপ্ৰথমে ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰত বসবাস কৰিবলৈ লয়। তেওঁলোকে কালক্ৰমত বিভিন্ন ঠাইলৈ সিঁচৰিত হয়। অষ্টম নৱম শতিকাৰ ভিতৰত তিৱাসকলে ৰাজ্য স্থাপন কৰি বসবাস কৰে। তিৱাসকলক লালুং নামেৰেও জনা যায়। তেওঁলোকৰ প্ৰথমজন ৰজা চতংগাক পানীৰ পৰা ওপজা বুলি ঐতিহাসিক সকলে মত পোষণ কৰে।

মধ্য অসমত আহোমসকলে সৌমাৰ প্ৰৱেশ নকৰোতেই কপিলী নদীৰ পাৰত তিৱাসকলে কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য স্থাপন কৰিছিল। বিশিষ্ট্য গৱেষক লিখক ড° লীলা গগৈৰ মতে আহোমসকলৰ বহু আগৰে পৰা তিৱাসকলে অসমত বসবাস কৰি আহিছে। তিৱাসকলৰ সাতো-পাছো ৰাজ্য সমূহ হৈছে— কুমি, তেতেলীয়া, তৰাণী, বঘৰা, শুখনাগোগ, কলবাৰী, ঘগুৱা আৰু কছাৰী গঞা ৰাজ্য মিলি সাতো ৰাজ্য ধৰা হয়। আনহাতে টোপাকুছি, বাৰপুজীয়া, মিকিৰ গঞা, খাইগড় আৰু সৰা ৰাজ্যক লগ লগাই পাছো ৰাজ্য বোলা হয়। ইয়াৰ উপৰিও অতি প্ৰাচীন তিৱা ৰাজ্য কেইখনক দাঁতিয়লীয়া ৰাজ্য নামেৰে পৰিচিত। সেইকেইখন হ'ল গোভা, শিলচাং, নেলী, চহৰী আৰু দমাল ৰাজ্য। গোভা ৰাজ্যৰ প্ৰথমজন ৰজা আছিল জোনচিং। অতিজৰে পৰা তেওঁলোকে গছ-গছনি, প্ৰকৃতি আদিক পূজা অৰ্চনা কৰি আহিছে। তিৱাসকলে বিভিন্ন উৎসৱ, অনুষ্ঠান, খেল-ধেমালি, চিকাৰ আদি কৰি ভাল পাইছিল। তিৱাসকলৰ জনপ্ৰিয় উৎসৱসমূহৰ ভিতৰত পিচু, উৱানচ্যুৱা, বৰত, ইয়াংলি, চাগ্ৰা মিছাৱা, জোন বিল মেলা আদিয়ে প্ৰধান। সাজপাৰৰ ক্ষেত্ৰত তিৱাসকলৰ নিজা হাতেৰে তৈয়াৰী তাগলা, থেনাচ, ফাগা, নাৰা, ফাস্কাই, কাচং জচকাই আদিয়ে

প্ৰধান। বৰ্তমানো শিলচাং দেউৰজাৰ উদপুৰ মেলা আৰু গোভা দেউৰজাৰ জোনবিল মেলাত ইয়াৰ প্ৰভাৱ দেখা যায়। তিৱা ৰাজ্যৰ কাষতে আছিল জয়ন্তীয়া ৰাজ্য আৰু কছাৰী সকলৰ ৰাজ্য সেয়েহে। মাজে মাজে দুয়ো পক্ষৰ সৈতে কেতিয়াবা তিৱা ৰজাৰ সৰু ডাঙৰ বিবাদ যুদ্ধত লিপ্ত হ'ব লগীয়াত পৰিছিল। চামাদি আছিল তিৱাসকলৰ একমাত্ৰ শিক্ষা অনুষ্ঠান। যত পাঠাইসকলে বাঁহবেতৰ কামৰ লগতে বিভিন্ন বিদ্যা আহৰণ কৰিছিল। তেওঁলোকে পূজা কৰা ভগৱানক মিন্দাই বুলি জনা যায়। তিৱা ৰাজ্যবোৰৰ পৰিচালনা কৰিবলৈ ৰজাসকলে বিভিন্ন পদবী সৃষ্টি কৰিছিল। তাৰে ভিতৰত কেইটামান পদবী হ'ল- দলৈ, বৰদলৈ, লৰ, দেউৰী, চাংমাজি, সেনাপতি, কোঁৱৰ আদি। বিবাহৰ ক্ষেত্ৰত তিৱাসকলে একে কুলৰ সৈতে সম্পৰ্ক গঢ়িব নোৱাৰে। তিৱা কুলবোৰৰ ভিতৰত কেইটামান কুল হৈছে মছৰং, মাদুৰ, দাফোৰ, ফাংগচোং, পুম্বে, সুকাই, আমফু, মিথি আমস্ৰি, খাৰাই আদি উল্লেখযোগ্য। স্বাধীনতা আন্দোলনত তিৱাসকলৰ যথেষ্ট অৱদান থকা দেখা যায়। ভাৰতত হোৱা প্ৰথমটো কৃষক বিদ্ৰোহ ঐতিহাসিক ফুলগুৰি ধেৱা'ত তিৱাসকলে মুখ্য আগভাগ লৈ কেইবাজনো তিৱালোক শ্বহীদ হ'ব লগীয়া হৈছিল। যাৰ ফলস্বৰূপে ভাৰত স্বাধীন আন্দোলনৰ ক্ষেত্ৰত কিছু পৰিমাণ হ'লেও আগুৱাই নিবলৈ সক্ষম হৈছিল। সেয়েহে আজিও বুৰঞ্জীৰ পাত মেলি চালে তিৱাসকলৰ গৌৰৱময় ইতিহাসে পুনৰ ৰিঙিয়াই মাতিবলৈ সক্ষম হয়।

●

## ধৈৰ্য হ'ল জীৱনৰ সৌন্দৰ্য

ধৈৰ্য হ'ল জীৱনৰ সৌন্দৰ্য। ই হ'ল মানুহৰ আটাইতকৈ মূল্যৱান মানসিক গুণ। ধৈৰ্যই সকলো সমস্যাৰ মাজতো আশা দিয়া শক্তি। জীৱনলৈ বহুত ধুমুহা আহে। এই ধুমুহাক নিয়ন্ত্ৰণ কৰিব পৰা শক্তি আমাৰ সকলোৰে নাই। কিন্তু আমাৰ ধৈৰ্যই এক শক্তি যাৰ মাজেৰে ধুমুহা অহা সময়খিনি পাৰ কৰিবলৈ আশানুৰূপ শক্তি পাওঁ। ধৈৰ্য, অধ্যাৱসায় আৰু পৰিশ্ৰম, এই তিনিটা এক হ'লে সাফল্যক আৰু কোনেও ৰখাব নোৱাৰে। ধৈৰ্য ধাৰণ হ'ল ব্যক্তিত্বৰ আত্মবিশ্বাস আৰু দৃঢ়তা। যাৰ মাজত ধৈৰ্য আৰু প্ৰেম আছে তাৰ পক্ষে একোৰে অসম্ভৱ নহয়।

# ভ্ৰাম্যমান থিয়েটাৰৰ জন্মকথা

**জাহ্নু প্ৰাণ মহন্ত**
অভিনয় বিভাগ

সংস্কৃতিৰ বাহক ভ্ৰাম্যমান থিয়েটাৰ হৈছে নাট্য পৰিৱেশনৰ এক অন্যতম মাধ্যম। ভ্ৰাম্যমান থিয়েটাৰৰ দৰে অনুষ্ঠান অসমৰ বাহিৰে পৃথিৱীৰ কোনো ঠাইতেই পোৱা নাযায়। ভ্ৰাম্যমান থিয়েটাৰৰ পিতৃপুৰুষ বুলি কোৱা হয় অচ্যুত লহকৰ দেৱক। ১৯১০ চনত পাঠশালাত নাট্যকাৰ, অভিনেতা সন্তৰাম চৌধুৰীয়ে পাঠশালা থিয়েটাৰ পাৰ্টি গঠন কৰি নাট্যদলৰ লগতে মঞ্চ আৰু মঞ্চাভিনয়ৰ সা-সঁজুলি কঢ়িয়াই লৈ যোৱাৰ প্ৰথা অৱলম্বন কৰিছিল। ১৯৩০ চনত ব্ৰজনাথ শৰ্মাই গঠন কৰা কহিনুৰ অপেৰা পাৰ্টি বিপুলভাৱে জনপ্ৰিয় হৈছিল আৰু সমগ্ৰ অসম ভ্ৰমণ কৰি নাট্য প্ৰদৰ্শন কৰিছিল। কহিনুৰ অপেৰাতে অসমত প্ৰথমবাৰৰ বাবে সহ-অভিনয়ৰ পাতনি মেলা হৈছিল। এই কহিনুৰ অপেৰা পাৰ্টিৰ আলমতে ১৯৫৯ চনত স্থাপন কৰা হৈছিল বজালী অঞ্চলৰ পাঠশালাৰ নিবাসী সদানন্দ লহকৰৰ নটৰাজ অপেৰা নাট্যদল। সদানন্দ লহকৰৰ জ্যেষ্ঠ ভাতৃ অচ্যুত লহকৰে নটৰাজ অপেৰাক নতুন ৰূপ দিবলৈ গৈ বৰ্তমানৰ ভ্ৰাম্যমান থিয়েটাৰৰ ৰূপ দিয়ে। ১৯৬৩ চনৰ ২ অক্টোবৰত পাঠশালা নগৰৰ হৰিমন্দিৰৰ প্ৰাঙ্গণত সজা অস্থায়ী পেক্ষাগৃহত প্ৰথমবাৰৰ বাবে ভ্ৰাম্যমান নাটক মঞ্চস্থ কৰা হৈছিল আৰু নাটক আছিল ফণী শৰ্মাৰ “ভোগজৰা”। নটৰাজ থিয়েটাৰ প্ৰথম বৰ্ষত নিবেদন কৰা নাটকসমূহ আছিল উত্তম বৰুৱাৰ “জেৰেঙাত সতী”, ফণী শৰ্মাৰ “ভোগজৰা”, অতুল চন্দ্ৰ হাজৰিকাৰ “টিকেন্দ্ৰজিৎ”। বিপুল জনপ্ৰিয়তালৈ লক্ষ্য কৰি লাহে লাহে অসমত অন্য নাট্যদল সমূহৰ জন্ম হ’বলৈ ধৰিলে আৰু বৰ্তমান সময়ত ই অসমৰ এক বিশেষ সাংস্কৃতিক অনুষ্ঠান হিচাপে পৰিগণিত হৈছে। নটৰাজ থিয়েটাৰৰ সফলতাৰ পিছতে আৰাধনা থিয়েটাৰ, কহিনুৰ থিয়েটাৰ, আবাহন থিয়েটাৰ, ভাগ্যদেৱী থিয়েটাৰৰ লগতে আৰু বহুতো থিয়েটাৰ দলৰ জন্ম হৈ আহিছে।

❑ মানুহেই মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰে, মানুহেই মানুহক নতুন জীৱন দান কৰিব পাৰে। পৃথিৱীত প্ৰেম আৰু মহানুভৱতাই হে কাম কৰিব পাৰে।

— মামনি ৰয়চম গোস্বামী



# হেঁপাহৰ ফাগুন

**বিকাশ জ্যোতি শইকীয়া**
(বিজ্ঞান) প্ৰাণীবিদ্যা বিভাগ

"মোকতো পোৱাই চিনি, মই যে ফাগুন
অঁকৰা কবিৰ সৈতে চুপতি মৰাৰ বাবে
মোৰতো বহুত বদনাম।।"
চাদৰৰ আঁচলেৰে নিচান উৰুওৱা আৰু
ধূলিৰে দুচকু ঢাকি
অচিনাকী বান্ধৱীৰ প্ৰথম দেখাৰ মুহূৰ্ততো
খেলিমেলি কৰি দিয়া
মোৰ অতি জঘন্য অভ্যাস।"

...... সঁচাকৈয়ে, নবকান্ত বৰুৱাদেৰে কোৱাৰ দৰেই ফাগুনে উৰুৱায় ধূলিৰ ধোঁৱা। উৰ্বৰা কৰে বৰ্ণময়ী প্ৰকৃতিৰ জীপাল আভা। সৰাপাতেও ঠিকনা বিচাৰি উচুপি উঠে ডাল হেৰুওৱাৰ বেদনাও। শিমলু পলাশেও নীলিম আকাশৰ সৈতে পাতে ৰঙৰ মেলা। ফাগুনী পছোৱাজাকেও আবিৰৰ সৈতে লুকা-ভাকু খেলি যৌৱনৰ ৰং ছটিয়ায়। ফাগুনে ঠেৰেঙা লগা শীতৰ বিদায়ৰ বাতৰি বিলায় সৰাপাতৰ আঁৰে আঁৰে।

মায়াময় মনেৰে ফাগুনে ভূমুকি মাৰে সৰাপাতৰ দলিচাত খোজ দি এখোজি-দুখোজিকৈ। অভিমানী সৰাপাতবোৰেও দলিচাত খোজ দি এখোজি-দুখোজিকৈ। অভিমানী সৰাপাতবোৰেও ফাগুনৰ আদৰিবলৈ ৰঙা দলিচা পাৰি ৰৈ থাকে হেঁপাহৰ ৰঙীণ বাটত। পিছে, এই সৰাপাতবোৰৰো থাকে এধানিমান অভিমান। নাথাকিবই বা কিয়.......? সৰাপাতবোৰৰোতো অন্তৰ আছে, ভালপোৱাৰ সপোন আছে। গতিকে, ঠিকনা হেৰুৱাই অভিমানী হ'লেও সৰাপাতবোৰে হেৰুৱাব নোখোজে গছৰ তল। কিয়নো, সেই গছজোপাই আছিল এসময়ত সৰাপাতবোৰৰ অতীত। গছৰ ডালবোৰত বহি সৰাপাতেও যে কিমান সপোন ৰচিছিল। হেঁপাহৰ ৰঙীণ পাতক। আকৌচোন বলিয়া ফাগুনে আহি নিমিষতে তছ-নছ কৰি থৈ যায় গছৰ ডালবোৰকো সঙ্গীবিহিন কৰি।

যদিওবা ফাগুন বলিয়া, ফাগুন উতনুৱা, উন্মনা। তথাপি ফাগুনে প্ৰকৃতিক সজায় নৱৰূপেৰে, ন প্ৰাণেৰে। ফাগুনৰ চঞ্চলা পছোৱাজাকে প্ৰকৃতিক ৰঙৰ চিঠি বিলোৱাৰ পৰতে নীলিম আকাশকো দি যায় এক আবেগময় শুষ্কতা, ভালপোৱাৰ বতৰা। আকাশ- বতাহ

যদিওবা ফাগুন বলিয়া, ফাগুন উতনুৱা, উন্মনা। তথাপি ফাগুনে প্ৰকৃতিক সজায় নৱৰূপেৰে, ন প্ৰাণেৰে। ফাগুনৰ চঞ্চলা পছোৱাজাকে প্ৰকৃতিক ৰঙৰ চিঠি বিলোৱাৰ পৰতে নীলিম আকাশকো দি যায় এক আবেগময় শুষ্কতা, ভালপোৱাৰ বতৰা। আকাশ- বতাহ সকলোতেই যেন এক অজান অস্থিৰতা বিয়পায় ফাগুনে। ফাগুনৰ প্ৰেমৰ ৰঙেৰে লঠঙা হৈ পৰে পথাৰৰ মাজৰ শিমলুজোপাত, ৰাঙলী হয় উৰণীয়া পলাশবোৰো।

---

সকলোতেই যেন এক অজান অস্থিৰতা বিয়পায় ফাগুনে। ফাগুনৰ প্ৰেমৰ ৰঙেৰে লঠঙা হৈ পৰে পথাৰৰ মাজৰ শিমলুজোপাত, ৰাঙলী হয় উৰণীয়া পলাশবোৰো। সুমথিৰাৰঙী মদাৰেও চোন এই ক্ষেত্ৰত পিছুৱাই নাথাকি মুক্ত আকাশত জ্বলাই তোলে একুৰা তপত জুইৰ লেলিহান শিখা। ফাগুনৰ এই মনোমোহা দৃশ্যত মুগ্ধ হৈ উৰন্ত বিহগীৰ সুৰে সুৰে গীতিকাৰে গীত জুৰে একদৰে—

সৰা পাতে পাতে ফাগুন নামে
পলাশৰে ৰঙ ৰাঙলী;
বতাহে কাণে কাণে ক'লে
নহ'বা উদাস অভিমানী।"

শ্যামলী প্ৰকৃতিক উকা আভূষণ পিন্ধোৱাৰ সত্তেও ফাগুন প্ৰকৃতিৰ অতিশয় মৰমৰ। এই দিনাবোৰলৈকে প্ৰকৃতিয়ে যেন বাট চাই ৰয় অধিৰ আগ্ৰহেৰে, পৰম ব্যাকুলতাৰে। য'ত লুকাই আছে নিৰাশাৰ মাজতো আশা, উদাসীনতাৰ মাজতো প্ৰাপ্তিৰ সপোন আৰু হেঁপাহৰ হেঙুলী আভা। গতিকে, সৰাপাতৰ চিঠি খিৰিকীৰে বিলাই ফাগুনেও বাতৰি সুখ দুখৰ বহুতো কথাৰ।

যদিওবা, চঞ্চলা, চফলা ফাগুনী পছোৱাজাকে ধূলিৰ সৈতে মিতিৰালী পাতি ৰঙৰ ফাকু খেলে; সৰাপাতবোৰৰ অভিমানবোৰ দেখি খিলখিলাই হাঁহি উঠে তথাপি এই হাঁহিবোৰৰ মাজতেই ফাগুনে লুকুৱাই ৰাখে অন্তৰৰ নিভৃত কোণৰ তপ্ত বলুকাও দহি নিঃশেষ হৈ যোৱা সপোনৰ ভগ্ন পঁজাবোৰৰ কৰুণ অবশিষ্টবোৰ। যি দহনে কেতিয়াবা সহ্যৰ সীমা ভাগি, নেওচি চকুলোঁৰ নৈ বোৱাই ধৰিত্ৰীৰ বুকুত ধৰা দিয়েহি এজাক অবিৰসৰা বৰষুণ হৈ; য'ত প্ৰাণ পাই পোখা মেলি উঠে এজাক নতুন সেউজী সপোনে।

হয়তো, কলিজাৰ কোনোবা কেঁকুৰিত হেন্দোলিত অচিনা অজানা দুখবোৰক পাতলাবৰ উদ্দেশ্যেই ফাগুনৰ এই বলিয়ালি। এনেকৈয়ে পোৱা নোপোৱাৰ হিচাপ সৰাই ফাগুনে মনত অঙ্কুৰিত কৰে নতুন আশাৰ ৰেঙণি। সঁচাকৈয়ে, প্ৰতিশ্ৰুতি আছে ফাগুনৰ; আছে হেঁপাহৰ ৰং, প্ৰেমৰ মায়া আৰু কিছু অভিমানী বতৰা।

বলিয়া হ'লেও ফাগুন সেয়ে প্ৰকৃতিৰ বৰ আদৰৰ.... পৰম চেনেহৰ.... অতিকৈ হেঁপাহৰ।

●

❑ কোনো এখন দেশক যদি ভ্ৰষ্টাচাৰমুক্ত আৰু সুন্দৰ মনৰ মানুহৰ দেশৰূপে গঠন কৰিব লাগে তেন্তে মোৰ বিশ্বাস সেই কাম কেৱল তিনিজনেহে কৰিব পাৰে। তেওঁলোক হ'ল পিতৃ, মাতৃ আৰু শিক্ষাগুৰু।

— ড° এ পি জে আব্দুল কালাম
প্ৰসিদ্ধ বিজ্ঞানী-প্ৰযুক্তিবিদ

# আদৰ্শ ছাত্ৰৰ কৰণীয়

**ৰুণামঞ্জুৰী দেৱী**
ৰাজনীতি বিজ্ঞান বিভাগ

ছাত্ৰাৱস্থাই হৈছে জীৱনক উপযোগী হিচাপে গঢ়ি তোলাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়। এই সময়খিনিয়েই এজন ছাত্ৰৰ ভৱিষ্যতৰ দিশ নিৰ্ধাৰণ কৰে। জীৱনত আহৰণ কৰিবলগীয়া সমস্ত জ্ঞানৰ উপযুক্ত সময় হ'ল-ছাত্ৰ অৱস্থা। গতিকে, এই মহত্বপূৰ্ণ সময়ছোৱাত অধ্যায়নকেই জীৱনৰ মূখ্য ব্ৰত হিচাপে পালন কৰি নিষ্ঠাসহকাৰে নিজৰ কৰ্তব্য সম্পাদনৰ জৰিয়তে ভৱিষ্যতে নিজকে কৃতকাৰ্য হিচাপে সমাজত সু-প্ৰতিষ্ঠিত কৰিব পাৰি। এজন আদৰ্শবান ছাত্ৰ হিচাপে নিজকে গঢ় দিয়াটো প্ৰতিজন শিক্ষাৰ্থীৰে একান্ত দায়িত্ব। এনে দায়িত্বৰ ভাৰ গ্ৰহণ কৰাটো বাস্তৱ ক্ষেত্ৰত সিমান সহজসাধ্য নহয় যদিও একেবাৰে কঠিনো নহয়। কিন্তু, ইয়াৰ বাবে একাগ্ৰ সাধনাৰ প্ৰয়োজন। মানৱ জীৱনত অসাধ্য বুলি একোৱেই নাই, "ঘঁহি থাকিলে শিলো ক্ষয় যায়।" নিৰৱছিন্নভাৱে কৰা কঠোৰ অধ্যৱসায়ৰ জৰিয়তে সকলো কামতেই কৃতকাৰ্যতা অৰ্জন কৰিব পাৰি। 'আনে যিটো কাম সাধন কৰিব পাৰিছে, সেয়া আমিও নিশ্চয় পাৰিম'- এই প্ৰত্যয় প্ৰত্যেকজন ছাত্ৰৰে হৃদয়ত প্ৰতিপল নিহিত হৈ থাকিব লাগিব।

ছাত্ৰ জীৱনত সময়ৰ মূল্য সবাতোকৈ বেছি গুৰুত্বপূৰ্ণ। সময়ে কাৰো বাবে অপেক্ষা নকৰে, পাখি লগা কাড়ৰ দৰে ই উৰি গুচি যায়। আমি যদি সময়ক মূল্য দিব নোৱাৰো, আমাৰ জীৱনলৈ ব্যৰ্থতা আৰু বিপৰ্যয় অহাটো নিশ্চিত। সময়ৰ শৰ সময়ত মাৰিব নোৱাৰিলে কামত কৃতকাৰ্য হোৱাৰ আশা ক্ষীণ হয়। সময়ৰ মূল্যবোধ থাকিলেহে কামত উদ্‌গতি লাভ কৰিব পাৰি। যেতিয়া যিটো বিষয়ৰ অধ্যয়ন কৰিব লাগে, তাক তেতিয়াই কৰা উচিত। পিছলৈ পঢ়িম বুলি থৈ দিলে, সেই পঢ়াৰ কামটো সদায় পিছপৰিয়েই ৰয়। কালিলৈ কৰিবলগা কামটো আজিয়েই আৰু আজি কৰিবলগা কামটো এতিয়াই কৰা আৰ্হিৰে সকলো কাৰ্য সমাপন কৰিব

এজন আদৰ্শৱান ছাত্ৰ হিচাপে নিজকে গঢ় দিয়াৰ বাবে যিদৰে সময়ৰ সদ্‌ব্যৱহাৰ আয়ত্ব কৰা অধ্যৱসায় আৰু নিয়মানুৱৰ্তিতা পালনৰ দৰে গুণবোৰ আয়ত্ব কৰা প্ৰয়োজনীয়, সেইদৰে নিজস্ব চাৰিত্ৰিক দিশৰ গঠনতো, ছাত্ৰ-ছাত্ৰীসকলে সদায় গুৰুত্ব আৰোপ কৰিব লাগে। শিষ্টাচাৰ, ভদ্ৰতা, সাধুতা আৰু কতব্যপৰায়ণতাৰ দৰে চাৰিত্ৰিক গুণৰ অলঙ্কাৰেৰে ছাত্ৰ-ছাত্ৰীসকল অলঙ্কৃত হ'ব লাগে। এনে গুণবোৰৰ অবিহনে এজন উচ্চশিক্ষিত ব্যক্তিও অসম্পূৰ্ণ হৈ ৰয়। কেৱল, উচ্চশিক্ষিত হ'লেই এজন ব্যক্তিয়ে প্ৰকৃত মানৱ হিচাপে স্বীকৃতি লাভ নকৰে।

পাৰিলে সফলতা যে লাভ কৰিব পাৰি, সেয়া নিশ্চিত। জীৱনত কেতিয়া কি পৰিস্থিতি বা বিপদে আহি আমাৰ আগত থিয় দিয়েহি, তাৰ কোনো নিশ্চয়তা নাই। গতিকে এনে পৰিস্থিতিত আমি পিছলৈ কৰিম বুলি থোৱা কামটো কেতিয়াও হয়তো হৈ নুঠিব পাৰে। সেয়েহে, সময় থাকোতেই প্ৰণালীবদ্ধভাৱে কৰিবলগীয়া কামটোৰ প্ৰতি মনোনিৱেশ কৰা উচিত। শৈশৱ আৰু কৈশোৰ কালতেই যদি আমি বিদ্যা শিক্ষা অৰ্জন নকৰোঁ, কৰ্মৰ অনুশীলন নকৰোঁ, তেনেহ'লে ভৱিষ্যত জীৱনত আমি সন্তোষজনকভাৱে জীয়াই থাকিব নোৱাৰিম। জীৱনৰ প্ৰতিটো স্তৰতে মূল্যৱান মুকুতামণি সদৃশ সময়ৰ মহত্বতাক উপলব্ধি কৰি কৰ্ম সম্পাদনৰ দিশে অগ্ৰসৰ হ'ব লাগে। 'যোগ্যভোগ্য বসুন্ধৰা'- এই বাক্যশাৰী সদায় মন-মগজুত স্থিৰ কৰিয়েই প্ৰতিযোগিতামূলক পৃথিৱীত নিজকে প্ৰতিষ্ঠিত কৰি কৰ্মৰ জৰিয়তে জীৱনৰ মূল্য প্ৰতিপন্ন কৰিব লাগিব। এলাহ আৰু দীৰ্ঘসূত্ৰীতা এই দুয়োটাই ছাত্ৰজীৱনত সফলতা সাধনত প্ৰধান অন্তৰায়। সময় সুচাৰুৰূপে প্ৰয়োগ কৰিব নোৱাৰা ব্যক্তিয়ে জীৱনত কেতিয়াও সফলতাৰ শৃঙ্গ আৰোহন কৰিব নোৱাৰে। আমি সদায় মনত ৰখা উচিত যে, সময়ক মূল্য দিব নজনা লোকক সময়েও কেতিয়াও মূল্য নিদিয়ে। ছাত্ৰ জীৱনেই কৰ্মজগতৰ প্ৰৱেশৰ মুখ্য তোৰণ। গতিকে, প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজ-নিজ ছাত্ৰ জীৱনত মূল্যৱান সময়বোৰ অবাবত নষ্ট নকৰি, ইয়াৰ সদ্ব্যৱহাৰ সাধনেৰে শিক্ষা অজৰ্নৰ কাৰ্যত একান্তমনে ব্ৰতী হ'ব লাগে। একাগ্ৰতা আৰু সদিচ্ছাৰে কৰা এনে কাৰ্যৰ ফলাফল নিশ্চয় সময়ে নিৰ্ণয় কৰিব।

মানুহে জগতত কি কাৰ্য সম্পাদন কৰি দেখুৱাব পৰা নাই? প্ৰকৃতাৰ্থত অসম্ভৱ বুলি একোৱেই নাই। পৃথিৱীৰ সকলোবোৰ সৃষ্টিয়েই নিশ্চয় অধ্যৱসায়ৰেই ফল। ছাত্ৰ জীৱনৰ লক্ষ্য সাধনৰ বাবেও অধ্যৱসায় নিত্যান্ত প্ৰয়োজনীয়। অধ্যৱসায়ে ব্যক্তিক সংগ্ৰামী হিচাপে গঢ় দিয়াত, জটিল পৰিস্থিতিয়ে সৃষ্টি কৰা প্ৰত্যাহ্বানৰ সৈতে মুখামুখি হোৱাৰ উৎসাহ যোগায়। জীৱনত আদৰ্শবান ব্যক্তিস্বৰূপ আত্মপ্ৰতিষ্ঠা লাভ কৰাৰ ক্ষেত্ৰতো অধ্যৱসায় অতি গুৰুত্বপূৰ্ণ। এনে একনিষ্ঠ অধ্যৱসায়ৰ বলত বাৰম্বাৰ শিক্ষাআহৰণত বিফল হৈও পৰৱৰ্তী সময়ত বোপদেৱে কেনে মহান পাণ্ডিত্য অৰ্জন কৰিব পাৰিছিল-সেয়া সৰ্বজনবিদিত। এনে মহৎ উদাহৰণেৰে অনুপ্ৰাণিত হৈ আমিও নিজ জীৱনত ইয়াৰ উত্তৰণ ঘটাই, ব্যৰ্থতাত থমকি নৰৈ, একান্ত চিন্তন আৰু অধ্যৱসায়ৰ মাধ্যমেৰে চৰম সফলতা অৰ্জন কৰিব পাৰোঁ। সংকল্পবদ্ধ আৰু প্ৰতিশ্ৰুতিবদ্ধভাৱে কৰ্ম সম্পাদনৰ জৰিয়তে আদৰ্শ জীৱন যাপন কৰিব পাৰোঁ। গতিকে ক'ব পাৰি যে, অধ্যৱসায়েই হ'ল ছাত্ৰ জীৱনৰ উদগতিৰ আটাইতকৈ শক্তিশালী চাবি কাঠী।

আদৰ্শৱান ছাত্ৰ জীৱনৰ উন্নতিৰ পথত নিয়মানুবৰ্তিতাৰো যথেষ্ট অৱদান আছে। সকলো কাৰ্য সম্পাদনৰে এক নিৰ্দিষ্ট নিৰ্ধাৰিত প্ৰক্ৰিয়া তথা বিধি থাকে, সেই নিয়মমতে, উপযুক্ত সময়ত সুচাৰুৰূপে কামটো সমাপন কৰিব পৰাকে নিয়মানুৱৰ্তিতা হিচাপে আখ্যা দিব পাৰি। যি কামতেই নিৰ্দ্দিষ্ট নীতি নিয়ম পালনৰ কোনো ধৰা বন্ধা ব্যৱস্থা নাথাকে, তাতেই বিশৃংখলতাপূৰ্ণ স্থিতিৰ ৰাজত্ব চলে। এনে বিশৃংখলিত কৰ্ম প্ৰণালীয়ে কেতিয়াও ব্যক্তিক কৃতকাৰ্য্যতাৰ জখলাত আৰোহিত কৰিব নোৱাৰে। কেৱল নিয়মানুৱৰ্তিতাইহে জীৱন সফল আৰু সমৃদ্ধিপূৰ্ণ কৰি গঢ়ি তুলিব পাৰে। সময়ৰ উৎকৃষ্ট প্ৰয়োগ কৰি নিয়মানুসাৰে অধ্যয়নৰত হোৱাটোৱেই ছাত্ৰ-ছাত্ৰীৰ প্ৰধান কৰণীয় হোৱা উচিত। নিয়মানুৱৰ্তিতা আহৰণ কৰাটো শৈক্ষিক প্ৰক্ৰিয়াৰে এক অবিচ্ছেদ্য অঙ্গ। শিক্ষাৰ্থীসকলে সদায় নিয়ম শৃঙ্খলা মানি চলি এক সুস্থিৰ শৈক্ষিক যাত্ৰাৰ দিশে ধাৱিত হ'ব পাৰিলে নিশ্চিতভাৱে সফলতা পাব পাৰি। পঢ়াৰ ক্ষেত্ৰত এক সুপৰিকল্পিত নিয়মৰ অনুসৰণ কৰি আমিও শৃঙ্খলাবদ্ধভাৱে লক্ষ্যসাধন কৰিব পাৰোঁ। সেয়েহে, কোৱা হয় নিয়মানুৱৰ্তিতা ছাত্ৰজীৱনৰ উদ্‌গতি সাধনৰ প্ৰথম আৰু প্ৰধান ঢাপ।

> সেয়েহে এলাহ ত্যাগ কৰি বিফলতাক প্ৰশ্ৰয় নিদি একনিষ্ঠভাৱে অধ্যয়নকেই ছাত্ৰ জীৱনৰ মুখ্য ব্ৰত হিচাপে গ্ৰহণ কৰি সাধনাত ৰত হ'ব লাগে। এজন আদৰ্শৱান ছাত্ৰই কেতিয়াও পৰাজয় স্বীকাৰ নকৰে; দুৰ্বাৰ আশা আৰু নৱ উদ্যমেৰে প্ৰগতিৰ পথত অগ্ৰসৰ হয়। এনেবোৰ সিদ্ধান্ত জীৱনৰ বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰিলে আমিও আদৰ্শবান ছাত্ৰ হিচাপে নিজকে গঢ় দি কৃতকাৰ্য্যতাৰ সৰ্বোচ্চশৃঙ্গত নিশ্চিতভাৱে বিৰাজিত হ'ব পাৰিম।

এজন আদর্শৱান ছাত্র হিচাপে নিজকে গঢ় দিয়াৰ বাবে যিদৰে সময়ৰ সদ্ ব্যৱহাৰ আয়ত্ব কৰা অধ্যৱসায় আৰু নিয়মানুবৰ্তিতা পালনৰ দৰে গুণবোৰ আয়ত্ব কৰা প্রয়োজনীয়, সেইদৰে নিজস্ব চাৰিত্ৰিক দিশৰ গঠনতো, ছাত্র-ছাত্রীসকলে সদায় গুৰুত্ব আৰোপ কৰিব লাগে। শিষ্টাচাৰ, ভদ্রতা, সাধুতা আৰু কতব্যপৰায়ণতাৰ দৰে চাৰিত্ৰিক গুণৰ অলঙ্কাৰেৰে ছাত্র-ছাত্রীসকল অলঙ্কৃত হ'ব লাগে। এনে গুণবোৰৰ অবিহনে এজন উচ্চশিক্ষিত ব্যক্তিও অসম্পূর্ণ হৈ ৰয়। কেৱল, উচ্চশিক্ষিত হ'লেই এজন ব্যক্তিয়ে প্রকৃত মানৱ হিচাপে স্বীকৃতি লাভ নকৰে। চাৰিত্ৰিক গুণবোৰ আয়ত্ব কৰাৰ আয়ত্ব কৰাৰ যথোপযুক্ত সময় হ'ল ছাত্র জীৱন। ছাত্র-জীৱনৰ পৰাই এই গুণবোৰ আয়ত্ব কৰিব লাগে। এই গুণবোৰ আয়ত্ব কৰাৰ সর্বপ্রথম মঞ্চখনেই হৈছে নিজা ঘৰখন। পিতৃ মাতৃৰ প্রতি, আত্মীয়, সম্বন্ধীয়ৰ প্ৰতি ঘৰুৱা ক্ষেত্ৰখনতে এনে গুণবোৰ অনুশীলন কৰিলেহে সমাজ তথা বিদ্যালয়ৰ দৰে বৃহত্তৰ পৰিৱেশত নিজকে উৎকৃষ্ট ৰূপত বিকশাই তুলিব পৰা যায়। গৃহ পৰিৱেশতে প্রথমাৱস্থাত প্রত্যেকৰে শিক্ষাৰ পাঠৰ আৰম্ভণি হয় যদিও এই শিক্ষাৰ বিস্তৃত আৰু সর্বোৎকৃষ্ট মাত্রা প্রদান কৰে আমাৰ শিক্ষাগুৰুসকলে। আমাক মনৰ অজ্ঞানতাৰ আন্ধাৰৰপৰা মুক্ত কৰি পোহৰৰ উজ্বল পথ প্ৰদৰ্শন কৰে। আবিৰাম শৈক্ষিক যাত্রাৰ নিৰন্তৰ পথপ্রদর্শক হিচাপে নিজৰ বুদ্ধি, জ্ঞান আৰু অভিজ্ঞতাৰে নিস্বার্থভাৱে তেওঁলোকৰ জ্ঞানৰ জ্যোতিৰে আমাক আগুৱাই লৈ যায়। সেয়েহে শিক্ষকসকলৰ প্রতি ছাত্র-ছাত্রীসকল কৃতজ্ঞ তথা একান্ত ভক্তিপৰায়ণ হ'ব লাগে। শিক্ষাগুৰুসকলৰ প্রতি ভক্তি আৰু সন্মান প্রদর্শন কৰাটো প্রত্যেক ছাত্র-ছাত্রীৰে কর্তব্য। গুৰুকৃপা অবিহনে জ্ঞানলাভ প্রক্রিয়া পূর্ণাঙ্গ হ'ব নোৱাৰে।

ছাত্র-ছাত্রীসকলেই হ'ল দেশৰ ভৱিষ্যতৰ গৰাকী আৰু আশাৰ প্রদীপ। প্রতিগৰাকী ছাত্ৰই গুণসম্পন্নভাৱে জ্ঞানৰ জ্যোতিৰে প্ৰকাশিত হৈ দেশৰ উপযুক্ত নাগৰিক হিচাপে জীৱনটো বিকশাই তুলিবলৈ ছাত্রাৱস্থাৰপৰাই তাৰ বাবে অনুশীলন কৰি দেশৰ প্রগতিৰ ক্ষেত্ৰত অৰিহণা যোগাবৰ বাবে চেষ্টা কৰিব লাগিব। ইয়াৰ লগতে আমি মনত ৰখা উচিত যে জীৱনক সর্বোৎকৃষ্ট মূল্যৰে সর্বাঙ্গসুন্দৰ কৰি গঢ়ি আত্মপ্রতিষ্ঠা লাভ কৰিবৰ কাৰণে কেৱল পাঠ্যপুথিৰ জৰিয়তে শিক্ষা আহৰণ কার্যতে নিজকে সীমাবদ্ধ কৰি ৰাখিলে নহ'ব; সংসাৰ সংগ্ৰামৰ প্ৰতিযোগিতাত জয়লাভৰ কাৰণে নিজকে ছাত্র জীৱনতেই প্রস্তুত কৰি লোৱাটো প্রয়োজনীয়। সেয়েহে পাঠ্যপুথিৰ লগত সমন্বয় ৰাখি অন্যান্য লাগতিয়াল দিশবোৰতো জ্ঞান আহৰণ কৰা দৰকাৰ। প্ৰৱল ইচ্ছাশক্তি আৰু একান্ত নিৰন্তৰ অধ্যৱসায়েৰে যিকোনো কষ্টসাধ্য কার্য্য সার্থক কৰি তুলিব পাৰি। এই ক্ষেত্ৰত এলাহ আৰু দীর্ঘসূত্রীতা সমূলি পৰিহাৰ কৰা উচিত। এই দুয়োটা ছাত্র জীৱনৰ প্রধান কালশত্ৰু। সেয়েহে এলাহ ত্যাগ কৰি বিফলতাক প্রশয় নিদি একনিষ্ঠভাৱে অধ্যয়নকেই ছাত্র জীৱনৰ মুখ্য ব্ৰত হিচাপে গ্ৰহণ কৰি সাধনাত ৰত হ'ব লাগে। এজন আদর্শৱান ছাত্রই কেতিয়াও পৰাজয় স্বীকাৰ নকৰে; দুৰ্বাৰ আশা আৰু নৱ উদ্যমেৰে প্ৰগতিৰ পথত অগ্রসৰ হয়। এনেবোৰ সিদ্ধান্ত জীৱনৰ বাস্তৱ ক্ষেত্ৰত প্রয়োগ কৰিব পাৰিলে আমিও আদর্শবান ছাত্র হিচাপে নিজকে গঢ় দি কৃতকার্য্যতাৰ সর্বোচ্চশৃঙ্গত নিশ্চিতভাৱে বিৰাজিত হ'ব পাৰিম।

●

☐ কিতাপৰ যি শক্তি আছে ই আমাক মাটিৰ সৈতে চিনাকি কৰাই দিয়ে আৰু বিশ্বৰ বিভিন্ন প্রান্তৰ লগত মানুহৰ সম্পর্ক প্রসাৰিত কৰে। কিতাপ নপঢ়া জাতি সময়ৰ সুঁতত উছন্ন হৈ যায়।

— প্রাক্তন উপাচার্য অমৰজ্যোতি চৌধুৰী।

# অনাথ আশ্ৰম

**গীতাঞ্জলী লস্কৰ**
প্ৰাক্তন ছাত্ৰী

এই শব্দটো মোৰ ভাল লগা শব্দবোৰৰেই এটা। আপোনাৰো নিশ্চয় ভাল লাগে নহয় জানো? য'ৰ পৰা এটি অবুজ শিশুৱে জীৱন লাভ কৰে, জ্ঞান লাভ কৰে, জীৱনৰ প্ৰয়োজনীয় সকলোবোৰ বুলি ক'লেও ভুল কোৱা নহ'ব।

এতিয়া আহোঁ আচল কথালৈ। ডাঙৰে কোৱা শুনিছোঁ, মাক হোৱাটো হেনো স্বৰ্গীয় আশীৰ্বাদ। তেনেহ'লে কিয় আমি দেখিবলৈ পাওঁ কণমানি শিশুবোৰক ডাষ্টবিনত, পথাৰৰ মাজত, ৰাস্তাৰ কাষৰ নলাত।

কোনোবাই বিয়া হৈছে অথচ দহ বাৰ বছৰলৈ ল'ৰা-ছোৱালীৰ মুখেই দেখা পোৱা নাই। কিমান দুখ, যন্ত্ৰণা, সেইয়া হয়তো সন্তানহীন পিতৃ-মাতৃয়ে হে অনুভৱ কৰিব পাৰিছে।

সেই দেৱ শিশুটিক ৰাস্তাত, ডাষ্টবিনত পেলোৱাৰ আগত এবাৰ ভাবকচোন তেওঁলোকৰ কথা, যিসকলে নেকি এবাৰ সন্তানৰ মুখ চাবলৈ ব্যাকুল হৈ আছে।

আপোনাৰ কু-কৰ্মই এটা মৰমলগা শিশুৰ জীৱন ধ্বংস কৰি দিব পাৰে।

ইমান মৰম লগা শিশুবোৰক বাৰু কেনেকৈ এনেকুৱা কৰিব পাৰে। কিমান নিষ্ঠুৰ হ'লে এজনী মাতৃয়ে নিজৰ সন্তানক পেলাই দিব পাৰে। কেতিয়াবাতো হত্যা কৰিও পেলাই দিয়ে অথবা হত্যা নকৰিলেও পেলাই দিওঁতেই ঢুকাই থাকে।

অনুগ্ৰহ কৰি মাৰি নেপেলাব, এনেকৈ ৰাস্তাৰ কাষত আপোনাৰ শিশুটিক পেলাই নিদিব। জীৱন দান দিয়ক তাক।

মাক-দেউতাক নোহোৱা শিশুসকলক অনাথ আশ্ৰমত গতাই দিব পাৰি বুলি জানোঁ, কিন্তু এনেকৈ পেলাই দিয়া শিশুবোৰক জানো অনাথ আশ্ৰমে আদৰি নল'ব?

যিসকলে এনেকুৱা কৰে, তেওঁলোকে যেন এইবোৰ কৰ্ম কেতিয়াও নকৰে কাৰণ আপুনি পাইয়ো যদি তাৰ মূল্য বুজি নাপায় তেনেহ'লে হয়তো কেতিয়াবা এনে দিন আহিব আপুনি এটা সন্তানৰ কাৰণে হাহাকাৰ কৰি থাকিব অথচ আপুনি আগতে পাইও হেৰুৱাইছে।

অনাথ আশ্ৰম এখন পবিত্ৰ স্থান। ক'ৰবাত যদি কেতিয়াবা কোনোবা অনাথ আশ্ৰমত যাব পাৰোঁ সেইদিনা অন্তত নিজকে বহুত সুখী অনুভৱ কৰিব পাৰিম। মনত প্ৰবল হেঁপাহ আছে যদি কেতিয়াবা অনাথ আশ্ৰমত থকা সেই সৰু সৰু ল'ৰা-ছোৱালীবোৰক লগ পাওঁ বুকুত যিমান মৰম আছে, গোটেইবোৰ হিয়া উজাৰি দি দিম সিহঁতকেইটাক।

কেতিয়াবা আৱেগিক হৈ পৰোঁ, কোনোবা মাক-দেউতাক নথকা, কোনোবা আকৌ থাকিও নথকা বৰ দুখ লগা নহয় নে?

অনাথ আশ্ৰমৰ শিক্ষাগুৰু (বুলিয়েই ক'ব পাৰি) কম কষ্ট নকৰেনে এটা শিশুক ডাঙৰ-দীঘল কৰিবলৈ আচাৰ ব্যৱহাৰৰ পৰা আৰম্ভ কৰি জ্ঞানলৈকে শিকাবলৈ।

মোৰ মনৰ সামান্য অনুভৱ দাঙি ধৰিলোঁ। শেষত প্ৰতিখন অনাথ আশ্ৰমৰ শিশুসকললৈ মোৰ হিয়াভৰা মৰম থাকিল আৰু শিক্ষাগুৰু সকললৈকে অশেষ কৃতজ্ঞতা যাচিলোঁ।

# লকডাউন এবং প্রকৃতি

**বিশ্বজিৎ মণ্ডল**

অন্যান্য বছরের মতো ২০২০ সন পড়লো। কিন্তু এই কেমন নববর্ষ। নববর্ষ পড়ার সাথে সাথে মানুষের নতুন আশা, আনন্দ, জাগে। কিন্তু ২০২০ সনে তেমনটা নেই এই নববর্ষ সবার মধ্যে ভয় এবং আতঙ্কের সৃষ্টি করে।

চিনের উহান প্রদেশ থেকে করোনা ভাইরাস সৃষ্টি হয়ে সমগ্র বিশ্বে এই ভাইরাস ছড়িয়ে পড়ে এবং পৃথিবীকে নিজের গ্রাসে করে নেয়। এই মহামারির সাথে যুদ্ধ করার জন্য বিশ্বের প্রতিটি দেশের প্রধানরা তাদের নিজের দেশকে সুরক্ষা এবং মহামারি জনসমাজে পৌছাতে নাপারে তারজন্য লকডাউন ঘোষণা করা হয়।

লকডাউন ঘোষণা করার সাথে সাথে সকল কর্মসংস্থান, উদ্যোগ, কলকারখানা বন্ধ হয়ে যায়। বন্ধ হয়ে যাওয়ার ফলে বহু লোক কর্মহীন হয়ে পড়ে। তার সাথে মানুষের খাদ্যের অনটন দেখা দেয়।

করোনা ভাইরাসের সাথে যুদ্ধ করে অনেক লোক মৃত্যুর মুখে পতিত হয়। করোনা ভাইরাসে পৃথিবীতে মৃত্যুর তাণ্ডব চালালেও কিছুটা ভাল প্রভাব প্রকৃতির উপর দেখা দেয়। তার উদাহরণ স্বরূপ উদ্যোগ প্রতিষ্ঠানে পরিপূর্ণ ভারত বর্ষের দিল্লির মতো স্থানে সর্ব্বদাই প্রদূষণে পরিপূর্ণ ছিল দিল্লি বাসিরা কখনো নির্মল আকাশ দেখতে পায়নি। কিন্তু লকডাউনের ফলে তারা নির্মল আকাশ, পরিস্কার পূর্ণ নদ-নদী তারা দেখতে পায়, লকডাউনের সময় সমগ্র বিশ্বে পরিষ্কার আকাশ, বিশুদ্ধ বায়ু, এক মনোরম দৃশ্য উপভোগ করে যা এই সময়ে দেখা টা অসম্ভব। তার সাথে শব্দ প্রদূষণ অনেক কমে গিয়েছিল।

# কবিতা

"উকা আৱেগেৰে কবিতা নহয়। অধ্যয়ন আৰু অনুশীলনেৰে তাক নিয়ন্ত্ৰণ কৰিব লাগিব। কবিতা হ'ল সাহিত্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু জনপ্ৰিয় বিভাগ।"

— ড° কৰবী ডেকা হাজৰিকা

- তুমি সাহসী হোৱা কিন্তু কাৰোবাক হত্যা কৰি নহয়, তুমি ঘিণ কৰা জনক প্ৰেমেৰে আঁকোৱালী লোৱা। প্ৰেমে কাৰোৰে মাজত বিভাজন নানে বৰং ই আমাক আন সৈতে সাঙোৰেহে।

  — মাদাৰ টেৰেছা


- কোন মানুহৰ জীৱন সৰ্বশ্ৰেষ্ঠ বুলি কোৱা হয়? জ্ঞানীৰ জীৱনেই শ্ৰেষ্ঠ।

  — বুদ্ধদেৱ

- আমি যাক সৃষ্টি কৰিব নোৱাৰো তাক ধ্বংস কৰাৰ অধিকাৰো আমাৰ নাই।

  — গুৰু নানক

# কবিতা



## হেঁপাহ

জীমণি স্বৰ্গীয়াৰী

আজি যদি আকাশ চোৱাৰ হেঁপাহ
তেন্তে কালি তোমাক পোৱাৰ হেঁপাহ

তোমাৰ লগত আহিনৰ আবেলি
যেন এটি মিঠা গধূলি
প্ৰেমেৰে জীপাল কৰাৰ হেঁপাহ

আশাৰ পঁজাত হেনো নিৰাশা থাকে
আৰু সুখৰ দলিচাত দুখ
তুমিতো মোৰ নিচেই আপোন
অনুভৱী হিয়াৰ প্ৰত্যাশাৰ দাপোন
সেয়ে আশাৰ সমাধিত নকৰোঁ বিননি
তুমি যে মোৰ প্ৰতিটো ক্ষণৰ হেঁপাহৰ আলহি।



## অসম্পূৰ্ণ কবিতা


বিপুল পাটৰ
কাৰ্য্যালয় সহায়ক

মধ্য ৰাতিৰ নৈঃ শব্দৰে মুখ ঢাকিলেই মই বুজি পাওঁ
এই দুৰ্ঘোৰ এন্ধাৰৰ একো একোটা আধালিখা দীঘল কবিতা
যিবোৰে কেবাশ মাইল অতিক্ৰম কৰিও অমৰত্ব নেপায়,
এতিয়াও ধুলিময় পূৰ্ণিমাৰ জোনাক দেখি
সৰু সৰু ঢৌ উঠা কপিলীৰ সাধু।
শব্দ হৈ আঁচোৰ পেলোৱা নাই কবিতাৰ কপালত
বহু যুগ ধৰি বসন্তৰ প্ৰেমিকা হৈয়ো বোলেৰে
নোৱাৰিলে বোলাব মোহনীয় মুখ
পগলা পছোৱাই উৰুৱাই নিনিলে আঁচল
আচলতে এতিয়ালৈকে এটাও কবিতা লিখিব নোৱাৰাৰ
দুখ বুকুত বান্ধি ফুৰা মই
প্ৰতিটো অসমাপ্ত স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ সলনি হয়
অসংলগ্ন সঙ্কেত ধ্বনিলৈ।

# সন্ত্ৰাস

**অচিন্ত্য কুমাৰ কেওঁট**
সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ

স্মৃতিৰ কোঠালী জুমি চালো
জুয়ে পোৰা তিৰাশীৰ দিনবোৰ
স্মৃতিৰ মণিকোঠাত বন্দী।
এতিয়া ধূলি ধুসৰিত ....অস্পষ্ট
ফুঃ মাৰি হাত বুলাইছো
তেজৰ কৰাল এতিয়াও স্পষ্ট
তিৰাশীৰ অসম আন্দোলন
স্মৃতিৰ মণিকোঠাত আৱদ্ধ
এক বিভৎস ফটো
নিশা ৰক্ত পিপাসু স্বাপদৰ দৰেই
আগবাঢ়ে...
স্বয়ংক্ৰিয় মাৰণাস্ত্ৰৰে সু-সজ্জিত হৈ
পুলিচ, মেলেটেৰী, চি. আৰ. পি.
চুবুৰীয়ে চুবুৰীয়ে সন্ত্ৰাস।
সন্ত্ৰাস দমনৰ অৰ্থে সন্ত্ৰাস।
পকীঘৰৰ মজিয়াত বাঢ়ি থোৱা ভাত
চি. আৰ. পি.ৰ জোতাৰ আগত ছিটিকে
পাছদিনা মজিয়া মছি কাছি শুচি হয়।
চকুপানীৰে সিক্ত কেঁচা মজিয়াত
বুটজোতাৰ সাঁচ বৈ যায়
পোনাকণে সোধে...
দ্ৰৌপদীৰ বস্ত্ৰহৰণো এনেদৰেই হৈছিল
নেকি আই???



# নদীখনৰ সপক্ষে

**ৰঞ্জুগগৈ চুতীয়া**
সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ

আমি কাহানিও মূৰ তুলি চোৱা নাই
সেইখন নদীলৈ
যাক সূৰ্যটোৱে দিয়া নাই
আজিলৈকে অকণমান উত্তাপ,
যাৰ ওপৰত নাই
এখন নক্ষত্ৰখচিত আকাশ।

সেইবাবে জাৰে জহে
নদীখন ইমান কঙাল
বুকু উদং কৰি মুখ গুজি
পৰি থাকে বালিচৰত
কোনেও নোসোধে তাৰ
কিহৰ আকাল
কোনেও নুবুজে কিমান অপূৰ্ণ তাৰ প্ৰেমৰ ভঁড়াল
আমি আটায়ে এদিন
প্ৰতিবাদ কৰিম সূৰ্যটোৰ বিৰুদ্ধে
কিয় বঞ্চিত হ'ল নদীখন উত্তাপৰ পৰা
প্ৰতিবাদ কৰিম আকাশখনৰ বিৰুদ্ধে
তাক কিয় দিয়া নহ'ল
এখন নক্ষত্ৰখচিত আকাশ।

# মই যান্ত্রিকতা

চাব্রিন আহমেদ

মই যান্ত্রিকতা
মই নিশব্দক হৰুৱাই ব্যস্ততাৰ নগৰ গঢ়োঁ।
মোৰ পৃথিৱীত সকলো নিষ্ঠুৰ,
সমবেদনা কৃতজ্ঞতাক হেয় জ্ঞান কৰোঁ।
কৃত্রিমতা মোৰ প্রিয়
সময়কো প্রত্যাহ্বান কৰোঁ মই
মোকলৈ সকলো আত্মহাৰা
মই যান্ত্রিকতা

# বৰষুণ

মনিষা ডেকা

তুমি ক'ত আছিলা?
খৰাঙৰ ধূলিয়ে যেতিয়া কুঁৱলী কৰিছিল
গছ-গছনিয়ে নিজৰ ৰূপ হেৰুৱাইছিল,
তেতিয়া তুমি ক'ত আছিলা?
লঠঙা গছজোপা দেখি
নাইবা কৃষকৰ চকুলোঁ দেখি
ঘাঁহনিৰ মৃত্যু আৰ্তনাদ শুনিও
নাহিলা কিয় তুমি
বঙ্গোপসাগৰৰ বৰদৈচিলাজনী?

ধন্যবাদ তুমি
লগত আনিলা বৰ্ষা বাইক
লঠঙা গছজোপাত কুঁহিপাত হ'ল
ঘাঁহনি সেউজীয়া হ'ল
ধন্যবাদ তোমাক।
অনুৰোধ জনাওঁ
সদায় থাকা ইয়াত তুমি।।



# প্রশ্ন


হিলটন কুমাৰ বৰা

অনুৰাগৰ সম্ভোগে জন্ম দিয়া
জীৱনটোৱে আজি বহু উৎকণ্ঠাত
প্রশ্ন কৰে,
অসীমৰ সীমনা ক'ত?
কোনে স্রজিলে সুখ দুখ,
ঐশ্বৰ্য্য-বিভূতি আৰু মায়া মোহ?
ৰহস্য কি জীৱন নাটকত
ঢালি জীৱনক পৰিস্ফুট কৰাৰ?
কিয় বান্ধি থ'লে
সময়ৰ যঁতৰটোৱে তাক?
কোনো অচিন অপৰাধৰ
অভিশাপ নেকি?
কৌতুহলি মনক নিৰাশ কৰা
যঁতৰটোৰ পাকচক্র বাৰু
কিয় কাৰো সমান নহয়?
আজি সি প্রশ্ন কৰে নিজে নিজক
মই কোন?
বলি নেকি কোনো ষড়যন্ত্রৰ
সৃষ্টি কিম্বা সময়ৰ?
আজিও সি নীৰৱে চিঞৰে
মুক্ত হোৱাৰ আশাত।

# শিক্ষা

কবিতা পাটৰ

শিক্ষা আমাৰ অমূল্য ধন
শিক্ষাৰে গঢ়া জীৱন;
শিক্ষাই আমাক গঢ়ি দিয়ে,
নতুন এক মানৱী মন।
সৰুৰে পৰা বিদ্যা যদি
লোৱা তুমি শিকি,
গোটেই জীৱন জ্ঞান হ'ব
তোমাৰ সাৰথি;
প্ৰকৃত মানুহ হ'বলৈ
শিক্ষা অৰ্জন কৰা,
শিক্ষাতেই আছে আমাৰ
সকলো সম্পদ ভৰা।
অন্ধ জীৱন হৈছে তাৰ
শিক্ষা-দীক্ষা নাই যাৰ;
চকু থাকিও অন্ধ সি
নেদেখে কোনো পাৰ।



# অনুভূতি

ৰেখা দেৱী

কলি যুগত যেন অন্ধকাৰ নামিছে
মানুহ জাতিটো নামমাত্ৰহে জীৱশ্ৰেষ্ঠ যেন লাগিছে,
যিহেতু চাৰিওফালে আকালে দেখা দিছে
এনে লাগিছে মানুহে যেন মানুহৰ শত্ৰু হৈ পৰিছে,
সকলোৱে কেৱল নিজৰ কথাহে ভাবিছে
এনে এক বিপদৰ ক্ষণত মানুহ জাতিটো
যেন বিলুপ্তিৰ দিশত গতি কৰিছে,
নেদেখা জনৰ ওচৰত এইয়া মিনতি কৰিছো
বিপদ বোৰ যেন নাইকিয়া হৈ
আকৌ ভাল দিনবোৰ যাতে ঘূৰি আহে।

# আধৰুৱা

হিমাদ্ৰী ডেকা

এক দীৰ্ঘযাত্ৰাৰ বিনিদ্ৰ নিশা
পুৱাটোৰ আৰম্ভণি হ'ল সেমেকা।
অতীতবোৰ ৰাগ, অনুৰাগ-বিৰাগৰ মাজেৰে চলিত হাঁহি
কান্দোনৰ এক সুবাগ।
সময় যেন ঘূৰি নাহে
হৃদয়ৰ এচুকত ভৰি ৰোৱা হাঁহিবোৰ পৃথিৱীৰ মাজত বিলাই
দিব বৈ গ'ল ... কৰুণ কান্দোনবোৰ বোৱাই দিয়া নহ'ল
কিছুমান সপোন যেন ভাঙি চূৰ্ণ-বিচূৰ্ণ হৈ অতল
মৰুভূমিৰ ধূলিৰ লগত মিহলি হ'ল।
হৃদয়ৰ গভীৰতাত থকাজনৰ আজি
হৃদয়তেই অকাল মৃত্যু ঘটিল।
সেমেকা পুৱাটোৰ অৰ্ধফুলা ফুলৰ কলি মৰহি গৈছে...
বিষন্নতাত ভূগিছে ৰিণিকি ৰিণিকি অহা দূৰৈৰ সপ্তসুৰৰ বাঁহী।
দিনবোৰ যেন অৱসাদেৰে ভৰি পৰিল... নিছিদ্ৰ হৃদয়
ভাগৰৰ গৰাহত সোমাই পৰিল।
আধৰুৱা দোষৰ ভাৰ কবিতাৰ মাজত বৈ গৈছে... কিন্তু
কবিতাও আধৰুৱা, আধৰুৱা সকলো।
উশাহ-নিশাহ পাৰ্য্যমানে দ্ৰুতকৰ হ'ব ধৰিছে ... এনেকৈয়ে
এদিন দ্ৰুততৰ উশাহ কৰবাত গৈ স্তব্ধ হ'ব ... তেতিয়াও
সকলো আধৰুৱা হৈয়ে ৰ'ব।

# জীৱনৰ পথৰ সন্ধান


## ৰুবেদিনা আখতাৰা

প্ৰভাতি সূৰুযে যেতিয়া ভূমুকি মাৰে
যাত্ৰা কৰো জীৱনৰ পথে পথে,
এবুকু আশা আৰু অন্তহীন এবুকু
বাসনাৰে।

মাজবাটতে হওঁ পথভ্ৰষ্ট পথচাৰী,
নোলায় কোনো পথ-প্ৰদৰ্শক
নাপাওঁ কোনো উৎসাহ,
সময়বোৰো পাৰ হৈ যায়
বৰলুইতৰ জলধাৰাৰ দৰে
নিৰৱচ্ছিন্নভাৱে।

ছন্দময় গতিৰে কপাহৰ জলাযেন
ডাৱৰবোৰে ঢাকি পেলায় নীলা আকাশ।

তথাপিও অকলে
সময়ৰ সোঁতত উটি ভাঁহি
বিচাৰো জীৱন পথৰে সন্ধান।






# জীৱন

## হিমাদ্ৰী ডেকা

জীৱন, জীৱন এক অদৃশ্য যাত্ৰা
প্ৰতিটো হৃদয়ে চেকোৰা অন্ধকাৰ নিশাৰ ৰঙিন পুৰা
যেন সপোনৰ কলিবোৰ ফুলিবলৈ ব্যাকুল হৈ উঠা।
কাৰোবাৰ ওঠত হাঁহিৰ চানেকি...
কাৰোবাৰ চকুত আকৌ
গভীৰ সাগৰৰ বোজা।
বুকুত আত্মজাহ যোৱা হেঁপাহৰ অগণন সপোনৰ মালা,
প্ৰতিটো সূৰ্য্য উঠাৰ পৰা নমালৈ মুখৰ ৰামধেনুৰ
সাতোটা ৰং আজি ক'লা।
সকলো আজি ব্যস্ত ... কোনোবা জিকিছে
কোনোবা ভাগৰি পৰিছে।
সময়ে শিকনি দিছে ... বুজনি দিছে ...দিছে দৃঢ়তাৰ বাট
বন্ধ কোঠাৰ ক'ত যে গাথা, অপ্ৰকাশ্য কথা।
দিনবোৰ বাগৰিছে লগতে স্মৃতিৰ ভড়াল গঢ়িছে।
জীৱন যুদ্ধত বাৰে বাৰে কাঁইট বিন্ধিলেও
... ... ...
জীৱন তুমি সুন্দৰ ...।

# মৃত্যু এক শিল্প

অবিনাশ দত্ত



তোমাক যিদিনা শিল্প বুলি আকোঁৱালি ল'ম
সেইদিনা নিঃশব্দে তোমাৰ কোলাত ঢলি পৰিম
ফেঁচাজনীয়েও কান্দিবলৈ এৰিব
নিজম পৰিব তেওঁৰ বাবে আস্ফালিত
মোৰ ৰঙা হৃদয়,
কোনোৱে দায় ধৰিব ঈশ্বৰক
কোনোৱে আকৌ নিয়তিক
কিন্তু মই
ভীষণ সুখী হ'ম তোমাক লগ পাই
প্ৰশান্ত হ'ব মোৰ অশান্ত চেতনা,
কোনোৱে দিব বকুলৰ মালা
কপালত বগা চন্দনৰ ফোট
সমাজে আওঁৰাব
'ব্ৰহ্মা আদি কৰি' প্ৰাৰ্থনা
কোনোৱে উচুপিব
আঁতৰি যোৱাৰ অভিমান কৰিব
কিন্তু মই
নিঃশব্দ, নিস্তেজ, উত্তাপহীন হৈ
এখন বগা দলিচাৰ মাজত শুই থাকিম,
বাগিচাৰ ফুলবোৰো আজি অহঙ্কাৰী
সিহঁতে মোৰ স'তে যাব দিগন্তলৈ
অকলশৰীয়া হ'ব
তেওঁক কল্পনাৰ মাজত ৰাখি
কবিতা লিখা মোৰ মেজখন
ধুলিৰে আৱৰিব
তেওঁক স্মৃতি কৰি ৰখা
ডায়েৰিখন
সাগৰ আহিব
মোক ৰজনীগন্ধাৰে সাৱটি
সুগন্ধময় কৰিব বতাহ,
তেওঁ কিন্তু আহিব
কপালত আনৰ নামত জিলিকি থকা
ডগমগ ৰান্ধনি সুৰুজক লৈ
হাতত এপাহি ৰঙা গোলাপ
ৰঙা ৰং তেওঁৰ বৰ প্ৰিয়,
কিন্তু মই.....
সেই দিনা মই ভীষণ অহঙ্কাৰী হ'ম
সকলোৱে খোজ কাঢ়িব
আৰু মই কান্ধত উঠি যাম
ধূপ-ধুনাই আকাশ-বতাহ চঞ্চল কৰিব
আৰু বুঢ়া লুইত হ'ব মোৰ শেষ ঠিকনা।

# ককাইদেউলৈ চিঠি

**প্ৰতিভা খলাৰ**



বসন্তৰ আগমনে গা-মন ৰাই-জাই লগাইছে
কুলি, কেতেকীৰ মাতে বিহুৰ জাননী আনিছে
সৰুভনীয়ে তাঁতশালত বহি খৰকৈ মাকোঁ মাৰিছে ককাই।

গাঁৱৰ সিটো মূৰে তোৰে লগৰবোৰে
খৰকৈ ঢোল বজাইছে
ঢোলৰ চেৱে চেৱে নাচনীহঁতে
খৰকৈ কঁকাল ভাঙিছে
ককাই তই এইবেলি ঘৰলৈ আহিবিনে?
তই আহিবি বুলিয়ে আমাৰ সৰুজনীয়ে
ভমকাফুলীয়া গামোচা বইছে
তই আহিবি বুলি গাঁৱৰে ডালিমিয়ে
সযতনে ৰাখিছে বিহুৱানখন
সঘনাই আমাৰ পদূলিৰে
আহ-জাহ কৰিছে বেচেৰীয়ে।
পদূলীলৈ চাই আয়ে সময় কটাইছে

বেৰত ওলমি থকা ঢোলটো
দেউতাই জাৰি-জোকাৰি থিয় কৰি ৰাখিছে
ককাই! তই আহচোন।
তই আহিলেই কান্ধত ঢোলটো লৈ
গাঁৱৰ সিমূৰলৈ যাম
হেপাঁহ পলুৱাই এপাক বিহু নাচিম
আৰু গাম হেঁপাহৰ গান
তোৰে ঢোলৰ চেৱে চেৱে
ডালিমিয়েও নাচিব।
যাচিব হেঁপাহৰ বিহুৱান
যোৱাবাৰৰ দৰে এইবাৰো তই নিৰাশ নকৰিবি দেই ককাই
কিমান আৰু চিপাহী চাউনীত দিন কটাবি
কিমান আৰু মৃত্যুৰ সৈতে যুঁজি
দেশৰ সেৱা কৰিবি ককাই।
এইবেলি তই ঘৰলৈ আহিবি দেই ককাই
ঘৰলৈ আহিবি
ঘৰলৈ আহি সকলোৰে মুখত
হাঁহি বিৰিঙাবি।
তই আহিবি অ' ককাই
তই নহাকৈ নাথাকিবি দেই।

# আন্ধাৰময় পৃথিৱীত শান্তি বিচাৰি

**ৰেখা দেৱী**

নিষ্ঠুৰ যান্ত্ৰিকতাৰ, এই আন্ধাৰময় পৃথিৱীত
মই বিচাৰো এখনি শান্তি বিৰিখৰ সাৱলীলতা
যাৰ ছায়াত স্পন্দিত হৈ উঠিব মোৰ নিৰ্ভিত হিয়া
আন্ধাৰত মেলি দিওঁ মোৰ দুখনি হাত
এই আশাত
ক'ৰবাত বিচাৰি পাম এখনি সুন্দৰ
পৃথিৱীৰ বাট।"

# মই তুমি নহয়

**মিনাক্ষী মণ্ডল**

হয়তো হ'ব পাৰো মই
অলপ আবেগিক
নাইবা হ'ব পাৰো মই
কঠোৰ পাষণ্ড হৃদয়ৰ।
কিন্তু মই তুমি নহয়।

হয়তো কাৰোবাৰ হৃদয়ত স্থান পাবলৈ
প্ৰচেষ্টা চলাইছো অনায়াস
নাইবা কাৰোবাৰ স্মৃতি পাহৰিবলৈ
কৰিছো হাজাৰ প্ৰয়াস।
কিন্তু মই তুমি নহয়।

হয়তো কাৰোবাৰ সপোন পুৰাবলৈ
কৰিছোঁ হাজাৰ মিছা পণ
নাইবা কাৰোবাৰ সপোন ভাঙিবলৈ
ভগ্ন কৰিছো হাজাৰ মন
কিন্তু বিশ্বাস কৰা মই তুমি নহয়।।

# সৰা পাত

**বৰ্ষাৰাণী বৰা**

মোৰ সপোনবোৰ জীপাল হৈ উঠে
তোমাৰ অনুভৱৰে.....
তোমাৰ সেউজীয়া হৃদয়ত দুৱৰিতো
নিয়ৰ ফুলে....
কাঁচিয়লি ৰ'দৰ ৰেঙনিত তোমাৰ
অনুভৱৰ আলিঙ্গনে এসাগৰ সপোন
ৰছে......
তুমি আছা বাবেই সৰা পাত সৰি
বসন্ত নামে......
অহা বাটে আকৌ উভতিলো
স্মৃতিৰ পাপৰিত শূণ্য সকলো....
পুনৰ সপোনবোৰ বুটলাৰ হেঁপাহ
দুহাতে মোৰ দুটি টোপোলা!!..
এহাতে দায়িত্ব,
এহাতে সপোন,
পুনৰ জী উঠাৰ হেঁপাহ
বাস্তৱ পৃথিৱীখন বৰ জটিল জানা.....
ফাগুনৰ বাউলি পছোৱাতো যে
নূপুৰ বাজে.....
তুমি আছা বাবেই সৰাপাত
সৰি বসন্ত নামে।....

# মোৰ কল্পনা

**মামুন দাস**

আকাশৰ যে বেলিটি
সকলোৱেতো জানে,
পূবত উদয় হয় আৰু
পশ্চিমে মাৰ যায়।
তেনেকৈয়ে আমাৰো
এই জীৱন।
শিশুৰ পৰা বৃদ্ধলৈ
মাথো কেইটিমান ক্ষণ।
আজিৰ এই সুখ
হ'বগৈ পাৰে কালিলৈ দুখ,
হিংসাৰ দুচকুৰে তথাপিও জানোচা কিয়?
নুবুজে চোন সংসাৰৰ মায়া-মোহ।
এতিয়া সময়ৰ আহ্বান,
আহিবও পাৰে বহু প্ৰত্যাহ্বান,
হ'ব লাগিব আমি নিষ্ঠাৱান
সততাক দিব লাগিব সন্মান
হয়তো মৃত্যুৰ পিছতো,
কিজানি পাবগৈ পাৰো বৈকুণ্ঠত স্থান।



# ধন

**পূজা দাস**

ধন কি?
কিয় লাগে ধন?
ক'ৰ পৰা আহে ধন?
ধনৰ অবিহনে পৃথিৱীখন সঁচাই অচল
নেকি?
ধন কি সেইজনক সোধা
যিয়ে পেটৰ ভোক পুৰাবলৈ আনৰ
আগত হাত পাতে।
ধন ক'ৰপৰা আহে সেইজনক সোধা
যিয়ে দুবেলা দুমুঠি খোৱাৰ নিমিত্তে
হাড়ভঙা পৰিশ্ৰম কৰিবলগীয়া হয়।
আজিৰ পৃথিৱীখন সঁচাই ধনৰ অবিহনে
অচল।
আজিৰ পৃথিৱীত অভিয়োজন কৰিবলৈ
তোমাক ধন লাগিবই
আজি তোমাৰ যদি ধন আছে
তুমি সকলো অধিগ্ৰহ কৰিব পাৰিবা।
মৰম, স্নেহ, সন্মান আৰু যি বিচৰা
থাকিলে সকলো পাবা
কিন্তু ধন নাথাকিলে তুমি
আনৰ এযাৰি মাতৰো যোগ্য নোহোৱা
এয়াই হ'ল ধন।

# অভিশপ্ত সন্ধিয়া

মিচ লিজুমণি বৰা

আবেলিলৈকে সকলো ঠিকেই আছিল
পুৱাৰেপৰা অবিৰাম যাত্ৰাৰ অন্তত
পাইছিলগৈ গন্তব্য স্থান
শান্ত-সুস্থ পৰিৱেশ
প্ৰকৃতিৰ সৌন্দৰ্যত তেওঁলোক
হৈ পৰিছিল ম্ৰিয়মান
সুউচ্চ পাহাৰখনৰ পৰা বৈ অহা নিজৰাটিয়ে
কুলু-কুলু শব্দেৰে গাইছিল গান
দুয়োকে দেখি সুউচ্চ পাহাৰখনেও যেন
মিচিকিয়াই হাঁহিছিল
নিজৰাৰ পাৰত বহি দুয়ো
ফটো উঠিছিল গান গাইছিল
প্ৰাণখুলি হাঁহিছিল,
বেলিটিয়েও যেন এটি মিঠা হাঁহি মাৰি
তেওঁলোকক বিদায় দিছিল।
প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰি
তেওঁলোক ঘৰমুৱা হৈছিল।
কিন্তু বিধিৰ লিখন নাযায় খণ্ডন
দৈত্যৰূপী কেইটামান নৰপিশাচে
সিহঁতক আগুৰি ধৰিছিল
আৰু তেওঁলোকক কৰিছিল কিছুমান অদ্ভুদ প্ৰশ্ন
মানৱিক জ্ঞান নথকা পাষণ্ডকেইটাই
সিহঁতক সোপাধৰা সঁজালে
আৰু ৰাইজৰ মাজত বিয়পাই দিলে আতঙ্ক চাৰিওফালে হৈচৈ লাগিছিল।
কেৱল সোপাধৰা, সোপাধৰা আৰু সোপাধৰা
নিৰ্বোধ মানুহবোৰেও সিহঁতৰ কথাকে মানিলে
আৰু কেইটামান মুহূৰ্ততে তেওঁলোক মাটিত বাগৰি পৰিল।
কাতৰ মিনতি কৰিছিল সিহঁতে
আমাক এৰি দিয়া আমি অসমীয়া আমি ...........আমি..........
আমি অসমীয়া অ.....ককাইহঁত অ আমি অসমীয়া।
কিন্তু দানৱৰূপী নৰপিশাচকেইটাই
তেওঁলোকৰ কোনো কথাকে নুশুনিলে
নিৰ্বিচাৰে কেৱল প্ৰহাৰ কৰি গ'ল।
ওঁঠ ফালি তেওঁলোকৰ
তেজৰ নৈ বৈ গ'ল
তথাপিও সেই পিশাচকেইটা শান্ত নহ'ল
কেৱল প্ৰহাৰ আৰু প্ৰহাৰেই কৰি গ'ল।
চিনাকী বিহুগীতৰ এটি কলিও গাই শুনালে
মুখেৰে চেষ্টা কৰিলে গগণা
কিজানিবা পিশাচকেইটাই বুজি পায়
যে সিহঁত আমাৰেই আপোন ভাই।
কিন্তু না কোনো পধ্যেই সিহঁত শান্ত নহ'ল
কেৱল প্ৰহাৰ আৰু প্ৰহাৰ কৰি গ'ল
শেষবাৰলৈ সিহঁতে প্ৰাণৰ ভীক্ষা খুজিলে
আমাক আৰু নামাৰিবা অ' ককাইহঁত
আমি অসমীয়া অ'
কিন্তু সেই পাষণ্ডকেইটাই
সিহঁতক জীয়াই থাকিব নিদিলে অ'।
সিহঁতক... সিহঁতক প্ৰাণে মাৰি পেলালে
সিহঁতৰ নিথৰ দেহকেইটা পৰি গ'ল
দাৰনকেইটাৰ মনোকামনা পূৰ্ণ হ'ল
সেই অভিশপ্ত সন্ধিয়াটিক মনত পেলাই আজিও উচুপি উঠো-
নীল আৰু অভি দাৰ পিতৃ-মাতৃ লগতে অসমবাসী।

# মা



বিভা বৰা

'মা' শব্দটো বৰ মহান
যাৰ অন্ত নাই
যাৰ নিচুকনি গীত শুনিলে
টোপনি যাওঁ
যাৰ সুৰীয়া মাতত
অনুভৱবোৰ সামৰি মোৰ প্ৰাণে
ভোক পিয়াঁহ পাহৰে,
কপালত হাত বুলাই
যিয়ে শিকাই ভালপোৱাৰ আদিপাঠ
সুখে দুখে প্ৰতিটো ক্ষণতে
বেয়াবোৰ আঙুলিয়াই ভালবোৰ আঁকোৱালি
যিয়ে সাহসেৰে সততাৰ পথ দেখুৱায়
সেয়াই হৈছে মমতাৰ
অন্য এক ৰূপ— 'মা'।



# নাৰী

ৰেখা মণি ডেকা

নাৰীক মই ভালপাওঁ
কাৰণ মোৰ আই নাৰী
সংঘৰ্ষৰ মাজত জী উঠা
এজোপা ফুলৰ নাম নাৰী
নিৰবে বৈ যোৱা এখন নদীৰ
নাম নাৰী.......................
নাৰী মানে একুৰা জুই!
এখন ফৰকাল আকাশ!
এখন সেউজীয়া অৰণ্য!

# মৃত্যুদূত ক'ৰনা

দীক্ষাশ্ৰী ডেকা

যাত্ৰাৰ শেষ ক'ত?
এই দুঃ স্বপ্নৰ...
কাহানিও দেখা নাছিল,
আই বসুমতী
সকলো ফালেই কেৱল
মৃত্যুৰ কিৰিলি।
পলকতে যেন উৰি যাব,
জীয়াই থকাৰ সকলো আশা।
জীৱন্ত মানৱক কৰিলা মৃত
তুমি বসুমতীৰ মহা সন্ত্ৰাস,
নিষ্ঠুৰ নিয়তিৰ মৃত্যুদূত
তুমিয়েই ক'ৰনা ভাইৰাছ।
চীনত ল'লা জন্ম তুমি
গোটেই বিশ্বকেই কৰিলা হানি।
সাত-সাগৰ তেৰ নদী পাৰ হৈ।
কৰিলা সংহাৰ নিষ্ঠুৰ সৈনিক হৈ।

# বন্ধুত্ব

মুনমী তামুলী

বন্ধুত্ব এক মধুৰ সম্পৰ্ক
য'ত নাই কোনো ভেদ-ভাৱ।
বন্ধুত্বৰ মাজত থাকে কেৱল
মৰম-চেনেহ, ভালপোৱা।
বন্ধুত্ব আমাৰ জীৱনত অতি প্ৰয়োজনীয়
বন্ধুত্ব অবিহনে আমাৰ জীৱন আধৰুৱা।
আমি ইজনে সিজনক সহায় কৰা
কেতিয়াবা খং কৰা, অভিমান কৰা
এইবোৰটো ইয়াৰ অঙ্গ মাথোন।
বন্ধুত্ব এক কি আমেজ।
ইজনে সিজৰ মনৰ কথাবোৰ বুজি পোৱা।
এই সম্পৰ্কত থাকে অপাৰ বিশ্বাস
বন্ধুত্বই কাৰোবাৰ মুখত হাঁহি বিৰিঙাবও পাৰে,
নতুনত্বও আনিব পাৰে।
সেয়ে কওঁ, বন্ধুত্ব আমাৰ জীৱনত খুবেই প্ৰয়োজনীয়।



# বনজুই

মুনমী তামুলী

দাও দাওকৈ জ্বলি উঠা একুৰা জুই
অসহায় হৈ পৰে য'ত গছ বন লতিকা
এফালৰপৰা পুৰি চাৰখাৰ হৈ যায় সকলো
চকুৰে মনিব পৰালৈকে কেৱল
ধোঁৱা আৰু ধোঁৱা
ধোঁৱাৰ মাজেৰে ওলাই আহে
দানৱৰূপী দাবানল
চাওঁতাৰ বুকু কপি উঠে
হায়! হায়! কি যে অসহায়
বনৰীয়া জীৱ জন্তুবোৰে
নিজ বাসস্থান হেৰুৱায়
হিয়া ঢাকুৰি কান্দে বনৰীয়া চৰাইজাকে
শ শ জীৱৰ জীৱন্তে ধাতু যায়
সিহঁতৰ কাতৰ মিনতি যেন
দানৱৰূপী জুইকুৰাই নুশুনে
এফালৰপৰা সকলো ধ্বংস কৰি যায়
মাতৃহাৰা বান্দৰ পোৱালি এটাৰ কান্দোনে
প্ৰত্যক্ষকাৰীক অশ্ৰুসিক্ত কৰি তুলে
তেনেকুৱা বা কিমানৰ হৈছে
পিতৃ-মাতৃ বা লগৰবোৰক হেৰুৱাই
কিমান জীৱই বা অসহায় হৈ ফুৰিছে
ভাৱিলেই বুকু কঁপি উঠে।
বিনাদায়ী গছ-লতিকাবোৰে
মৃত্যুক সাৱটি লয়,
জহি-খহি যায় সিহঁতৰ দেহ
পলকতে চাই হৈ যায় সকলোবোৰ
চাওঁতাই চায়েই ৰয়
সকলো নিৰূপায়
নিষ্ঠুৰতাৰ আন এক নাম বনজুই।

# দেউতা

**ৰূপজ্যোতি কোঁৱৰ**

ঘৰটো খালী খালী লাগিছে
এতিয়া যেন আমাৰ সংসাৰ খনো
আধৰুৱা হৈ পৰিছে।।

অ' দেউতা সঁচাই অ' ঃ
তুমিহীন আমাৰ সংসাৰখন
সঁচাই আধৰুৱা অ'!
ল'ৰালিতে আৱেগত কান্দোতে
তুমি চকলেট আনি দিয়া মুহূৰ্তটোৱে
আজিও বৰকৈ আমনি কৰে অ' দেউতা!

সংসাৰখন বৰ উৰুঙা লগা হ'ল
তুমি আমাক এৰি বহু দূৰলৈ গ'লা ন?
দূৰৈৰ সেই আকাশৰ তৰা হৈ
চাই আছা ছাগে আমালৈ?
সৰুতে শুনিছিলোঁ,
ভগৱান হেনো আকাশত থাকে।
এতিয়া তুমি লগ পালে সুধিবাচোন তেওঁক
কিয় তোমাক আমাৰ মাজৰ পৰা
আঁতৰাই লৈ গ'ল?
দেউতা, তুমিহীন আমাৰ সংসাৰ খন
সঁচাই বৰ আধৰুৱা অ'
আধৰুৱা বৰ...
তোমাৰ নামৰ ৰঙা সেন্দূৰ লোৱা
মাৰ সেওতাও আজি আধৰুৱা
তুমি দেখা পাই আছা নে দেউতা??
তুমিহীন ভাৱে চলিব লোৱা
আমাৰ সংসাৰখন ই আধৰুৱা
চিৰকাললৈ।

# শিক্ষাই জীৱন

**কচিৰণ নেছা**

কিতাপ পঢ়া বহিত লিখা
মনত তোমাৰ থাকিব,
সাধু পঢ়া গল্প কোৱা
মনৰ ভাৱ প্ৰকাশ পাব।
কিতাপে জীৱন কি শিক্ষাৰ মৰম
কিতাপ হ'ব তোমাৰ নয়ন।
ছাত্ৰ জীৱনৰ শিক্ষা হ'ব তোমাৰ লগৰীয়া
যদি নকৰা এই সময়ৰ অৱহেলা
কিতাপ পঢ়া মনত ৰাখা
জীৱনৰ সোঁত বোৱাই নিয়া।।



# জীৱন

**প্ৰিয়ুৰাজ বৰদলৈ**

জীৱনত বেদনা
পেটৰ তাড়না
হৃদয়ত শূন্যতা
তথাপিও যেন জীয়াই
থকাৰ আশা।
সময়ৰ গতিত
জীৱনৰ বাট সলনি
উচ্চ আকাংক্ষা
দুদিনৰ এই জীৱন
মিছা মৰীচিকা।
আকুলতাৰে ভৰা জীৱন
আহে মাথোঁ এবাৰ
সুখ-দুখ বেদনাত
আশা বাঢ়ে আশা ভাঙে
জীৱনটো হৈ ৰয় নিষ্ঠুৰতা।



# কিনো হ'ব আজি বিলৈ

**ভৈৰৱী দলৈ**

গছ এজোপা ৰুলো
সাৰ-পানী গুৰিতে দিলো
সাজ লাগি উঠিল
ফলে-ফুলে হ'ল জাতিষ্কাৰ
কোনেনো পাব পুৰস্কাৰ
দুখে ভাগৰে ল'লো জিৰণি
ওপৰত শুনিলো পক্ষীৰ বিননি
ওপৰৰ ফালে চালো তাত
মলত্যাগ কৰিলে গাত
কিনো হ'ব আজি বিলৈ
উভতি আহিলো ঘৰলৈ।

# অভিনৱ

**বিস্মৃতা বৈশ্য**

ই যেন
হেঁপাহৰ মিঠা সপোন
ঠাণ্ডাৰ মলয়াত ভাঁহি অহা
এটা হেমন্ত।
তুলিকাৰ ফুলনিত
ফুটি উঠা বিচিত্ৰ চুই চাম যেন
দিগন্ত।
পুলক প্ৰফুল্ল মদাৰে
প্ৰেমিকাৰ ওঁঠৰ মদাৰ গছত বহি
কুলি হালে গীত জোৰে আকৌ
আহ হৈ বসন্ত।

# দেউতা

দীপশিখা বৰদলৈ

‘দেউতা’ মানে
এক বৃহৎ শক্তিৰ কেন্দ্ৰ
এক উৎসাহৰ প্ৰতীক
এটা ত্যাগৰ প্ৰতীক
এটি অমূল্য ৰত্ন।
দেউতা অবিহনে এটা জীৱন
সেইজনক সোধা
যিয়ে সৰুতেই দেউতাক হেৰুৱাইছে
দেউতাৰ গুৰুত্ব সেইজনক সোধা
যাৰ দেউতা অকালতে দুৰাৰোগ্যত ভূগিছে।
দেউতা এটা ইন্ধন
এটা শক্তিৰ উৎস
যাৰ অবিহনে ঘৰ এখন
হৈ ৰয় অসম্পূৰ্ণ।
দেউতাৰ পৰাই আমি সপোন দেখোঁ
দেউতাৰ পৰাই আমি নীতি-শিকোঁ
আৰু শিকোঁ আচাৰ-ব্যৱহাৰ
দেউতাই আমাক বাট দেখুৱায়
দেউতাই আমাক মাত শিকায়
আৰু শিকাই মূল্য জীৱনৰ।



# এটি শীতল নিশাৰ অনুভৱ......

বনস্মিতা শইকীয়া

সেইদিনা আছিল পূৰ্ণিমাৰ ৰাতি
দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহি
দেখিলো,
স্নিগ্ধ জোনৰ পোহৰত যেন প্ৰকৃতিৰ
সকলোৰে নিজৰ ৰেহ-ৰূপত ব্যস্ত....
এছাটি মলয়াই মোৰ দেহ চুই গ'ল
সেই মলয়াৰ বা লাগি পদূলিমুখত থকা
শেৱালি জোপাইও তাইৰ গোন্ধ
সকলোতে বিয়পাই দিলে,
আকাশলৈ চাই দেখিলো
তৰাবোৰ যেন এখন উকা চাদৰত
ফুল বাচিছে,
তেনেতে পুনৰ মলয়াৰ শীতল পৰশ
অনুভৱ কৰালে ...
বাহিৰৰ সেই জোনৰ পোহৰও নিজান নিস্তব্ধৰ
পৰা ঘূৰি দুৱাৰখন জপাই দিলো।
আৰু
বাহিৰৰ সেই ক্ষণ এক
সপোন যেন হৈ পৰিল।

# সীতাজখলা

**দীপক ৰাজভৰ**

আম্‌লিঘাটৰ দুখোজ দক্ষিণে
এক ঐতিহাসিক ঠাই
যাক সীতাজখলা নামেৰে জনা যায়
এডোখৰ ইতিহাস বৰ্ণোৱা শিলাময়
সীতাজখলা পাহাৰৰ সংলগ্নতাৰে
আছে জীয়াই
সেই পাহাৰৰ কাষেৰে বৈ গৈছে
কিলিং নৈ
তাৰ ওচৰতে আছে
ত্ৰেতা যুগৰ স্মৃতি বৈ
সৃষ্টি কৰ্ম ৰামায়ণী যুগৰ
ইতিহাস আৱিষ্কাৰ কাহানিবাইৰ
কিংবদন্তীয়ে কয়
ত্ৰেতা যুগৰ সীতাজখলা স্থান।

মহৰ্ষি বাল্মিকীৰ আশ্ৰম
সীতাৰেই বাসস্থান
নিসঙ্গ বনবাসী জীৱনৰ
পৱিত্ৰ ধাম
হ'ব পাৰে
ইয়াতেই লৱ-কুশৰ জন্মস্থান
ভগৱন্ত ৰামৰ পত্নী সীতা
ৰামৰ দ্বাৰা এদিন পৰিত্যক্তা
লক্ষ্মণে এৰি যায় সীতাদেৱীক
বাল্মিকীৰ আশ্ৰমৰ ওচৰত
সীতাই বনবাসী ব্ৰত লয়
সীতাজখলা স্থানতেই বৈ
নিৰাশ, নিঃসঙ্গী হৈ
মনত দুখ-বেজাৰ সহি
সীতা আছিল জীয়াই
নৈ-নিজৰা, গছ-লতা
আৰু পাহাৰৰ সঙ্গী হৈ।
বনবাসী সীতাৰ
নাই আশ্ৰয়ৰ আৱাস
বাল্মিকীৰ হৃদয়ত
মানৱতাৰ বিকাশ
সীতাৰ আশ্ৰয়ৰ ব্যৱস্থা লৈ
বাল্মিকীয়ে সীতাক পুত্ৰীৰূপে
আকোঁৱালি লয়
সগৰ্ভা সীতাৰ বাবে
নদীৰ পথ সুগমৰ অৰ্থে
এচলীয়া শিলাখণ্ডত খোদিত কৰাই
বাল্মিকীয়ে শিলৰ ওপৰেদি
ভৈয়ামৰ নদীলৈ
সুন্দৰ খটখটী গঢ়ায়।

যুগ-যুগান্তৰৰ ধাৰাবাহিকতাত
বুজা গ'ল এদিন
ই আই সীতাৰ নিদৰ্শন
সেয়াই আই সীতাৰ খটখটী
অথবা সীতাৰ জখলা
সীতাজখলা, সীতাজখলা
এই স্থানেই জনাজাত সীতাজখলা।
হৃদয় পৰশা সীতাজখলা স্থান
যাৰ নামেৰে শ্ৰুতিমধুৰ
স্থানীয় শিক্ষানুষ্ঠান
এখনি দুগ্ধ প্ৰতিষ্ঠান
'সীতাজখলা' শুভ নামেৰে নামকৰণ
শিক্ষানুষ্ঠান, সীতাজখলা নিম্ন প্ৰাথমিক বিদ্যালয়,
সীতাজখলা উচ্চ মাধ্যমিক বিদ্যালয়।
দুগ্ধ প্ৰতিষ্ঠান, সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতি।
চিৰ যুগমীয়া হৈ ৰওক
সীতা আইৰ শিলৰ খটখটী
চিৰ যুগমীয়া হৈ ৰওক
আই সীতাৰ স্মৃতি।

# সাজু হ, ডেকা

**নয়ন মণি নাথ**



বহুদিনৰ মূৰত আজি যেন বতাহ বলিছে
সমুদ্ৰৰ চেঁচা বতাহ-জাকে কঢ়িয়াই আনিছে
নিজ সন্তানৰ কেঁচা মঙহ।

সুদূৰত আকৌ কোনোৱে অঙ্কিত কৰিছে,
চিয়াঁহী তাৰ মাথোঁ এফোঁট তেজ,
আকৌ উতলিছে নেদেখা তপত তেজ
অঙ্কিত হৈছে ৰক্তৰে সেমেকা ৰুধিৰাক্ত।

তমো ৰাশিত যেন আজিয়ে জিলিকিছে ৰক্ত পত্ৰ।
অৱসন্ন মনে আজি দেখিছে দেশ প্ৰেমৰ স্বপ্ন
তেজেৰে ফাঁকু খেলা তেজৰ সপোন দেখা
তেজেৰে যৌৱন গঢ়াক কৰিম খণ্ড-বিখণ্ড
আকৌ কৰিম যুদ্ধ, আকৌ কৰিম যুদ্ধ!



আচলতে দেশদ্ৰোহীয়ে দেখাই নাই
আমাৰ তপত তেজৰ বীভৎস নগ্নতা
আমাৰে পণ আছিল কৰিম কিম্বা মৰিম
দায়িত্বৰে বান্ধি আকৌ বধিম
সজাগ আকৌ আমাৰ ল'ৰা
দেশ ৰক্ষা আমাৰ নিচা
দেশৰ স্বাৰ্থত হাজাৰ হাজাৰ আমাৰ হিয়া।

অস্ত্ৰৰতো প্ৰয়োজনেই নাই, নিৰস্ত্ৰৰে আমাৰ ডেকা
সাহস আছে যদি সন্মুখলৈ আহ
বজাম আকৌ ৰণ শিঙা,
ফাঁকু খেলা মোৰ বৰ আস্থা
কিন্তু এইবাৰ ৰক্তৰে গঢ়িম মেলা
সাজু হ, ডেকা,
কাশ্মীৰতো আমাৰে হিয়া
দেশ দ্ৰোহীক তাতে বধিম আৰু ৰুধিম
মাতৃৰ বুকুত আকৌ উৰুৱাম বিজয় ধ্বজা
সাজু হ, ডেকা।

# অপেক্ষা

**পৰী বৰদলৈ**

আৰু কিমান দিন;
কিমান ৰাতি,
জ্বলাম আশাৰ চাকি,
পুৰিম কেঁচা কলিজাৰ
ৰঙা তেজ।।
হেৰুৱাম কিমান,
হৃদয়ৰ গান।
ভালপোৱাৰ শেষ বিশ্বাস।
দুচকুত দীপ্ত সূৰুযৰ
তলবল আভা
সূৰুযমুখী স্বপ্নৰ আগবঢ়াব
সাফল্য শিখৰলৈ ধাৱমান
বিচ্ছুৰিত পোহৰৰ বান।।
আজি থানবান আশা
থানবান মন।
নাজানো-নুবুজো
ঘটিল ক'ত ছন্দপতন।
বতাহত কলিজাৰ পোৰা গোন্ধ।
উচুপে বতাহে,
উৰে হুমুনিয়াহ,
নিশাৰ সোপানে সোপানে।
আশাৰে আছো বৈ,
কেতিয়া ফুলিব পদুলি শুৱাই
মোৰ ৰঙা গধূলি গোপাল।।
নাচিব চোতালত ঘনচিৰিকা জাকে।
আইৰ হাঁহিত ফুলিব সোণাৰুৰ
হালধীয়া ফুল।।
মাথোঁ অপেক্ষাৰত মই......

# চিঞঁৰ


**সুস্মিতা বৰা**

'মা' তই কুশলে আছনে?
মই কৈছো 'মা', তোৰ গৰ্ভত থকা কন্যা সন্তানজনী
মোৰ বৰ ভয় লাগিছে অ 'মা'
কাৰণ মই যে এজনী কন্যা,
'মা'-দেউতাই বাৰু মই জন্ম হ'লে মোক
আঁকোৱালি ল'বনে?
দেউতাই মোৰ পৰীজনী বুলি কৈ মোৰ লগত খেলিবনে?
মোক গৰ্ভতে মাৰি নেপেলাবি দে 'মা'।
তোৰ কোলাত কিৰিলি পাৰিবলৈ
তোৰ নিচুকনি গীত শুনি শুনি টোপনি যাবলৈ বৰ হেঁপাহ
অ' মা, ভগৱানে মোক কন্যা কৰিয়ে তোৰ গৰ্ভত দিলে
তাত জানো মোৰ দোষ আছে 'মা'...
কিয় সমাজখনে এটা ল'ৰা বিচাৰে এজনী কন্যা কিয়
নিবিচাৰে।
কিয় সমাজখনে আমাক স্বাধীনভাৱে থাকিবলৈ নিদিয়ে।
এজনী কন্যা এটা ল'ৰাৰ সমতুল্য হ'ব নোৱাৰে নেকি 'মা'....
বৰ ভয় লাগিছে 'মা',.... দেউতাই বাৰু মোক ঘৃণা কৰিব নেকি,
মই জন্ম হ'লে মোক ডাষ্টবিনত পেলাই নিদিবি দেই....,
ডাষ্টবিনৰ কুকুৰ বিলাকলৈ মোৰ বৰ ভয় লাগে অ' 'মা'.....,
সিহঁতে যে মোক চিৰা-চিৰ কৰি ফালিব।
দেউতাক তই বুজাবি দে 'মা'
তোৰ আৰু দেউতাৰ পৰীজনী হৈ মোক সাৰটি ৰাখিবি
মই তোৰ আৰু দেউতাৰ সকলো কথা শুনিম।
একো দামী কাপোৰ নিবিচাৰো 'মা'
চকলেট চিপচ্ খাঁও বুলি আমনিও নকৰো 'মা'
মোক গৰ্ভতে মাৰি নেপেলাবি অ' 'মা'।

# আমাৰ শিক্ষা গুৰু

নিতু বিশ্বাস

শিক্ষা গুৰুৱে আমাক শিক্ষা দি
জীৱন কৰিলে ধন্য
সেয়েহে আমাৰ শিক্ষা গুৰুসকল
সদায়েই দেৱতুল্য।
নকৰো শিক্ষা গুৰুক
কেতিয়াও অপমান
পঢ়া-শুনাত হ'বা সদায়
বহুত সাৱধান
শিক্ষা গুৰুৱে শিক্ষাৱে আমাক
বিশ্বখন দেখুৱাই দিয়ে,
এখোজ-দুখোজকৈ জীৱন বাটত
আমাক আগুৱাই নিয়ে।



# আইৰ অসুখ

ড° লভিতা শৰ্মা,
সহকাৰী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
জাগীৰোড মহাবিদ্যালয়

আইৰ অসুখ!
সমগ্ৰ বিশ্বৰ তৰিৎগতি আজি ৰুদ্ধ!
মাথো সকলো নিমজ্জিত আইৰ
আশু আৰোগ্যৰ সন্ধানত!

বন্ধ কোঠাত আৱদ্ধ,
নিয়ন্ত্ৰিত আৱেগৰ প্ৰচ্ছায়াত
সকলো ব্যস্ত,
জীৱনৰ নতুন উপলব্ধিত!
জীৱশ্ৰেষ্ঠৰ পাৰস্পৰিক
সম্পৰ্কৰ সন্ধানত আলোকিত
নতুন পোহৰ!
নতুন সংজ্ঞা!
আৰু ইতৰ প্ৰাণীবোৰ,
সিহঁতযেন নিজেই হতভম্ব!
দাঁত নিকটাই হাঁহিছে
জীৱশ্ৰেষ্ঠৰ অহংকাৰৰ দৰ্পচূৰ্ণ ৰূপত।
সিহঁতে সমস্বৰে গুণ গুণাইছে
সমস্ত জীৱকুলৰ সমতলৰ গান।

# বন্ধু

ইফ্‌টিনম ৰহমান

বন্ধু তুমি থমকি ন'ৰবা
লাগে হেজাৰ বিপত্তি আহক
কৰণীয়বোৰ কৰি যাবা
নিশ্চয় তাৰ প্ৰতিকাৰ পাবা
বন্ধু তুমি আগুৱাই যোৱা
বন্ধু তুমি লক্ষ্যত উপনীত হ'বলৈ
অশেষ কষ্ট কৰা,
কামৰ ফল নিশ্চয় পাবা
আনৰ সুখত সুখী
আনৰ দুখত দুখী
বিদুৰ বন্ধু প্ৰকৃত বন্ধু তুমি পাহৰি নাযাবা।

# জীৱনৰ গতি

জুবাইৰ আলম

সময়ৰ সোঁতত
সকলো সলনি হয়।
সলনি হয় জীৱনৰ গতি-বিধি
ধন-ধান, মান-যশ
গৌৰৱ আৰু অহংকাৰ
আৰু যে কত কি?
সময়ৰ সোঁতত
প্ৰকৃতিত পৰিৱৰ্তন হয়
জলাশয় এটিও নগৰলৈ ৰূপান্তৰিত হয়
সুউচ্চ পৰ্বত এখনো
মহাসমুদ্ৰত পৰিণত হয়
তেন্তে জীৱনৰ গতি?
আমি সময়ৰ দাস
সময়েহে নিৰূপণ কৰে
আমাৰ জীৱনৰ গতি
আজি তুমি যাক লৈ কৰিছা গৌৰৱ
আজি তুমি যিহক লৈ কৰিছা অহংকাৰ
সকলোৱে এদিন তোমাক হাত এৰা দিব
তোমাৰ গাৰ কাপোৰ খনো খুলি পেলাব
তোমাৰ শৰীৰটো শুৱাই দিব
এখনি কাঠেৰে নিৰ্মিত বিচনাত
জুইৰে কৰিব দাহ
নিঃচিহ্ন কৰি পেলাব তোমাৰ অস্তিত্ব
মাথো তোমাক হেৰুৱাৰ বেদনাত
আত্মীয়জনে উচুপি উঠিব
কিন্তু তোমাৰ গৌৰৱৰ সেই ধন-সোণবোৰ।
অকণো আপোচ নকৰি
আনৰ অধীনলৈ যাব।



# ত্ৰিক্ৰন্দন


দিবাকৰ ডেকা

এটি মানৱ শিশু
উদ্দেশ্যহীন ক্ৰন্দন উপজা কোলাত।
মাতৃৰ চেনেহৰ অমৃত জীৱন
ল'ৰালি চিকুণ যেন মুকুতা সাগৰ
থাকে মাথো উলাহ লহৰ।
সময়ৰ নিহল ছিগে দিনে দিনে
উদ্দীপ্ত হয় জ্ঞান মন
উদ্বিগ্ন হয় হিয়া মন।
মোক দিয়া মোক লাগে
ভৱিষ্যৎ দেশখন চকুতে ভাহে
যৌৱন ক্ৰন্দন ভাবিকালে মাতে।
এটি মানৱ শিশু
ভাটিৰ বেলা এয়া কিহৰ বিননি?
বৃদ্ধাৰ বেদনা আৰু যাতনা।
'সোণালী অতীত ক'তেনো হেৰাল!
উলাহৰ পখিলা ক'তেনো লুকাল?
যৌৱন সোঁৱৰি ল'ৰালি বিচাৰি
বৃদ্ধাৰ শেষ ক্ৰন্দন
জীৱনৰ ত্ৰিক্ৰন্দন।

# কোনে কি কয়

দীপশিখা বৰদলৈ

পৃথিৱীয়ে কয়
মোৰ সমান ধৈৰ্য্যশীল হোৱা
নোহোৱা বিফল।
আকাশে কয়
মোৰ সমান বহল হোৱা
অন্তৰখনি তোমাৰ হ'ব যে নিৰ্মাল।
সাগৰে কয়
মোৰ দৰে হোৱা গভীৰ
পাৰিবা কৰিব জয় এই সংসাৰ।
হিমালয়ে কয়—
মোৰ দৰে হোৱা উচ্চ
বিশ্বই জানিব পৰিচয় তোমাৰ।
বতাহে কয়—
মোৰ দৰে কৰা চলাচল
নকৰা হেলা নিজ কৰ্মৰ।
পানীয়ে কয়—
মোৰ দৰে হোৱা তৰল
অকনো লৰচৰ নহয়, তোমাৰ ধৰ্মৰ
কয় বেলিটিয়ে
সকলোৰে উদ্দেশ্যে
মোৰ দৰে বিলোৱা শক্তি
জোনটিৰ আৰ্দশক
নাযাবা পাহৰি
ৰাখিবা আনত ভক্তি।।



# জীৱনৰ অনুভৱ

ভায়লিনা কলিতা

জীৱন যিটো আমাক
ভগৱানে দিছে উপভোগ
কৰিবলৈ।
এই জীৱনত সুখ, দুখ
যন্ত্ৰণা সকলোবোৰ আছে।
ইয়াৰে সুখৰ সময়খিনিয়ে জীৱনটোৰ
মিঠা আৰু ভাল লগা সময়খিনি উপভোগ কৰায়
দুখৰ সময়খিনিয়ে জীৱনটো কিয় পাইছো,
কেনেদৰে পৰিচালিত কৰিব লাগে আৰু জীৱনৰ উদ্দেশ্যৰ
বিষয়ে শিকায়। দুখৰ সময়খিনি বহু কষ্টকৰ আৰু জটিল,
কিন্তু সেই সময়খিনি সন্মুখীন কৰিব পৰাজনহে প্ৰকৃত
জীৱনটো উপভোগ কৰিব পাৰে।

# যাত্ৰা

জ্যোতিময় মহন্ত

পুৰণিক বিদায় দি
নতুনক আদৰি
আকৌ এক নতুন
যাত্ৰাৰে আগবাঢ়িম।
জীৱনৰ উচ্চশিখৰলৈ
এক ন স্বপ্ন,
ন উদ্যমেৰে
বুকুত অযুত সাহস লৈ
নীলকণ্ঠৰ দৰে বিষপান কৰি
জীৱনৰ বাটৰ যাত্ৰাক জিলিকাম
নতুন দিগন্তৰ চানেকিৰে

# এইখন পৃথিৱীতে



**ওৱাজিম আক্ৰাম**

প্ৰতিটো নতুন পুৱাই
সূচনা কৰে নতুন দিগন্ত
কোনোবাই হাঁহে কোনোবাই কান্দে
নিমিষতে সুখ-দুখৰ উন্মেষণ ঘটে
এইখন পৃথিৱীতে
কোনোবাই বিচনাত পৰি
মৃত্যুৰ স'তে যুঁজে
কোনোবাই আকৌ নামি-দামি হোটেলত বহি
প্ৰেমৰ খেলা পাতে
এইখন পৃথিৱীতে।
কোনোবাই যদি শূন্য ভিক্ষাৰ পাত্ৰলৈ
শুই পৰে ৰাজপথতে
কোনোবাই আকৌ কেইবামহলীয়া অট্টালিকাত বহি
জুৱা-আড্ডা পাতে
এইখন পৃথিৱীতে।
খাদ্যৰ অভাৱত কত শিশুৰ মৃত্যু হয় কোনোৱে আকৌ সেই খাদ্যকে
ডাষ্টবিনত পেলায়।
সত্যবাদী লোকজন যদি
দীন-দৰিদ্ৰ হৈ যায়
মিথ্যাবাদীজনৰ ঘৰলৈ আকৌ
ধনৰ সোঁতহে বয়।
বিজ্ঞান-প্ৰযুক্তিৰ সহায়ত কোনোৱে যদি
মহাকাশলৈ যায়
অন্ধ-বিশ্বাসৰ বলি হৈ কোনোৱে আকৌ
মৰণক সাৱটি লয়।
প্ৰয়োজনতকৈ বেছি ভাল
লগাব যিজনাই
নিমিষতে কৰিব তোমাৰ ক্ষতি
জানিবা সেইজনাই।
ভাল কামত যদি
দহোজনে প্ৰশংসা কৰে
শত জনে তোমাৰ নামত
কলঙ্ক সানিব বিচাৰে।
হাড়ক মাটি কৰা খেতিয়কজনে যদি
ওৰে জীৱন দুখৰ মাজেৰে তৰে
নেতা-পালিনেতাকেইজন আকৌ
বিলাসী বাহনত ঘূৰে।
দেশদ্ৰোহীজনক যদি
বৰপীৰা পাৰি দিয়ে
ৰাইজৰ হকে মাত দিয়াজনক পিছে
জেল-হাজোতলৈকে নিয়ে।
সংসাৰৰ মায়া-মোহত আমি
নিজকে পাহৰো
জন্মদাতা পিতৃ-মাতৃক আকৌ
বৃদ্ধাশ্ৰমত এৰোঁ।
কোনো অট্টালিকাৰ কোঠাত বহি এচামে যদি
দেশ ধ্বংসৰ সপোন ৰচিছে
দেশ মাতৃৰ কাৰণে এচামে আকৌ
নিতে নিতে মৃত্যু বৰিছে।
নিতে নিতে সকলো হৈছে সলনি
আৰু সলনি হ'ব সময়ৰ সোঁতত
জীৱন মৰণৰ খেলাখন নিতে
চলি থাকিব এইখন পৃথিৱীতে।

# গল্প

## মহৎ লোকৰ মহান বাণী

- কথা কম ক'বা, কাম বেছিকৈ কৰিবা, আনক উপদেশ কমকৈ দিবা; সৎ লোকৰ উপদেশ শুনিবা, তোমাৰ মংগল হ'ব।

  — **চক্রেটিছ**

- তুমি সাহসী হোৱা কিন্তু কাৰোবাক হত্যা কৰি নহয়, তুমি ঘিণ কৰা জনক প্ৰেমেৰে আঁকোৱালী লোৱা। প্ৰেমে কাৰোবে মাজত বিভাজন নানে বৰং ই আমাক আন সৈতে সাঙোৰেহে।

  — **মাদাৰ টেৰেছা**

# ৰহস্য

**আকাশ দাস**
বাণিজ্য বিভাগ

মেপাই ফুটপাথ এটাৰ ওপৰতে বহি সন্মুখত থকা ওখ বিল্ডিং টোলৈ চাই কিবা-কিবি ভাবি আছে। তেনেতে লগৰ কেইজনমানে আহি তাইক মাতিছে "ঐ মেপা, তাতে বহি থাকিবি নে, নে আমাৰ লগত যাবি, অলপতে ট্ৰেইনখন আহি ষ্টেচন পাইছেহি। বেছি দেৰি নৰখে, সোনকালে যাওঁ আহা।" নেপাই উচপ খাই উঠি উত্তৰ দিলে, "যা তহঁতেই, মোৰ মনটো ভাল লগা নাই। পিছত যাম দে" বেলেগ এখন আহিলে উত্তৰটো দিয়েই মেপাই দীঘলীয়া হুমুনিয়াহ এটা কাঢ়ে। হাতত থকা মোনাটোৰ পৰা ৰুটি অলপ উলিয়াই খাই লয়। পানী পিয়াঁহ লগাত তাই ষ্টেচনত থকা ৰাজহুৱা টেপটোলৈ গৈ পিয়াঁহ পলুৱাই পানী খাই ল'লে।

এইবাৰ তাই ভাবিলে, ইমানবোৰ মানুহ ট্ৰেইনেৰে ক'লৈ যায় বাৰু সদায় সদায়। আমিবোৰচোন সদায় ইয়াতে থাকোঁ। এদিনমান ট্ৰেইনেৰে ক'ৰবালৈ গৈ পোৰা হ'লে কিমান ভাল লাগিল হয়। এইবোৰ কথা ভাবি থাকোঁতে পিছফালৰ পৰা মিলি নামৰ লগৰজনীয়ে তাইক মাত লগালেহি- "ঐ, কি কৰি আছ তই, সোনকালে আহ, ট্ৰেইন যাবৰে হ'ব এতিয়া, মই এতিয়ালৈ দহ টকা পালোঁৱেই, তোক লাগে যদি আহ, নালাগে যদি বহি থাক।" কথাখিনি কৈয়ে মিলি আঁতৰি যায়। আজি মেপাৰ মনটো ইমান ভাল নহয়। বহুত কিবা কিবি প্ৰশ্নই তাইক কৌতুহলী কৰিছে। কথাবোৰ ভাবি ভাবি তাই ষ্টেচনৰপৰা ওলাই আহি ডাঙৰ কাপোৰৰ দোকান এখনৰ ওচৰত বহি ল'লে। তাই ভাবিলে- "এইবোৰ ইমান ডাঙৰ ডাঙৰ ঘৰ, ইয়াৰ ভিতৰবোৰ ছাগে আৰু ধুনীয়া দেই, এদিনমান সোমাই চাব পৰা হ'লে বহুত মজা লাগিল হয়। আমাৰ ঘৰটোচোন তেনেই সৰু, বেৰবোৰো ত্ৰিপাল, কাপোৰ আদিৰ। মাই বাৰু এনেকুৱা এটা ঘৰ বনাব নোৱাৰেনে। আজি মই মাৰ আগত ক'মগৈ এনেকুৱা এটা ডাঙৰ ঘৰ বনাবলৈ।" এনেতে এখন ধুনীয়া চাৰিচকীয়া গাড়ী আহি তাইৰ ওচৰতে ৰ'লহি। গাড়ীখনৰ দুৱাৰ খুলি দুগৰাকী মধ্যবয়সীয়া ব্যক্তি নামি আহিল। আৰু তেওঁলোকৰ লগত এজনী মেপাৰ সমবয়সীয়া ছোৱালীও গাড়ীৰপৰা নামি আহিল। ছোৱালীজনীয়ে এটা ধুনীয়া ফ্ৰক পিন্ধিছে আৰু মূৰত এপাট ৰঙীণ বেণু মাৰি আছে আৰু ভৰিত এযোৰ সুন্দৰ জোতা। তাইক দেখি মেপাই নিজৰ গালৈ চালে। ধূলি মাকতিৰে মলিয়ন গাটো এবাৰ জোকাৰি ল'লে আৰু ভাবিলে মাক কৈ ময়ো এটা এনেকুৱা চোলা কিনি লম। দেউতাকৰ হাতত ধৰি সৰু ছোৱালীজনী দোকানখনৰ ভিতৰলৈ যাওঁতে কৈ গ'ল 'পাপা, মই আজি জিন্সৰ ওৱাচকোট আৰু এটা টপ ল'ম। মেপাই

এইবাৰ ভাবিলে, "সকলোৰে দেখোন দেউতা আছে, পিছে মোৰ দেউতাকচোন আজিলৈ দেখাই নাই, কালিলৈ ময়ো দেউতাৰ লগত গাড়ীত আহি এইখন দোকানৰপৰাই ধুনীয়া ধুনীয়া কাপোৰ কিনিম।"

এইবোৰ ভাবি ভাবি তাই এখন হোটেলৰ সন্মুখ পালেগৈ। হোটেলৰ পাৰ্কিং প্লেচত ধুনীয়া ধুনীয়া গাড়ীবোৰ শাৰী শাৰীকৈ ৰখাই থোৱা আছে। মেপাই এফালৰপৰা সকলোকে নিৰীক্ষণ কৰিব ধৰিলে। এনেতে হোটেলৰ ভিতৰৰ পৰা এজন মানুহে হাতত কিছুমান খোৱাবস্তু লৈ এখন গাড়ীৰ ওচৰলৈ অহা দেখিলে। গাড়ীৰ খিড়িকীখন খুলি দিয়াত গাড়ীৰ ভিতৰত এটা কুকুৰ দেখিবলৈ পালে। দেখাত অস্বাভাৱিক ধৰণৰ কুকুৰটোক মানুহজনে সেই খোৱা বস্তুবোৰ এটা এটাকৈ খোৱাই যাবলৈ ধৰিলে। খোৱাই হোৱাৰ পিছত ধুনীয়া এখন থালত পানী বাকী দিলে। আৰু পিছত ৰুমাল এখনেৰে মুখখন মচি দি মানুহজন আকৌ হোটেলৰ ভিতৰলৈ গ'ল। এইবাৰ মেপা আৰু বেছি আচৰিত হ'ল। দিনৰ দিনটো তাই ষ্টেচনৰ পৰা আনৰ পৰা পইচা খুজি দোকানৰ ৰুটি দুটা কিনি খাবলৈ পাই। আনহাতে সেই কুকুৰটোৱে গাড়ীৰ ভিতৰত বহি বহিয়েই ইমান ভাল ভাল বস্তু খাবলৈ পায়। এইবাৰ তাই আৰু ৰৈ নাথাকিল। হাতত মোনাটো লৈ তাই দৌৰি দৌৰি মাকৰ ওচৰলৈ গ'ল। মাকক লগ পায়েই মেপাই এফালৰ পৰা সকলো কথা সুধি যাবলৈ ধৰিলে। বিভিন্ন বাচন বৰ্তন ভৰি থকা টেবুলখনলৈ আঙুলিয়াই দি ক'লে— "এতিয়া হোটেলত বহুত ভিৰ লাগিছে অ' মেপা, সোনকালে এই বাচনবোৰ ধুই দিবি, নহ'লে মালিকে বকিব। তই এতিয়া ঘৰলৈ যাগৈ। সন্ধিয়া লৈ তোৰ কাৰণে কিবা কিবি খোৱা বস্তু লৈ যামদে, এতিয়া যাহ....।"

মেপাই নিৰুপাই হৈ সিহঁতৰ জুপুৰিটোলৈ যায়। ইফালে মাকে চাৰি-পাঁচবছৰীয়া ছোৱালীজনীৰ মুখত এইবোৰ কথা শুনি তাকে ভাবি ভাবি কাম কৰি যায়। সন্ধিয়া কেইটামান খোৱা বস্তু লৈ মাকে ঘৰলৈ গৈ দেখে যে ছোৱালীজনী ঘৰত নাই। ইফালে সিফালে চাই দেখে যে মেপাই পুৰণা কিতাপ এখন লৈ ষ্ট্ৰীট লাইনটোৰ তলতে বহি কিতাপখনৰ পাতবোৰ লুটিয়াই আছে। মাকক দেখি তাই কৈ উঠিল— "মা, মই কালিৰপৰা ষ্টেচনত পইচা খুজিবলৈ নাযাওঁ। কালিৰপৰা মই স্কুললৈ যাম দেই। মোক তই এযোৰ ধুনীয়া চোলা-পেণ্ট কিনি দিবি, এযোৰ জোতা আৰু ধুনীয়া বেগ। তই মোক এইখিনি কিনি দিবিনে নাই, ক'চোন....?"

নিৰুপাই মাকজনীয়ে তাইক সাৱটি ধৰি ক'লে— "ভগৱানে আমাৰ কপালত এইখিনি লিখা নাই মেপা।" কথাখিনি কৈয়ে মাকে কান্দি পেলালে। চহৰৰ বেলেগ ল'ৰা-ছোৱালীবোৰ স্কুললৈ যোৱা দেখিহে তাই স্কুললৈ যাব বিচাৰিছে, তাতে নো মাকে কি দুখ পালে তাই একো ধৰিব নোৱাৰিলে। পিছদিনা পোৱা মেপাই নিতৌ কৰাৰ দৰে ষ্টেচনলৈ ওলাই গ'ল। মনত ইমানবোৰ প্ৰশ্ন সাঁচি ৰাখিছে তাই, পিছে উত্তৰ হ'লে এটাও পুৱা নাই। ৰাস্তাৰে মাক-দেউতাৰ সৈতে স্কুললৈ যোৱা ল'ৰা-ছোৱালীবোৰ দেখি তাই আকৌ ভাবিলে "বাকীবোৰৰ মাকহঁতে যে সিহঁতক স্কুললৈ নিয়ে, ধুনীয়া ধুনীয়া কাপোৰ পিন্ধি ফুৰাবলৈ নিয়ে, ধুনীয়া গাড়ীত উঠি গৈ কাপোৰ কিনি দিয়ে, তাইকনো আকৌ তাইৰ মাক-দেউতাকে কিয় নিদিয়ে?" তাই আকৌ ভাবিলে- "নাই নাই....মই স্কুললৈ নাযাওঁদে। মই স্কুললৈ যাম বুলি ক'লে মায়ে কান্দে।"

আবেলিলৈ তাই এখন Children's Park লৈ গ'ল তাত মাক-দেউতাকৰ লগত বহুতো সৰু সৰু ল'ৰা-ছোৱালীয়ে খেলনা বস্তুবোৰেৰে খেলি থকা দেখিলে। সেইবোৰ দেখি তাইৰো খেলিবলৈ মন গ'ল। পিছে Park ত সোমাবলৈ পইচা দিব লাগে। তাই আকৌ ভাবিলে, "মোৰ মায়ে বাৰু মোক ইয়ালৈ খেলিবলৈ কিয় লৈ নাহে, তাই আনৰ হোটেললৈ গৈহে কেৱল কাম কৰে। মোক অকণো মৰম নকৰে।" এইবাৰ তাইৰ মাকৰ প্ৰতি এটা বিদ্বেষ জন্মিল। তাই মনে মনে ভাবিলে বেলেগৰ মায়েই ভাল। সিহঁতক স্কুললৈ নিয়ে, খেলিবলৈ নিয়ে, দামি-দামি চকলেট কিনি দিয়ে, হোটেলত খাবলৈ নিয়ে, আইচক্ৰিম কিনি দিয়ে, মোৰ মায়ে মোক একো নিদিয়ে। মোৰ মা ভাল নহয়। তাই ঘৰলৈ উভতি যাবলৈ থিৰাং কৰিলে। উভতাৰ পথত তাই মনে মনে ভাবি যাব ধৰিলে "দেউতাক লগ পালে মই সকলো কথা কৈ দিম। কিন্তু মইচোন দেউতাৰ কথা সুধিলে মায়ে মনে মনেহে থাকে আৰু কাপোৰেৰে চকুপানী মচিহে থাকে। কিয়বা এনেকুৱা কৰে....?"

এনেকুৱা বিভিন্ন কথাবোৰ ভাবি ভাবি তাই ৰাস্তাটো পাৰ হ'ব লওঁতেই তীব্ৰবেগী বাহন এখনে আহি তাইক মহতীয়াই লৈ যায়। নিমিষতে তাইৰ প্ৰাণবায়ু উৰি যায়। আৰু তাইৰ সেই সকলোবোৰ প্ৰশ্নৰ উত্তৰ ৰহস্য হৈ ৰয়।



# অমানিশাৰ ডাৱৰ


**পিংকুমণি ডেকা**
বাণিজ্য বিভাগ


২০ বছৰ আগৰ গৌৰৱপুৰৰ কথা। মৰমে দিল্লীৰ পৰা উচ্চ শিক্ষা লাভ কৰি গাঁৱৰ ঘৰলৈ আহিছে। মৰম গৌৰৱপুৰৰ গাঁওবুঢ়া ৰাণা গোস্বামীৰ একমাত্ৰ পুত্ৰ। তিনিটাকৈ বছৰ ঘৰৰ পৰা দূৰত থাকি অকলশৰীয়া জীৱনটোৰ পৰা মুক্ত হৈছিল। কিন্তু মৰমে জনা নাছিল আচলতে তাৰ এই মুক্তি লাভ কৰা আনন্দই যে তাৰ জীৱনটোকে কাঢ়ি ল'ব।

গৌৰৱপুৰত সেই সময়ত বহুলোকে বাস কৰিছিল। তাৰে মাজত এটা দৰিদ্ৰ মিৰি পৰিয়ালে বাস কৰিছিল। পৰিয়ালটোক জীৱনৰ অন্ধকাৰে বহু বেয়াকৈ আৱৰি পেলাইছিল। পৰিয়ালটোত (সেই সময়ত) মাক আৰু দুজনী ছোৱালী আছিল, তাৰে ডাঙৰ ছোৱালীজনীৰ নাম 'মৰমী'।

মৰমে তাৰ বাল্যকালৰ বন্ধু এজনক লৈ বজাৰৰ ফালে চাইকেলেৰে গৈ আছিল। সেই

একে পথেৰে মূৰত শাক-পাচলিৰ পাচি এটা লৈ মৰমী বজাৰত শাক-পাচলি বেচিবলৈ গৈ আছিল। এনেতে চাইকেলেৰে মৰমীক খুন্দা মাৰিলে এফালে মৰম আৰু তাৰ বন্ধু আৰু আনফালে মৰমী মাটিত ঢলি পৰিল। মৰমে ভয় খাই লগে লগে মৰমীক হাতত ধৰি মাটিৰ পৰা উঠাই দিলে। মৰমীয়ে মাটিৰপৰা উঠিয়ে কান্দিবলৈ ধৰিলে। সকলোৱে ভাবিলে পৰি দুখ পোৱাৰ বাবে কান্দিছে। কিন্তু মৰমীয়ে যেতিয়া কান্দি কান্দি কৈছিল- "গোটেই শাক পাচলি বেয়া গৈ গ'ল এতিয়া কোনে কিনিব। ঘৰত খাবলৈ একো নাই, ভণ্টি ভোকত কান্দি আছে, এইখিনি বেচি ভাবিছিলো খোৱা বস্তু লৈ যাম ঘৰলৈ, এয়া কি কৰিলা তুমি? মোক মায়ে পিটিব এতিয়া।" তাইৰ কথা শুনি মৰমে

"গোটেই শাক পাচলি বেয়া গৈ গ'ল এতিয়া কোনে কিনিব। ঘৰত খাবলৈ একো নাই, ভণ্টি ভোকত কান্দি আছে, এইখিনি বেচি ভাবিছিলো খোৱা বস্তু লৈ যাম ঘৰলৈ, এয়া কি কৰিলা তুমি? মোক মায়ে পিটিব এতিয়া।"

নিজকে দোষিবলৈ ধৰিলে আৰু তাইৰ ওচৰত ক্ষমা বিচাৰি তাইৰ হাতত খোৱা বস্তু কিনি দি ঘৰলৈ উভতি যাব দিলে। ঘৰত অহাৰ পিছত মৰমৰ মনলৈ মৰমীৰ কথাই বাৰে বাৰে আহিবলৈ ধৰিলে। বাৰে বাৰে তাইৰ মুখখন ভাঁহি আহিবলৈ ধৰিলে। সিফালে মৰমীৰো একে দশা।

পিছদিনা সেই বাটেৰে মৰম আকৌ বজাৰৰ ফালে গৈছিল। গোটেই পথটোত তাৰ চকুকেইটাই যেন মৰমীকে বিচাৰি ফুৰিছিল। কিন্তু মৰমীক ক'তো দেখা নাছিল। অৱশেষত বজাৰত উপস্থিত হৈ চাৰিওফালে চাই, কিছু দূৰত দুটি নয়নে কাৰোবাৰ অপেক্ষাৰে গোটেই বজাৰখন প্ৰত্যক্ষ কৰি থকা মৰমৰ চকুত পৰে। মৰমে বুজিবলৈ বাকী নাথাকিল যে, সেই চকুযোৰে আন কাকো বিচৰা নাই, বিচাৰিছে মাথোঁ মৰমৰ চকুযোৰৰ এপলক চাৱনি। মৰম এখোজ দুখোজ কৈ আগবাঢ়িছে মৰমীৰ কাষলৈ আৰু মৰমীয়ে তাকে দেখি লাজত মৰহি পৰিছে। দুয়ো লাজে লাজে প্ৰথমবাৰৰ বাবে একেলগে থিয় হৈছে, মৌনতাই দুয়োৰে মুখ বান্ধি ৰাখিছে। কাৰো সাহস হোৱা নাই ইজনে সিজনক মাত লগাবলৈ। অৱশেষত মৰমী ঘৰমুৱা হ'ল, মৰমও আহিছে লগত। কিছু দূৰ আহি মৰমে লাজ আৰু ভয়ক কাতি কৰি এষাৰ মাত লগালে-

মৰম- "তোমাৰ নাম কি?" উত্তৰ আহিল "মৰমী"।

মৰম- "কালি বেছিকৈ দুখ পালা নেকি?"

মৰমী- "নাই, তুমি?"

মৰম- "মইও নাই পোৱা।"

এনেদৰেই সিহঁতৰ জীৱনৰ প্ৰথম ভাল পোৱা আৰম্ভ হ'ব ধৰিলে। দুয়ো সদায় একেলগে বজাৰলৈ যাব ধৰিলে, একেলগে সময় কটাবলৈ ধৰিলে। অৱশেষত মৰমৰ ধৈৰ্য্যৰ বান্ধ ছিগি গ'ল। হঠাৎ এদিন মৰমীক তাৰ মনৰ কথা সকলো কৈ দিলে আৰু মৰমীৱেও মৰমক হৃদয়ত স্থান দিলে। এনেকৈয়ে সিহঁতৰ সম্পৰ্ক গঢ়ি উঠিল।

সিহঁতে একেলগে সময়কটোৱা আৰু সিহঁতৰ সম্পৰ্কটোৰ বিষয়ে মৰমৰ দেউতাকক খবৰ দিওঁতা এজনে গম পাইছিল। লগে লগে এই কথা মৰমৰ দেউতাকৰ কাণত পৰিল। দেউতাক খঙত জ্বলি উঠিল।

এনেতে মৰমে মৰমীক লগ কৰি ঘৰলৈ আহিছে। গোটেই ঘৰ নিস্তব্ধ, নিটাল, সকলো গম্ভীৰ। মৰম লাহে লাহে ঘৰত সোমাইছে, এটা গম্ভীৰ মাতেৰে দেউতাকে শুধিলে - "ক'ৰপৰা আহিলি মৰম?"

মৰম— "দেউতা, বজাৰৰ ফালে এনেই অলপ ওলাই গৈছিলো।"

দেউতাক- "এনেই ওলাই গৈছিলি নে মৰমীক লগ ধৰিবলৈ গৈছিলি"?

মৰম হতভম্ব। গাৰ পৰা ঘাম বৈছে, দুচকুৰে পানী বৈ আহিছে। কাৰণ সি জানিছিল সিহঁতৰ সম্পৰ্ক দেউতাকে কেতিয়াও মানি নলয়।

দেউতাকে ক'লে- "অহা সপ্তাহত তোৰ বিয়া, আমাৰ ওচৰৰ গাঁওখনৰ গাঁওবুঢ়াৰ একমাত্ৰ ছোৱালীৰ লগত।" ইয়াকে শুনি মৰমে লগে লগে দেউতাকৰ ভৰিত ধৰি ক'বলৈ ধৰিলে

"দেউতা মই মৰমীৰ অবিহনে জীয়াই থাকিব নোৱাৰো, আমি দুয়োটাই বহুত সপোন দেখিছো দেউতা, অনুগ্ৰহ কৰি আমাৰ এই সপোনবোৰ মৰহি যাবলৈ নিদিবা। মই তাইক এৰি থাকিব নোৱাৰিম দেউতা।"

দেউতাক- "মই কোনো কথাই শুনিব নিবিচাৰো। সেইজনী জাত পাত নিমিলা ভিকহুৰ লগত মই কেতিয়াও তোৰ সম্পৰ্ক হ'বলৈ নিদিও। মোৰ এয়া শেষ আৰু চূড়ান্ত সিদ্ধান্ত।"

মৰমে কি কৰিব কি নকৰিব উপায়হীন হৈ মৰমীৰ ঘৰৰ ফালে দৌৰ মাৰিলে। ইফালে মৰমৰ দেউতাকে নিজৰ শক্তি প্ৰয়োগ কৰি মৰমীহঁতৰ সেই জুপুৰীটো ভাঙি পেলায় আৰু সেই গাঁও এৰি বহু দূৰলৈ যাবলৈ আদেশ দিয়ে। মৰম যেতিয়া মৰমীৰ ঘৰৰ সন্মুখ পাইছিল গৈ মৰমীৰ পৰিয়ালটো কান্দি কান্দি ওলাই আহিছিল। উপায়হীনতাৰে ক'ৰ বা দূৰৈত বাস কৰিবলৈ। মৰমে মৰমীৰ হাতত ধৰি ক'বলৈ ধৰিলে "ব'লা মৰমী আমি ইয়াৰ পৰা পলাই যাওঁ। ক'ৰবাত গৈ আমাৰ সপোনবোৰ দিঠক কৰিম। মৰমী ব'লা, তুমি একো নোকোৱা কিয়?"

মৰমী- "মই নোৱাৰিম অ', তোমাৰ লগত যাব। যদি যাওঁ মোৰ মা ভণ্টি দুয়োকে মাৰি পেলাব। মোক তুমি পাহৰি যোৱা মৰম, মোক পাহৰি যোৱা।"

মৰমে তাৰ ভাৰসাম্য হেৰুৱাই পেলালে। সি এখোজ দুখোজকৈ মৰমীৰ ওচৰৰপৰা আঁতৰি আহিল আৰু মুখেৰে ভুনভুনাবলৈ ধৰিলে- "মৰমী তুমি মোৰ, আমাক কোনেও বেলেগ কৰিব নোৱাৰে, তুমি কেৱল মোৰ।"

এনেদৰে কৈ দৌৰি দৌৰি সিহঁত প্ৰথম লগ পোৱা ঠাইখনিৰ ওচৰত থকা আহত গছ এডালত মৰমে চিপজৰী ল'লে। গোটেই পৰিৱেশ নিতাল, অমানিশাৰ ডাৱৰে গোটেই গৌৰৱপুৰক আৱৰি ধৰিলে। লগে লগে খবৰ বাগৰি গ'ল যে মৰম আৰু নাই, জীৱনৰ ওচৰত মৰম আৰু তাৰ প্ৰেমে হাৰ মানিলে।

মৰমৰ মাক দেউতাকে মৰমৰ নশ্বৰ দেহ আগত লৈ বুকু ঢকিয়াই কান্দিলে। ইফালে মৰমী দৌৰি আহিছে। "মৰম কিয় কৰিলা এনেকুৱা, কিয় মোক অকলশৰীয়া কৰি এৰি থৈ গ'লা। কিয় এই জাত পাত, ভাষা বৰ্ণ চোৱা এই নিষ্ঠুৰ সমাজৰ ওচৰত হাৰ মানিলা কিয়, কিয়?"

আজি এই ঘটনাৰ ২০ বছৰ পাৰ হ'ল। মৰমৰ মাক-দেউতাকে পুতেকৰ স্মৃতি মনত পেলাই দুখেৰে দিন কটাইছে। ইফালে মৰমীক মৰমৰ মৃত্যুৰ দুখে এনেধৰণে প্ৰভাৱ পেলালে যে তাই মানসিক বিকাৰ গ্ৰস্ততাৰ চিকাৰ হ'ল। আজিও মৰমে চিপজৰী লোৱা সেইকাল আহত গছ ডালৰ তলত চুলি মেলি মৰমৰ বাবে বৈ থাকে। মৰম আহিব তাইক বিয়া কৰাব সকলো সপোন দিঠক হ'ব। এতিয়া তাইক সকলোৱে মৰমী পাগলি বুলি চিনি পায়।

●

❐ শিক্ষকসকল জন্মদাতা পিতৃ-মাতৃতকৈ বেছি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃ-মাতৃয়ে সন্তানক জন্মহে দিয়ে, জীৱন-যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপণ কৰে।

— এৰিষ্টটল।

# অনুতাপ

**শিউলী দাস**
বাণিজ্য বিভাগ

"মই আৰু এই সবৰ লগত anytime লাগি থাকিব নোৱাৰো দেই, মোৰ কিবা দুখ-ভাগৰ বোলা বস্তুটো নাই নেকি?"- এনেদৰে কৈ ৰমেনৰ পত্নী তেওঁৰ ওচৰৰপৰা সাউতকৰে আঁতৰি যায়। ৰমেন বিমোৰত পৰিল। সি কোনো এটা সিদ্ধান্তই ভালকে ল'ব পৰা নাই। কিন্তু ৰমেনে যি দেখিছে এজনৰ সুখৰ বাবে আনজনক পৰিহাৰ কৰিবই লাগিব। কিন্তু ৰমেনে যি প্ৰয়োজনীয়, সি বাৰু কাক এৰিব, কাক ধৰিব... এনেবোৰ কথা ভাবি ভাবি তাৰ চকুত টোপনি নহা হৈছে।

"হেৰা, আপুনি কিবা সিদ্ধান্ত ল'লেনে? মইনো কি ইমান ডাঙৰ কাম কৰিবলৈ কৈছো কওঁকচোন বাৰু। আনে নকৰা কামটো মই কৰিব দিয়া নাই নহয় মাথো আমাৰ সুখৰ বাবেহে...।" কথাখিনি শুনি ৰমেনৰ খং উঠি যায়। "মনে মনে থাকা, তোমাৰ বেলেগ কিবা কথা নাইনে... অবিৰত একেটা কথাকে কৈ কৈ মোক পাগল কৰি মাৰিছা।" "তুমিতো দিনৰ দিনটো অফিচতে কটোৱা মইহে লাগি থাকিব লাগে এইসবৰ লগত— এই চাহ, এই পানী, এই ভাত, আজি জ্বৰ, কাইলৈ কাহ, চৰ্দি ইত্যাদি। মোৰ কিবা আমনি নালাগেনে। বুদ্ধিয়ক ভায়েৰাই এইবোৰৰ জ্বালাতেই বুঢ়িজনীক আনি আপোনাৰ ডিঙিত আঁৰি দিলেহি আৰু এতিয়া মইহে.......।" কথাখিনি কৈয়ে পত্নীয়ে উচপি উঠাৰ ভাও জুৰিলে। ৰমনে অলপ মৰমৰ সুৰত ক'লে- "হ'ব দে হ'ব, এতিয়া কন্দা-কটা কৰিব নালাগে। সোনকালে কিবা এটা ব্যৱস্থা ল'ম।" "যি কৰে অলপ সোনকালে কৰক, নহ'লে কিন্তু এইখন ঘৰ এৰি গুচি যাম।" কথাখিনি কৈয়ে পত্নীয়ে ঘৰৰ ভিতৰলৈ যায়গৈ। ৰমেনেও ভাবিলে-"হওঁতে এওঁ কোৱা কথাবোৰ মিছা নহয় দিয়াচোন। কিমাননো লাগি থাকিব বুঢ়ী মানুহজনীৰ লগত (আমনি লাগিও যায় দিয়াচোন। কিবা এটা ব্যৱস্থা ল'ব লাগিব অতি সোনকালে।"

ৰমেনৰ মাক যথেষ্টখিনি বৃদ্ধ হৈ পৰিছিল। চকুৰেও ভালদৰে মনিব নোৱাৰা হৈছিল। বুঢ়ীমাকজনীৰ বাবে এতিয়া পুত্ৰ আৰু বোৱাৰীয়েই একমাত্ৰ ভৰসা আছিল। মাকে পুতেকক বহুত মৰম কৰিছিল। অফিচৰপৰা ঘূৰি আহোতে দেৰি হ'লে সঘনাই পদূলিলৈ ওলাই গৈ বাট চাই ৰৈ থাকিছিল। পুতেকে ভাত নোখোৱালৈকে তাইয়ো ভাত খোৱা নাছিল। সন্ধিয়া পৰত হাত ভৰি ধুই থাপনাত চাকি-বন্তি জ্বলাই ধুনীয়া-ধুনীয়া ঘোষা প্ৰাৰ্থনা গাই ঘৰখন কিবা পৱিত্ৰ কৰি ৰাখিছিল। বোৱাৰীয়েকে অৱশ্যে এইবোৰ কাম মুঠেও পচন্দ কৰা নাছিল। কিবা ভাল উপদেশ দিলে সেইবোৰ

আওকাণ কৰি আঁতৰি গৈছিল। ৰমেনে অফিচৰপৰা আহোঁতে লৈ অনা খোৱা বস্তুৰে এটা ভাগ মাকলৈ বুলি দিয়াটো তাই অকণো ভাল পোৱা নাছিল। কেতিয়াবা কেতিয়াবা তাই কৈ পেলাইছিল। "এই বুঢ়া বয়সত এইবোৰ বস্তু খুৱাই কি লাভ আছেনো, নেলাগে দিয়া দিবলৈ থৈ দিয়া।"

ৰমেনে তেওঁৰ পত্নীৰ সুখৰ কথা ভাবি নিজ মাতৃক বৃদ্ধাশ্ৰমত থৈ অহাৰ সিদ্ধান্ত ল'লে। ৰমেনে মাকৰ তালি-টোপোলা বান্ধি লৈ ক'লে—"মা, আজি তোমাক নতুন ঠাই এডোখৰলৈ ফুৰাব নিম দেই, আৰু তুমি আজিৰপৰা তাতে থাকিবা, আমি মাজে মাজে গৈ তোমাক দেখা কৰিম।" কথা মতেই কাম। মাতৃক বৃদ্ধাশ্ৰমত থৈ শেষবাৰৰ কাৰণে মাকৰ ফালে চাই ৰমেনৰ চকুলো বৈ আহিল। ঘৰলৈ আহি একো নোখোৱাকৈ শুই থাকিল। আনফালে পত্নীৰ মুখত কিমান যে সন্তোষৰ হাঁহি। বন কৰা মানুহ এজনী আনি মাক থকা কোঠালীটো সজাইছে আৰু সেইটো Drawing room বনাব বুলি তাই আগৰ পৰাই ভাবি ৰাখিছিল।

এনেদৰে প্ৰায় দুমাহমান পাৰ হৈছিল। মাতৃক বৃদ্ধাশ্ৰমত থৈ আহি ৰমেনে কোনোমতেই সুখেৰে দিন কটাব পৰা নাছিল। পিছে পত্নীৰ কথাবোৰ শুনিহে তেওঁ এইখিনি কৰিলে। ৰমেনৰ পত্নীৰ আগৰেপৰা কিতাপ পঢ়া অভ্যাস আছিল এনেতে এদিন আজৰি পৰত তাই কিতাপ এখন মেলি লৈ পঢ়িব বহিল। সিদিনা তাইৰো মনটো কিবা ভাল লগা নাছিল। কিতাপখন এফালৰপৰা পঢ়ি নগৈ মাজে মাজে লুটিয়াই গ'ল। এনেতে এখিলা পাতত কেইটামান কথা দেখি থমকি ৰ'ল। সেই পাতখিলাত লিখা আছিল যে— "এই সংসাৰত এই চাৰিজন ব্যক্তিৰ কেতিয়াও অবাধ্য নহ'বা -পিতৃ, মাতৃ, শিক্ষাগুৰু আৰু দীক্ষাগুৰু। পিতৃ মাতৃ হৈছে আমাৰ প্ৰধান গুৰু। যাৰ কাৰণে আমি এই পৃথিৱীখন দেখিবলৈ পাইছোঁ। পিতৃ-মাতৃক অমান্য কৰি কোনো পুত্ৰ-কন্যাই জীৱনত কেতিয়াও উন্নতি কৰিব নোৱাৰে। পিতৃ-মাতৃক যিয়ে অৱহেলা কৰিব, সেইজন ব্যক্তিয়ে খোজে খোজে বিপদত পৰিব। আমি মানুহবোৰে প্ৰায়েই এটা ভুল কৰোঁ যে আমি নেদেখা ভগৱানজনৰ আশীষ বিচাৰি নিতৌ মন্দিৰ-মছজিদলৈ যাওঁ। কিন্তু আমাৰ সন্মুখত স্ব-শৰীৰে থকা ভগৱান কেইজনক অৱহেলা কৰোঁ। ইয়াতকৈ ডাঙৰ মুৰ্খামী আৰু কি থাকিব পাৰে।" কথাখিনি পঢ়ি যেন ৰমেনৰ পত্নীৰ বুকুখনৰ কিবা এটা দুখে হেঁচা মাৰি ধৰিলে। তাই অকনমান সুখৰ বাবে কিমান ডাঙৰ ভুল কৰিলে। ক্ষন্তেক সময়ৰ কাৰণে তাই মৌণ হৈ ৰ'ল আৰু তাই সামান্য সুখৰ বাবে কৰা এটা ডাঙৰ ভুলৰ অনুতাপ কৰিলে আৰু বেছি দেৰি নকৰি তাই ৰমেনৰ ওচৰলৈ গ'ল আৰু ক্ষমা বিচাৰিলে আৰু মাকক নিজৰ ঘৰলৈ ঘূৰাই আনিবলৈ ক'লে। পত্নীয়ে নিজৰ ভুলৰ অনুতাপ কৰাৰ বাবে ৰমেন আৱেগিত হৈ উঠিছিল আৰু সেইদিনাখনৰ পৰাই যেন ৰমেন আৰু তেওঁৰ পৰিয়ালটোৰ এটা নতুন দিনৰ সূচনা হোৱা যেন অনুভৱ কৰি দুয়ো উচুপি উঠিছিল।

●

❑ মানুহেই মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰে, মানুহেই মানুহক নতুন জীৱন দান কৰিব পাৰে। পৃথিৱীত প্ৰেম আৰু মহানুভৱতাই হে কাম কৰিব পাৰে।

— মামনি ৰয়চম গোস্বামী

# নোপোৱাৰ বেদনা

**বৰষা বৰদলৈ**
বাণিজ্য বিভাগ

আব্দুলে দৌৰি গৈ পঢ়া টেবুললৈ বেগটো দলিয়াই দি মাকক চিঞৰি চিঞৰি ক'লে- "আম্মা মোক আজিয়েই এটা নতুন বেগ কিনি দিব লাগিব। নহ'লে কাইলৈৰ পৰা মই স্কুললৈ নাযাওঁ।" মাকে পাকঘৰৰপৰা মাত লগালে- "আগতে কাপোৰ কানি সলাই লোৱাচোন আব্বা (আব্দুলক মৰমত মতা নাম)।" সি কাপোৰ কানি নোখোলাকৈয়ে ৰান্ধনি ঘৰ পালেগৈ আৰু মাকক ক'লে "আম্মা আম্মা মোৰ লগৰ মৃণাল, বসন্ত আৰু বিজয়ে নতুন নতুন বেগ লৈছে জানানে। সিহঁতে মোৰ বেগটো পুৰণি বুলি কৈ হাঁহে। "আব্বাক কৈ আজিয়ে মোক এটা বেগ কিনি দিব লাগিব, নহ'লে কালিলৈ মই স্কুললৈ নাযাওঁ।" মাকে ক'লে- "হ'ব হ'ব আব্বা, হ'ব দে। এতিয়া তই হাত ভৰি ধুই অলপ জিৰণী লগৈ যা। পিছে বেগটোচোন কিনি দিয়া দুমাহমান হৈছেহে। সেইটো পুৰণি হোৱা নাই নহয়।" আব্দুল অলপ জেদীভাৱত কয় "পুৰণি হোৱা নাই বুলি তুমিহে কৈছা, লগৰবোৰে যে নতুন বেগ নিব, মোক লাজ দিব, তেতিয়া মোৰ ভাল লাগিব নে বাৰু...... ?"

দিম...দিম,.... এতিয়া যা, Fresh হৈ লগৈ। ভাত পানী খাই Home work খিনি কৰিব লাগিব নহয়- মাকে ক'লে।

আবেলি পৰত আব্দুলে দেউতাকৰ গাড়ীত উঠি চহৰৰ দামী দোকান এখনৰ পৰা এটা ধুনীয়া বেগ কিনি আনিলগৈ। বেগটোৰ লগতে এযোৰ ধুনীয়া কাপোৰ কিনি দিলে দেউতাকে। চহৰৰ এখন ডাঙৰ ৰেষ্টুৰেণ্টত সোমাই কিবা-কিবি খাই ঘৰলৈ ঘূৰি আহিল। গাড়ীৰপৰা নামিয়েই আব্দুলে দৌৰি গৈ মাকক বেগটো আৰু কাপোৰযোৰ দেখুৱালে। মাকেও তাৰ বেগটো বৰ সুন্দৰ বুলি প্ৰশংসা কৰিলে। হাত মুখ ধুই সি পঢ়া টেবুলত বহিল। মাকে নিজৰ মানুহজনৰ হাতত চাহৰ কাপটো দি আব্দুললৈ গাখীৰৰ গিলাচটো লৈ তাৰ ৰুমলৈ গ'ল। টেবুলত গাখীৰৰ গিলাচটো থৈ ক'ব ধৰিলে "নতুন বেগ পালি নহয়, এতিয়া কি কৰিব লাগিব ক'চোন.... ? ভালদৰে পঢ়িব লাগিব। এইবাৰ পৰীক্ষাত A Grade পালে নতুন ঘড়ী এটা কিনি দিম দেই আব্বা। এতিয়া ধুনীয়াকৈ গাখীৰ গিলাচ খাই লোৱা।" গাখীৰৰ গিলাচটোৰ ফালে চাই সি মুখ কোচালে আৰু ক'লে—"মই গাখীৰ নাখাও যোৱা, তুমি সদায় সদায় মিছা মিছা কথা কৈ মোক গাখীৰ খুওৱা। কালি কৈছিলা নহয় গাখীৰ খালে মোক Magic Gum এটা কিনি দিবা বুলি, ক'ত, নিদিয়াই কিনি... । মই আজি গাখীৰ

খালে মোক Magic Gum এটা কিনি দিবই লাগিব, নহ'লে মই নাখাওঁ যোৱা।" মাকে আব্দুলক আকৌ সান্ত্বনা দি ক'লে- "হ'ব দে আব্বা হ'ব, কালি আব্বাই অফিচৰপৰা আহোতে তোমালৈ Magic Gum এটা কিনি আনিব।" কথাখিনি শুনিয়েই আব্দুলে মাকৰ ফালে চালে আৰু ক'লে–"দিয়া নহ'লে, কালিলৈ যদি Magic Gum নানে নহয়,... চাবা মই আৰু কেতিয়াও গাখীৰ নাখাওঁ।"

চাহ খাই থকা সময়তে আব্দুলৰ দেউতাকৰ Phone টো বাজি উঠিল। Call টো Reveive কৰিব লওঁতেই Screen ত আব্দুলৰ স্কুলৰ Miss ৰ নামটো দেখিলে। অলপ গম্ভীৰ সুৰত ক'লে– "Hello, (শইকীয়ানী), কওঁকচোন কিয়, ফোন কৰিলে? এনেদৰে বহুসময় কথা পাতি থাকিল। Phone টো ৰখাৰ পিছতে আব্দুলৰ মাকে চাহৰ কাপটো নিবলৈ সেইখিনি পালেগৈ। আৰু মানুহজনক সুধিলে-"কিয় Phone কৰিছিল Miss এ?" "কেইটামান জৰুৰী কথাই কৈছে ৰ'বা। পুতেৰাৰ জয়গানকে গাইছে; এতিয়ালৈকেতো সি ভাল Marks এই পাই'গৈ আছে; কিন্তু English ত তাৰ অলপ Problem আছে হেনো। Tuition এটাৰ ব্যৱস্থা কৰিব লাগিব। তুমি খবৰ কৰিবাচোন ওচৰৰ এনেকুৱা কোনোৱা আছে যদি"– কথাখিনি কৈয়ে মানুহজনে ৰুমলৈ সোমাই গ'ল।

পিছদিনাখন দেউতাকে অফিচৰপৰা ওভতাৰ সময়ত আব্দুলৰ কাৰণে এটা Magie Gum কিনি আনিছো। Magie Gum টো পাই আব্দুলে বহুত আনন্দ পালে।

দুদিনমান পিছত সি আকৌ মাকক ক'লে– "আম্মা আম্মা, মোৰ জোতাযোৰ বহুত পুৰণি হৈছে। মোক নতুন এযোৰ কিনি দিবানে?"-- "কেইদিননো হৈছে এইযোৰ কিনা, এতিয়া নালাগেদে ল'ব, ঈদ আহিলেই নহয়, তেতিয়াই লবি।" কথাখিনি কৈয়েই মাকে কিবা কামত পাকঘৰলৈ গ'ল। সিদিনা সি একো নোখোৱাকৈয়ে স্কুললৈ গ'লগৈ। বেগত দি পঠিওৱা টিফিনটোও সি তেনেকৈয়ে ঘৰলৈ লৈ গ'ল। সন্ধিয়া বেগটো খুলি চাই মাকৰ বৰ বেয়া লাগিল। দিনৰ দিনটো ল'ৰাটোৱে একো নোখোৱাকৈ থাকিল। কিমানবা কষ্ট পাইছে বুলি ভাবি নিজৰ ওপৰতেই কিবা খং উঠি গ'ল ল'ৰাটোৰ সৰু ইচ্ছা এটা পুৰাবলৈ টান পোৱাৰ বাবেই সি দিনৰ দিনটো ভোকে লঘোণে কটালে বুলি ভাবি তাই বৰ দুখ পালে। অলপ সময় পিছত আব্দুললৈ গাখীৰৰ গিলাচটো আগুৱাই দি ক'লে– "এইখিনি খাই লোৱা। পৰহিলৈ Sunday নহয়,... আব্বাৰ লগত বজাৰলৈ গৈ এযোৰ ভাল জোতা কিনি আনিবাগৈ দেই...."।

আব্দুল মাক-দেউতাকৰ বৰ মৰমৰ। একমাত্ৰ সন্তান হোৱাৰ উপৰিও বহু কষ্টৰ মূৰতহে তেওঁলোকে তাক সন্তান হিচাপে পাইছে। সেয়েহে তাৰ প্ৰতিটো আশাকে তেওঁলোকে পূৰণ কৰি যাব ধৰিলে। সেইদিনা অফিচৰ কাম বোৰ শেষ কৰি আব্দুলৰ দেউতাকে বাহিৰে বাহিৰে তাক স্কুলৰপৰা লৈ আহিল। উভতি অহাৰ পথত কিবা-কিবি কিনিবলৈ সিহঁত এখন দোকানৰ সন্মুখত ৰ'ল। গাড়ী মটৰৰ ভিৰৰ মাজতে সিহঁতৰ গাড়ীখনৰ ওচৰলৈ আব্দুলৰ সমবয়সীয়া এজন ল'ৰা আৰু এজনী ছোৱালী আগুৱই আহিল। ল'ৰাটোৱে চকুৰে নেদেখে আৰু সৰু-ছোৱালীজনীৰ হাত এখন নাই। পিন্ধনত অতি পুৰণি ফটা চিটা চোলা, মলিয়ন দেহটো আৰু সিহঁতৰ হাতত এটা বাতি আছিল। সিহঁতে আব্দুলৰ দেউতাকৰ ফালে বাটিটো আগুৱাই দিলে। দেউতাকে পকেটৰ পৰা 20 টকীয়া নোট এখন উলিয়াই আব্দুলক দিলে আৰু ক'লে– "আব্বা টকাটো ইহঁতক দি দিয়া।" উভতাৰ বাকীছোৱা পথত সি কেৱল সেই ল'ৰা-ছোৱালীকেইটাৰ কথাকে ভাবি থাকিল। তৃতীয় শ্ৰেণীত পঢ়া আব্দুলৰ কোনো কোনো ক্ষেত্ৰত আকৌ বহুত গভীৰ হৈ ভাৱে। মাকৰ কিবা এটা অসুখ হ'লে সেইদিনা সি স্কুললৈকে যাবলৈ নিবিচাৰে।

সন্ধিয়া পঢ়া টেবুলৰপৰা উঠি আব্দুলে দেউতাকৰ ৰুমলৈ গ'ল। বাটত লগ পোৱা সেই ল'ৰা-ছোৱালী কেইটাৰ বিষয়ে নানান প্ৰশ্ন কৰিবলৈ ধৰিলে। দেউতাকে ক'লে "আব্বা সিহঁতৰ মাক-দেউতাক কোনো নাই সিহঁতে মানুহৰ পৰা খুজি মাগি যি পায় তাকেই খাই জীয়াই থাকে। সিহঁতৰ কোনো ঘৰ নাই। ৰাতি সিহঁতে ফুটপাথত শুই থাকে" ইত্যাদি। কথাবোৰ শুনি আব্দুলে তাৰ পঢ়া টেবুল পালেগৈ। আজি সি মাকে দিয়া গাখীৰৰ গিলাচ খাবলৈ কোনো অজুহাত নেদেখুৱালে।

সি মনে মনে ভাবিলে যে যদি তাৰ মাক -দেউতাক নাথাকিল হয় তাৰো একেই দশা হ'ল হয়। সি মনে মনে সিদ্ধান্ত ল'লে যে সি আৰু কেতিয়াও একো বস্তু বিচাৰি মাক-দেউতাকক আমনি নিদিয়ে। নহ'লে ভগৱানে তাক শাস্তি দিব।

পিছদিনা যেতিয়া দেউতাকে আব্দুলক জোতা কিনিবলৈ যাবলৈ লগ ধৰিলে তেতিয়া সি টপৰাই উত্তৰ দিলে-"মোৰ জোতা আছে নহয় আব্বা, সেই যোৰ দেখোন পুৰণি হোৱাই নাই। এতিয়া নালাগে দিয়া ঈদতে ল'ম।" কথাখিনি কৈয়ে যি দৌৰ মাৰি ঘৰৰ ভিতৰলৈ গ'ল। ক্ষন্তেক সময়তে যি যেন আনৰ নোপোৱাৰ বেদনাবোৰ বুজি পালে আৰু সেইবোৰৰ তুলনাত তাৰ নোপোৱাৰ বেদনাবোৰ যে মূল্যহীন সেইটো উপলব্ধি কৰিলে।

●

- তোমাৰ শিক্ষা মূল্যহীন বুলি ভাবিবা, যদিহে ই সত্য আৰু পবিত্ৰতাৰ ভেটিত সু-প্ৰতিষ্ঠিত নহয়।


  — মহাত্মা গান্ধী।

- কিতাপ পঢ়াটো অনেক সময়ত চিন্তা নকৰাকৈ থকাৰ এটা কৌশল মাত্ৰ।

  — ছাৰ আৰ্থৰ হেল্পাছ।

- কিতাপৰ যি শক্তি আছে ই আমাক মাটিৰ সৈতে চিনাকি কৰাই দিয়ে আৰু বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগত মানুহৰ সম্পৰ্ক প্ৰসাৰিত কৰে। কিতাপ নপঢ়া জাতি সময়ৰ সুঁতত উছন হৈ যায়।

  — প্ৰাক্তন উপাচাৰ্য অমৰজ্যোতি চৌধুৰী।



# গুৰুদক্ষিণা

**আচাদ উদ্দিন**
(বাণিজ্য বিভাগ)

ৰমেন ল'ৰাটো পঢ়া শুনাত বহুত কেঁচা। সেয়েহে সি সদায় শ্ৰেণীকোঠাৰ শেষৰ বেঞ্চত বহিছিলা। পঢ়া-শুনাৰ গতিমতিৰ বাবে সি সদায়েই বিদ্যালয়ৰ ছাৰ-বাইদেউৰ পৰা গালি শুনিবলগীয়া হৈছিল। ৰমেনে চেষ্টা কৰিও পঢ়া-শুনাৰ ভাল ফলাফল দেখুৱাবলৈ ব্যৰ্থ হৈছিল। সেই একেটা শ্ৰেণীৰে ৰাহুলে প্ৰথম শ্ৰেণীৰ পৰাই সকলোতকৈ বেছি নম্বৰ লাভ কৰি মাক-দেউতাকৰ মন জয় কৰি ৰাখিছিল। সময়ত যি বিচাৰে, তাকে আনি দিছিল ৰাহুলক। ৰমেন আৰু ৰাহুল একেখন গাঁৱৰে আৰু সিহঁতে সৰুৰে পৰা একেলগে ডাঙৰ হোৱা কিন্তু ৰমেনৰ ঘৰৰ অৱস্থা বহুত শোচনীয় আৰু দীন-দৰিদ্ৰ হোৱাৰ বাবে ৰাহুলৰ মাক-দেউতাকে তাৰ লগত সিমান মিলা-মিছা কৰিবলৈ দিয়া নাছিল। কেতিয়াবা ৰমেনে ৰাহুলক লগ কৰিবলৈ গ'লেও তাক নানান কথা শুনাই উভতাই পঠাইছিল। ৰমেন পঢ়া-শুনাত কেঁচা আছিল যদিও তাৰ ব্যৱহাৰ পাতি বহুত ভাল আছিল। সৰুৰে পৰাই তাৰ এটা ব্যৱসায়িক মনোভাৱো আছিল।

এদিনাখনৰ কথা। ৰমেন তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। ৰমেনে মন মাৰি নিজৰ বেঞ্চত বহি আছে। তাৰ মনে মনে সিদিনাখন বহুত ভয় লাগি আছিল। কিয়নো সিদিনাখন অংক শিক্ষকে সিহঁতক বৰ্ডত অংক কৰিবলৈ দিব বুলি আগদিনাই কৈ থৈছে। আনফালে ৰাহুলৰ মনত কোনো ভয় নাই, শংকা নাই, কাৰণ সি অকণো ভুল নোহোৱাকৈ অংক শিকি আহিছে। কথামতেই কাম। অংক শিক্ষক আহিল। এজন এজনকৈ বৰ্ডলৈ মাতিছে। কিছুমানে অলপমানো ভুল নকৰাকৈ অংক কৰিব পাৰিছে আৰু কিছুমানৰ ভুল হৈছে। এইবাৰ পৰিল ৰমেনৰ পাল। ৰমেনে ভয় ভয়কৈ বৰ্ডলৈ উঠি গৈ হাতত চক পেঞ্চিলডাল তুলি ল'লে। বৰ্ডৰ কাষত গৈ সি একো নিলিখাকৈয়ে ৰৈ আছে। ইফালে অংক শিক্ষকৰ বজ্ৰসদৃশ চাৱনিত তাৰ অণ্ঠ-কণ্ঠ শুকাই গৈছে। সি বৰ্ডত হাত খন লগাই আকৌ নমাই আনে? এবাৰ কিবা এটা লিখেও আকৌ মচি দিয়ে। এনেকৈ থাকোঁতে থাকোঁতে পিছপিনৰ পৰা অংক শিক্ষকে চটপ কৰে এচাৰিৰে তপিনাত কোব এটা দিয়ে। তাৰ পিছত ৰমেনৰ লগতে আন কেইজনমানক নি বাৰান্দাত আঠু কঢ়াই থৈ দিছিল। তাকে দেখি ৰাহুলে বৰ সন্তোষ পাইছিল। ৰমেনে ৰাহুলক বাৰে বাৰে খাটনি কৰিছিল অংকটো শিকাই দিবলৈ। কিন্তু স্বাৰ্থপৰ স্বভাৱৰ ৰাহুলে তাক

সেইকণ সহায় কৰিবলৈ অমান্তি হৈছিল। সেইদিনা ৰমেনে মনে মনে বহুত আঘাত পাইছিল।

ৰাহুল পঢ়া শুনাৰ লগতে নাচ-গানতো ভাল আছিল। বছৰেকীয়া কিবা অনুষ্ঠানত মুঠতে ৰাহুলে গানৰ অনুষ্ঠানত ভাগ ল'বই। তাৰ সুমধুৰ কণ্ঠৰ বাবে সি সকলোৰে মন জয় কৰিব পাৰিছিল। ইফালে পঢ়া-শুনাত ভাল। আনফালে আকৌ নাচ গানতো ধাউতি থকা ল'ৰাটোক কোনেনো বাৰু ভাল নাপায়। সি মুঠতে বিদ্যালয়খনৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীৰে অতি মৰমৰ ছাত্ৰ। শিক্ষক-শিক্ষয়িত্ৰী আৰু ৰাহুলৰ মাক-দেউতাকৰ মাজত এটা ভাল সম্পৰ্কও গঢ় লৈ উঠিছিল একমাত্ৰ ৰাহুলৰ বাবে। বিয়া-সবাহ, উৎসৱ পাৰ্বন আদিত ৰাহুলৰ ঘৰলৈ শিক্ষক-শিক্ষয়িত্ৰীৰ নিমন্ত্ৰণ থাকিবই মানে। মুঠতে ৰাহুলৰ সকলো পিনৰ পৰাই ভালেই ভাল।

আনফালে পঢ়া-শুনাত হাত নথকা খেলা-ধূলা, নাচ-গানত মন নথকা ৰমেনে কাৰো প্ৰিয় হ'ব নোৱাৰিলে আৰু প্ৰিয় নোহোৱাটো তেনেই স্বাভাৱিক। কিবাকে 46% লৈ মেট্ৰিকৰ দেওনা পাৰ হৈ সি ওচৰৰে Higher Secondary এখনত নাম লগাই ল'লে। আনফালে উচ্চ শিক্ষা লাভৰ বাবে ৰাহুলক ভাল এখন কলেজলৈ পঠিয়ালে। কাৰণ সি বহুত ভাল নম্বৰ লৈ পাছ কৰিলে। ৰমেনে চাইকেলেৰে স্কুললৈ যোৱা সময়ত নিজৰ প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰীক দেখি চাইকেলৰপৰা নামি দিয়ে আৰু ধুনীয়াকৈ মাত লগায়। কিন্তু তাক সিমান গুৰুত্ব নিদিয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলে।

এনেকৈয়ে বহুদিন পাৰ হ'ল। ৰমেনৰ পঢ়া-শুনাৰ প্ৰতি একেবাৰে মন নোহোৱা হ'ল। সি পঢ়া-শুনা সামৰি চহৰলৈকে গুচি গ'ল কাম বিচাৰি। নগ'লেও যে নহয়। কাৰণ তাৰ দেউতাকে কাম কৰিব নোৱাৰা হৈ আহিছে আৰু মাকজনীও ৰুগীয়া হৈ পৰিছিল। চহৰত গৈ সি প্ৰথমে এখন হোটেলত 'Waiter' ৰ কাম কৰিবলৈ ল'লে। আনফালে ৰাহুলে উচ্চ শিক্ষা লাভৰ বাবে চহৰলৈ গৈছিল হয়, কিন্তু সঙ্গ দোষত পৰি সি একেবাৰে ধূৰ্ত হৈ পৰিছিল। লাগ বুলিলেই দামি ম'বাইল, দামি জোতা, কাপোৰ-কানি কিনি দিবলৈ বাধ্য হৈছিল মাক -দেউতাক। তাৰ জেদভাৱ ইমানেই বাঢ়ি গৈছিল যে মাক-দেউতাকক সি তেনেই তুচ্ছ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। ঘৰলৈ অহা যোৱা সুবিধা হবলৈ বুলি মাক-দেউতাকে ৰাহুলক ধুনীয়া বাইক এখন কিনি দিছিল। ৰাহুলে অতিপাত মৰম পাই পাই বহুত ওপৰলৈ উঠি গৈছিল। হাইস্কুলৰ ছাৰ-বাইদেউৰ সন্মুখেৰে চকুৰ কলা চচমা লগাই বাইক চলাই খুউব জোৰেৰে বাইক চলাই গৈছিল।

ৰমেনে হোটেলত 'Waiter' ৰ কাম কৰি কৰি পিছলৈ গৈ গাঁৱৰে মাটি অলপ বন্ধকত দি চহৰত নিজাকৈ হোটেল এখন দি ল'লে। হোটেলখনৰ বেচা-বিক্ৰীও বহুত ভাল। তাৰ ভাল ব্যৱহাৰৰ বাবে তাৰ হোটেলৰ গ্ৰাহক বাঢ়ি গৈ থাকিল। সি লাহে লাহে তাৰ হোটেল ব্যৱসায়টো বঢ়াই গৈ থাকিল। বেলেগ বেলেগ ঠাইত শাখা খুলি, ব্যৱসায় কৰিবলৈ ল'লে এনেকৈয়ে এসময়ত গৈ সি চহৰখনৰ এজন প্ৰতিষ্ঠিত ব্যৱসায়ীৰ স্থান পালেগৈ। ধুনীয়া ঘৰ সাজিলে, দামি গাড়ী কিনিলে। মুঠৰ ওপৰত সকলো সলনি হৈ গ'ল।

এদিনাখনৰ কথা। কান্ধত এটি বেগ লৈ এজন বয়সীয়াল লোক ৰমেনৰ সেই হোটেলখনলৈ সোমাই অহা দেখিলে। মেনেজাৰৰ চকীত বহি থকা ৰমেনে ততাতৈয়াকৈ চকীৰ পৰা উঠি দিলে আৰু ব্যক্তি গৰাকীক নমস্কাৰ জনাই আথে বেথে ব্যক্তি গৰাকীক হোটেলৰ এটা বিলাসী কোঠালৈ লৈ গ'ল ৰমেনে। ব্যক্তিগৰাকীয়ে কিবা কোৱাৰ আগতে ৰমেনে নিজৰ পৰিচয়টো দিলে আৰু ধুনীয়াকৈ খুৱাই বোৱাই বিদায় দিলে। সেই বুঢ়া ব্যক্তিগৰাকী আন কোনো নাছিল, হাইস্কুলৰ অঙ্ক শিক্ষকজনহে যিয়ে ৰমেনক কোনোদিনে ভালকৈ মাতিয়ে পোৱা নাছিল। সেই একেদিনৰে আন এটা ঘটনা সংঘটিত হৈছিল। শিক্ষকগৰাকীয়ে চহৰলৈ আহিবৰ সময়ত ৰাহুলক লগ পাইছিল। পিন্ধনত নতুন ডিজাইনৰ ফটা-চিঙা জিন্স-পেন্ট, বুকুৰ আধা বুটাম খোলা ৰাখিছে আৰু লগত কেইজনমান লগৰীয়া ঠিক তাৰ নিচিনা ষ্টাইলৰে। শিক্ষকগৰাকীয়ে তাক অনুৰোধ কৰি কৈছিল যে তেওঁৰ পত্নীৰ খুউব টান বেমাৰ। কিন্তু শিক্ষকগৰাকীৰ সেই অনুৰোধ ৰক্ষা কৰাৰ বিপৰীতে তাৰ বান্ধৱী এজনীৰ Birthday ৰ Party ত যাব লাগে বুলি কৈ অজুহাত দেখুৱালে।

হোটেলত খাই বৈ ঘৰলৈ উভতাৰ পথত শিক্ষকগৰাকীয়ে সেই দুয়োটা ঘটনা তুলনা কৰি চালে। যিজন ছাত্ৰক কোনো দিনে ভাল চকুৰে চোৱাই নাছিল, ভাল মাতেৰে মাতিয়ে পোৱা নাছিল, সেইজন ছাত্ৰই আজি ইমান টকাৰ সম্পত্তিৰ মালিক হোৱাৰ সত্ত্বেও নিজৰ চকীখনৰ পৰা থিয় হৈ দিছে তেখেতক সন্মান জনাবলৈ আৰু আথে বেথে নি আদৰ আপ্যায়ন কৰিছে। আনহাতে ৰাহুল, যি সকলো শিক্ষকৰেই প্ৰিয় ছাত্ৰ আছিল, আজি তাৰ ব্যৱহাৰ পাতি কি হৈ পৰিল। কাম বন নাই, অনাই বনাই লগৰবোৰৰ লগত Party কৰি ফুৰে, পিন্ধনত ...... পোছাক। কিছু সময়ৰ কাৰণে যেন শিক্ষক গৰাকীৰ চকুহাল সেমেকি উঠিল।

●

- শিক্ষকসকলে জন্মদাতা পিতৃ-মাতৃতকৈ বেছি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃ-মাতৃয়ে সন্তানক জন্মহে দিয়ে, জীৱন-যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপণ কৰে।

  — এৰিষ্টটল।

- মানুহে যেতিয়া দুখ এৰি সুখকে বিচাৰে তেতিয়া মানুহ তললৈ নামে।

  — সৰ্বপল্লী ৰাধাকৃষ্ণণ।

- ধৰ্ম একক আৰু অদ্বিতীয়, অহিংসাই মোক্ষক বুজায়, আৰু মোক্ষ হৈছে সত্যৰ উপলব্ধি।

  — মহাত্মা গান্ধী।



# সংঘাত

**তৃষ্ণ ৰয়**
পদাৰ্থ বিজ্ঞান বিভাগ

নিৰজ কিলিং মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰ। তাৰ কেউ কিছু নাই। এবছৰ বয়সতে তাক কোনোবাই মাজগাঁৰৰ বৰ আহঁতৰ তলত এৰি থৈ গৈছিল। মাজগাঁৰৰ ভদ্ৰেশ্বৰ বৰা আৰু ক্ষীৰদা বৰাই তাক আঁহতৰ তলতে পাই তুলি লৈছিল। প্ৰথমতে যদিও তাক তুলি লৈছিল পিছলৈ আকৌ ভদ্ৰেশ্বৰ বৰা দম্পতিক এৰি যাব বুলি আগৰ ঠাইতে থৈ আহিব খুজিছিল। কিন্তু ভদ্ৰেশ্বৰ বৰাই তেনে নকৰিলে। যিকি নহওঁক ভগৱানৰ দয়াতেই হওঁক বা আশীৰ্বাদতেই হওঁক তেখেতসকল যিহেতু নিঃ সন্তান, গতিকে তাক পুনৰাই হেৰুৱাব নিবিচাৰিলে। লাহে লাহে নিৰজ ডাঙৰ হৈ আহিল আৰু ওচৰৰে মাজগাঁও প্ৰাথমিক বিদ্যালয়ত তাক নাম লগাই দিয়া হ'ল। বিদ্যালয়ৰ পৰীক্ষাবোৰত সি ক্ৰমান্বয়ে ভাল ফলাফল দেখুৱাবলৈ ধৰিলে। ইপিনে সি হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ শিক্ষাৰ দেওনা অতিক্ৰম কৰিলে। মানুহৰ জীৱনত ভাল আৰু বেয়া দিন দুয়োটাই থাকে। তাৰ জীৱনতো লাহে লাহে কলীয়া ডাৱৰে ভুমুকি মাৰিলে, এদিন সি কিবা কথাত লগৰীয়াৰ লগত অস্বাভাৱিক ব্যৱহাৰ কৰি ঘৰতে আছিল। সি তেনেতে শুনিবলৈ পালে যে তাৰ মাকে দেউতাকক কৈছে যে নিৰজে যাতে তাৰ নিজৰ পৰিচয় কেতিয়াও নাজানে তাৰ ব্যৱস্থা তেওঁলোকে কিমান ভালকৈ কৰিছিল তাক চকু দিয়াৰ সময় আহি পৰিছে। সি শুনিবলৈ পালে যে তাৰ জন্ম ৰহস্যটো মাক-দেউতাকৰ বাদেও মাজ গাঁৱৰে নিৰঞ্জৰ খুৰাকে জানিছিল। সি

ভাবিলে সময় পালে পিছলৈ মাক-দেউতাক নতুবা নিৰঞ্জন খুৰাকক সুধিব। কিন্তু হঠাৎ এদিন তাৰ সকলো সপোন ধূলিসাৎ হৈ গ'ল, সেই দিনা সি নিৰঞ্জন খুৰাকৰ ঘৰলৈ গৈছিল মাকে দি পঠিওৱা নাৰিকল কেইটা খুৰীয়েকক দিবলৈ। কিন্তু গৈ পায়েই আদবাটৰ পৰা শুনিবলৈ পালে খুৰীয়ে পুতেক ৰাহুলক গালি পাৰি কৈছে, "যা মৰ যদি মৰ গৈ কাম-বন নকৰিলে কোনে তোক এনেয়েই খুৱাব। তোৰ সলনি নিৰজৰ দৰে আন ঘাত-মাউৰা ল'ৰা এটাকে ক'ৰবাৰ পৰা তুলি ল'ম"। কথাষাৰ শুনাৰ পিছত সি আৰু ৰ'ব নোৱাৰিলে, খুৰীয়েকে তাক বহিবলৈ দিছিল যদিও সি আৰু নবহিলে। কোনোদিনে চুপচাপকৈ নিজৰ কোঠাত নোসোমোৱা ল'ৰাটো আজি চুপচাপ হৈ কোঠাত সোমাই থকাত মাকে ভাবিলে আজি ক'ৰবাত কিবা এটা ডাঙৰ অঘটন ঘটিছে। মাকে নিৰজক কি হৈছে সোধোতে সি যেতিয়া সমগ্ৰ ঘটনাটো বিৱৰি ক'লে মাকে চকু পানীৰে বাট নেদেখা হ'ল আৰু ঠিক তেনে সময়তে দেউতাক আহি পোৱাত তেওঁৰো মূৰৰ ওপৰত সৰগ ভাঙি পৰা যেন অনুভৱ কৰিলে। আজিকালি নিৰজে আগৰ দৰে স্ফূৰ্তি কৰি নাথাকে। তাৰ সলনি সি কিবা ভাবি থাকে। কথা গহীন যেন দেখা পাই বৰা দম্পতিয়ে চহৰৰ এজন নামী ডাক্তৰৰ ওচৰলৈ লৈ গ'ল। ডাক্তৰে পৰীক্ষাৰ অন্ততঃ ক'লে "ল'ৰাটোৱে হয়তো এমাহ মানৰ আগতে ক'ৰবাত নহয় ক'ৰবাত বিজুলীৰ শ্বক বেয়াকৈ খাইছিল। বেচেৰাৰ ভাগ্য ভাল আছিল যে সি কোনোমতে ৰক্ষা পৰিল। আকৌ যদি বিজুলীৰ শ্বকৰ দৰে কিবা আঘাত লাগে তেন্তে তাৰ স্মৃতি শক্তি চিৰদিনলৈ লোপ পাব পাৰে। ইতিমধ্যেই তাৰ স্মৃতি শক্তি অলপ লোপ হৈছে; চিন্তাৰ কোনো কাৰণ নাই ভাল হ'ব যদিহে, মই দিয়া দৰৱ নিয়মিত ৰূপত খাই থাকে"। ঘৰলৈ আহি সি আগৰদৰে স্ফূৰ্তিবাজ হ'বলৈ যত্ন কৰিলে যদিও নোৱাৰিলে এই কথাটো সি বৰ হৃদয়ঙ্গম কৰিলে। ডাক্তৰে দিয়া ঔষধ খাই থকাত তাৰ আৰোগ্য হ'বলৈ লাহে লাহে আৰম্ভ কৰিলে। আজি কলেজৰ পৰা সোনকালে আহি পোৱাত সি মাকক ঘৰৰ কামকেইটা কৰাত সহায় কৰিলে। ৰাতি ভাত খাই বিছনাত শুবলৈ গৈ সি শুব পৰা নাই; মনলৈ তাৰ অলেখ কথা আহিছে। সি ভাবিলে মানুহৰ জীৱনত সংঘাত আহে আৰু যায় যেনেকৈ ৰাতি যিমানেই দীঘল নহওঁক এসময়ত তাৰ অন্ত পেলাই সূৰ্যৰ কিৰণে পোহৰ বিলায় ঠিক সেইদৰে তাৰ জীৱনতো এদিন হ'লেও পোহৰ ঘূৰি আহিবই আৰু জীৱনটো আগৰদৰেই আনন্দময় হৈ যাব।

●

## মহৎ লোকৰ মহান বাণী

- এখন ভাল কিতাপ সকলো বন্ধুতকৈ আপোন। বন্ধুবৰ্গ গুচি গ'লেও কিতাপখন কিন্তু চিৰকাললৈ থাকে।

  — টুপাৰ

- প্ৰত্যেক দিনেই জীৱনৰ শেষ দিন বুলি কাম কৰি যোৱা।

  — জিম কৰবেট

- নিজৰ ভুল সংশোধন কৰা, ভুলটো স্থায়ী কৰিবলৈ অভিনয় নকৰিবা।

  — উইলিয়াম শেক্সপীয়েৰ

- তুমি নিজে এজন সাধু হোৱা আৰু তেতিয়া তুমি নিঃসন্দেহে ক'ব পাৰিবা যে এজন অসৎ লোক পৃথিৱীৰ পৰা কমি গৈছে।

  — কাৰ্লাইল



# বীণা এজনী ধৰ্ষিতা ছোৱালী

**বিপুল বৰদলৈ**
অৰ্থনীতি বিভাগ

মাতৃ জোনালী, পিতৃ ৰমেনৰ একমাত্ৰ জীয়ৰী বীণা। পানী গাঁৱৰ কেঁকুৰিটোৰ মূৰৰ একমাত্ৰ ঘৰখনেই বীণাহঁতৰ ঘৰ। সিহঁতৰ ঘৰখন চৌদিশে ঘন হাবিৰে আবৰি ধৰা। পুৱা আৰু সন্ধিয়া ঘৰৰ চৌপাশে চৰাই চিৰিকটিৰ কিৰিলি শুনা যায়। বীণা পিতৃ-মাতৃৰ মৰমৰ জীয়ৰী। সেইসময়ত তেতিয়া বীণাৰ বয়স ঠিক ছয়নে সাত বছৰ। এদিন হঠাৎ তেওঁৰ দেউতাক টান-নৰীয়াত আক্ৰান্ত হয়।

টকাৰ অভাৱত বীণাৰ দেউতাকে উন্নত চিকিৎসা নোপোৱা বাবে অকালতে মৃত্যুক সাৱটি লয়। অসহায় মাতৃ গৰাকীয়ে বীণাক লৈ বৰ চিন্তাত পৰিল। সাংসাৰিক চিন্তাত বীণাৰ মাক জুৰুলা হৈ পৰিল। চিন্তাত ছয়-সাত দিন পেটলৈ ভাত নোযোৱা হ'ল। গাঁৱৰ মানুহৰ বুজনিও মাতৃ জোনালীৰ মনলৈ সাহস আহিল। ঋষিৰ মৃত্যুৰ এসপ্তাহ মানৰ পিছত জোনালীয়ে ঘৰৰ বাৰীত থকা কেইগুছি মান পাণ, কেইপোনমান তামোল, ঢেকীয়া ওচৰৰ দেউবৰীয়া সাপ্তাহিক বজাৰলৈ বিক্ৰী কৰিবলৈ লৈ গ'ল। পাণ-তামোল বিক্ৰী কৰি পোৱা কেইটামান টকাৰে ঘৰৰ কিছু সামগ্ৰী ক্ৰয় কৰিলে। আন মাতৃ-পিতৃৰ দৰে জোনালীয়ে জীয়েকলৈ একোৰে আনিব নোৱাৰাত মাতৃ দুচকুৰে নিগৰি আহে চকুলোঁ। কিন্তু কণমানি বীণাই মাকৰ দুচকু দেখি মাতৃক কান্দিবলৈ মানা কৰাত জোনালী ক্ষন্তেক সময় মৌন হৈ পৰে। বীণাই মাকৰ সংগ্ৰামী জীৱনৰ সমস্ত দুখ-সুখ বুজি পায়। লাহে লাহে এদিন দুদিনকৈ সময় বাগৰাত বীণা ডাঙৰ হ'বলৈ ধৰিলে। স্কুললৈ যাবলৈ মাকে ওচৰৰ প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰি দিলে। বীণাক স্কুললৈ যোৱাৰ বাবে আন মাতৃ-পিতৃৰ দৰে ভাল-ভাল ইউনিফৰ্ম, বহী-কলম, বেগ কিনি দিব পৰা নাছিল। কিন্তু কণমানি বীণাৰ তথাপি সংকোচ নাছিল। বীণা এজনী পঢ়াত অতি মেধাসম্পন্ন, সঙ্গীতত আনতকৈ বহুত পাৰ্গত আছিল। এদিনাখন বীণাৰ মাক জ্বৰত ভোগাত মাকলৈ বুলি কিবা এটা বনাই আনিবলৈ পাক ঘৰত সোমাই দেখে ঘৰত একোৰে নাই। সেইদিনা অসহায় ৰুগীয়া মাকক লৈ পিতৃহীন বীণাই ওৰে ৰাতি লঘোনে কটায়। কিন্তু পুৱাই খাবলৈ বুলি গাঁৱৰ ওচৰৰ মানুহৰ ঘৰলৈ বিচাৰি গৈছিল যদিও খালী হাতে আহিব লগা হ'ল। বীণাৰ মাকলৈ বৰ মৰম আছিল। সেইকণমানি জীয়ৰিয়ে মাকৰ দৰে কেই গুছিমান পাণ-তামোল লৈ বিক্ৰী কৰিব যায়। কেইটামান পইচা পোৱাত মাকৰ বাবে খাবলৈ কিছু সামগ্ৰী, লগতে জ্বৰৰ দৰব আনে। মাকে সেইদিনা জ্বৰৰ দৰব

খোৱাত কম পৰিমাণে জ্বৰৰ পৰা নিৰাময় হয়। মাকে পাক-ঘৰত সোমাই দেখে চাউল-দাইল একোৱে নাই। মাতৃয়ে পুৱাই গাঁৱৰ মানুহৰ ঘৰত কাম কৰিবলৈ যায়। কিন্তু উভতি আহি দেখে বীণা ঘৰত নাই। বীণাৰ চিন্তাত বৰকৈ বেজাৰ মনে কান্দি-কান্দি ভাগৰি পৰে, তেনেতে কণমানি জীয়ৰী দুবাহুত জীৱন সংগ্ৰামৰ বেগটো লৈ মুখেৰে গুণ-গুণাই নিচুকনি গীত জুৰি ঘৰলৈ আহি থকাত মাকে বাহিৰৰ ঘৰৰ দুৱাৰ খুলি দেখে বীণা স্কুলৰপৰা আহি আছে। তাই বেগটো থৈ পাকঘৰত সোমাই দেখে খাৱলৈ একো নাই। মাকক খাৱলৈ বুলি কিবা এটা বনাব দিয়াত মাকেও ততা-তয়াকৈ বীণালৈ কিবা এটা বনাই দিলে। বীণাই খাই বৈ অলপ জিৰণি লৈ পঢ়াৰ টেবুলত বহে। পিছদিনা দেওবৰীয়া সপ্তাহিক বজাৰ আছে, মাকে বজাৰলৈ বুলি মোনাত কেইপোনমান নেমু, পাণ-তামোল লৈ ৰাওনা হয়। কেঁকুৰিটো পাৰ হওঁতে গাঁৱৰ সিটো মূৰৰ নিতেন, নিৰেন, মধুহঁতে, বীণাহঁতৰ ঘৰফালে আহি আছে। সিহঁত তিনিওজনে মাকক মাত লগালে, "খুৰিদেউ ক'লৈ যায়?" তেনেতে মাকে সিহঁতক ক'লে "বোপাইহঁত বজাৰলৈ যাওঁ পাণ-তামোল, নেমু কেইটামান বিক্ৰী কৰি থৈ আহো।" মাক জোনালী কিছু দূৰ পাৰ হোৱাত সিঁহত তিনিওজনে ফুচ-ফুচাই কথা পাতিলে, বীণাহঁতৰ ঘৰত সোমাওঁ বুলি। তাৰে মাজৰ নিতেনে ক'লে, "মাক দেখোন আজি ঘৰত নাই, সোমাব নালাগে নেকি?" মানুহে বেয়া বুলিব। কিন্তু ইহঁত দুজনে নাই নামানে সোমাবই, তেনেতে নিৰেন, মধুই বীণাহঁতৰ ঘৰৰ পদুলিৰ জপনা খুলি সোমাই যোৱাত পিছে পিছে নিতেনেও ৰাওনা হয়। ঘৰৰ পদুলিৰ পৰাই নিৰেনে খুড়ীদেউ, খুড়ীদেউ বুলি মাত লগোৱাত বীণাই পঢ়াৰ টেবুলৰ পৰা মাত লগালে, "মা ঘৰত নাই।" তাই কোননো বুলি সোধাত সিহঁত তিনিওজনে "আমি" বুলি ক'লে। কিন্তু বীণাই আকৌ সুধিলে, "ভালদৰে পৰিচয়টো দিয়ক", এই বুলি সোধাত সিহঁত তিনিওজনে, নামকেইটা কোৱাত বীণা ওলাই আহে। মধুই ক'লে খুড়ীদেউ ক'লৈ গ'ল, বীণাই ক'লে, "মা বজাৰলৈ গ'ল।" চতুৰ নিতেনে তেনেতে বুদ্ধি সাজি পানী এগিলাচ আনিবলৈ ক'লে। তাই পাকঘৰত গৈ পানী এগিলাচ খাবলৈ দিয়ে, নিতেনে পানী গিলাচ লওঁতে বীণা হাতখনত ঘপককৈ ধৰিলে। খন্তেক সময়ৰ বাবে বীণা বৰকৈ কঁপিবলৈ ধৰে, নিতেনে ক'লে, "ভন্টি ভুলতে ধৰি পেলালোঁ।" নিতেনে পানী গিলাচ খোৱা হোৱাৰ পিছত সিহঁত তিনিওজনে তাৰপৰা নিজৰ ঘৰলৈ উভতি আহে। সিহঁতে পদুলিৰ পৰা ওলাই যোৱাৰ অলপ পিছতে মাক ঘৰ আহি পায়। বীণা মাকক অহা-দেখা পায়, মাকৰ ওচৰত গৈ সিহঁতৰ কথা কয়। বীণাই কান্দি কান্দি নিতেনে তাইৰ হাতত ধৰাৰ কথা মাকক কয়। সেইদিনা আকৌ মাকে বহু বছৰ মূৰত বীণালৈ এটা নতুন চোলা অনাত বীণা বহুত আনন্দত মগ্ন হয়। সন্ধিয়া হোৱাত বীণাই পদুলিটো ধুনীয়াকৈ সাৰি-মুচি আকৌ আগৰ দৰে পঢ়াৰ টেবুলত বহে। দুমুঠি অন্নৰ তাড়ণাত পুৱাই মাকে মাজগাঁৱৰ সিটো মূৰত কাম কৰিবলৈ যায়। বীণাৰ মাকে তাইক ভালদৰে থাকিবলৈ কয় আৰু লগতে সময় হ'লে স্কুললৈ যাবালৈ কৈ মাকে ঘৰৰপৰা ওলাই আহে। সিদিনা মাকে গোটেই বাটটো বীণাৰ কথা ভাবি-ভাবি আহি থাকে। ৮ বাজি ৩০ মিনিট হোৱাত বীণাই স্কুললৈ যাবলৈ ওলাই আছে। তেনেতে আকৌ সিহঁত তিনিওজনে বীণাৰ ঘৰত সোমায়। এইবাৰ আকৌ দুষ্ট মধুৱে বীণাক মাত লগালে "খুড়ীদেউ ঘৰত আছেনে?" তাই ক'লে, "মা মাজগাঁৱৰ সিটোৰ মূৰত কাম কৰিব গৈছে। মধুৱে বীণাক ক'লে, "বীণা তোমালোকৰ ঘৰৰ খৰি কটা কুঠাৰ আৰু দাখন দিয়াচোন, আমি তিনিজনে নিতেনহঁতৰ বাৰিত খৰি কাটিবলৈ আহিছো।" এইবুলি কোৱাত তাই সঙ্কোচ নকৰাকৈ দা-কুঠাৰ আনি দিলে। নিতেনে দা-কুঠাৰ লোৱা লগে লগে মধু আৰু নিৰেন, ইহঁত দুয়োজনে বীণাক জোৰ-জবৰদস্তিকৈ অপকৰ্ম কৰিব খুজিছে। বীণাই অমান্তি হোৱাত নিতেনে দা-কুঠাৰ দেখুৱাই মৃত্যুৰ ভাবুকি দিয়াত বীণাই বৰকৈ ভয় খায়। দানৱৰূপী ইহঁত তিনিওজনে বীণাৰ সতে অপকৰ্ম কৰিব ধৰে। তাই বৰকৈ চিঞৰিছে যদিও বীণাৰ মাত কোনেও শুনা পোৱা নাই। মধুৱে বীণাৰ মুখ হাতেৰে সোপামাৰি ধৰাত তাই অচেতন হৈ পৰে। তাই মৃত্যু হোৱা বুলি ভাবি লগে লগে সিহঁত তাৰ পৰা পলাই-পত্ৰং দিয়ে। মাকে ঘৰত আহি দুৱাৰখন খুলি দেখে বীণা মুমূৰ্ষু ৰক্তাক্ত অৱস্থাত অচেতন হৈ পৰি আছে। মাক-জোনালীয়ে ইনাই-বিনাই চিঞৰি-চিঞৰি কান্দি থকা মাত শুনাত গাঁৱৰ কেঁকুৰিটোৰ মূৰৰ মানুহে আহি দেখে মাক-অচেতন হৈ পৰি আছে। আনফালে বীণা ৰক্তাক্ত অৱস্থাত কিছু দূৰত পৰি আছে। লগে লগে গাঁওৰ মানুহবোৰৰ হুৱা-দুৱা লাগে, গাঁৱৰ সকলো মানুহে মিলি গাঁৱলীয়া ঔষধ খুৱাই দিয়াত, স্বামীহীনা জোনালী আৰু বীণা খন্তেক সময়ৰ পিছত সুস্থ হৈ উঠে। কিছুসময়ৰ পিছত গাঁৱৰ সকলোৱে বীণাক সোধাত ইহঁতৰ এটা এটাকৈ নাম কৈ যায়। পিছদিনা গাঁৱত ৰাইজে বীণাক ধৰ্ষণ কৰা দোষিক শাস্তি প্ৰদান কৰিবলৈ গাঁৱত এখন ৰাইজমেল পাতিলে। কিছুমান গাঁৱৰ মুখিয়াল মানুহে কেইটকামান পোৱাৰ লালসাত দুষ্ট নিতেন, নিৰেন আৰু মধুহঁতৰ হকে ৰায় দিয়ে। আনকি কিছুমানে আকৌ অসহায় মাতৃৰ আৰু জীয়ৰীৰ হকে মতামত আগবঢ়াই যদিও শেষত ইহঁত তিনিজনৰ হকে সৰহভাগ ৰাইজে মেলত হয়ভয় দিলে। মাতৃ আৰু জীয়ৰীয়ে উচিত ন্যায় নোপোৱাৰ বেদনাত দুখ মনে ঘৰলৈ উভতি

আহে। মাকে জীয়েকক দুহাতে আলিঙ্গন (সাৱটি) কৰি দুখত ভাগৰি পৰে। কিছুসময়ৰ পিছত মাকে বীণাক বুজালে, যে আমাৰ দৰে দুখীয়া অসহায় মানুহক সহায় কৰা মানুহ সমাজত প্ৰায় কমেই। তাইক ভালদৰে পঢ়া শুনা কৰিব দিছে যাতে তাই সিহঁতৰ অসহায় মানুহক সহায়ৰ হাত আগবঢ়াব পাৰে। এনেকৈ এদিন দুদিন কৈ বছৰ বাগৰাত ফুল কুমলীয়া বীণা গাভৰু হ'বলৈ ধৰে। বীণাই গাঁৱৰ হাইস্কুলৰপৰা মেট্ৰিক পৰীক্ষাত ছয়টা বিষয়তে লেটাৰ সহ সৰ্বাধিক নম্বৰ লৈ সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। বীণাই উচ্চ শিক্ষাৰ বাবে গাঁৱৰ ওচৰৰ এখন মহাবিদ্যালয়ত কলা-শাখাত নামভৰ্ত্তি কৰে। তাই ঘৰৰপৰা মহাবিদ্যালয়খনলৈ প্ৰায় ঠিক পাঁচ কিলোমিটাৰমান সদায় খোজকাঢ়ি অহা-যোৱা কৰিছিল। কিছুমানে তাইক সৰুতে ধৰ্ষণ কৰা কথা শুনি ভদ্ৰতাৰ মুখা পিন্ধা মানুহে বৰকৈ ঠাট্টা মস্কৰা কৰি তাইক দেখিলেই হাঁহে। পিতৃহীনা বীণাই কেতিয়াবা বৰকৈ হতাশাত ভোগে, আন বহুজনৰ কৰ্কথনা শুনি এদিন আত্মহত্যা কৰিব বিচাৰিছিল যদিও তাইৰ হঠাৎ মাকৰ আৰু সমাজৰ ভদ্ৰলোকৰ মুখা পিন্ধি থকা অভদ্ৰ লোকসকলৰ আচৰণ সংশোধন কৰিব লাগিব, সেই কথা মনত অহাত তাই আত্মহত্যাৰপৰা বিৰত থাকে, তাইৰ কলেজৰ একমাত্ৰ বান্ধৱী মাধুৰী। মাধুৰীয়ে তাইক বহুত সাহস দিছিল। বীণাই পঢ়াৰ লগতে সঙ্গীতো ভালদৰে গোৱাত পাৰ্গত। কলেজত তাই সঙ্গীত প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ অৰ্জন কৰে। তেতিয়াৰ পৰাই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অতি মৰমৰ ছাত্ৰী হৈ পৰে। তাই দ্বাদশ পৰীক্ষাতো প্ৰথম বিভাগত উত্তীৰ্ণ হয়। স্নাতক ডিগ্ৰীত অৰ্থবিভাগত অনাৰ্চ লৈ বিশ্ববিদ্যালয়ৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ পাবলৈ সক্ষম হয়। মাকে তাইৰ পৰীক্ষাৰ ফলাফলৰ খবৰ শুনি মনত আনন্দ অনুভৱ কৰে। লাহে লাহে মাতৃৰ বয়স পঞ্চাচউৰ্ধ হ'ল। টকাৰ অভাৱত তাইৰ উচ্চ শিক্ষা ইমানতে সামৰণি মাৰিলে। এদিন মাকৰ হঠাতে পানী লগাৰ জ্বৰত আক্ৰান্ত হ'ল। প্ৰাথমিক চিকিৎসাৰ সেৱাৰ কেন্দ্ৰলৈ নিয়া হৈছিল যদিও মাক সুস্থ হোৱা নাছিল। দিনে দিনে মাকৰ স্বাস্থ্যৰ অৱনতি ঘটাত মাককো অকালতে হেৰুৱালে। মাকক হেৰুৱাই বীণাৰ একোতে মন নব'হা হ'ল। তাইৰ আপোন বুলিবলৈ কোনোৱেই নাই, সম্পূৰ্ণ অকলশৰীয়া হৈ পৰিল। মাথোঁ মাক-দেউতাকে সাজি থৈ যোৱা ভঙা-চিঙা জুপুৰীটোৱে একমাত্ৰ সাৰথি। কেতিয়াবা যদি এসাজ খাইছে, কেতিয়াবা লঘোনে কটাইছে। তাই জীৱনত তথাপিও হাৰ মনা নাই। শীৰ্ষতৰ পৰা শীৰ্ষৰলৈ সুউচ্চ জীৱনৰ পৰ্বতমালা বগাবলৈ মাথো সংগ্ৰাম কৰি গৈছে। বহুত ধনী ধনীলোকৰপৰা তাইলৈ বিয়াৰ প্ৰস্তাৱ আহিছিল যদিও বীণাই সেই প্ৰস্তাৱ গ্ৰহণ কৰা নাছিল। কেই বছৰমান পিছত বীণাই এজন খেলাৱলাৰ লগত সাংসাৰিক জীৱন আৰম্ভ কৰে। তেওঁৰ স্বামী বৰকৈ মানৱদৰবী আছিল। সেয়ে তাই তেওঁক স্বামীৰূপে গ্ৰহণ কৰে। তাইৰ স্বামী খেলাৱলা হোৱাৰ বাবে বহুতে তাইক ঠাট্টা কৰিছিল। জীৱনৰ বহু দুখ-কষ্টৰ সংগ্ৰামৰ মাজতে এদিন তাই অসম লোকসেৱাৰ আয়োগত উত্তীৰ্ণ হয়। সেই আনন্দত সিদিনা তাই সংগ্ৰামী জীৱনৰ সুউচ্চ পৰ্বতত জীৱন জয়ৰ নিচান উৰুৱায়। বীণাই উপায়ুক্তৰ পদৰ চাকৰি গ্ৰহণ কৰিয়ে সকলোকে সমানে নিষ্ঠা আৰু সততাৰে সমাজৰ বাবে সৎ কাম কৰি যায়। তাই চাকৰি জীৱনৰ দুই তৃতীয়াংশৰ ধন ৰাখি দুখীয়ালৈ আগবঢ়ায়। তাইৰ মাকৰ নামত এখন পিতৃ-মাতৃহীন আশ্ৰম আৰু ধৰ্ষিতা আশ্ৰম স্থাপন কৰে। দুয়োখন আশ্ৰমত বীণাই দায়িত্ব গ্ৰহণ কৰে। এই আশ্ৰমত সকলোকে সুখ-শান্তিৰে জীৱন নিৰ্বাহ কৰিবলৈ শিকায়; জীৱন জয়ৰ কাঁইটীয়া পথবোৰ কিদৰে পাৰ হ'ব তাক শিকায়। যিসকলে জীৱনৰ দুখ কি একোৱে গম পোৱা নাই সেইসকলে জীৱনৰ সুখ আনন্দৰ কি তকো সঠিকভাৱে অৰ্জন কৰিব পৰা নাই। তাইৰ আশ্ৰমৰ লৈ আহিলে কৈ যায়, মাতৃ পিতৃহীন দুখ-কষ্ট কেতিয়াও মানুহৰ জীৱনত হেঙাৰ হ'ব নোৱাৰে। সুখ-শান্তিৰ যিমানকন পাইছা তাকেই লৈ জীৱনটো ৰঙীন কৰিবলৈ শিকা। জীৱনৰ খলা-বমা কাঁইটীয়া পথবোৰ পাৰ হ'বলৈ সংগ্ৰাম কৰা কোনোকালে পিছলৈ উভতি নাচাবা। এদিন হয়তো জীৱনৰ বিজয় নিচান উৰাবলৈ সক্ষম হ'বা। নাৰী জাতি কেতিয়াও কোনো কালে দুৰ্বল নহয়। আমি মাথো ইউক্যালিপটাস (Eucalyptus) গছৰ দৰে ওখ হ'বলৈ শিকো, সমাজত অক্সিজেন দিবলৈ শিকোঁ। জীৱনলৈ অহা ধুমুহাও আমাৰ গছৰ ডাল পাত সৰাই শেষ কৰিব নোৱাৰাকৈ সুউচ্চ পৰ্বৰ্তমালাৰ দৰে থিয় হৈ থাকিব খোজোঁ। নাৰী জাতি কোনো-কালে দুৰ্বল নহয়।

"নাৰী-জাতি কোনোকালে দুৰ্বল নহয়।<br>
"নাৰী-জাতি কোনোকালে দুৰ্বল নহয়।<br>
"নাৰী-জাতি কোনোকালে দুৰ্বল নহয়।"

# ৰোমন্থন

## মহৎ লোকৰ মহান বাণী

- সংক্ষেপত কোৱাটোৱেই বুদ্ধিৰ চিনাকী।

  — উইলিয়াম শেক্সপীয়েৰ

- এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একে কথা।

  — মিল্টন

- আমাৰ চিন্তা ভাৱনাৰ পৰাই চৰিত্ৰ গঠন হয়।

  — আনন্দ চন্দ্ৰ আগৰৱালা

- তুমি জীৱনক ভাল পোৱানে? যদি ভাল পোৱা অলপো সময় নষ্ট নকৰিবা, কিয়নো সময় ধাতুৰে নিৰ্মিত বস্তু নহয়।

  — ফ্ৰেঙ্কলিন

# বকুলৰ সুবাস

ৰুজী মুদৈ
প্ৰাক্তন ছাত্ৰ



বকুলেই যাৰ চিনাকি,
সুগন্ধিৰে আমোল-মোলাই
থকা জাগীৰোডত অৱস্থিত
তথা হেজাৰ নৱ-প্ৰজন্মৰ
আশাৰ ৰেঙনি
আমাৰ জাগীৰোড মহাবিদ্যালয়।

“প্ৰথমেই কওঁ মোৰ সপোন বাস্তৱ হোৱা এটি কেন্দ্ৰ”

এটা দিন আছিল যিটো দিনত মই সন্দিকৈ কলেজত নামভৰ্ত্তি কৰাৰ পিছতো মোৰ মা-দেউতাই আলোচনা কৰিছিল মোক জাগীৰোডৰ অভিনয় বিভাগত নাম লগাই দিয়াৰ। কাৰণ মাহঁতে গম পাইছিল যে অসমত পোনপ্ৰথমবাৰৰ বাবে অভিনয়ৰ আনুষ্ঠানিক শিক্ষাকেন্দ্ৰ আৰম্ভ কৰিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত জাগীৰোড মহাবিদ্যালয়ত। সেয়াই আছিল মা আৰু দেউতাৰ মোৰ ওপৰত বিশ্বাস। অভিনয়ৰ লগত জড়িত নথকা যদিও ইতিমধ্যে মই শাস্ত্ৰীয় নৃত্য, শাস্ত্ৰীয় সংগীত তথা চিত্ৰ আৰু ভাস্কৰ্যৰ ওপৰত অধ্যয়ন সম্পূৰ্ণ কৰিছিলো লগতে কণ্ঠ প্ৰয়োগ কৰি Voice over Artist হিচাপেও কাম কৰিছিলো “আকাশবাণী কেন্দ্ৰ গুৱাহাটী”ত। স্কুল তথা প্ৰাগজ্যোতিষ কলেজৰ পঢ়ি থকাৰ সময়ছোৱাত Voice over Artist, কবিতা আবৃত্তি, গীত, নৃত্য আদিৰ লগত জড়িত আছিলো। কিন্তু কেতিয়াও অভিনয়ৰ লগত মোৰ সম্পৰ্ক নাছিল। প্ৰথম মই অভিনয়ৰ লগত সম্পৰ্ক স্থাপন কৰিলো ২০১৬ চনত জাগীৰোড স্থিত জাগীৰোড কলেজৰ অভিনয় বিভাগত নামভৰ্ত্তি কৰি। লাহে লাহে উপলব্ধি কৰিলো অভিনয়ত মই নিজকে বিচাৰি পাওঁ। নিজক বহুতো ধৰণে উপস্থাপন কৰিব পাৰো। লগতে এটা কথা সদায় ক'ব লাগিব যে উপস্থাপন কৰিবলৈ যি কেইগৰাকীয়ে শিকাইছিল, বুজাইছিল সেই তিনিও গুৰুকে

মোৰ ফালৰপৰা আন্তৰিক ধন্যবাদ। মোৰ অভিনয়ৰ জগতখনৰ মূল মানুহকেইগৰাকী ক্ৰমে-মলয়া গোস্বামী মেম, মানসপ্ৰতীম নেওগ ছাৰ, সঞ্জীৱ বুঢ়াগোঁহাই ছাৰ, তেখেতলোক নহ'লে হয়তো আজি মই আৰু এখোজ আগবাঢ়ি অভিনয়তে আকৌ অধ্যয়নৰত হৈ থাকিম বুলি নাভাবিলোহেঁতেন। শিকিলো, বুজিলোও কিন্তু এই সকলোকে উৎসাহেৰে চলাই লৈ গৈছিল আমাৰ ঢালস্বৰূপ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ ছাৰ। বহুত বস্তু আমাৰ চকুৰ সন্মুখত পূৰ্ণ কৰি তুলিছিল। বাৰুকৈয়ে সুধিছিল আৰু কি কি প্ৰয়োজন হ'ব আৰু অলপ সময় লাগিলেও আমাৰ প্ৰয়োজনীয় সামগ্ৰী দিবলৈ সম্পূৰ্ণ যত্ন কৰিছিল। তেতিয়াই বুজি উঠিছিলো এজন অধ্যক্ষ যে ইমান সাংস্কৃতিক সুলভ হ'ব পাৰে। এটা শব্দত ক'বলৈ গ'লে সকলোতকৈ সুকীয়া আৰু কলাসুলভ বিষয় এটি নিজৰ কলেজখনত জন্ম দি আজি তেওঁ আমাৰ মাজত এজন নায়ক।

২০১৬ চনত প্ৰথম গৈয়েই জাগীৰোড কলেজৰ আদৰণি সভাত নিজক উপস্থাপন কৰা। লাহে লাহে বন্ধুবৰ্গ বনোৱা, সকলোৰে লগত শিল্পীসুলভ বাৰ্তালাপ লগতে অগ্ৰজসকলৰ পৰা কথা শিকিবলৈ পোৱা। 'কলেজ সপ্তাহত' প্ৰতিযোগিতাত ভাগ লোৱা আৰু বঁটা পাই মন ভাল লগা উৎসাহ পোৱা।

বেলেগ বেলেগ ধৰণৰ চৰিত্ৰ কৰা আৰু চৰিত্ৰটোক বুজি পোৱা, এইবোৰে মোক বহুত বেছি শান্তি দিলে আৰু এদিন কথা পাতি থাকোতেই বন্ধু এজনৰ বন্ধুত্বই মোক চিনাকি কৰালে ড° অঞ্জনাময়ী শইকীয়া মেমৰ লগত আৰু মই তেওঁৰ লগত প্ৰথমবাৰৰ বাবে পৰিৱেশন কৰিলো এখন 'ডান্স ড্ৰামা', বিষয় আছিল কেন্সাৰ আৰু তেনেদৰেই এদিন মই সঙ্গীত নাটক একাডেমী বঁটা প্ৰাপ্ত মইনুল হক ছাৰৰ সান্নিধ্য পালো। আৰু তেওঁৰ পৰিচালনাত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ মুকাভিনয় পৰিবেশন কৰিলো লগতে মাইম একাডেমীৰ স্থায়ী সদস্যা হৈ পৰাৰ সুযোগ পালো।

কেইজনমান বিশিষ্ট ব্যক্তিৰ লগত শিকাৰ অভিজ্ঞতা —

ড° মৃণালজ্যোতি গোস্বামী, মানস প্ৰতীম নেওগ, সঞ্জীৱ বুঢ়াগোঁহাই, মইনুল হক, মলয়া গোস্বামী, অঞ্জনাময়ী শইকীয়া, বৰ্ণালী গগৈ, গৌতম শৰ্মা, গুণমণি বৰুৱা আদিল হুচেইন, সীমাবিশ্বাস, জয়ন্ত দাস, এলি আহমেদ, দাৰা আহমেদ, শান্তা উজীৰ, ভূপেন উজীৰ, চেতনা দাস, হীৰেন ভট্টাচাৰ্য, ৰাজেশ ভূএগ্রা, মলয় পৰণ, অনুপ হাজৰিকা, পাকিজা বেগম, জ্যোতি নাৰায়ণ নাথ, ভাস্কৰজ্যোতি বৰুৱা, ইনু বনিয়া ইত্যাদি। ২০১৭ চনত মানস প্ৰতীম নেওগ ছাৰৰ পৰিচালনাত 'পূৰ্বৰঙ্গ আন্তঃৰাষ্ট্ৰীয় থিয়েটাৰ মহোৎসৱত' "পাখি লগা অসমীয়া" পৰিবেশন কৰিবলৈ সুযোগ পাইছিলো। জাগীৰোড কলেজৰ হৈ মই মুকাভিনয় প্ৰতিযোগিতাত ALCHERINGA 2017 ত ভাগ লৈছিলো আৰু দ্বিতীয়স্থান পাবলৈ সক্ষম হৈছিলো। আৰু ২০১৭ তেই প্ৰথমবাৰৰ বাবে অসমৰ বিখ্যাত অসমীয়া চেনেল 'ৰং'ৰ সৈতে জড়িত হোৱাৰ লগতে চিৰিয়েল কৰাৰ সৌভাগ্য হৈছিল। আৰু সকলোৰে মনৰ ভিতৰত ৰং সানি থৈ যোৱা চিৰিয়েল ভাড়াঘৰত অভিনয় কৰাৰ সুযোগ মই পাইছিলো, তেতিয়া পৰিচালনাত ইনু বণিয়া বা আছিল আৰু যথেষ্ট শিকিব পালো তেওঁৰ পৰা।

২০১৮ – চনত PRAGJYOTI ITA Centre for performing Arts, Maskhowa ত অনুষ্ঠিত হোৱা "DREAM GIRL" Fashion show মুকাভিনয় পৰিবেশন কৰিছিলো। তেনেদৰে '২০ তম্ Northeast Book fair 2018' ত All Assam publishers & Bookselers Association ৰ সৌজন্যত পতা সাংস্কৃতিক অনুষ্ঠানত সঙ্গীতালক্ষ্য প্ৰদৰ্শন কৰি প্ৰথম পুৰস্কাৰ লাভ কৰিছিলো। জাগীৰোড কলেজত পঢ়ি থকাৰ সময়ত আৰু অনেক কাম কৰিছো। তাৰে মাজৰ Natabihanga Theatre ত ভাস্কৰ বৰুৱাৰ পৰিচালনাৰে "ৰাৱন" an untold love story... বুলি এখন নাটক কৰা, তেজপুৰ বিশ্ববিদ্যালয়ে আয়োজন কৰা "ARNAWAST" an Art Sliterary Festival ত KBR Auditorium ত মুকাভিনয় প্ৰদৰ্শন কৰা, 'সোণাপুৰ আঞ্চলিক ৰাস মহোৎসৱ ২০১৮' ত সঞ্জীৱ বুঢ়াগোহাই ছাৰৰ পৰিচালনাত ভাওনা "শকুনিৰ প্ৰতিশোধ" প্ৰদৰ্শন। মুকাভিনয় প্ৰদৰ্শনৰ বাবে National Mime Festival Impal, Manipur যোৱা, Act in Assamese short film "THE MIDNIGHT MURDER" which was screening at Guwahati International Film

Festival 2018, জাগীৰোড কলেজত আমি সকলোৱে মিলি আয়োজন কৰা ভাওনাৰ নিশাত ময়ো ভাও লৈছিলো, আমাৰ ভাওনা আছিল "নৃসিংহ মুৰাৰী"। ভাৰতত প্ৰথমবাৰ হোৱা অলিম্পিক থিয়েটাৰ মহোৎসৱত আমি জাগীৰোড কলেজৰপৰা Road show কৰিছিলো কলাক্ষেত্ৰত।

জাগীৰোড কলেজত NAAC অহাৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীৰ লগতে ছাৰহঁতেও আমাৰ লগত কলেজখন সজোৱাত সম্পূৰ্ণ সময় দিছিল। আমাৰ অধ্যক্ষ অৰ্থাৎ ড° ভবেন চন্দ্ৰ নেওগ ছাৰ আমাৰ লগত ৰাতি ৰাতি উজাগৰে থাকি আমাক দিহা পৰামৰ্শ দিয়াৰ লগতে উৎসাহ দিছিল।

আমাৰ সকলোৰে উদ্দেশ্য এটাই আছিল আমাৰ ঘৰখন ১০০% ধুনীয়া কৰি তোলাৰ। আৰু যিদিনা NAAC ৰ সকলো মুৰব্বী আহি আমাৰ সত্ৰীয়া নৃত্য, মুকাভিনয়, বৰগীত, বিহু আদি সকলো উপভোগ কৰিছিল, আমি তেখেতসকল মুখমণ্ডলত দেখিবলৈ পাইছিলো আমাৰ কষ্ট সাৰ্থক হোৱা। এইয়াই আছিল আমাৰ পৰিয়ালটো সমিলমিলে কৰা আৰু সফল হোৱা কাৰ্য। তেনেদৰেই মই জাগীৰোড কলেজৰপৰা তিনিটা বছৰেই গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱমহোৎসৱত বহুতো সফলতা অৰ্জন কৰিবলৈ পালো। তিনিটা বছৰ সুখ-দুখৰ মাজেৰে অতিক্ৰম কৰিছিলো এটা পৰিয়ালৰ দৰে লগ হৈ সকলো। অভিনয় বিভাগ কেতিয়াও অকলশৰীয়া হৈ থকা নাছিল। ভৱেন ছাৰে সমমৰ্যদা দিছিল আমাক আৰু আজিও মই সেয়েহে নিজক সাহসী বুলি ভাবো, কাৰণ জাগীৰোড মহাবিদ্যালয়ে মোক আহিবৰ সময়তো উৎসাহ দিছিল। সেই উৎসাহত জীয়াই থাকি আজি মই মোৰ ঠাইত ভালদৰে কাম কৰি আছো। ৰং চেনেলত ধাৰাবাহিক, গানৰ এলবাম, Voice over Artist (Animation Film, ETVChannal), নাটক, ভাওনা আদি সকলোতে ব্যস্ত হৈ আছো, লগতে মই বৰ্তমান এগৰাকী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ স্নাতকোত্তৰ শাখাৰ নাট্যকলা বিভাগৰ তৃতীয় ষান্মাষিকৰ ছাত্ৰী।

জয় জাগীৰোড মহাবিদ্যালয়।।

●



# সফলতাৰ খৰঙনি

**বিজিত কুমাৰ দাস**
প্ৰাক্তন ছাত্ৰ

নিজকে বহুত বেছি সৌভাগ্যবান বুলি ভাবো, যিহেতু মই এটি সাংস্কৃতিক পৰিয়ালত ডাঙৰ-দীঘল হ'লো। কাৰণ আমাৰ পৰিয়াল অতীতৰপৰাই সামাজিক তথা সংস্কৃতিক পৰিৱেশৰ লগত জড়িত হৈ আহিছে। সৰুৰেপৰা দেখি আহিছো ককায়ে গাঁওত ভাঁওনা শিকোৱা। মোৰ বায়ে মঞ্চত সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰিলে দাদাই খোল বজোৱা, দেউতাই তাল সঙ্গত কৰা। সেইবাবেই হয়তো মোৰ তেজৰ সিৰে সিৰে সোমাই পৰিছিল গীত, নৃত্য, অভিনয়। সৰুৰেপৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহু ঠাইত ক্লাচিকেল নাটক, নাটক, কৰ্মশালা কৰিছিলো। H.S পঢ়িবলৈ গুৱাহাটী আহোতে লগ পালো সঙ্গীত নাটক একাডেমী বঁটাপ্ৰাপ্ত মইনুল হক ছাৰক আৰু তেওঁৰপৰা শিকিবলৈ পালো মুকাভিনয়। মইনুল হক ছাৰৰ তত্বাবধানত ২০১২ চনত মুকাভিনয়ত (চিনিয়'ৰ) ৰাষ্ট্ৰীয় জলপাণি পাবলৈ সক্ষম হৈছিলো Ministry of cultural govt. of India ৰ পৰা।

গুৱাহাটীত শিক্ষা গ্ৰহণ কৰি থাকোতেই মই বহু কেইজন বিশিষ্ট নাট্যকাৰৰ তত্বাবধানত নাটক আৰু মুখাভিনয় কৰিবলৈ পাইছিলো। উদাহৰণস্বৰূপে - অবিনাশ শৰ্মা, অনুপ হাজৰিকা, বলৰাম দাস, মানসপ্ৰতীম নেওঁগ (NSDian), ড° অঞ্জনাময়ী শইকীয়া, ড° মৃণালজ্যোতি গোস্বামী, কপিল বৰা, জেৰিফা ৱাহিদ, ভাস্কৰ বৰা (NSDian) আৰু বহুতো। মোৰ নাটক আৰু মুকাভিনয় প্ৰতি থকা শ্ৰদ্ধা আৰু আগ্ৰহ দেখি সকলোৱে মোক কৈছিল আনুষ্ঠানিক শিক্ষা লাভ কৰিবৰ বাবে NSD ত নামভৰ্তি কৰিবলৈ। যিহেতু আমাৰ অসমত অভিনয় শিকিবৰ বাবে কোনো বিদ্যালয় নাছিল, কিন্তু নেজানো কিয় অসমখন এৰি যাবলৈ মোৰো মন নাছিল।

২০১৪ চনত B.Borooah কলেজৰ পৰা বিজ্ঞান বিভাগত স্নাতক ডিগ্ৰী লাভ কৰিলো। ২০১৫ চনত মানস প্ৰতীম নেওগ ছাৰৰ পৰিকল্পনা আৰু পৰিচালনাত এখন নাটক কৰা কথা আছিল "কৃপাবৰী বহুঘৰা" DD North East Channal ৰ বাবে নাটকখনৰ আখৰা কৰি থকা সময়তে ছাৰৰপৰা গম পালো যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত জাগীৰোড মহাবিদ্যালয় অভিনয় বিভাগ খুলিছে। কথাটো শুনি মনত বহুত আনন্দ পালো। অভিনয় আনুষ্ঠানিক শিক্ষা লাভ কৰিবলৈ বহুত হেঁপাহ আছিল আৰু অসমত পোন প্ৰথমবাৰৰ বাবে অভিনয়ত ডিগ্ৰী প্ৰদান কৰিব। মই আৰু মোৰ দাদা স্বৰূপ দেৱজিৎ ডেকা দাই মিলি চিন্তা কৰিলো জাগীৰোড কলেজত অভিনয় বিভাগত আমি শিক্ষা গ্ৰহণ কৰিম। গুৱাহাটীৰপৰা জাগীৰোড কলেজত

Form-Fillup কৰিবলৈ যাওঁতে মন কৰিলো যে গুৱাহাটীৰপৰা জাগীৰোড ৫৫ কিলোমিটাৰ। প্ৰথমতে অলপ চিন্তাত পৰিছিলো যে সদায় কেনেকৈ অহা-যোৱা কৰিম, কাৰণ আমি সেই সময়ত নাটক আৰু মুকাভিনয় প্ৰায় কৰি আছিলো গুৱাহাটীত। কিন্তু আমি মনটোক স্থিৰ কৰি ল'লো যে কষ্ট কৰি হ'লেও আমি কালাংশ সমূহ কৰি যাম। জাগীৰোড কলেজত প্ৰথম খোজ দিওঁতেই দেখিলো যে সেউজীয়া প্ৰকৃতিৰ মাজত এখন সুন্দৰ কলেজ। প্ৰথম দিনেই কলেজখন আপোন যেন লগা হ'ল। Form-Fillup কৰি নিজৰ অভিনয় বিভাগটো চাব গ'লো। অভিনয় বিভাগৰ ৰুমটো নতুনকৈ বনোৱা হৈছে, ফ্ল'ৰখন পকাৰ, দুই এখন বেঞ্চ প্ৰকাণ্ড হল। যিহেতু বিভাগটো প্ৰথম আৰম্ভণি হৈছিলহে আৰু আমি ১২ জন ছাত্ৰ-ছাত্ৰী আছিলো প্ৰথম ৱেটছ।

Form-Fillup কৰাৰ দুদিনমান পিছতেই আমাৰ নৱাগত আদৰণি আছিল। আমাৰ অভিনয় বিভাগৰ বন্ধুসকলে আগৰপৰাই Freshers ৰ বাবে ১০ মিনিটৰ এখন নাটক আখৰা কৰি আছিল। মই আৰু দেৱজিৎ দাই মাইম শিকি আছিলো বাবে আমাক মাইম এটা কৰিবলৈ ক'লে। আমি ভাৰতীয় জোৱানসকলৰ ওপৰত, ড° ভূপেন হাজৰিকাদেৱৰ গান এটাত অপৰাজেয় নামৰ এক্ট এটা কৰিছিলো। সকলো শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীয়ে বহুত ভাল পাইছিল আমাৰ এক্টটো। জাগীৰোড কলেজৰ অধ্যক্ষ ভৱেন চন্দ্ৰ নেওগ ছাৰেও আমাক উৎসাহ জগাইছিল আৰু নগাঁওত হ'বলগীয়া "International Seminar on Holistic Education for a better world" ত মাইম পৰিৱেশন কৰিবলৈ বাচনি কৰিছিল। মই আৰু দেৱজিৎ দাই বহুত আনন্দেৰে নগাঁওৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ত জাগীৰোড কলেজক ৰিপ্ৰেজেণ্ট কৰি মুকাভিনয় পৰিৱেশন কৰিছিলো।

অভিনয়ৰ কালাংশবোৰ যেতিয়া আৰম্ভ হ'ব ধৰিলে মই আৰু দেৱজিৎ দাই ৰাতিপুৱা ৫:৩০ বজাত উঠি পল্টনবজাৰ ৰেলষ্টেচন ৭ বজাত পোৱাকৈ আহো ৭:১৫ ত আমাৰ ৰেল থাকে ৮:৪৫ বজাত আমি জাগীৰোড ষ্টেচন পাওঁ আৰু ৯ বজাত শ্ৰেণীত সোমাইছিলো। ২ বজাত আমাৰ শেষ হৈছিল আৰু আমি দৌৰি দৌৰি ষ্টেচন আহো ২:১৫ বজাৰ ৰেল ধৰো গুৱাহাটী ৪:১৫ মানত পাঁও। আকৌ ৪:৩০ ৰপৰা মইনুল হক ছাৰৰ Mime Academry মুকাভিনয়ৰ আখৰা কৰো। ৬:৩০ (সন্ধিয়া) বজাত মুকাভিনয় আখৰা শেষ কৰি ৭:০০ (সন্ধিয়া) বজাত নাটকৰ আখৰা আৰম্ভ হয় অবিনাশ শৰ্মা ছাৰৰ। ঘৰ আহি পাঁও ৯:৩০ (নিশা) আৰু কেতিয়াবা ১০ বজাত। ইমান কষ্ট কৰিছিলো যদিও কেতিয়াও সেই কষ্ট অনুভৱ হোৱা নাছিল, কাৰণ নাটক কৰি ভাল পাইছিলো।

চাওঁতে চাওঁতে আহি পৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ। আমাৰ কোনো ধৰণৰ আয়োজন নাছিল, কিন্তু আমাৰ অধ্যক্ষ ছাৰৰ আমাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছিল। সেইবাবে আমাক যুৱ মহোৎসৱত ভাগ ল'বলৈ কৈছিল। কেৱল ২ দিনৰ ভিতৰত মানস প্ৰতীম নেওগ ছাৰ আৰু সঞ্জীৱ বুঢ়াগোহাই ছাৰে কষ্ট কৰি মুকাভিনয় আৰু ব্যঙ্গত্মক প্ৰস্তুত কৰোৱাইছিল। প্ৰথমবাৰ যুৱ মহোৎসৱত আমি ব্যঙ্গাত্মক নাটকত দ্বিতীয় হৈছিলো। আৰু মুকাভিনয়ত আমি প্ৰথম স্থান পালো হয় কিন্তু আমি সময়সীমাৰ ১০ ছেকেণ্ড অতিক্ৰম কৰা বাবে অযোগ্য ঘোষিত কৰা হ'ল। সেইদিনাই গম পালো সময়ৰ মহত্ব। দ্বিতীয়বাৰ যুৱ মহোৎসৱত আমি নাটক, মুকাভিনয় আৰু ব্যঙ্গত্মক নাটক কৰিছিলো। সেইবাৰ নাটকত মই সৰ্বশ্ৰেষ্ঠ সহায়ক অভিনেতা, মুকাভিনয়ত তৃতীয় আৰু ব্যঙ্গ নাটকত দ্বিতীয় হৈছিলো। কিন্তু মোৰ ইচ্ছা আছিল জাগীৰোড কলেজ হৈ যুৱ মহোৎসৱত গোল্ড অনাৰ। তৃতীয়বাৰ যেতিয়া যুৱ মহোৎসৱ হৈছিল, তেতিয়া আমাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি আছিল সেয়েহে আমি বহুকেইটা সাংস্কৃতিক বিভাগত নামভৰ্তি কৰিব পাৰিছিলো। যেনে- অৰকেছট্ৰা (Orchestra), Skit, Drama, Mine, Geet etc। এইবাৰ আমি ২০ দিন মান দিন ৰাতি এক কৰি আখৰা কৰিছিলো। আৰু আমি মুকাভিনয়ত প্ৰথম, নাটকত প্ৰথম, Orchestrat প্ৰথম Skitত দ্বিতীয় পালো। আৰু গোটেই গুৱাহাটী বিশ্ববিদ্যালয়ত অকল জাগীৰোড কলেজৰ কথাই পাতি আছিল। সকলোৰে কষ্ট সাৰ্থক হৈছিল আৰু মোৰ আশা সফল হৈছিল। জাগীৰোড কলেজত গোল্ড অনাৰ। জাগীৰোড কলেজৰ হৈ আমি বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় নাটক আৰু মুকাভিনয় প্ৰদৰ্শন কৰিছিলো। যেনে- কলিকতা, দিল্লী, উৰিষ্যা, কলম্বো, বাংলাদেশ। ভাৰতত প্ৰথমবাৰ হোৱা অলিম্পিক থিয়েটাৰ মহোৎসৱত আমি জাগীৰোড কলেজৰ পৰা ৰ'ড চ' কৰিছিলো কলাক্ষেত্ৰত।

জাগীৰোড কলেজৰ হৈ আমি Social Awareness ৰ বহুতো ৰ'দ চ' কৰিছিলো। যেনেঃ- Anti Tobacoo day, Election Awareness, Road Safety Awareness, Environment Awareness etc.।

আমাৰ জাগীৰোড কলেজত NAAC আহিছিলে আমি সকলো মিলি বহুত কষ্ট কৰি কলেজখন সজাবলৈ আৰু পৰিৱেশন কৰিবলৈ লাগি গৈছিলো, মঞ্চ সজাওতেই আমাৰ ৪ টা বাজি গৈছিল। সেইদিনা আমাৰ লগতে অধ্যক্ষ ছাৰও শোৱা নাছিল, বাৰে বাৰে আহি আমাৰ খবৰ লৈছিল। আৰু পিছদিনা NAAC ৰ মুৰব্বীসকল আহোতে আমি সুন্দৰভাৱে সত্ৰীয়া নৃত্য, মুকাভিনয়, বৰগীত, বিহু আদি সকলো পৰিৱেশন কৰিছিলো। আৰু সেই পৰিৱেশন দেখি তেখেতলোকে খুব গুণ গাইছিল ভাল পাইছিল। জাগীৰোড কলেজ আমাৰ কাৰণে মন্দিৰ আছিল আৰু অভিনয় বিভাগটো ঘৰ। অভিনয় বিভাগৰ সেই পকাৰ ফ্ল'ৰ বৰ্তমান ভালদৰে ফ্ল'ইনগ্ কৰা হ'ল। ডাঙৰ ডাঙৰ ক'লা পৰ্দা লগোৱা হ'ল। নাটক ভালকৈ যাতে কৰিব পাৰো লাইটৰ ব্যৱস্থা কৰা হ'ল। কেমেৰাত প্ৰজেক্ট কৰিবলৈ আৰু শিকিবলৈ কেমেৰা কিনি দিলে। এডিটিং কৰিবলৈ জাগীৰোড কলেজত ষ্টুডিঅ' বনাই দিলে। অভিনয় বিভাগত AC ৰ ব্যৱস্থা কৰি দিলে। এই সকলোবোৰ সুবিধা আমাৰ শ্ৰদ্ধাৰ প্ৰিঞ্চিপাল B.C Neog ছাৰে কৰি দিছিল, আৰু আমাক আগুৱাই যাবলৈ প্ৰেৰণা দিছিল। আৰু আমাৰ গুৰু মানস প্ৰতীম নেওগ ছাৰ আৰু সঞ্জীৱ ছাৰেও বহুত সুন্দৰভাৱে পঢ়াইছিল। জাগীৰোড কলেজত পঢ়ি থকা সময়তেই মই North East Zone Cultural Center (NEZCC) Government of India ৰপৰা Young Telented Artist Award in Mime পাবলৈ সক্ষম হৈছিলো।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা পৰিৱেশ্য কলাত স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পিছত এতিয়া বৰ্তমান মই ৰেঙনি টিভি চেনেলত Assistant director হিচাপে কাম কৰি আছো আৰু মই গৰ্বৰে কওঁ যে মই জাগীৰোড কলেজৰপৰা ওলাই অহা এজন ছাত্ৰ আৰু লগতে Third Theatre 'a Socia Cultural Organization' নামৰ এটা NGO খুলি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কিছু কাম যেনেঃ- কৰ্মশালা, সত্ৰীয়া নৃত্য, মুকাভিনয়, অভিনয়, সঙ্গীত আদিৰ ওপৰত চৰ্চা চলাই আহিছো। লগতে গুৱাহাটীত Third Theatre ৰ এটি শাখা খুলি নাম থোৱা হ'ল 'ওমলা চ'ৰা'- য'ত শিশুসকলক মানসিক আৰু বৌদ্ধিকভাৱে আগবাঢ়ি গৈ ব্যক্তিত্ব বিকাশত সহায় কৰে। মই ভবেন চন্দ্ৰ নেওগ ছাৰ, মলয়া গোস্বামী বাইদেউ, মানস প্ৰতীম নেওগ ছাৰ, সঞ্জীৱ বুঢ়াগোঁহাই ছাৰ সকলোকে ধন্যবাদ জনাইছো আমাক ইমান সুন্দৰভাৱে আগুৱাই লৈ যোৱাৰ বাবে জাগীৰোড কলেজৰ স্মৃতি সমূহ মোৰ সদায় মনৰ মাজত জীপাল হৈ থাকিব। আশা কৰোঁ এতিয়া পঢ়ি থকা সকলো ছাত্ৰ-ছাত্ৰীয়ে ভালকৈ মন দি পঢ়া-শুনা কৰি যাতে অভিনয় বিভাগৰ লগতে জাগীৰোড কলেজৰ নাম সদায় উজ্বলাই তোলে।

জাগীৰোড কলেজৰ জয় হওঁক।

Long Live JAGIROAD COLLEGE.

●

☐ গ্ৰন্থৰ জন্ম মানে প্ৰকৃত হৃদয়ৰ জন্ম। সেই হৃদয়ত পোৱা যায় ঘৃণাৰ সলনি প্ৰেম, অবিশ্বাৰ সলনি বিশ্বাস আৰু ধ্বংসৰ সলনি সৃষ্টিৰ মাদকতাৰ তান। সৃষ্টিত থাকে আনন্দ সেই আনন্দই হৃদয় কৰে পৱিত্ৰ।

— ড° বসন্ত কুমাৰ ভট্টাচাৰ্য।

# এজাক সপোন পিয়াসী চৰাই আৰু জাগীৰোড মহাবিদ্যালয়

**প্ৰিয়ংকা কলিতা**
প্ৰাক্তন ছাত্ৰী

কিছু সপোন ৰচে। সেই সপোনবোৰৰ পম
জন্মৰেপৰা প্ৰতিগৰাকী ব্যক্তিয়ে জীৱনকৈলে কিছু সপোন ৰচে। সেই সপোনবোৰৰ পম খেদি মানুহে নিজৰ জীৱনৰ পথ বাচনি কৰে। পঢ়া-শুনাৰ যোগে সেই সপোনৰ বাট সুন্দৰ হয় আৰু জীৱন সাৰ্থকতাৰে ভৰি পৰে। সাধাৰণতে প্ৰতিগৰাকী শিশুৰ সপোন ভৱিষ্যতে এগৰাকী ভাল ডাক্তৰ অথবা ইঞ্জিনীয়াৰ অথবা অধিবক্তা হোৱাৰ তাৰবাবে পিতৃ -মাতৃৰ প্ৰেৰণা আৰু অৰিহণাও যথেষ্ট থাকে। কিন্তু এগৰাকী ভাল অভিনেতা হোৱাৰ সপোন কিছু সংখ্যকৰহে থাকে। যিয়ে নিজৰ জীৱনটো ডাক্তৰ ইঞ্জিনীয়াৰ, অধিবক্তাৰ লগতে অন্য সাধাৰণ মানুহক মনোৰঞ্জন দি অতিবাহিত কৰিব বিছাৰে। এতিয়া কথা হ'ল এগৰাকী অভিনেতা হৈ মানুহক মনোৰঞ্জন দিয়াটো কিমান দূৰ সম্ভৱ যদিহে তাৰ উচিত শিক্ষা বা সেই বিষয়ত পৰ্য্যাপ্ত পৰিমাণৰ জ্ঞান নাথাকে; যিহেতু ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ত প্ৰশিক্ষণ গ্ৰহণ কৰাটো সকলোৰে বাবে সম্ভৱ নহয়। সেয়ে অভিনেতা হোৱাৰ সপোনক বাস্তৱ ৰূপ দিয়াটো অসম্ভৱৰ সম-পৰ্য্যায়ৰ। সেয়ে হয়টো এনে এটা সপোনক বুকুৰ কোনোবা কোণত তলা লগাই মোৰ দৰে একাংশই আগবাঢ়ে অন্য এক দিশলৈ অন্য সপোনৰ সন্ধানত। সৰাটোকৈ মৰমৰ সপোন এটাক বিষৰ্জন দি জীয়াই থকাটো কিমান কষ্টকৰ সেয়া নকলেও বুজিব পাৰি। সেই কষ্ট বুকুত লৈ এদল নাট্য পিয়াসী জোনাকীপৰুৱা অন্য সপোনৰ সন্ধানত এন্ধাৰত হাবথুৰি খোৱাৰ সময়তেই জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভৱেন চন্দ্ৰ নেওগ ডাঙৰীয়া আৰু অসমৰ আগশাৰীৰ অভিনেত্ৰী মলয়া গোস্বামী ডাঙৰীয়ানীৰ অশেষ কষ্ট আৰু তত্ত্বাবধানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত এক আশাৰ প্ৰভাত হৈ জন্ম হৈছিল জাগীৰোড মহাবিদ্যালয়ৰ অন্তৰ্গত আমাৰ অভিনয় বিভাগ। এটা সপোন বাস্তৱলৈ পৰিণত হোৱা সময় অতিক্ৰম কৰিবলৈ আমাৰ পথ প্ৰদৰ্শক শ্ৰীযুত মানস প্ৰতীম নেওগ (NSD) অভিনয় বিভাগৰ মুখ্য অধ্যাপক আৰু শ্ৰীযুত সঞ্জীৱ বুঢ়াগোঁহাই ছাৰৰ আমাৰ প্ৰতি থকা বিশ্বাস আমাকলৈ থকা আশা আৰু অভিনয় বিভাগক সফল কৰি তোলাৰ প্ৰয়াস কোনো কালেই পাহৰিব নোৱাৰা এক সজীৱ স্মৃতি। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটি অভিনয় বিভাগৰ জন্মৰেপৰা সংলগ্ন হৈ থকা আমি প্ৰথম ১৩ গৰাকী অভিনয়ৰ ছাত্ৰ-ছাত্ৰী এই সোণালী সময়ৰ সাক্ষী।

জাগীৰোড মহাবিদ্যালয়ৰ প্ৰতিজন অধ্যাপকৰ লগতে অধ্যক্ষ মহোদয়ৰ আমাৰ প্ৰতি থকা আস্থা আৰু বিশ্বাসে আমাক দুগুণে সাহসী কৰি তুলিছিল, লগতে ৰামধেনুৰ সাতোটা ৰঙ

সিঁচি আৰু সুন্দৰ কৰি তুলিছিল আমাৰ সপোনবোৰ।

মানস প্ৰতীম নেওগ ছাৰৰ তত্বাৱধানত সাগৰ নীল, বিজিৎ, জ্যোতিষ্মাণ আৰু মই improvise কৰি ১ ঘণ্টাৰ ভিতৰত সময়োপযোগী ব্যঙ্গনাট OMY খনৰ পাণ্ডুলিপি লিখি গুৱাহাটীৰ অনিল নগৰৰ বানপানী নেওচি ২ দিনৰ ভিতৰত আখৰা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২০১৫ বৰ্ষৰ যুব মহোৎসৱত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিলো। জাগীৰোড মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি ২০১৫ চনত ইন্দ্ৰ বণিয়া সোঁৱৰণী সদৌ অসম একক অভিনয় প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰি মই প্ৰথম স্থান আৰু জ্যোতিষ্মান শৰ্মাই তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হওঁ। পৰৱৰ্তী সময়ত মৰম, বিশ্বাস আৰু শাসনৰ মাজেৰে বহুতো নজনা কথা শিকি বহুতো তিতা মিঠা অভিজ্ঞতাৰে আমি তিনিটা বছৰ পাৰ কৰিলো। আমাৰ পিছত আকৌ জাকে-জাকে সপোন পিয়াসী চৰাইৰ আগমণ হ'ল সপোনৰ পম খেদি।

বৰ্তমান সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম ১৩ জন অভিনয়ৰ স্নাতকে নিজ নিজ দক্ষতা অনুসৰি অসমীয়া সাংস্কৃতিক ক্ষেত্ৰখনৰ লগত জড়িত হৈ আছে।

সচাকৈ এক পাহৰিব নোৱাৰা স্মৃতি, জাগীৰোড মহাবিদ্যালয় আৰু আমি।

আজি স্মৃতিৰ দুৱাৰ দলিত বৈ, মনত পৰিছে বৰকৈ...

মোৰ শ্ৰদ্ধাৰ মলয়া বাইদেউ, মানস ছাৰ, সঞ্জীৱ ছাৰ আৰু লগতে মোৰ মনৰ আপোন অভিনয় বিভাগৰ প্ৰথম ১২ জন ছাত্ৰ-ছাত্ৰী।

আজি আপোনালোক সকলোৰে লগতে আমাৰ অভিনয় বিভাগটোলৈ বৰকৈ মনত পৰিছে। বিশেষকৈ আমি একেলগে কটোৱা দিনবোৰলৈ। মনত পৰিছে মানস ছাৰ আৰু সঞ্জীৱ ছাৰৰ তত্বাৱধানত ২ দিনতে লিখি আৰু আখৰা কৰি উলিওৱা OMY ব্যঙ্গনাট খনলৈ। অনিল নগৰৰ বানপানী নেওচি আখৰা কৰিবলৈ যোৱা দিনটোলৈ।

হঠাতে বাটৰ নাট হ'ব বুলিকৈ ১৫-৩০ মিনিটত প্ৰস্তুত কৰি প্ৰদৰ্শন কৰা দিনবোৰলৈ। অভিনয় বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল মহাবিদ্যালয় প্ৰাঙ্গনত গৈ ৰ'লেই অন্য ছাত্ৰ-ছাত্ৰীসকলে জুমপাতি ৰৈ "এতিয়া কিবা এটা কৰিব" বুলি ভবা মনবোৰ আৰু কৌতুহলী চকুবোৰলৈ।

কেতিয়াও খং নকৰা মানস ছাৰৰ খংটোলৈ আৰু বিশেষলৈ শ্ৰেণী ক্ষতি কৰি কেইদিনমানৰ পিছত শ্ৰেণী কোঠাত দেখি মিচিকিয়া হাঁহি এটাৰ স'তে 'আহিছা' বুলি কোৱা মুখখনলৈ... (খুব লাজ পাইছিলো সেইকণ সময়ত)

আবেগ-অনুভূতি নিয়ন্ত্ৰণ কৰিবলৈ শিকোৱা সময়ত নিজৰ বাহিৰে কোনেও নজনা কথাবোৰ কৈ কান্দি-কান্দি বাউলী হৈ পৰা মানস ছাৰৰ শ্ৰেণীবোৰলৈ। তেনেকুৱা প্ৰথমটো শ্ৰেণীতেই মনৰ কথাবোৰ কৈ সাবটি কান্দিব পৰাকৈ পোৱা বান্ধৱী জনীলৈ।

এজনীয়ে কান্দিলে বাকী কেইজনীও উচুপি উঠা দিনবোৰলৈ। বহুদিন ক্ষতিৰ পিছত শ্ৰেণীত দেখিলে- "তই এতিয়াও জীয়াই আছ', মই আকৌ মৰা বুলিহে ভাবিছিলো" বুলি খং আৰু মৰম মিশ্ৰিত সুৰত কোৱা সঞ্জীৱ ছাৰৰ বন্ধু সুলভ কথাবোৰলৈ...।

আমাৰ ভৱিষ্যতৰ বিষয়ে আমাৰ মা-দেউতাৰ দৰে ভাবি আহৰি নোপোৱা শ্ৰদ্ধাৰ মলয়া বাইদেউৰ মাৰ দৰে লগা বুজনিবোৰলৈ।

জাগীৰোড মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীকলৈ গৌৰৱ কৰা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটি 'অভিনয়'ৰ বিভাগক গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা আদৰি লোৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ অভিনয় বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা বিশ্বাসবোৰলৈ।

বিদায় পৰত প্ৰথমবাৰলৈ ভাওনাৰ সোৱাদ লোৱা দিনবোৰলৈ...

সঁচাকৈ মোৰ মৰমৰ জাগীৰোড মহাবিদ্যালয়খনলৈ আজি বৰকৈ মনত পৰিছে। এই মহাবিদ্যালয়ে দিয়া মোৰ জীৱনৰ আটাইতকৈ মূল্যবান বন্ধু-বান্ধৱীবোৰলৈ মনত পৰিছে।

মনত পৰিছে ব্যস্ত জাগীৰোড বাসীয়ে সকলো কাম এৰি একান্তমনে বাটৰ নাট উপভোগ কৰা দিনবোৰ। জাগীৰোড মহাবিদ্যালয়ত কটোৱা প্ৰতিটো দিন মানস পটত সদায় সজীৱ, সদায় নতুন এক বুজাব নোৱাৰা অনুভূতি, অভিজ্ঞতা এক বিশেষ স্তৱৰ।

২০১৫ চনত সৰ্বাঙ্গ সুন্দৰ জাগীৰোড মহাবিদ্যালয়ৰ প্ৰাঙ্গনত অভিনয়ৰ ঢৌৰে যি খলকণি তুলিছিল, সেই খলকণি অটুত থাকক, এজোপা বিশাল বৃক্ষ হৈ আৱৰি ৰাখক অগণণ সপোনপিয়াসী চৰাইক।

জয়তু অভিনয় বিভাগ

জয়তু জাগীৰোড মহাবিদ্যালয়।।



শৈশৱ কালৰ সেই সোণোৱালী দিনবোৰলৈ আজিও বৰকৈ মনত পৰে। স্কুলৰপৰা ঘৰলৈ গৈ বেগটো টেবুলত বা বিচনাত দলিয়াই দি লৰালৰিকৈ হাত মুখ ধুই মায়ে দিয়া ভাতকেইটা খাই চিধাই গাঁৱৰ আনবোৰ লগৰীয়াক বিচাৰি গৈছিলোঁ। সিহঁতেও মই কৰাৰ দৰে লৰালৰিকৈ আহি ঘৰৰ পিছফালে থকা আমগছ বা তেতেলিগছ জোপাৰ তলত একগোট হৈছিল। কোনোবাই বালিৰে ঘৰ সাঁজিছিল, দোকান দিছিল, কোনোবাই গাড়ীচালক, কোনোবা গাঁওবুঢ়া ইত্যাদি ইত্যাদি।

# সোণালী শৈশৱ

**দিব্যজ্যোতি ডেকা**
আলোচনী সম্পাদক

সকলোৰে জীৱনৰ আটাইতকৈ ভাল লগা সময়খিনিয়েই হ'ল শৈশৱ কালটি। শৈশৱ কালছোৱাত এজন ব্যক্তিয়ে যিখিনি আনন্দ-স্ফূৰ্তি কৰে, সেইখিনি জীৱনটোৰ বাকী কালছোৱাতো লাভ কৰিব নোৱাৰে। জন্মৰেপৰা প্ৰায় ১০-১১ বছৰলৈকে এই সময়ছোৱাক শৈশৱ কাল হিচাপে অভিহিত কৰিব পাৰি। এই সময়খিনিত সকলোৰে মন পৱিত্ৰ হৈ থাকে। কেতিয়াও কাৰো মনত হিংসা, বিদ্বেষ ভাৱৰ জন্ম নহয়। বন্ধু-বৰ্গৰ লগত প্ৰতিটো মুহূৰ্তত হাঁহি-ধেমালি কৰি কটোৱা সময়ছোৱা সকলো লোকৰ বাবে সঁচাই চিৰস্মৰণীয়।

শৈশৱ কালৰ সেই সোণোৱালী দিনবোৰলৈ আজিও বৰকৈ মনত পৰে। স্কুলৰপৰা ঘৰলৈ গৈ বেগটো টেবুলত বা বিচনাত দলিয়াই দি লৰালৰিকৈ হাত মুখ ধুই মায়ে দিয়া ভাতকেইটা খাই চিধাই গাঁৱৰ আনবোৰ লগৰীয়াক বিচাৰি গৈছিলোঁ। সিহঁতেও মই কৰাৰ দৰে লৰালৰিকৈ

আহি ঘৰৰ পিছফালে থকা আমগছ বা তেতেলিগছ জোপাৰ তলত একগোট হৈছিল। কোনোবাই বালিৰে ঘৰ সাঁজিছিল, দোকান দিছিল, কোনোবাই গাড়ীচালক, কোনোবা গাঁওবুঢ়া ইত্যাদি ইত্যাদি। বালিঘৰ সাঁজি উমলি থাকোঁতেই কাৰোবাৰ মাজত আকৌ কাজিয়াও হৈছিল, ইজনে আনজনৰ ঘৰ ভাঙি পেলাইছিল, বালি ছটিয়াই দিছিল, খঙৰ ভমকতে কেতিয়াবা চুলিয়া-চুলি যুজোঁ হৈছিল। পৰিস্থিতি বেয়া হোৱাৰ উমান পাই বাকীবোৰে পলাই পত্ৰং দিছিল। মই আকৌ সিহঁতৰ কাজিয়া ভাঙি থাকোঁতে পিছ ফালৰপৰা মায়ে আহি তপিনাত এচাৰিৰে কোব দিছিল, বা গালি শপনি দি ঘৰলৈ লৈ আহিছিল।

কিছুসময়ৰ পিছত আকৌ আটায়ে নৈৰ পাৰত লগ হৈছিলো। পিছে এইবাৰ বালিঘৰ সজা নাছিলোঁ। ৰচী টনা, চেংগুটি লুকাভাকু, ৰজাৰাণী ইত্যাদি খেলবোৰ খেলোঁতে খেলোঁতে কেতিয়া বেলি ডুব গৈছিল গমেই পোৱা নাছিলো। সন্ধিয়া সময়ত ভয়ে ভয়ে গৈ পদূলিমুখৰ পৰাই জুমি জুমি চাইছিলোঁ-দেউতা আহিল নেকি বাৰু? কেতিয়াবা কেতিয়াবা পিটন খোৱাৰ পৰা বাচি গৈছিলোঁ যদিও কেতিয়াবা আকৌ পিঠিত ঔকিল পৰিছিল। মায়ে ধূলি-মাকতি জাৰি জোকাৰি হাত মুখ ধোৱাই দিছিল। মাৰৰ ভয়ত অকণো দেৰি নকৰি পঢ়া টেবুলত বহিছিলোঁ।

শৈশৱ কালত বেছিভাগ সময়েই মই বিচনাতে পঢ়িছিলোঁ। শৈশৱ কালছোৱাত আটাইতকৈ ভয় লগা সময়খিনিয়েই আছিল সন্ধিয়া সময়খিনি। দিনৰ দিনটো উমলি-জামলি ঘূৰি ফুৰাত ভাগৰে জুমুৰি দি ধৰিছিল। কিতাপখন মেলি লৈ টোপনিত লালকাল হৈ পৰিছিলোঁ। মায়ে বিভিন্ন কামৰ মাজতো সময় উলিয়াই যেতিয়া মোক পঢ়াব আহি দেখিছিল যে মই নপঢ়ি শুই আছোঁ, লগে লগে কোনো সোধ-পোচ নোহোৱাকৈ আকৌ পিটন লগাই দিছিল। কান্দি কান্দি কেতিয়া মই পঢ়া আৰম্ভ কৰিছিলোঁ। আটাইতকৈ বেছি ভয় সেইদিনাহে লাগিছিল, যিদিনা মায়ে কিবা ধৰিম বুলি কৈ থৈছিল, কিন্তু মই মুখস্থ কৰিব পাহৰি গৈছিলোঁ সেইদিনা আৰু ৰক্ষা নাছিল। মাৰ ৰঙাচকু চায়েই মই কান্দি দিছিলোঁ, পিটন খোৱা কথাটো বাদেই। এনেকৈয়ে কিছুপৰ ফেঁকুৰি ফেঁকুৰি কান্দি আছিলোঁ। মায়ে বাঢ়ি 'দিয়া ভাতকেইটা খাই বিচনাত শুই পৰিছিলোঁ।

আচলতে পঢ়া-শুনাৰ ক্ষেত্ৰত মই মোৰ ছাৰ-বাইদেউতকৈ মা লৈকেহে বেছি ভয় লাগিছিল। অৱশ্যে ছাৰ বাইদেউৰ মাজতো কোনোবাগৰাকীলৈ বহুত ভয় লাগিছিল। যিদিনাখন সেইগৰাকী ছাৰ বা বাইদেউ স্কুললৈ অহা নাছিল, সেইদিনাখন যে কিমান মজা লাগিছিল সেইয়া প্ৰকাশ কৰিব নোৱাৰি।

শৈশৱ কালৰ আটাইতকৈ মজাৰ দিনটো আছিল দেওবাৰৰ দিনটো। দেউতা বজাৰলৈ যায়গৈ, মায়ে ইটো-সিটো কামত ব্যস্ত থাকে। এনে সুযোগতে লগৰবোৰৰ লগত বাৰীয়ে বাৰীয়ে আম-কঁঠাল বিচাৰি ফুৰিছিলোঁ। কাৰ বাৰীত পকা মধুৰিআম আছে, কাৰ বাৰীত পকা ৰবাবটেঙা আছে কাৰ বাৰীত আম পকিছে আদি চাই ফুৰিছিলোঁ। সুযোগ পালেই কেতিয়াবা মনে মনে পাৰি নি পথাৰৰ মাজত নি ভগাই খাইছিলোঁ। এনেদৰে আম-কঁঠাল চোৰ কৰি নি পথাৰত ভগাই খোৱা মজাই বেলেগ আছিল। চুৰি কৰি নিলেও অৱশ্যে গৃহস্থৰ ক্ষতি হোৱাকৈ সেইবোৰ কাম কৰা নাছিলোঁ।

বাৰিষা কালত যেতিয়া কিনিকিনিয়া বৰষুণ দিছিল, সুযোগ বুজি পথাৰলৈ দৌৰি ওলাই গৈছিলোঁ আৰু লগৰবোৰৰ সৈতে পথাৰত তিতি-বুৰি দৌৰি ফুৰিছিলোঁ, আনন্দত মতলীয়া হৈ পথাৰৰ বোকাত বাগৰি দিছিলোঁ। ইমানলৈকে মনত কোনো ভয় লগা নাছিল। কিন্তু সেইটো অৱস্থাত ঘৰলৈ ঘূৰি আহি মাৰ খোৱাৰ ভয়তে পেপুৱা লাগিছিলোঁ। মায়ে আমাক বাৰান্দাত আঠু কঢ়াই থৈ দিছিল বা কেতিয়াবা এছাৰিৰে কোবাইছিল যদিও পিছলৈ তেনেকুৱা সুযোগ পালে সেই সুযোগ এৰা নাছিলোঁ। যি কি নহওক কিনকিনিয়া বৰষুণত বাহিৰলৈ ওলাই গৈ তিতাৰ আমেজেই কিবা সুকীয়া আছিল, গাঁৱৰ পুখুৰীবোৰত বৰশী বাই মাছ ধৰাও অন্য এক মজাৰ বিষয় আছিল। বৰশীত সাধাৰণতে বৰলৰ বাহৰ টোপবোৰ বৰশীৰ গাঁথি দিছিলোঁ। বৰশীৰ চিপত যেতিয়া গৰৈ, কাৱৈ চেঙেলী উঠি আহিছিল, আনন্দত জঁপিয়াই উঠিছিলোঁ আৰু তাকে দেখি লগত থকাকেইজনেও মই টোপ পেলোৱা ঠাইডোখৰতে সিহঁতৰ বৰশীবোৰ পেলাব চেষ্টা কৰিছিল আৰু এনেদৰে কেতিয়াবা আমাৰ মাজতে কাজিয়াৰ সৃষ্টি হৈছিল।

শাওণ মাহত কঠিয়াৰ মুঠি লৈ আলিয়ে আলিয়ে দেউতাৰ ওচৰলৈ যোৱাৰ আমেজবোৰো কিবা সুকীয়া আছিল। কেতিয়াবা ইচ্ছা কৰিয়ে আলিৰ পৰা পিছলি পৰি গৈছিলো আৰু সেইটো লেতেৰা হোৱাৰ সুযোগতে পথাৰৰ পানীত জপিয়াই জপিয়াই দৌৰি ফুৰিছিলোঁ। কেতিয়াবা দেউতাৰ জাপিটো মূৰত পিন্ধি নাঙলৰ পিছে পিছে ঘূৰি ফুৰিছিলোঁ। দেউতাই বাৰে বাৰে মানা কৰাৰ পিছতো সেইবোৰ কথালৈ কাণযাৰ নাছিল, কেৱল পানীয়ে- বোকাই দৌৰিহে ফুৰিছিলোঁ আৰু সেই অতপালি

তেতিয়াই অন্ত পৰিছিল যেতিয়া দেউতাই হালোৱা এচাৰিৰে তপিনাত চাঁত দিছিল।

শৈশৱ কালৰ অন্য এটা ভাল লগা কাম আছিল ভেঁকুলী বিয়া পতা। বসন্ত কালৰ বহুখিনি সময়লৈ সাধাৰণতে বৰষুণ নহয়। যাৰ ফলত চাৰিফালে এটা ধূলিময় পৰিৱেশে বিৰাজ কৰে। আইতা-ককাহঁতে কোৱা মতে ভেঁকুলী বিয়া পাতিলে হেনো বৰষুণ দিয়ে। তেতিয়াই আটায়ে লগ হৈ কল গছৰ পুলি দুটা কাটি কাপোৰ কানি পিন্ধাই এটাক দৰা আৰু আনটোক কইনা সজোৱা হয়। অলপ ধেমেলীয়া বয়সস্থ মানুহ এজনে বামুণৰ দায়িত্বভাৰ লয় আৰু কিছুমান মনে সঁজা খুহুতীয়া কথা কৈ কৈ মন্ত্ৰপাঠ কৰে। লগতে ঘৰে ঘৰে গৈ চাউল-দাইল তুলি আনি একেলগে এসাঁজ ভাত খোৱা যায় সেই বিয়াখনক উদ্দেশ্যি। সেইদিনা ৰাতি যদিহে অলপমান বৰষুণ দিয়ে, আমাৰ যে কিমান ভাল লাগে। মনতে ভাৱ হয় যে আমি ভেঁকুলী বিয়াখন পতাৰ কাৰণেই ছাগে বৰষুণজাক দিছে। ৰাতিপুৱা হ'লত ককা-আইতাহঁতক লগ কৰি সিহঁতক প্ৰশংসা কৰিছিলোঁ, তেওঁলোকৰ কথা শুনি কাম কৰাৰ বাবেই যোৱা ৰাতি বৰষুণজাক দিলে। ইয়াৰ ফলত আমাৰ আৰু ককা-আইতাহঁতৰ মাজৰ সম্পৰ্ক আৰু অধিক সুমধুৰ হৈ পৰে।

কেতিয়াবা দেওবাৰে দেউতাৰ লগত বজাৰলৈ যোৱাৰ সৌভাগ্যকণ মিলে। অৰ্থাৎ চুলি কটাবৰ বাবে দেউতাই আমাক বজাৰলৈ নিয়া বিষয়টোও বৰ আনন্দকৰ আছিল। বজাৰৰ ডাঙৰ ডাঙৰ দোকানবোৰ চাই কিমান যে ভাল লাগিছিল। সজাই থোৱা মিঠাইবোৰ দেখি খাবলৈ মন গৈছিল। চুলি কটাই হোৱাৰ পিছত হোটেলত বহি পৰঠা-চিঙ্গৰা খোৱাৰ সময়ত মোৰ মনত এটা কথাই উদয় হৈছিল যে এই হোটেলখন যদি আমাৰ হ'ল হয়, সকলোবোৰ খোৱা বস্তু পেট ভাৰকৈ খালোঁ হয়। খোৱা-বোৱা হ'লত দেউতাই আমাক কোনোৱা চিনাকী দোকানীৰ কাষত বহুৱাই থৈ অন্যান্য প্ৰয়োজনীয় বস্তুবোৰ কিনাত ব্যস্ত হৈ পৰে। বজাৰলৈ অহা বিভিন্ন মানুহবোৰ চাওঁতে চাওঁতেই সময়বোৰ পাৰ হৈ যায়। যদিহে কোনোৱা দাড়ি দীঘল আৰু টুপীৱালা মানুহ আহি আমাক কিবা সোধপোচ কৰে, আমি অত্যন্ত ভয় খাওঁ। আমাক মানুহজনে লৈ যাম বুলি ক'লে কান্দিয়ে পেলাও, আৰু সময়ে সময়ে দেউতা আমাৰ ওচৰলৈ আহিলে কান্দি কান্দি সব কথা কৈ দিওঁ। আমাক ভাল লগাবলৈ মাজে সময়ে দেউতাই বাদাম-বুট আদি আনি দিয়ে। ঘৰলৈ উভতি আহি আমি দুয়ো (ভাইটি আৰু মই) সকলো কথা মাৰ আগত বিবৰি কওঁ।

শৰৎ কালত দুৰ্গা পূজা চাবলৈ যোৱাটোও কম এটা ভাল লগা বিষয় আছিলনে? মাৰ আচলত ধৰি বাটকুৰি বাই পূজা-থলীলৈ যাওঁ। ৰং বিৰঙী বেলুন, পুতলা গাড়ী আদি দেখি আনন্দত আত্মহাৰা হৈ যাওঁ। আৰু সেইবোৰ কিনি দিবলৈ মাক খাটনি ধৰোঁ। মা-দুৰ্গাৰ আশিষ ল'বলৈ যেতিয়া সকলোৱে গৈ মণ্ডপত মূৰ দুৱায়গৈ সেইখিনি সময়ত দুৰ্গা মাৰ মূৰ্তিটো বৰ হৃদয়ঙ্গম কৰি চাই লও। মা-দুৰ্গাক দেখি মনত নানান ধৰণৰ প্ৰশ্নও উদয় হৈছিল। তাৰে কিছুমান— মা দুৰ্গাৰ হাত কিয়নো দহখন বাৰু, মহিশাসুৰক মা-দুৰ্গাই কিয়নো মাৰিছিল, মা-দুৰ্গাৰ ওচৰত থকা আন ভগৱানকেইজনে মা দুৰ্গাক সহায় কৰিছিল যে এনে থিয় হৈ আছিল ইত্যাদি ইত্যাদি। মনৰ কৌতুহল মনতে পুহি নাৰাখি মেলাৰপৰা উভতাৰ পথত মা বা দেউতাক এইবোৰ প্ৰশ্ন সুধিছিলোঁ। এইবোৰ কথা শুনি শুনি কেতিয়া ঘৰ পাইছিলোহি গমকে পোৱা নাছিলোঁ।


আজিও মনত পৰে সেই সোণোৱালী শৈশৱ কালৰ প্ৰতিটো পল। কিমান যে সুমধুৰ আছিল সেই দিনবোৰ। আজি সেই সকলোবোৰ অতীত হৈ গ'ল। ঘৰৰ পদুলিলৈ গৈ চিঞৰি মাতিলেই দৌৰি অহা লগৰকো লগ নোপোৱা বহু বছৰ হ'ল। বহুকেইজনে আকৌ পঢ়া-শুনা বাদ দি বিদেশলৈ গ'ল কাম বিচাৰি। সোণোৱালী শৈশৱ ৰোমন্থন কৰি থাকোঁতে চকুলো বৈ আহিল। আকৌ উভতি যাব মন গ'ল সেই সুমধুৰ সময়খিনিলৈ।

## স্মৰণীয় 'তিনিটা' মহা-মহিমাৰ বাণী

- তিনিটা বস্তুৱে কাকো অপেক্ষা নকৰে — জন্ম, মৃত্যু, আৰু সময়।
- তিনিটা বস্তুক জীৱনত এবাৰহে পোৱা যায়— পিতৃ, মাতৃ আৰু যৌৱন।
- তিনিজন গুৰুক সদায় ভক্তি কৰি চলিব লাগে— আদিগুৰু, শিক্ষাগুৰু আৰু দীক্ষাগুৰু।
- তিনিটা বস্তুৰ প্ৰতি সদায় দয়াশীল হ'ব লাগে — নাবালক, ভোকাতুৰ আৰু পাগল।
- তিনিটা কথা কেতিয়াও পাহৰিব নালাগে— কৰ্তব্য, ঋণ আৰু আত্ম সন্মান।
- তিনিটা বস্তুক সদায় স্মৰণ কৰি চলিব লাগে — ঈশ্বৰ, প্ৰেম আৰু মৃত্যু।
- তিনিটা বস্তুৱে জীৱন নষ্ট কৰে -- কুচৰিত্ৰ, আলস্য আৰু অহঙ্কাৰ।
- তিনিটা বস্তুক সদায় নিজৰ অধীনত ৰাখিব লাগে — কাম, ক্ৰোধ আৰু মোহ।
- তিনিটা বস্তুৱে আয়ুস কমায় —অসৎ চিন্তা, পৰৰ অনিষ্ট আৰু আত্ম গৌৰৱ।
- তিনিটা বস্তুৱে জীৱন মহৎ কৰি তোলে — ভগৱৎ ভক্তি, সৎ চিন্তা আৰু অধ্যয়ন।

**কমল দাস**
স্নাতক তৃতীয় ষাণ্মাসিক

# বড়ো
# কবিতা
# শিতান


7

# इसोरनि महर

**Rupam Baglary**
TDC 2nd year

इसोर नोंनि मोनबोसे महर?
सिबियो नोंनि रोजा रोजा महर
माखासे राव आरो खान्थिजों,
बोराबलायो जोंखौ लानानैनो सुबुं माहारिआ।
दं नामा नोंहा सिबिनायनि माबाफोर थि
खान्थि आरो धोरोम....?
नेउसि लायो गावजों गाव नोंखौ
सिबिनाय खान्थिखौ लानानैनो।
दं नामा गसाई नोंहा माबाफोर महर,
धोरोम आरो हारि?
फुजिदों नोंखौ सोरबा बोलि फुजाजों
फुजिदों सोरबा बिबारजों,
खोन्थाफै नों जों सुबुं माहारिनो।
सुबुंफोर दा बोराबसै नों धोरोमखौ लानानै,
दा नेउसि जों रावनिबो खान्थिखौ,
दं इसोरआ गासैजोंबो दाखालामसै
गावजों गाव हिंसा-हिंसि।

# गोजोननाय

**Raisumai Daimary**
लिरगिरि: रैसुमै दैमारि
TDC 2nd year

गोजोननाय गोजोननाय गोजोननाय,
गोजोननाया जानाय हस्थायनायखौ मोननाय।

सोरबा मेथाइ खनना गोजोननाय मोनो,
सोरबा मोसाना-मुसुरना गोजोननाय मोनो।

सोरबा दामना-देना गोजोननाय मोनो,
सोरबा सावगारि खेबना गोजोननाय मोनो।
सोरबा गुबुननि दुखुखौ जुना गोजोनाय मोनो,
सोरबा गुबुननि सुखुखौ नुना गोजोननाय मोनो।

बे बुहुमनि बिखायाव, बै दसे समनि गोजोननायखौ
आनान गसाइ अबंलाउरिया, गासैनोबो समानै
राननानै होदों।

नाथाय, मुनुस मैयाया सोरबा मोनदों,
सोरबा मोनाखै, बेनि खायनो, बे दसे समनि
गोजोननायखौ सोरबाया उदाई मोनदों, सोरबाया
गोबां जेंनाखौ फोजोबसंनायनि उनावसो मोन्दों।

# खोमसिआव गंसे साखि

**Anupam Baglary**
B.SC 1st Semester (zoo)

नुस'हायि बे खोमसिआव
जोंफैदोंमोन नों गंसे साखि महरै,
सानस'हायि बे दुखुनि लामायाव
सुखु होंदोंमोन नों सोरां महरै।
नुस'हायि बे खोमसि लामायाव
गावनि सोरांखौ लानानै नों
लामा दिन्थिदोंमोन, लामायाव
आन्दायनायफोरखौ नों,
बिसोरनि न'सिम स'हैनायनि लामाखौ सिनायहोदोंमोन।
नुस'हायि खोमसियाव नुनायनि गोहोखौ,
मोन्दोंमोन जों नोंनिफ्राय।
होदोंमोन नों जोंनो सिनायनायनि गोहोखौ
खोमसिआव रावखौबो सिनायनो हायि समाव,
नाथाय गोमोरनायनि सम जानायलाय नों गोमोरलाबाय,
नों दिन्थिलांनाय लामाखौ लानानै
जों सोरां फारसे दावगालांबाय।

# मंजिल

**Purnima Bora**

TDC 3rd Sem

तू हिम्मत मत हार
वस मंजिल की ओर ध्यान दे,
तुझे सौबार नहीं हजार बार गिरना है,
तू हिम्मत मत हार, वस अपने कंधों को मजबूत बना ले,
तझे लोगों की ... नदीं
तूमहो
हजार ताने को अपनी कंधों पर लेना है।

तु हिम्मत मत हार,
बस अपने राह की कह दे,
तूझे अपनी मंजिल को पाने की तैयारी
आज से नहीं, अभी से करनी है।

# बिबार

लिरगिरि

**मुं: नबनिता बसुमनारी**

थाखो: B.A. 1st Semester.

बिबार नों बेसे समायना बायदि गाबनि
गोमो, गोजा, गुफुर बार्याद रोखोर्मान,
नोंनि समायनाखौ जों सानसनो हाया
बेसेबां समायना महर नुथाइ बोरै जोनोम लाफैखो।

समायना नुथाइआ नोंनि बिबार
गाज्रि गोसोखोबो मोजां खालामो,
बिबार गाव नों बेसे समायना
नोंनि समायनाया सोरगिदिं समायफ्लेहोयो।

बिबार नुहुमाव नोंखौ माया सोरजिनाय
बे बाथ्राया सोसोआव जाखांफैना थायो,
बिबार नोंनि महर-मुस्रि, नुथाइ गासैबो
समायनाया जोंनि गोसोखौ बोदोर खालामगासिनो।

# मिथिस'हाला

लिरगिरि

**थराइना नन्दिता बरुवा**

थाखो: B.Sc. 1st Semester.

मिथिस'हाला जिउआ अबेथिं बोहैगासिनी
थारिकनि थि थंसिम,
ना दैमानि उल्था दिगथिं।
ना गिदिंगासिनो दानसेयावनो !
घड़िनि बै खुन्थियाफोरबायदि,
समा गो..न महर लागासिनो,
नाथाय खुन्थिया बै बेंखनावनो
गिदिंगासिनो खनले-खनले हाफाथुरि जानानै,
गोदान लामानि नुहां-नुवाहां सिन नागिरनानै।
माब्लाबा उनथिं नायहरलाय,
माब्लाबा इयुनथिं सिमां सुजुहरलाइ,
आरोबाव मालाबा मोगथांआव
गावखौनो बावगारलाय।
मिथिस'हाला जिउआ अबेथिं आगान सुरगासिनो,
गावनि सिंनि नंगुवै 'आ' खौ संगासिनो !
ना संसारनि मायायाव मुहिनानै१
गावनि नंगुबै सिनाथथिखौ सो खोमागासिनो।
मिथिस'हाला जिउआ अबेथिं !....

# जिदँगी

**Khusboo Kumari Gupta**
TDC 5th Sem (arts)

ऐं जिँदगी बिन मंजिल,
बिन सफर का
एक रास्ता होना चाहता हूँ।
ऐं जिदँगी एक,
ऐसा किताब होना चाहता हूँ
पढ़ सकता आगे क्या होने वाला हैं।
ऐं जिँदगी बिन मंजिल,
बिन सफर का
एक रास्ता होना चाहता हूँ।
ऐं जिंदगी कुछ यादों के
हसीन पल को तोर लेना चाहता हूँ,
कुछ दु:ख के पन्ने फार देना चाहता हूँ
एक ऐसा किताब होना चाहता हूँ
ऐं जिँदगी बिन मंजिल,
बिन सफर का
एक रास्ता होना चाहता हूँ
ऐ जिदँगी उस पल को रोक लेना चाहता हूँ
जिस पल ने मुझे हँसाया हैं।
और उस पल को जाने देना चाहता हूँ
जिस पल ने मुझे रुलाया है।
ऐ जिँदगी रख लेना चाहता हूँ, तुझे दोनों मुट्ठी बँद करके
कुछ ऐसे, जैसे माँ ने गले लगाया हैं।
ऐं जिँदगी बिन मंजिल,
बिन सफर का
एक रास्ता होना चाहता हूँ
ऐं जिँदगी तुससे कुछ ऐसा सबक सिखना चाहता हूँ
ऐं जिँदगी बिन सफर,
बिन मंजिल का
एक रास्ता होना चाहता हूँ

# न रहे मौन

रैसुम दैमारि

देख, देख, देख,
क्या वह फूल है?
असकी कलियँा मुरझाई
डाल उसमें पानी,
परन्तु, न रहें मौन।
सुनो, सुनो, सुनो,
क्या वह युद्ध की आवाज है
युद्ध में जाओ
उसमें शान्ति जगाओं
परन्तु, न रहें मौन।
कहने दो, कहने दो, कहने दो,
क्या कोई किसी का बुराई कर रहा है?
जान लो क्या है वह किताब
बाद में करना अच्छा बुरा प्रस्ताब
परन्तु, न रहें मौन।
न मांगो, न भागो, न भागो,
क्या कोई मुसीबत आ रहा है
मुसीबत को अपनाओं
प्यार से उनका सामना करों
परन्तु, मौन न रहों।
जिंदगी के साथ समझौता
मत करो,
पृथ्वी गोल है,
जीवन अनमोल है,
न रहें मैल, यही सत्य है।

# मुर्गे की अकल ठिकाने

समय की बात है, एक गांव में ढेर सारे मुर्गे रहते थे। गांव के बच्चे किसी एक मुर्गे को नंगा कर दिया था। मुर्गे परेशान हो गया और उसने सोचा अगले दिन सुबह मैं आवाज नहीं करुंगा। सब सोते रहेंगे तब मेरी अहमियत सबको समझ में आएगी, और मुझे नंगा नहीं करेंगे। मुर्गे अगली सुबह कुछ नहीं बोला। सभी लोग समय पर उठ कर अपने-अपने काम में लग गए। इस पर मुर्गे को समझ में आ गया कि किसी के बिना कोई काम नहीं रूकता। सबका काम चलता रहता है।


**नैतिक शिक्षा** - घमंड नहीं करना चाहिए। आपकी अहमियत लोगों को बिना बताये बता चलता है।


## दोस्त का महत्व

करन गर्मी की छुट्टी में अपने नानी के घर जाता है। वहाँ उसको खुब मजा आता था, क्योंकि नानी के आम का बगीचा था। वहाँ करन ढेर सारा आम खाता था। उसके पांच दोस्त थें, पर उन्हें करन आम नहीं खिलाता था। एक दिन की बात है, करन को खेलते खेलते चोट लग गई। करन के दोस्तें ने करन को उठाकर घर पहुंचाया और उसकी मम्मी को उसके चोट लगने की बात बताई, फिर करन को चोट पर मरहम-पट्टी किया गया। मम्मी ने उन दोस्तों को धन्यवाद किया और उन्हें ढेर सारे आम खिलाएं। करन जब ठीक हुआ तो उसे दोस्त का महत्व समझ में आ गया था। उसके बाद करन दोस्तों के साथ खुब खेलने और आम खाया करते थे।

**नैतिक शिक्षा** - दोस्त सुख-दु:ख के साथी होते है। उनसे प्यार करना चाहिए कोई बात छुपाना नहीं चाहिए।

# ভ্রমণ কাহিনী





# USTM লৈ যাত্ৰা

তৃষ্ণ ৰয়
(বিজ্ঞান শাখা)

মানুহ ভ্ৰমণ প্ৰিয় প্ৰাণী। এখন ঠাইৰ মানুহে আন এখন ঠাইৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি তাৰ মনোমোহা পৰিৱেশত নিজকে বিলীন কৰি সাময়িকভাৱে হ'লেও বাস্তৱ জীৱনৰ যান্ত্ৰিকতা দুখ-যন্ত্ৰনাৰ পৰা আঁতৰি থাকে। ভ্ৰমণ কিছুমানৰ বাবে পেছা, আন কিছুমানৰ বাবে জীৱনৰ মাদকতা। তাৰ বাহিৰেও ছাত্ৰ জীৱনত ভ্ৰমণৰ অপৰিসীম গুৰুত্ব আছে। ছাত্ৰ একোজনে ঠাই এখন ভ্ৰমণ কৰি তাৰ শিল্প, সংস্কৃতি, খাদ্যাভ্যাস, জলবায়ুৰ প্ৰকৃতি আদিৰ বিষয়েও জানিব পাৰে।

ময়ো ভ্ৰমণ কৰি খুউব ভালপাওঁ। মই বহুত ঠাই ভ্ৰমণ কৰিছোঁ যদিও তাৰ ভিতৰত উল্লেখযোগ্য USTM বা NEGC - ২০১৮ ৰ কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে কৰা ভ্ৰমণ।

উত্তৰ-পূৰ্বৰ স্কটলেণ্ড হিচাপে খ্যাত মেঘালয় ৰাজ্যৰ প্ৰৱেশ দ্বাৰৰ ঠিক ওচৰতে আৰু উত্তৰ-পূৰ্বৰ দুৱাৰমুখ হিচাপে পৰিচিত গুৱাহাটী মহানগৰীৰ গাতে লাগি থকা এখন ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় University of Science and Technology, Meghalaya (USTM)। এই বিশ্ববিদ্যালয়ত প্ৰতিবছৰে ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হয় North-East Graduate Congress (NEGC)। এই বছৰ ২০১৮ চনত ৫ম বাৰলৈ অনুষ্ঠিত হৈছিল। এই অনুষ্ঠানটোৱে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ শিক্ষানুষ্ঠান সমূহক একত্ৰিত কৰি ৰাখে। ২০১৮ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৬,১৭ আৰু ১৮ তাৰিখে এই অনুষ্ঠানটো উদযাপন কৰা হৈছিল। এই অনুষ্ঠানত অংশ লোৱাৰ উদ্দেশ্যে আমাৰ মহাবিদ্যালয়ৰ পৰা সাতজন ছাত্ৰৰ এটা দল গৈছিলোঁ। দলটোৰ সদস্যসকল মাধৱ বড়ো, নৃপেন মণ্ডল, বাপন ভৌমিক, প্ৰাঞ্জল শইকীয়া, প্ৰসেন চক্ৰৱৰ্তী, জিতু তালুকদাৰ আৰু মই নিজে। ১৬ ফেব্ৰুৱাৰী, শুক্ৰবাৰৰ দিনা আমি USTM লৈ যাত্ৰা কৰিছিলোঁ। প্ৰথম দিনাৰ কাৰ্য সূচীত ভাগ ল'বলৈ জিতু তালুকদাৰৰ বাহিৰে আমি গোটেই কেইজনে গৈছিলোঁ। আগদিনাৰ সিদ্ধান্ত অনুসৰি মহাবিদ্যালয়ৰ চৌহদত আহি উপস্থিত হৈছিলোঁ ৮-১৫ বজাত। গাড়ীত উঠিবলৈ জাগীৰোডৰ অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ আস্থানলৈ আহি থাকোঁতে বাটতে লগ পাইছিলোঁ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক প্ৰীতম দলে ছাৰক। ছাৰে ক'ত যাওঁ সোধাত আমি USTM লৈ যাম বুলি গম পাই আমাক

শুভেচ্ছা দিছিল। আমি বাছ আস্থান গৈ পোৱাৰ আগৰে পৰাই হিমাংশু মেধি দাদাই লগত নিয়া খবৰ কাগজখন চাই চাই বাছ অহালৈ অপেক্ষা কৰিলোঁ। বাছখন অহাত হিমাংশু দাদাই আমাক বাছত উঠাই বিদায় দিলে। প্ৰায় দহ বজাত আমি উপস্থিত হ'লোগৈ University of Science and Technology, Meghalaya বিশ্ববিদ্যালয়খনৰ ড° এ পি জে আব্দুল কালাম ব্লকত প্ৰত্যেকৰে নাম পঞ্জীয়ন কৰিলোঁ। পঞ্জীয়নৰ সময়ত প্ৰত্যেককে একোটা টি-ছাৰ্ট, স্কুলবেগ দিছিল। স্কুল বেগটোৰ ভিতৰত এখন দিনপঞ্জী, কেলেণ্ডাৰ, পৰিচয় পত্ৰ, অনুষ্ঠানৰ সময়সূচী থকা কিছুমান কাগজ পাতি আছিল। এজন ছাত্ৰ স্বেচ্ছাসেৱকে আমাক ব্লক G লৈ নিলে। তাৰ তৃতীয় মহলাত আমাক থকাৰ ব্যৱস্থা কৰি দিলে। আমি থকা কোঠাটোত আমাৰ বাহিৰেও কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ দুখন মহাবিদ্যালয়ৰ দুটা দলো আছিল। বিশ্ববিদ্যালয় পক্ষই আমাক ৰাতি শুবলৈ দিয়া বিছনা আৰু তুলি কেইখন ভালকৈ নিজ স্থানত পৰিস্কাৰ কৰি তাত নিজৰ বেগবোৰ ৰাখি বাথৰুমত গ'লোঁ। বাথৰুমত যাওঁতে লগত নিছিলো অনুষ্ঠানৰ কৰ্তৃপক্ষই আমাক দিয়া বাল্টি আৰু চাবোন। দুপৰীয়া বাৰ বজাত ভাত খাবলৈ যাওতে অলপ সময় উপভোগ কৰিছিলোঁ ফিল্ডত হৈ থকা ফুটবল খেল। এইখিনিতে উল্লেখ কৰিব লাগিব যে পঞ্জীয়নৰ সময়ত এজন ব্যক্তিক লগ পালোঁ, তেওঁ আগতে জাগীৰোডস্থিত হিন্দুস্তান কাগজ নিগম লিমিটেডত কৰ্মৰত আছিল। মানুহজনে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰক চিনি পাই বুলি কৈছিল। মহাবিদ্যালয়ৰ পৰা ইমান কম সংখ্যক সদস্যৰ দল যোৱা বাবে তেখেতে অলপ আচৰিত হৈ কৈছিল, "জাগীৰোড মহাবিদ্যালয়ৰ পৰা ইমান কমসংখ্যক ছাত্ৰ পঠাব নালাগিছিল"। সন্ধিয়া পাঁচ বজাৰ পৰা বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সাংস্কৃতিক কাৰ্যসূচী উপভোগ কৰিছিলোঁ। ১৭ ফেব্ৰুৱাৰীৰ পুৱা ৪.০০ বজাত সাৰ পাই মই প্ৰথমে প্ৰাঞ্জল আৰু মাধৱ দাদা, নৃপেন দাদাক জগাই দিলোঁ। গোটেই কেইজনে গা ধুই আহি নিজৰ কাৰ্যসূচী সফল কৰিবলৈ প্ৰস্তুতিত ব্যস্ত হৈ পৰিছিলোঁ। পুৱাৰ আহাৰ খাই আহি জিতুক বিশ্ববিদ্যালয়ৰ প্ৰৱেশদ্বাৰৰ পৰা লৈ গ'লোহি। ১১.৩০ বজাত Aminity Centre ত মাধৱ দাদা আৰু জিতুৰ তৰ্ক প্ৰতিযোগিতা,মোৰ আৰু প্ৰাঞ্জলৰ কুইজ ড° এ পি জে আব্দুল কালাম ব্লকত, Best Graduate প্ৰতিযোগিতাত নৃপেন দাদা, বাপন আৰু প্ৰসেনে অংশ লৈছিল। এই প্ৰতিযোগিতা সমূহত অংশ লোৱাৰ পূৰ্বে আগদিনাৰ সন্ধিয়া আমাক মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰে কিছু গুৰুত্বপূৰ্ণ কথা কৈ বুজনি দিছিল। এইখিনিতে উল্লেখযোগ্য যে প্ৰথমদিনা নাটক সমাৰোহত আমাৰ মহাবিদ্যালয়ৰ অভিনয় বিভাগৰ অধ্যাপক সঞ্জীৱ ছাৰক বিচাৰকৰ আসনত থকা দেখা পাই গৌৰৱান্বিত হৈছিলোঁ। দ্বিতীয় দিনাৰ কুইজ, তৰ্ক আদি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আমি সফল হ'ব পৰা নাছিলোঁ যদিও অতিথি ড° নোমল বৰা ছাৰৰ ভাষণে আমাক যথেষ্ট উৎসাহিত কৰিছিল। তৃতীয় তথা অন্তিম দিনা ৰাতি পুৱা গা পা ধুই আমি অলপ ফুৰিবলৈ গৈছিলোঁ। অলপ দূৰ যোৱাত এখন সৰু গাওঁ চকুত পৰিল। গাঁওখনৰ চাৰিওফালৰ পৰা সেউজীয়া গছ-গছনি, পাহাৰেৰে আৱৰি থকাৰ বাবে পৰিৱেশ চকু জোৰোৱা আছিল। জীৱনত মই স্বচক্ষুৰে অন্য ৰাজ্যৰ এখন গাঁও দেখা পাই ভাবিছিলোঁ এই পৰিৱেশটো যদি মোৰ গাঁওখনতো থাকিলহেঁতেন। কিয়নো গাঁওখনৰ পৰিৱেশটো নিজ চকুৰে নেদেখিলে বৰ্ণনা কৰিব পৰা নাযায়। তাৰ পৰা আহি পুৱাৰ আহাৰ গ্ৰহণ কৰিলোঁ। জিতু তালুকদাৰ আৰু মই সামান্য অসুখত ভুগিছিলোঁ কাৰণে কোঠাতে আমাক থৈ মাধৱ দাদা, নৃপেন দাদা, প্ৰাঞ্জল, বাপন আৰু প্ৰসেনে মহাবিদ্যালয়লৈ প্ৰদান কৰা উপহাৰ আৰু গছপুলিটো গ্ৰহণ কৰিছিল। ঘৰলৈ অহাৰ সময়ত বিশ্ববিদ্যালয়ৰ নিজস্ব বাহনে আমাক খানাপাৰা বাছষ্টেণ্ডত থৈ গৈছিলহি। তাৰ পূৰ্বে দুদিন ধৰি একেলগে থকা বন্ধু সকলৰ লগত অলপ সময় কথা পাতিলোঁ। কাছাৰ জিলাৰ দলটিৰ দলপতি বন্ধুজনে কৈছিল কেতিয়াবা শ্বিলং গ'লে তাক লগ কৰিবৰ কাৰণে। সি প্ৰায়ে শ্বিলঙত থকা বাবে আমি তাক শ্বিলং গ'লে লগ কৰিব পাৰিম বুলি কৈছিল। ইজনে সিজনক বিদায় সম্ভাষণ জনাই পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতি দি বিদায় লৈছিলোঁ। খানাপাৰাত সকলোৰে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি ঘৰমুৱা বাছত উঠি আহিছিলোঁ। সকলোৰে এক সিদ্ধান্তত উপনীত হৈছিলোঁ যে পাছদিনা আমি মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰৰ হাতত উপহাৰ আৰু গছ পুলিটি অৰ্পণ কৰিম। সেইমৰ্মে পিছদিনা আমি ছাৰৰ হাতত গছপুলি আৰু উপহাৰটি প্ৰদান কৰিছিলোঁ। কেতিয়াবা মনলৈ আহে আৰু দুদিনমান থাকিবলৈ পোৱাহেঁতেন! এনেকুৱা এটা ভ্ৰমণৰ অংশীদাৰ হোৱাটো মই সঁচাকৈয়ে ভাগ্যৱান বুলি বিবেচনা কৰোঁ। এই ভ্ৰমণে মোক ঘৰৰ বাহিৰৰ পৰিৱেশত খাপ খাবলৈ অভিজ্ঞতা দিলে। এনেকুৱা এটা ৰুচিসন্মত ভ্ৰমণসূচীৰ আকৌ অংশীদাৰ হোৱাৰ আশা লৈ এই কাহিনীৰ বৰ্ণনা সমাপ্ত কৰিলোঁ।

# গোৱালপাৰাৰ শ্ৰী সূৰ্য পাহাৰলৈ এটি শিক্ষামূলক ভ্ৰমণ

**নিকিতা শৰ্মা**
(ইতিহাস বিভাগ)

সকলো মানুহৰে ভ্ৰমণৰ এটা মন থাকে। ভ্ৰমণে মানুহৰ মনত আনন্দ তথা জ্ঞানৰ সঞ্চাৰ কৰে। কোৱা হয় যে যিবোৰ বস্তু আমি পঢ়ি নিশিকো সেইবোৰক আমি ভ্ৰমণৰ দ্বাৰা শিকিব পাৰো। নতুন ঠাইলৈ যোৱা, গৌৰৱপূৰ্ণ ইতিহাসৰ অৱশিষ্ট সমূহক ওচৰৰ পৰা চোৱা আৰু লগৰবোৰৰ লগত হাঁহি-ধেমালি কৰি যোৱাৰ মাদকতাই সুকীয়া। মোৰো ভ্ৰমণৰ বৰ হেঁপাহ আছে। বেছি ভ্ৰমণ কৰিব পৰা নাই যদিও স্কুল, কলেজৰ শিক্ষামূলক ভ্ৰমণবোৰৰ বাবে মোৰো কিছু ভ্ৰমণ কৰাৰ সৌভাগ্য হৈছে।

ভ্ৰমণ শিক্ষাৰ এক এৰাব নোৱাৰা অঙ্গ। যাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ পৰা প্ৰত্যেক বছৰে এটি শিক্ষামূলক ভ্ৰমণলৈ নিয়ে। ইতিহাস বিভাগৰ ছাত্ৰী হোৱাৰ বাবে এই বছৰ মোৰো ভ্ৰমণলৈ যোৱাৰ সৌভাগ্য হ'ল অসমৰ প্ৰাচীন গৌৰৱপূৰ্ণ ইতিহাসেৰে পৰিপূৰ্ণ তথা এখন অন্যতম পৰ্যটনস্থলী গোৱালপাৰাৰ শ্ৰী সূৰ্য পাহাৰলৈ।


সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই আহি পালেহি সেই বিশেষ দিনটো। ২০২০ চনৰ ২৫ ফেব্ৰুৱাৰী অৰ্থাৎ আমাৰ শিক্ষামূলক ভ্ৰমণৰ দিনটো। সেইদিনা ৰাতিপুৱা এলাৰ্ম বজাৰ আগতেই টোপনিৰ পৰা সাৰ পালোঁ আৰু সাজু হৈ পুৱা ৬ বজাত আহি কলেজ পালোহি। আমাৰ বিভাগৰ গোটেই কেইজন শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে আমি ৭ বজাত গোৱালপাৰা অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। পথৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি গৈ গৈ আমি প্ৰায় ১২.৩০ বজাত নৰনাৰায়ণ সেতুৰেদি মহাবাহু ব্ৰহ্মপুত্ৰ পাৰ কৰিলোঁ। ইয়াৰ ওচৰতে থকা যোগীঘোপাৰ গুহা চাবলৈ গ'লো। ই ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত। ইয়াত আমি পাঁচটা শিলত কঁটা গুহা দেখিবলৈ পালোঁ। তাৰ ভিতৰত এটা ডাঙৰ আৰু বাকী চাৰিটা সৰু। প্ৰবাদমতে, এইবোৰত হেনো সন্ন্যাসীসকলে ধ্যান কৰিছিল আৰু এই গুহাবোৰৰ বাবেই ঠাইখনৰ নামো যোগীঘোপা ৰখা হ'ল। এইবোৰ সঁচাকৈয়ে বৰ ধুনীয়া। ইয়াক প্ৰত্নতাত্ত্বিক বিভাগৰ দ্বাৰা সংৰক্ষণ কৰি ৰখা হৈছে। ইয়াৰোপৰি ইয়াৰ পৰা দেখা পোৱা ব্ৰহ্মপুত্ৰৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যই মোৰ মন মোহিত কৰিলে।

ইয়াৰ পৰা আহি আমি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আমাৰ মূল লক্ষ্য স্থান শ্ৰী সূৰ্য পাহাৰ

অভিমুখে পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ। ই গোৱালপাৰাৰ পৰা ১৪ কি.মি. আঁতৰত উত্তৰ পূৰ্ব দিশত অৱস্থিত। সূৰ্য পাহাৰৰ গেইত সোমাই যোৱাৰ লগে লগে ইয়াৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্যই মোক আপ্লুত কৰিলে। ই সাঁতটা পাহাৰৰ সমষ্টি। ইয়াত গৈ প্ৰথমতে আমি শ্ৰী সূৰ্য মন্দিৰ দৰ্শন কৰিলোঁ। ই অসমৰ একমাত্ৰ স্থান য'ত সূৰ্য পূজা কৰা হয়। এই মন্দিৰৰ ভিতৰত এটা শিলত চক্ৰ আকৃতিৰ মূৰ্তি খোদিত আছে যাৰ কেন্দ্ৰস্থলত এটা প্ৰজাপতি আছে যিটোক বাৰটা পদুমৰ পাহিয়ে আগুৰি আছে আৰু প্ৰাতটো পাহিত একোটা সূৰ্যৰ মূৰ্তি আছে। ইয়াৰ উপৰিও আমি ইয়াত বহুতো স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শন দেখিবলৈ পালো। শ্ৰী সূৰ্য পাহাৰত মোক আৰ্কষিত কৰা এক অন্যতম দিশ হৈছে ইয়াত হোৱা তিনিধৰ্মৰ সংগম অৰ্থাৎ এই পাহাৰত হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ সহাৱস্থান দেখিবলৈ পোৱা যায়। ইয়াত জৈন মন্দিৰ, বৌদ্ধ মন্দিৰ থকাৰ উপৰিও আমি ইয়াত পোৰামাটিৰ বুদ্ধ দেৱৰ মূৰ্তি, জৈন তীৰ্থাংকৰৰ মূৰ্তি, বিষ্ণু মূৰ্তি আদি দেখিবলৈ পালোঁ যিবোৰ নৱম শতিকাৰ বুলি অনুমান কৰা হৈছে।

ইয়াৰ উপৰিও শ্ৰী সূৰ্য পাহাৰত দেখা পোৱা আন এটা আৰ্কষণীয় বস্তু হ'ল ইয়াৰ শিৱ লিঙ্গ সমূহ। তথ্যমতে ইয়াত হেনো ৯৯৯৯ টা শিৱলিঙ্গ আছে। যিটো মোৰ বাবে বৰ আশ্চৰ্যকৰ কথা। লোক কথা মতে, ইয়াত হেনো ব্যাসদেৱে ২য় কাশী সাজিব বিচাৰিছিল। ইয়াৰ চাৰিওকাষে আন আন বহুতো স্থাপত্য ভাস্কৰ্য দেখিবলৈ পালোঁ। ইয়াত এটা পুখুৰীও আমি দেখিবলৈ পালোঁ। শ্ৰী সূৰ্য পাহাৰত খনন কাৰ্যত উদ্ধাৰ হোৱা ভাস্কৰ্য সমূহ ইয়াৰ সংগ্ৰহালয়ত বৰ ধুনীয়াকৈ সংৰক্ষণ কৰি থোৱা আছে। এই পাহাৰত আৰু বহুতো চাবলগীয়া বস্তু আছিল দুৰ্ভাগ্যবশত আমাৰ উভতনি সময় হোৱাৰ বাবে আমি আৰু বেছিকৈ ইয়াক দৰ্শন কৰিব নোৱাৰিলোঁ। আমি প্ৰায়ে সন্ধিয়া ৫ বজাত আমাৰ উভতনি যাত্ৰা আৰম্ভ কৰিলোঁ।

উভতনিৰ পথত মোৰ দিনটোৰ কথাবোৰেই মনত পৰি আছিল। সঁচাকৈয়ে শ্ৰী সূৰ্য পাহাৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু ঐতিহাসিক সম্পদেৰে ভৰপূৰ স্থান। ইয়াত দেখা পোৱা প্ৰত্নতাত্ত্বিক ধ্বংসাৱশেষ আৰু ভাস্কৰ্য কলাই পৌৰাণিক অসমৰ চহকী কলা সংস্কৃতি আৰু ধৰ্মীয় পৰম্পৰাৰ ছবি দাঙি ধৰে। গোটেই পাহাৰৰ নিদৰ্শনসমূহক এদিনতেই চাই শেষ কৰা সম্ভৱ নহয়, গতিকে মনতে পুনৰ ইয়ালৈ অহাৰ প্ৰতিশ্ৰুতি কৰিলোঁ। এইবোৰ ভাবি ভাবি আহোতেই আমি প্ৰায় ৪ মান বজাত আমাৰ মহাবিদ্যালয় পালোঁহি।



# English Section

# PRIVATISATION

**Bapukan Hatari**
B.A. 5TH Semester

The transfer of ownership ,property or business from the government to the private sector is termed as privatisation .The government ceases to be the owner of the entity or business .

The process in which a publicly traded company is taken over by a few people is also called privatisation .The stock of the company is no longer traded in the stock market and the general public is barred from holding stake in such a company . Privatisation is considered to bring more efficiency and objectivity to the company, something that a government company is not concerned about .

**Ways of Privatisation**

Government companies can be transformed into private companies in two ways :

**Transfer of ownership**

1. By the withdrawal of the government from the ownership and management of public sector companies.

2. By the outright sale of public sector companies.

**Disinvestment**

1.Privatisation of the public sector undertakings by selling off parts of the equity of PSU's to the the private sector is known as disinvestment .

2.The purpose of the sale is mainly to improve financial discipline and facilitate modernization.

**Characteristics of Privatisation**

1. It limits government participation in economic activities and safeguards the private sector.

2. It establishes economic democracy and allows private sectors to operate in economic activities freely.

**Aims and Objectives of Privatisation**

The main aims and objectives of privatisation are as follows:

Providing strong momentum for the inflow of FDI

1. Privatisation aims at providing a strong base for the inflow of FDI

2. The increased inflow of FDI improves financial strength of the economy.

Improving the efficiency of the public sector undertakings (PSU's)

The efficiency of PSU's is improved by giving them the autonomy to make decisions.

**Advantages of Privatisation**

1. Results in Optimum Utilisation of Resources

The private sector may succeed in the optimum use of resources by maintaining efficiency.

2. Fostering competition

Privatisation creates a situation of competition for public enterprises and they are forced to improve their efficiency.

3. Reduce Fiscal Burden

Privatisation reduces the fiscal burden of the state by relieving it of the losses of the public enterprise and reducing the size of the bureaucracy .

4. Economic Democacy

Privatisation helps to control government monopoly. It emerges from economic democracy by private participation in the economic sphere.

5. More Productivity

The private sector can improve productivity by maintaining efficiency in its operations .

**Disadvantages of Privatisation**

1. High Cost Economy

The very first problem with the private sector is that, its cost ,in general, are large and the price of products are unduly high .

2. Concentration of Economic Power

The private sector emerges a monopoly and the concentration of economic power in the hands of few.

3. No Guarantee of Success

Privatisation is not a guarantee of the success of an individual unit. It may incur losses too. It has been observed that many private sector units make huge losses.

4. Unbalanced Development

Privatisation results in the concentration of individual units in a few areas. Thus, privatisation will be harmful to balance economic development.

5. Private Companies are not Accountable

If a private company runs a service, they are not democratically accountable to the general public.

**Privatisation of PSU's in India**

The Central Public Sector Undertakings (CPSU's) have played a vital role in the development of India's economy. It is clear from the fact that in 1951, there were hardly 5 CPSU's with an investment of ¹ 29 crore and their number has increased to 348 with and investment of ¹ 16.4 trillion by the end of 2018-19. The CPSU's were established with an objective of achieving higher economic growth, self-sufficiency in production of goods and services, long term equilibrium of Balance of Payments and low and stable prices. They have been playing a strategic role in the economy, providing essential goods and services and holding dominant market positions in key sectors.

However, later on some of these CPSU's became white elephants, started incurring losses and became a fiscal burden for the country. As per the public enterprise survey 2018-19, there were 70 CPSU's that incurred losses of ¹ 0.32 trillion .It was about 0.16% of gross domestic product (GDP) and 1.96% of total investment .Their poor performance forced the government to change its stance and move towards disinvestment . In 1991, the window of industries that was reserved for the CPSU's was opened for private players. The policy of disinvestment of government equity in CPSU's started in 1991-92 through the new industrial policy of 1991. The industrial Policy Statement started that the

government would divest part of its holdings in select CPSU's.

At present, the country is facing economic disruptions due to the global pandemic. The pandemic has shrunk revenue and increased expenditure of the country. As the time required, the government is focusing on capital expenditure, especially on infrastructure through privatization as a key strategy for the recovery of the economy.

Budget 2021 emphasizes infrastructure spending to create demand and strengthen competitiveness to put the economy on the path of growth .In this backdrop ,the government announced "Disinvestment Policy - 2021"(SDP21) in the Union Budget for 2021. The objectives of SDP21 are:

1. Minimising the presence of CPSU's including financial institutions (FI).

2. Post-disinvestment, growth of CPSU's /FI via infusion of private capital, technology and best management practices .

3. Using the proceeds to finance various social sector and developmental programs.

The government will divest all sectors except four strategic ones. These are:

1. Transport 2. Telecommunication 3.Power, Petroleum, Coal and other minerals 4. Banking, Insurance and Financial Services.

In the strategic sectors too, the government will limit its presence to a bare minimum. The remaining CPSU's of the strategic sector will be completely privatized. NITI Aayog has been asked to work on the next list of CPSU's for strategic disinvestment.

**Conclusion**

For any economy privatisation is important because it creates jobs and builds a healthy competition in the market. Privatisation works for maximising profit by improving the standards of customer services and goods .It leads to creation of wealth. The cost of production is reduced and profits are maximized .It mainly aims to enhance the competition of the services which people get. In addition, it also lowers the burden of the government by taking over certain industries.



# IMPACT OF COVID-19 ON STUDENTS

**Rica Bhowmick**
Geography (HC)

The outbreak of Covid-19 affected the lives of all sections of society. It has enforced world-wide lockdown creating very bad affect on students' life. Around 3crore learners stopped to move schools/colleges and all educational activities halted in all over the world. It had serious implication on mental health, resulting in psychological problems including frustration, stress and depression on the people, especially on students. Education, especially the task of going to schools, colleges and Universities is one such activity which used to be done on a regular basis in the pre-Covid era. Infact it was an integral part of daily routine of each student. The outbreak of Covid-19 has advised us that change is inevitable. It has worked as a catalyst for the educational institution to grow and opt for platforms and techniques which have never been used before such as online mode of classes, online examinations and so on.

With the closure of educational institutions, the need for a rapid transition from physical learning to the digital sphere of learning emerged. Online learning has been observed as a possible alternative to conventional learning. Today, digital learning has emerged as a necessary resource for students and educational institutions all over the world. As with most teaching methods, online learning also has its own set of positives and negatives. While Covid-19 made students comfortable with different modes of learning such as online classes, online examinations, it also resulted in mental illness, physical problems, head ache, decreased eyesight in students mainly due to facing screen for a long period of time. Another key challenge on online classes is internet connectivity. While internet penetration has grown in leaps and bounds over the past few years, but in small towns and villages, a consistent internet connection with decent speed is still a problem. Without consistent internet connection for students and teachers, there can be a lack of continuity in learning for the student. This is detrimental in education process. However, online learning can be beneficial for students in many ways. It offers teacher enormous way to deliver lessons to students on the form of videos, PDFs, podcasts which helps to provide better insight in learning.

Covid-19 impacted the entire world. The students from less privileged background have experienced larger negative impacts due to the Covid-19 outbreak. They struggled in setting up the learning environment due to various financial constraints and it will surely have an impact on their performance and achievements. Reduction in family income, limited access to digital resources and the high cost of internet connectivity have disrupted academic life of students. Many students have also lost their guardian which will have a great impact on their education. Moreover 1.5 billion students across the world are now deprived of basic education leading to a serious psychological impact on their health.

Engagement of students with the process of learning also depends upon what else they are doing other than just studying in a school or college. Lockdown due to Covid-19 certainly have an impact on the achievements on student, especially those who are good at extra-curricular activities and interest and remain motivated about education due to extra-curricular activities. Moreover, changes in daily routine including lack of outdoor activity, disturbed sleeping patterns and social distancing have also affected mental well-being of the students.

It is a big challenge for every student and also for educational institutions to impart and continue with the studies at this time when touching someone means infecting with a life threatening disease. Students will have to show discipline towards their life and their study as there is no one to check on them, only then they can think of getting the best from this troubled time. The crux of the matter is we need to stay motivated at all times and keep making efforts in the right direction, while maintaining utmost precautions at all times. First is the good health of everyone and second comes good education.

***Reference:***

*(1) https://timesofindia.indiatimes.com/readersblog/covid-19-effect-on-student-life/covid-19-effect-on-student-life-23470*

*(2) https://elearningindustry.com/advantages-and-disadvantages-online-learning (3) https://www.cgc.ac.in/impact-of-covid-19-on-students-life*

●

***I am the master of th fate***
***I am the captain of my sole.***
***– Willian Ernest Henley***

# Types of thinking

**Bijit Chakrabarty**

There are different kinds of thinking. We can browse the accessible information to decide on which is better. The point when we pick the correct sort of thinking, we can make wonders. An inappropirate kind of thinking can decimate us totally.

There are two broad types of thinking that most people are aware of -- positive thinking and negative thinking.

We are usually told by others to practice positive thinking. But in reality, positive thinking is not enough. We need to have practical thinking. between positive and negative thinking, there is something called realistic thinking. Therefore, let us be realistic and learn some forms of thinking.

• **Both side thinking :-** Only looking at one dimension can't give us the full picture. We need to look at both sides of a coin. When you look at both sides of an issue, your thinking evolves. Knowledge of the other view point only enriches your thinking. Good people will anyway give you good perspectives, but the wicked will show you the loopholes in your thoughts. You can consider both perspective before making your move. Always take the opinion of both sides the truth may lie in between.

• **Spiritual thinking :-** It is based on the concept of dharma which is a core of all Indian scriptures. There is a common misconception about spirituality-that it is meant for old and useless people, and that you become spiritual only when you've nothing left to do in life. The spiritual energy gives them the strength to do better than the ordinary. With a foundation of spirituality, even the ordinary will become extraordinary. It is the highest form of thinking.

• **Alternative thinking :-** There can be one solution to many problems. There can be many solutions to one problem. The problem and the solution are both in our minds. Train the mind in the right kind of thinking, and you'll always succed, no matter what the problem. That is why we need to develop a solution focused mindset rather than one that is problem focused. Either you become a solution to every problem, or you turn out to be the problem.

• **Leadership thinking :-** By taking responsibility for your leadership in thinking process, you're taking action to analyse and adapt your approach to decision making and problem solving. Bad leaders react without thinking. Good leaders plan. Great leaders think. And revolutionary leaders the sort of leaders who transform the whole world's thinking

differently.

• **Creative thinking :-** It is the ability to consider something in a new way. It is a new approach to a problem. It might mean devising new ways to carry out tasks, solve problems and meet challenges. It means bringing a fresh and sometimes unorthodox, perspective to your work.

• Lateral thinking :- It is a manner of solving problems using an indirect and creative approach via reasoning that isn't immediately obvious. It involves ideas that may not be obtainable using only traditional step by step logic. It is the ability to use your imagination to look at a problem a fresh and come up with a new solution.

●

# The way of Darkness

**Anupam Baglary**
B.Sc. 1st Sem (zoo)

One day I was moving
nearby a dense forest,
Where I could not see anything.

Only one thing was observed by me
that was only the dark way
of the forest.

When I tried to move on the
way of darkness, I saw that
in middle there was very dark
place more than before.
My greed increased to explore
the way of darkness.
I thought to go deep and deep inside
but, when I got to the end,
I found that I was lost in the
middle of dark forest and forgot
the way to a shining and bright place.

# Medical uses of spices used in our Traditional Culture : World Wide

* Spice ------ **Asafoetide (Hing)**

Uses :- It is used for seasoning food espeicially snakes and has medical uses.

Benefits :- A good remedy for whooping cough and stomach ache caused due to gas

* Spice ------ **Cardamon (Elachi)**

Uses : Mostly in all Indian and other sweet dishes it used to give a good flavour and smell

It is also used for widely in pharmacetical sector.

Benefits : Helps to control bad breath, digestive disaster. A whole Cardamon chewed is good for coping with diabetes.

* Spice ------ **Cinnamon (Dolchini)**

Uses : It is used mainly for seasoning food and preparing masalas. It has medicinal used too.

Benefits : It supports natural production of insulin and reduce blood cholesterol.

* Spice ------ **Chilli (Mirch....)**

Uses : It is a main ingredient used for adding hot flavour to the food.

Benefits : The antioxidents present in chilli helps to cope with cholesterol. It also helps burning Calories.

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

## ২০১৮-১৯ বৰ্ষ

পোনপ্ৰথমে সেই সকল মহান ব্যক্তিৰ চৰণত প্ৰণাম জনাইছো যি সকল ব্যক্তিৰ কঠোৰ শ্ৰম আৰু মহান ত্যাগৰ বিনিময়ত জাগীৰোড চহৰৰ মাজ মজিয়াত জাগীৰোড মহাবিদ্যালয়ৰ দৰে এখন শিক্ষানুষ্ঠান গঢ়ি তুলিলে। ২০১৮-১৯ কৰি জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদক হিচাপে বিজয়ী হৈ মহাবিদ্যালয়ৰ উন্নতি হকে সেৱা আগবঢ়াৱলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলো।

অদম্য হেপাহ, কৰ্মস্পৃহা তথা উৎসাহেৰে ২০১৮-১৯ বৰ্ষটোৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বীজয়ী হৈ সাধাৰণ সম্পাদকৰ দৰে এটি গুৰু দায়িত্ব গ্ৰহণ কৰিছিলো। ৩১-১-১৯ পৰা ০৫-০২-২০১৯ লৈ অনুষ্ঠিত কৰা মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' আছিল আমাৰ কাৰ্য্যকালৰ প্ৰথম কাৰ্য্যসূচী আৰু ইয়াক সফলভাৱে পৰিচালনা কৰাতো আছিল উদ্দেশ্য। মহাবিদ্যালয় শিক্ষাগুৰু সকল লগতে ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত অনুষ্ঠানটো সফল হৈ পৰিছিল। অন্তিম দিনা সাংস্কৃতিক অনুষ্ঠান আৰু লগতে বিভিন্ন প্ৰতিযোগিতাত বিজয়ী সকলক বঁটা বিতৰণিৰ দ্বাৰা অনুষ্ঠানটো সফল সমাপ্তি ঘটে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় লগতে শিক্ষক তত্ত্বাৱধায়ক আৰু শুভাকাংক্ষী সকলৰপৰা লোৱা পৰামৰ্শই অনুষ্ঠানটো সফলভাৱে চলাই নিয়াত যথেষ্ট সহায় কৰিছিল।

প্ৰতি বছৰে মহাবিদ্যালয়ত অনুষ্ঠিত কৰি অহা শ্ৰীশ্ৰী সৰস্বতী দেৱীৰ পূজা ভাগত ছাত্ৰ একতা সভাৰ সদস্য সদস্যা আৰু লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলে আগবঢ়োৱা বৰঙণিৰ বাবে তেওঁলোকৰ ওচৰত আন্তৰিক শ্ৰদ্ধা জনাইছো।

ইয়াৰ উপৰি আমাৰ কাৰ্য্যকালত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় খো খো প্ৰতিযোগিতা লেখত লবলগীয়া। য'ত অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উভয়েৰে বহুত দলে অংশ গ্ৰহণ কৰিছিল। অনুষ্ঠানটি সফল কৰি তুলিবলৈ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ সৈতে আমাৰ ছাত্ৰ একতা সভাৰ সদস্য-সদস্যা সকলোৱে অংশগ্ৰহণ কৰিছিল।

বিগত বৰ্ষৰ দৰে ২০১৯ বৰ্ষটোৰ ১৬ আৰু ১৭ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগলৈ শিক্ষালাভৰ বাবে অহা নবাগত সকলক আদৰণি জনোৱাৰ উদ্দেশ্যে দুদিনিয়াকৈ নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হৈছিল। দুদিনীয়া কৈ অনুষ্ঠিত হোৱা অনুষ্ঠানটিত নগাঁও জিলাৰ শঙ্কৰ মাধৱ মহাবিদ্যালয় উপাচাৰ্য্য মহোদয় আৰু মৰিগাঁও জিলাৰ অধীক্ষক মহোদয় উপস্থিত থাকে, তেওঁলোকৰ বহুমুলীয়া ভাষণেৰে সভাখন সাফল্যমণ্ডিত হৈ পৰিছিল।

জাগীৰোড মহাবিদ্যালয় সৰ্বাঙ্গীন ক্ষেত্ৰত আগবঢ়া তাক নুই কৰিব নোৱাৰি যাৰ জলন্ত প্ৰমাণ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড° ভবেন চন্দ্ৰ নেওগ ছাৰ, শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত মহাবিদ্যালয়খনে ভাৰতৰ বিভিন্ন মহাবিদ্যালয়ৰ ভিতৰত ইণ্ডিয়া টুডে চলোৱা এক সমীক্ষা বিগত কেইবাবছৰ ধৰি প্ৰাপ্ত কৰা স্থানেই প্ৰমাণ। ইয়াৰ উপৰিও মহাবিদ্যালয় খনৰ

আভ্যন্তৰিণ তথা আৰু উন্নতিৰ বাবে সৰু বৰ কিছু কৰণীয় আছে এই ক্ষেত্ৰত মই মোৰ ফালৰপৰা যিমান পাৰি সেৱা আগবঢ়াইছো। সাধাৰণ সম্পাদক হিচাপে দায়িত্ব লোৱাৰ পিছৰপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সহযোগিতাৰ মৰ্মে খোৱা পানী ব্যৱস্থাতো উন্নত কৰি তাক নতুনত্ব দিয়া, প্ৰস্ৰাৱগাৰৰ পানী সমস্যা আৰু বিভিন্ন বিভাগত বিকল হৈ থকা বৈদ্যুতিক ফেনবোৰ মেৰামতি কৰি তাক সুব্যৱস্থা কৰি দিছিলো।

সময় গতিশীল। সময়ৰ গতিশীলতাই আমাৰ এবছৰীয়া কাৰ্য্যকালৰ চমু চপাই আনিলে। যদিও মন কৰ্মৰ প্ৰবণতা তথা উৎসাহ আছিল তথাপি সময় উকলি যোৱাৰ বাবে বাস্তবায়িত কৰিব নোৱাৰিলো। অসমাপ্ত কামবোৰৰ পূৰ্ণতা প্ৰাপ্তিৰ বাবে পৰৱৰ্তী ছাত্ৰ একতা সভালৈ দায়িত্ব অৰ্পণ কৰিলো। বিশ্বাস তেওঁলোকে এই দায়িত্ব সুচাৰুৰূপে পালন কৰিব।

মোৰ এই এবছৰীয়া কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন ধৰণেৰে দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহাদয় ড° ভবেন চন্দ্ৰ নেওগ ছাৰ, মোৰ শিক্ষয়িত্ৰী তত্বাবধায়ক অঞ্জনা দত্ত বৰুৱা মেম, উপাধ্যক্ষ তুলসী কুমাৰ বৰদলৈ ছাৰ, ড° হেমকান্ত চুতীয়া ছাৰ, মোৰ বিভাগীয় মুৰব্বী নাৰায়ণ কাফলে ছাৰ লগতে বিশ্ব ছাৰ সকলোলৈকে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ। লগতে বিভিন্ন কাৰ্য্যত মোক বিশেষভাৱে সহায় কৰা সন্মানীয় ছাত্ৰ একতা সভাৰ সভাপতি ৰক্তিম দত্ত ডাঙৰীয়া আৰু উপসভাপতি অভিনব ডেকা ডাঙৰীয়া প্ৰমুখ্যে সকলো সদস্য-সদস্যাৰ লগতে সকলো ছাত্ৰ-ছাত্ৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ মাজতে হয়তো কাৰ্য্য কাল চলাই নিয়োতে কিছু ভুল ভ্ৰান্তি হৈছিল তাৰ বাবে যেন ক্ষমা কৰিব দিয়ে। অৱশেষত মহাবিদ্যালয় খনৰ সৰ্বাঙ্গিন উন্নতিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত উজ্জ্বল কামনা কৰিলো। সকলো ছাত্ৰ-ছাত্ৰীকে মহাবিদ্যালয়ৰ একোজন সদস্য বুলি ভাবি ছাত্ৰ- একতা সভাৰ সদস্য-সদস্যা সকলৰ সৈতে একক ভাবে কাম কৰি যাব বুলি আশা ৰাখিলো।

জয়তু জাগীৰোড মহাবিদ্যালয়
জয় আই অসম।

**পূৰ্ণমণি ডেকা**
সাধাৰণ সম্পাদক, ২০১৮-১৯

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

২০১৯-২০ বৰ্ষ

জয় জয়তে যিসকল মহান ব্যক্তি তথা বুদ্ধিজীৱীয়ে নিজৰ অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি এই মহান অনুষ্ঠান গঢ় দিলে সেইসকল ব্যক্তিলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ লগতে অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-একতা সভাৰ সমূহ বিষয়ববীয়ালৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ সমূহ ন-পুৰণি শিক্ষাৰ্থীক আন্তৰিক অভিনন্দন জনালোঁ। মোৰা ২০১৯-২০ বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদিকাৰ দায়িত্ব প্ৰদান কৰি সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সকলোৰে ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।

জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে দায়িত্ব গ্ৰহণ কৰো ২০২০ বৰ্ষৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত। এই কাৰ্যকালত সম্পাদিত হোৱা কাৰ্য্য সূচীসমূহৰ এটি খতিয়ান দাঙি ধৰা হ'ল।

**কাৰ্যসূচীসমূহ ঃ**

**সৰস্বতী পূজা ঃ**

কাৰ্যকালৰ প্ৰথমটো কাৰ্যসূচী আছিল বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজা। এই পূজাভাগ আমাৰ ছাত্ৰ একতা সভাৰ সকলো সদস্য আৰু মাননীয় শিক্ষাগুৰুসকলৰ সহযোগিতাত সুন্দৰভাৱে সম্পাদন কৰা হয়। প্ৰায় 76, 329/- টকা পূজাভাগত খৰছ হয়।

**মহাবিদ্যালয় সপ্তাহ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন পাৰদৰ্শিতা প্ৰদৰ্শনৰ ক্ষেত্ৰ মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহ পাঁচদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। ইয়াৰ সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় এক ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰাৰ যোগেদি। সমূহ জাগীৰোডবাসী ৰাইজে এই শোভাযাত্ৰাৰ ভূয়সী প্ৰশংসা কৰে। অন্যান্য সাংস্কৃতিক শিতানত বিভিন্ন সঙ্গীত প্ৰতিযোগিতা, নৃত্য প্ৰতিযোগিতা, সাজ-পাৰ প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা আদিৰ লগতে আন আন প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়। মুকলি সভাৰ দিনা পুৰা বঁটা বিতৰণ কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ শ্ৰীযুত ড° পৱন গগৈ দেৱ। সন্ধিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা মনোমোহা সাংস্কৃতিক অনুষ্ঠান সফলতাৰে ৰূপায়ন কৰা হয়। এই সাংস্কৃতিক অনুষ্ঠানত প্ৰায় 56, 125/- টকা খৰছ হয়।

**নৱাগত আদৰণি অনুষ্ঠান ঃ-**

কৰ'না ভাইৰাছ (Covid-19) সংক্ৰমণৰ কাৰণে এই বৰ্ষৰ নৱাগত আদৰণি অনুষ্ঠান কৰিব পৰা নগ'ল। বিভাগীয় সম্পাদিকা হিচাপে এই অনুষ্ঠানটো অনুষ্ঠিত কৰিব পৰা নগ'ল বাবে মই সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰুসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগদেৱে এই দায়িত্ব অৰ্পণ কৰি সেৱা

আগবঢ়োৱাৰ সুযোগ দিয়াৰ লগতে তেখেতৰ সু-পৰামৰ্শ আৰু সহযোগিতাৰ বাবে কৃতজ্ঞ হৈ ৰ'লো। বছৰটোৰ প্ৰধান কাৰ্যসূচীসমূহৰ উপৰিও আন বিভিন্ন কাৰ্যসূচীসমূহৰ সফল ৰূপায়নত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে আমাক বিশেষভাৱে সহায় কৰে। এইখিনিতে আমাৰ তত্ত্বাবধায়কসকল ক্ৰমে শ্ৰী যুতা ৰন্‌জু গগৈ চুতীয়া, ড° স্মৃতিশিখা ফুকন, ড° লিণ্টন হাজৰীকা, শ্ৰীযুত হিমাংশু হালৈ, শ্ৰীযুত মানস প্ৰতীম নেওগ ছাৰ আৰু শ্ৰীযুত সঞ্জীৱ বুঢ়াগোহাঞি ছাৰলৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

জাগীৰোড মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি এই মহাবিদ্যালয়ৰ বুকুত ভৱিষ্যতেও ছাত্ৰ-ছাত্ৰীসকলে নিজস্ব প্ৰতিভা বিকাশেৰে সমাজৰ এগৰাকী সু-নাগৰিক হ'ব পাৰিব বুলি আশা ৰাখি তেওঁলোকলৈ হিয়াভৰা শুভেচ্ছা যাচিলোঁ।

জয়তু জাগীৰোড মহাবিদ্যালয়
জয় আই অসম।।

**কৃষ্ণামণি মেধী**
সাংস্কৃতিক সম্পাদিকা
২০১৯-২০ বৰ্ষ



# ছবিয়ে কথা কয়





নৱাগত আদৰণী সভা
আৰু


and
In collaboration with
Date - 5th January, 2019


খনীন্দ্ৰ চন্দ্ৰ দাস সোঁৱৰণী


আৰু







আদৰণী সভা
আৰু
অনুষ্ঠান












Charity Activity
"Donation of Winter Cloths
and
Garments Among Needy People"
IQAC and Extension Activity Cell


INDUSTRIAL
CONCLAVE


"Webpage Designing"
Jagiroad College
E&ICT Academy, IIT Guwahati
IQAC, Jagiroad College


Employee Empowerment Program
"Training on Enhancing Comput
IQAC, Jagiroad College
Date : From 1st to 5th January, 2019


Charity Activity
"Donation of Winter Cloths
and
Garments Among Needy People"
Under Unnat Bharat Abhiyan
IQAC and Extension
Cell
Jagiroad College
Madhupur Village
January, 2019


1st Batch Students of
under
B. Voc. Degree
Acting &






ভাগৱত আৰু সাংস্কৃতিক শোভাযা


মহাবিদ্যালয় সপ্তাহ
FAKE NEWS


DINGIRA




সাংস্কৃতিক শোভাযাত্ৰা
মহাবিদ্যালয় সপ্তাহঃ- ২০১৯
গামোছাৰ(একাদশ শ্ৰেণীৰ কলাশাখা)
দিনাংকঃ- ০২-০২-২০১৯





জাগীৰোড মহাবিদ্যালয়
মহাবিদ্যালয় সপ্তাহ
বঁটা বিতৰণী সভা




WORKSHOP ON


WORLD BLOOD DONOR DAY
BLOOD DONATION CAMP
On the occasion of
World Blood Donor Day
Objective: Blood for needy Cancer Patient of
DR. B.BARUAH CANCER INSTITUTE , GUWAHATI
Organised by:


















EXPOSURE VISIT
TO
IIT, GUWAHATI AND REGIONAL SCIENCE CENTRE, KHANAPARA
FOR THE PARTICIPANTS OF SUMMER WORKSHOP (HANDS ON) ON
"MOTIVATION TOWARDS SCIENCE EDUCATION"
FROM : 11- 18 JULY, 2019
ORGANISED BY
IQAC JAGIROAD COLLEGE
UNDER STAR COLLEGE SCHEME GRANT OF DBT, GOVT. OF INDIA
DATE- 28th AUGUST, 2019




Day
Unity
Organised by
iroad College
occasion of 144th
NNIVERSARY OF
LLABHBHAI PATEL
31st October, 2019













STUDENTS' ACTIVITY CENTRE






BLOOD DONATION CAMP


CAMPUS CLEANING
PROGRAMME




Inaugurator & Guest of




Dr. Deepak Ma













jagiroad college magazine

# জাগীৰোড মহাবিদ্যালয় আলোচনী

প্ৰচ্ছদ সজ্জা ঃ মনজিৎ ৰাজখোৱা